
KING RUDRA SINGHA, 1696-1714 A.D.,

RECEIVING THE HOMAGE OF THE RAJAS OF CACHAR AND JAYANTIA.



শ্ৰীশ্ৰীযু: ৰুদ্ৰসিংহমহাৰাজা

FROM SANKHACHURA-BADH 1726 A.D.

D. H. A. S., ASSAM.

জয়ন্তীয়া বুৰঞ্জী

জয়ন্তীয়া আৰু অসমৰ ৰাজনৈতিক সম্পৰ্কৰ বুৰঞ্জী । কাছাৰ, খৈৰাম আৰু ভোটানৰো কিছু কথাৰে সৈতে । পুৰণি সাঁচিপতীয়া অসমীয়া বুৰঞ্জী পুথিৰ পৰা উদ্ধৃত ।

JAYANTIA BURANJI

or

A Chronicle of Jayantia, with chapters on the political relations of Assam with Cachar, Khyrim and Bhutan.

With Marginal a, Introduction and Synopsis.

Collated from old Assamese Manuscript Chronicles.

Edited by
Rai Bahadur S. K. Bhuyan, M.A., B.L.

With an Introduction by
S. K. Dutta, B.A. (Cal.), B.Sc. (Lond.),
Barrister-at-Law,
Honorary Assistant Director of the Department of Historical and Antiquarian Studies for the Brahmaputra Valley Division.

Published by the
Government of Assam in the
Department of Historical and Antiquarian Studies.

1937

Foreign 2s. 3d.] [Price Rs. 1-8.

Published by the

GOVERNMENT OF ASSAM IN THE
DEPARTMENT OF HISTORICAL AND ANTIQUARIAN STUDIES,
NARAYANI HANDIQUI HISTORICAL INSTITUTE,
GAUHATI, ASSAM.

প্ৰকাশক ।—অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ।
ডিপাৰ্ট্‌মেণ্ট্‌ অব্‌ হিষ্টৰিকেল্‌ এণ্ড
এণ্টিকোৱেৰিয়ান্‌ ষ্টাডিজ্‌, আসাম ।

FIRST EDITION, SEPTEMBER, 1937.

PRINTED BY
The Superintendent, Assam Government Press,
SHILLONG.

Preface

The present publication has been compiled and edited on the lines which were adopted in case of the other similar publications of this Department. The work was executed under the supervision of Rai Bahadur, Professor S. K. Bhuyan, M.A., B.L., the Honorary Provincial Director of the Department, who sent it to the press before he left for England on study leave. The English Synopsis also is mainly the work of the Rai Bahadur and to me fell the task of writing the Introduction and preparing the prefatory matter.

The bulk of the text has been taken from two manuscripts obtained from the family of the late Srijut Hemchandra Goswami. The other sources from which the Buranji has been compiled are a manuscript supplied by the Ahom Juvak Sanmilani, Gauhati; an article in the *Assam Bandhu*, Vol. I, Part IX ; and a *Katakî Buranji* and an Assamese Buranji obtained from Srijut Anandaram Gohain, B A., of Marigaon, Nowgong. Assam, and Srijut Saratchandra Goswami, B.A., of Gauhati respectively.

The publication of an ancient manuscript is an arduous task involving closest study and scrutiny and the two assistants of this Department Srijut Basudeb Misra, B L., and Srijut Madhabchandra Barooah deserve congratulations for the efficiency shown by them in the matter of the collation of the text and the revision of the proofs. Thanks are also due to Srijut Taranath Chakravarty Kavyavinode, who corrected certain Sanskrit portions of the text.

Narayani Handiqui
Historical Institute,
GAUHATI, ASSAM.
July 8, 1937.

S. K. DUTTA,
Honorary Assistant Director of Historical and Antiquarian Studies for the Brahmaputra Valley Division.

ORIGINAL SOURCES OF 'JAYANTIA BURANJI'

The following original sources have been laid under contribution in the collation of the text of *Jayantia Buranji.* The figures in the right-hand margin refer to the paragraphs of *Jayantia Buranji.*

	Paragraphs
1. **Assam Buranji**, a detailed chronicle of the Assam-Kachari and Assam-Jayantia relations; with notices of Cooch Behar. Obtained from Srijut Saratchandra Goswami, B.A., Gauhati...	1—18
2. **Assam Buranji,** a complete chronicle of the Jayantias. Obtained from Srijut Saratchandra Goswami, B.A., Gauhati...	5—19
3. **Assam Buranji,** an Assamese chronicle dealing with miscellaneous events, *e.g.,* origin of the Kacharis, Jayantias, Naras, Chutias, etc. Obtained from the Ahom Juvak Sanmilani, Gauhati	20—25
4. **Assam Buranji,** Source No. 2.	26—246
5. **Assam Buranji,** Source No.1.	29—100, 247—268
6. **Assam Buranji,** Source No.2.	269—283
7. **Assam Bandhu,** Vol. I, Part IX: Reception of Khyrim envoys at the court of King Gaurinath Singha.	284—291
8. **Kataki Buranji,** dealing with the reception of Bhutia and Jayantia envoys at the court of King Kamaleswar Singha. Obtained from Srijut Anandaram Gohain, B.A, Marigaon, Nowgong, Assam	292—315
9. **Assam Buranji,** an account of Khora Raja to Rudra Singha with historical letters relating to Cooch Behar, Jayantia and Gauda Obtained from Srijut Saratchandra Goswami, B A, Gauhati	316—343

সূচীপত্ৰ।

জয়ন্তীয়া বুৰঞ্জী।

আহোম আৰু জয়ন্তাৰ লেনদেন।

INTRODUCTION

The faint outline of the political history of Assam is by degrees being filled in and the publication of the *Jayantia Buranji* by the Department of Historical and Antiquarian Studies, Assam, takes us one step further in gleaning the scattered materials for a complete history of the province. It is one of those *buranjis* which constitute the monumental series of Assamese chronicles dealing with the political relations of the Ahom Government with other states and as such it has been called "Chronicle of Political Relations" and in Assamese, "Kataki Buranji." In a *buranji* of this kind we not only get an elaborate account of the political relations of the Ahom kingdom with other states and a legendary account of the origin of the latter, but it also throws light on various political events as well as on the social manners and customs of the time. Hence, though only a chronicle of political relations, it is hoped, nevertheless, that the *Jayantia Buranji* will be found to contain informations which are essential to a grasp of the history of the ancient kingdom of Jayantia about which our knowledge at present is very meagre.

The kingdom of Jayantia included the Jayantia Hills and a plains country to the south of these hills extending as far as the Surma river The former was the ancestral home of the Jayantia kings and the plains country was annexed at a later period. But it was the latter tract which was first known as Jayantia and which is mentioned in the Pauranik literature as reputed for its shrine of Jayanti Devi.

There is a tradition that in very ancient times Jayantia was ruled by a dynasty of Brahmanical rulers, the last four of whom were Kedareswar Rai, Dhaneswar Rai, Kandarpa Rai and Jayanta Rai Jayantia is supposed to be the "female kingdom" which is mentioned in the *Mahabharata* and against which Arjuna is supposed to have fought. We have absolutely no knowledge as to the rise and fall of this ancient kingdom but it may be conjectured that like so many Hindu kingdoms of the distant past, it was blotted out of existence by some hill chief who swooped down with his followers and established themselves there.

Mr. Gait in his *History of Assam* suggests that it was Parbat Rai who, though perhaps not the founder of the dynasty, extended the Jayantia kingdom to the plains. The name Parbat Rai, "the Lord of the Hills" confirms this suggestion as this name was very likely to have been given by the plains people to the hill chieftain who conquered their territory.

The tract which used to be the plains country of the Jayantia kingdom is at present inhabited by Hindus and Moslems whereas the hill portion is inhabited by a Khasi race which is called Synteng by their brethren who live in the Khasi hills. In our chronicle two fables are given as to the origin of the name " Khasi," but whatever might be its origin, there is not the slightest doubt that the Khasis and the Syntengs are one people, speaking a common language.

But more difficulties arise when we find in several places of the chronicle that the name Garo is being used while speaking of the Jayantias, and of the inhabitants of Khyrim.

Many authorities agree that the Khasis and the people who are at present known as Garos are quite distinct races. In his Introduction to Major P. R. T. Gurdon's *Monograph on the Khasis* Sir Charles Lyall makes the following remarks :—" Dr. Buchanan-Hamilton, who spent several years at the beginning of the nineteenth century in collecting informations regarding the people of Eastern India, during which he lived for some time at Goalpara in the Brahmaputra Valley, confused the Khasis with the Garos and his descriptions apply only to the latter people. The name Garo, however, is still used by the inhabitants of Kamrup in speaking of their Khasi neighbours to the south and Hamilton only followed the local usage."

Sir J. Bamfylde Fuller* is also of opinion that though the Khasis have intermarried with certain Garo tribes, they are of an entirely different origin. Sir Bamfylde thinks it possible that the Garos have copied from their near neighbours the Khasis, the system of matriarchate which forms so peculiar a feature of the social organisation of both the tribes.

Linguistic evidence is also produced by many in support of the conclusion that the Khasis and the Garos are two distinct races. The Khasi language is treated as an important member of the Mon-khmer family whereas the Garo language belongs to the Tibeto-Burman family. In Dr. Grierson's *Linguistic Survey of India, Volume II*, the Khasis are regarded as forming an island of Mon-khmer origin, standing out amidst seas of alien peoples.

The supporters of the above conclusion further strengthen their arguments by pointing out that the Garos do not seem to be akin to the Khasis in their customs or beliefs.

It, however, cannot but strike us as most extraordinary that, though surrounded by patriarchal people, we find very perfect examples of the matriarchal system among the Khasis and the Garos only. In every phase of Khasi or Garo life the strong influence of the matriarchate can be seen. The Khasis and the

---

* *See* Introduction to the *Monograph on the Garos* by Mr. Playfair.

Synteng laws of inheritance are practically the same and inheritance is transmitted through the mother. Among the Garos also no man can inherit property and inheritance is confined to the female line. It is very difficult to believe that the Garos simply copied from the Khasis, a system which forms the very life-blood of their social organisation. Strangely enough, the Kacharis who are believed to have originally belonged to the same stock as the Garos, differ from the latter in respect of the matriarchal system, though both the races occupy regions not far from each other. Moreover, linguistic evidence is no proof of a race and differences in customs or beliefs can be explained by the fact that they are always influenced by those of the earlier or neighbouring races. We have been told that the Khasis and the Garos have intermarried freely. The well-known Khasi scholar Mr. R R. Thomas, M.A., B.L., P.R.S., once suggested to me that this might be a psychological test of the affinity of the two tribes It may be, that we may some day discover some sort of link between the Khasis and the Garos In this respect, we may keep up a judicious mind, ready to change our convictions in the light of new materials that might be forthcoming from time to time.

The Khasis are very rich in legends and tales of many kinds. In our Buranji, we have three versions of a legend explaining the origin of the Jayantia kings after the Brahmanical ruler Jayanta Rai In all the versions we get a clear reference to the important institution of matriarchate. In the legend, Jayanti Debi directs that succession to the throne of Jayantia should be through the female line. This legend is surely more in keeping with the above mentioned institution than the legend narrated by Dr. Wade in his *Account of Assam* where Jayanti Debi directs that Bargohain's son should succeed him and in default of sons in the male line, the sons of the female line should come in. Our Assamese chronicler is careful enough to remark that Jayanti Debi was the founder of the Jayantia kingdom and hence succession in Jayantia is through the female line, whereas, it is the king's son who succeeds to the throne in other countries.

At the very outset of our Buranji three possible lists of the Jayantia kings are given ; but the names mentioned there do not seem to be in chronological order. The Buranji mainly deals with Jayantia-Kachari relations during the reigns of the Jayantia Kings Dhan Manik and Jasa Manik, and Ahom-Jayantia relations from the reign of the Ahom King Pratap Singha to that of Rudra Singha.

Dhan Manik became involved in war with the Kachari King Jasa Narayan. Bhimbal Konwar, the Kachari Commander-in-Chief, who had defeated the Musalmans, also defeated the

Jayantia King and made him a prisoner. Dhan Manik however escaped after a time and made peace with the Kachari King by sending his sister and nephew Jasa Manik as hostages. On the death of Dhan Manik Jasa Manik was released and became king of Jayantia It may be noted here that in another chronicle, portions from which have been published as additional matter in our Buranji, we are told that the Jayantia King who suffered defeat in the hands of the Kacharis and was taken prisoner, was Jasa Manik.

Jasa Manik became determined to take revenge on the Kacharis and thought out a plan to invoke the aid of the powerful Ahoms He offered his daughter to the Ahom King but requested that she should be conveyed through the Kachari country The Kachari King refused a passage through his kingdom and consequently a war broke out between the Ahoms and the Kacharis Through an artifice of the Kachari Commander the Ahom army was routed and its Commander Sondar Gohain was killed As mentioned already the former also defeated the Muhammadans and he did so through a sheer trick. The Muhammadan Commander Jamal Khan was led to believe that the Kacharis were anxious for his friendship and was persuaded to wait for valuable presents from them in tead of advancing against their country Then one night the Kacharis suddenly pounced upon the Muhammadan army and taking them quite at unawares thoroughly defeated them Jamal Khan himself was slain The history of Assam is full of trickeries in battles and it appears that the Assamese princes and generals fully believed in the Machiavellian doctrine that on the battle field justice must go down before force and strategy.

The Ahom King was very sore for the defeat of Sondar Gohain and the Kachari King added insult to the injury by sending a message that he had preserved Sondar Gohain's head which could be taken away if it was needed for religious rites. But in the meantime the Muhammadans attacked the kingdom of the Ahom King and he naturally did not want another battle with the Kacharis So he saved his face by informing the Kachari King that Sondar Gohain was acting without authority in attacking the Kacharis and hence they acted properly by killing him He also requested the Kachari King not to be displeased.

But the friendship with the Ahoms which was thus established by Jayantia with a view to punish the Kacharis, did not last long. During the reign of Jayadhwaj Singha, a trader who was a subject of the Ahom King was seized under the orders of the Jayantia King Jasamanta Rai He was subsequently released but his property was not restored to him under the plea that the trader was not a subject of the Ahom King as the latter did

not write for the property This led to reprisals by the Ahoms who closed the market places for the Jayantia traders, some of whom were even made prisoners at Sonapur

After a time however friendly intercourse was re established and several friendly letters were exchanged and envoys deputed during the reign of the Ahom King Chakradhwaj Singha

On the death of Jasamanta Rai Man Singha became the king of Jayantia and Udayaditya Singha ascended the throne of the Ahom kingdom about that time But within a few months Man Singha was killed by Pratap Singha who came from Bengal and thus seized the throne of Jayantia

Pratap Singha demanded Dimurooa from the Ahoms and despatched an ambassador with a letter to the Ahom King But in the meantime he was deposed and killed by Lakshmi Singha who became king of Jayantia The Ahom King refused to read the letter from a dead king and sent back the ambassador Lakshmi Singha however soon sent envoys demanding Dimurooa but the Ahoms refused to concede it on the ground that Dimurooa was conquered by them from the Moghals. This demand was often repeated during Lakshmi Singha's reign but the Ahoms flatly refused to give up the place

Lakshmi Singha was succeeded by Ram Singha During his reign the Ahom King Rudra Singha invaded the Kachari kingdom of Tamradhwaja who fled to Khaspur From there he was taken a prisoner by Ram Singha who at first pretended friendship with him and promised to make a common cause against the A[illegible] Tamradhwaja prayed for help from the Ahoms who demanded his release but it was refused Two a[illegible]s were therefore despatched, one under the Barbarua and the other under the Patra Barphukan All resistance was overcome and Ram Singha had to submit and surrender Tamradhwaja In the *Kachari Buranji* published by this Department we get an interesting episode in which we are told that the Barbarua decorated his camp at Narteng and led the Jayantia Raja to believe that a beautiful princess was being brought for him The Raja accompanied by the Kachari prince proceeded to meet the Barbarua and both of them were made prisoner They were brought to the Ahom kingdom and were received by Rudra Singha at a durbar at Biswanath Tamradhwaja readily paid his homage to the Ahom King but the attitude of Ram Singha was at first one of insubordination and this is well depicted in the frontispiece picture where he is shown to have turned his face in a spirit of defiance So glorious was the victory of Rudra Singha over Jayantia that it led the Thanadar of Sylhet to send envoys to the Ahom court with friendly letters In his introduction to the *Kachari Buranji*, Rai Bahadur Professor S K Bhuyan points out that Rudra Singha's subjugation of Cachar and

Jayantia was part of a bigger scheme to invade the territories of the Moghals. The following lines are quoted from a manuscript chronicle of Tripura, which has been recovered from the British Museum, London, and which is going to be published shortly by this Department,—" King Rudra Singha having subjugated Jayantia and Cachar initiated measures to invade the territories of the Bangals or Moghals."

Ram Singha died before he could be sent back to Jayantia and Bar Konwar was set up as his successor.

Our chronicle ends with the reign of Siva Singha during which Gova, Neili and Kholla were invaded and conquered. Towards the end of the chronicle there is a small chapter narrating the reception of Bhutanese and Jayantia envoys at the court of Kamaleswar Singha. Commercial transactions between Assam and Bhutan existed from very ancient times and the Ahom kings also received annual tributes in kind for certain low lands near the Bhutan hills. The messengers from Bhutan were known as " Zeen coups " and they naturally came from the Deb Raja, the Prime Minister, who is the head of the government in Tibet, while the Dharma Raja is only the spiritual head and the sovereign prince who has no authority with regard to the internal government of the country or its foreign relations.

There are also a couple of chapters on Ahom-Khyram relations during the reigns of Rudra Singha and Gaurinath Singha. I think Khyram refers to Khyrim which is still one of the important Khasi states ruled by a Siem In some very ancient documents we get a mention of the State of Khyram, the chief of which used to be called a Raja by the plains people. It is said that he resided at Nokshee and his palace was built on a hill around which flows the Barpanee.

During the reign of King Rudra Singha, there were strained feelings between Khyram and Dimurrooa over the detention of a trader by the latter. In order to prove the pre-eminence of the Ahom kingdom, it was desirable that the neighbouring small kingdoms sought its blessings and the Barphukan at once took this opportunity of enhancing the prestige of the Ahom kingdom by making Khyram voluntarily seek the friendship of the Ahoms. Through his instructions, the Duaria, who used to guard the border between Khyram and the Ahom kingdom, so contrived as to make the former send envoys to the Ahom court. When they arrived, they were assured of sure consideration of their proposals of friendship.

Envoys from Khyram came also during the reign of King Gaurinath Singha who directed that they should be well received as they came from a foreign country. The Barphukan accordingly

made arrangements to receive them formally and the pomp and grandeur of the ceremony are described in all its details in the Buranji

The several letters which were exchanged between the Ahom and the Jayantia courts make a very interesting reading The language used in them is no doubt stereotyped, but they throw some light on the general political condition of the country. Even a casual look at them reveals a general characterstic, *viz* they stressed the friendship which existed between the two kingdoms for several decades "Gargaon and Jayantia are not two places, they are but one The sun may rise in the west, the river Brahmaputra may flow upwards, the crows may become white, but the friendship between these two kingdoms will remain in tact '

It appears that our unknown chroniclers were people intimately connected with the political circles of the day They have recorded here and there the motives behind various political moves and hinted at certain diplomatic wire-pullings. They describe the royal durbars with so much accuracy that I am almost inclined to take them as eye-witnesses of those ceremonies We may be sure that the chronicles from which our Buranji has been compiled are much more authenticated documents than works of ordinary chroniclers who often base their writings on unreliable testimony or hearsay evidence

I shall close my remarks by pointing out that the Jayantia kings were Hindus and the influence of Hinduism is very marked even among the inhabitants of the Jayantia Hills Many of these hill people, though animists, observe Hindu rites and customs and some of them worship the goddess Kali We know from the legends that Jayanti Debi, who has come to be worshipped as a tutelary goddess of the Jayantia people, is looked upon as an incarnation of Durga

The kingdom of Jayantia was annexed to the British territories in the year 1835 in consequence of some British subjects having been sacrificed at the shrine of Kali at Jayantia and of the refusal of the Raja to surrender the culprits The portion of the territory lying in the plains was first annexed and the Raja voluntarily resigned the hill portion

There is no doubt that the practice of human sacrifice was carried on in Jayantia from very ancient times It appears that human sacrifices were offered every year at the Kali shrine, in the Faljur Pargana and occasionally at the shrine

of Jayanteswari at Jayantipur.* We know that in ancient times human sacrifice was also in vogue in Cooch Behar and Tripura and the Kacharis used to offer human sacrifice before the Kechaikhati Gosani in the Sadiya temple.**

S. K. DUTTA,

Naravani Handiqui Historical Institute, GAUHATI, ASSAM. *July 10, 1937.*

Honorary Assistant Director of Historical and Antiquarian Studies for the Brahmaputra Valley Division.

---

* For a vivid description of human sacrifices in Jayantia, *see* Mr Gait's account in the *Journal of the Asiatic Society of Bengal, Volume I of 1898*

** *Vide Kachari Buranji* published by the Department of Historical and Antiquarian Studies, Assam paragraphs 264-265.

নিবেদন।

অসম ৰাজ্যৰ লগত এসময়ত অতি ঘনিষ্ঠতা থকা জয়ন্তীয়া ৰাজ্যৰ বিষয়ে আমি প্ৰায় একোৰেই নাজানোঁ বুলিলে বঢ়াই কোৱা নহয়। খাচীয়াসকলৰ কোনো বুৰঞ্জী নাই, যৰ পৰা আমি খাচীয়া বা জয়ন্তীয়া ৰাজ্যৰ বিষয়ে জানিব পাৰোঁ। গতিকে এই ৰাজ্যৰ বিষয়ে আমাৰ জ্ঞান অতি অলপ। অথচ অসমৰ বুৰঞ্জীত এই ৰাজ্যক যথাযথ স্থান নিদিলে সেই বুৰঞ্জীয়ে সম্পূৰ্ণতা লাভ কৰিব কেতিয়াও নোৱাৰে। অসম আৰু জয়ন্তীয়াৰ মাজত সম্পৰ্ক কেনেকুৱা আছিল তাক দুই ৰাজ্যৰ মাজত চলা ৰাজনৈতিক চিঠি-পত্ৰবিলাকৰ পৰা বঢ়িয়াকৈ বুজিব পাৰি। "গড়গ্ৰাম জয়ন্তী দুই নাহয়, এক ঘৰ প্ৰায় চলিয়া যাইতেছে। সূৰ্য্য পূৰ্ব্ব ছাড়িয়া পশ্চিমে উদয় হৈব, লৌহিত্য পূৰ্ব্ব দিশক চলিব, বক-কাকে আপোনাৰ পূৰ্ব্ব বৰ্ণ এৰি বিবৰ্ণ ধৰিব, তথাপি আমাৰ তোমাৰ মিত্ৰ ভাৱৰ সম্বন্ধ প্ৰীতি ভোগাই খণ্ডিত নহৈব।" এনেবিলাক কথা প্ৰায়বিলাক চিঠিতেই পোৱা যায়। যেতিয়া অসম ৰাজ্য মোগলে আক্ৰমণ কৰিছিল জয়ন্তীয়াৰ চিঠিত অসমলৈ জয়ন্তীয়াৰ টান ফুটি ওলাইছিল। "বঙ্গাল তোমাৰ শত্ৰু আমাৰ শত্ৰু। এক বুদ্ধি কৰি যেমনে শত্ৰুক নিৰ্য্যাতন কৰিবাক পাৰি তাকে কৰিবাই।" অসম ৰজাৰ প্ৰতি জয়ন্তীয়া ৰজাৰ ভেজ-নমস্কাৰ টানো কম নাছিল। কেবাজনাও জয়ন্তীয়া কুঁৱৰী অসমৰ ৰজালৈ দিছিল।

বৰ্ত্তমান গ্ৰন্থৰ পৰা আমি জয়ন্তীয়াৰ আহোম ৰাজ্যৰ লগত ৰাজনৈতিক সম্পৰ্কৰ বিষয়েহে জানিব পাৰোঁ। আহোম-খৈৰামৰ সম্বন্ধেও দুটিমান আখ্যা ইয়াত আছে। এনে ধৰণৰ বুৰঞ্জীক "কটকী বুৰঞ্জী" বোলা হৈছে। কটকীসকলৰ গমনাগমনৰ আৰু তেওঁবিলাকে অনা-নিয়া কৰা চিঠি-পত্ৰাদিৰ বিষয়ে আমি ইয়াত বিস্তৃত বিবৰণ পাওঁ। এনে ধৰণৰ বুৰঞ্জীৰ পৰা সমসাময়িক ৰাজনৈতিক অৱস্থাৰ কথাও ভালদৰে অনুমান কৰিব পাৰি, আৰু জয়ন্তীয়াৰ বিষয়ে লিখা ইতিহাসৰ অভাৱো এনে ধৰণৰ কটকী বুৰঞ্জীয়ে কিছু দূৰ পূৰাব পাৰে।

এই বুৰঞ্জীত যি যি কথা আছে তাক ইংৰাজী পাতনিত ফঁহিয়াই দেখুৱা হৈছে। ইয়াৰ অন্তৰ্গত গোটাচেৰেক আখ্যান মাত্ৰ চুম্বক কৰি তলত দিয়া হ'ল। এনে ধৰণৰ আখ্যান বিলাক গল্প, নাটক, উপন্যাস আদিৰ ভাল সঁজুলি, আৰু অসমীয়া লিখকসকলে এইবিলাকৰ সদ্ব্যৱহাৰ কৰিব বুলি আশা কৰিলোঁ।

জয়ন্তীদেৱীৰ কথা।—জয়ন্তীয়াৰ ব্ৰাহ্মণ ৰজা জয়ন্তৰায় অপুত্ৰক আছিল। তেওঁ পুত্ৰ কামনা কৰি গৌৰীক আৰাধনা কৰিলে। গৌৰী তুষ্ট হ'ল আৰু তেওঁক সপ্নত আদেশ কৰিলে যে,—" বিধাতাৰ নিৰ্ব্বন্ধন হেতুকে মই তোক পুত্ৰ দিব নোৱাৰোঁ। তেওঁ যে মোক উপাসা কৰিলি মঞি তোৰ কুশলক সাধি গৃহত এক অংশে জন্মিম।" কিছু দিনৰ পাচত ৰজাৰ ঘৰত সৰ্ব্বসুলক্ষণা কন্যা এটী জন্মিল। কন্যাৰ নাম থোৱা হ'ল জয়ন্তীদেৱী। সেই কন্যা ডাঙৰ হ'লত ৰাজপুৰোহিতৰ লৰা সৰ্ব্বগুণাকৰ পণ্ডিত লাণ্ডাবৰৰ লগত বিয়া দিলে। জয়ন্তৰায় বুঢ়া হ'লত তেওঁৰ কন্যা জয়ন্তীদেৱীক ৰাণীসিংহ নাম দি ৰাজ্য গতাই নিজে দেৱীক চিন্তি দেহ ত্যাগ কৰিলে। জয়ন্তীদেৱীৰ নগৰৰ নাম জয়ন্তীপুৰ হ'ল। পাচে লাণ্ডাবৰে ভদ্ৰকালী ব্ৰত আৰম্ভ কৰিলে। কিন্তু ব্ৰত সাঙ্গ নোহওঁতে ব্ৰতভ্ৰষ্ট হোৱাত দেৱীয়ে 'মহাম্লেচ হো' বুলি লাণ্ডাবৰক শাপ দিলে। তেতিয়াৰ পৰা লাণ্ডাবৰে আচাৰ-ধৰ্ম্ম এৰিলে। এদিন লাণ্ডাবৰে জয়ন্তীদেৱীক অশুচি অৱস্থাত সম্ভোগ কৰাত দেৱীয়ে ক্ৰোধ কৰি তাক ঘৰৰ পৰা খেদি দিলে। জয়ন্তীদেৱীয়ো স্বামীক খেদি চিন্তাকুল হৈ মহামায়াক চিন্তিব ধৰিলে। দেৱীয়ে স্বপ্নত দেখা দি কলে যে,—" তোৰ পতিব্ৰতা মঞি ৰাখিম, অধমে যিহকে বাঞ্ছা কৰিছে তাকে পাই হেন কৰিম, দুখ নকৰিবি। অশুচি হৱৰ কালত তোৰ দেহৰ পৰা ছায়া-প্ৰতিবিম্ব কন্যা এটা জলত প্ৰৱেশ হব, সেই কন্যা বৰালি মাছে খাব। পাচে লাণ্ডাবৰে সুতঙ্গা জুৰিত থোকা পাতি সেই মাছ পাব। তাৰে গৰ্ভৰ পৰা ছায়া-প্ৰতিবিম্ব কন্যা জাত হব, মৎস্যোদৰী নাম থব, তাৰ ঘৰতে থাকিব। সেয়ে সহিতে বসতি কৰিলে তোৰ পতিব্ৰতা ধৰ্ম্ম ৰহিব। মৎস্যোদৰীৰ গৰ্ভে যেখন পুত্ৰ হব তাত ৰাজ্য সমৰ্পণা কৰি তঞি মোক পাবিহৈ, এখন ৰাজ্য পালি থাক।" ইয়াকে শুনি জয়ন্তীদেৱী আনন্দে থাকিল। স্বপ্নৰ কথা মতে

জয়ন্তীদেৱীয়ে অশুচিৰ সময়ত লুতকা ভূৰিত পা ধুলে। দেৱীৰ গাৰ পৰা ছায়া-বিষ পানীত প্ৰৱেশ কৰিলে। ৰবালি মাছে পাই সেই ছায়া-বিষ গিলিলে। সেই মাছ লাংডাৰৰে খোকা পাতি পালে। মাছটো নি সি আৰি থৈ ভাবিলে, মাছ গেলি পোক পৰিব আৰু দিনে দিনে তাকে ভাজি খাব। তাকে ভাজি ওলাই গ'ল। উভতি আহি দেখে যে কোনোবাই ভাগকৈ ভাত-পানী ৰান্ধি থৈছে। তাকে দেখি সি আচৰিত হৈ ভাবিলে যে কাৰ নো তাৰ প্ৰতি তেনে দয়া উপজিল। শেষত সি বনদেৱৰ হে কাম বুলি ধৰিলে। এইদৰে আন দিনাও লাংডাৰৰ ওলাই যায় আৰু উভতি আহি ভাত-পানী পায়হি। লাংডাৰৰ অতি বিস্মিত হ'ল। ইপিনে আৰি খোৱা মাছটোও নেগেলে। তাকে দেখি লাংডাৰে 'কাটি শুকুৱাও' বুলি মাছটো কাটিব খুজিলে; কিন্তু কাটিব খোজোঁতেই তাৰ হাতৰ দা ছিগি ছুডোখৰ হ'ল। লাংডাৰে মাছটো আকৌ আৰি থৈ ওলাই যোৱাৰ ভাও ধৰি ঘৰতে লুকাই ভূমি চাই থাকিল। পাচে মাছৰ পৰা মৎস্যোদৰী ওলাই ঠাই-ঠুই ভাতকৈ আৰম্ভ কৰোঁতেই লাংডাৰে গৈ হাতত খাপ মাৰি ধৰি 'তই কোন' বুলি সুধিলে। মৎস্যোদৰীয়ে কলে,—"তঞি মনে মনে থাক। তোৰ সুখৰ কাৰণেহে আহিছোঁ। তোমো নাই কেও মোমো নাই কেও, দুয়ো ইয়াতে থাকিম। তঞি আজিৰে পৰা আৰাৰে যাব নালাগে, মই সকলো দিম, তঞি সহিতে গৃহবাস কৰিম।" সেই দিনাৰে পৰা লাংডাৰে অবাচিতে সকলো বস্তু পাব ধৰিলে। কিছু দিনৰ পাচত মৎস্যোদৰীৰ গৰ্ভত লাংডাৰৰ লৰা এটা জন্মিল। কেৰা খনো গাৱঁৰ মানুহ-দুনুহ আহি দেশাচাৰ মতে বাদ্য বজাই যন্ত্ৰ-সুমঙ্গল কৰি লৰাটোৰ নাম ৰৰগোহাঁই থলে। সেই দিনাৰে পৰা লাংডাৰৰ অৱস্থা আৰু ভাল হৈ আহিল। সকলোবিলাক গাৱঁৰে লাংডাৰক অধিকাৰী পতা হ'ল, আৰু লাংডাৰেও চুণ্টানপুৰৰ থানাদাৰ মহম্মদ চুণ্টানক মাৰি লাংড চুণ্টান নাম ললে।

ৰৰগোহাঁই ডাঙৰ হৈ দুই-চাৰিখন গাওঁ বশ কৰি স্বতন্ত্ৰভাৱে থাকিল। এদিন ৰৰগোহাঁয়ে চিকাৰী কুকুৰ লগত লৈ পহু চিকাৰলৈ গ'ল। কুকুৰ এটাই বাট হেৰুৱাই জয়ন্তীপুৰ পালে গৈ। জয়ন্তীপুৰৰ মানুহে কুকুৰটো ধৰি ৰাণী-সিংহৰ ওচৰলৈ নিলে। ৰাণীসিংহেও কুকুৰটোক ভাত-পানী খুৱাই পোষৰ

শিকলি লগাই মেলি দিলে। কুকুৰটো যেতিয়া ঘূৰি গৈ বৰগোহাঁইৰ ওচৰ পালেগৈ বৰগোহাঁয়ে তাৰ ডিঙিত সোণৰ শিকলি দেখি সেই ফালে ডাঙৰ ৰাজ্য আছে বুলি আক্ৰমণ কৰিবলৈ আগবাঢ়ি গ'ল। জয়ন্তীদেৱীয়ে এই কথা শুনি "মংস্যোদৰীৰ পুত্ৰ মোৰ ভনীৰহে পুত্ৰ" বুলি সেনাপতিক পঠিয়ালে। সেনাপতিয়ে যুদ্ধ নকৰি বৰগোহাঁইক ধৰি ৰাণীসিংহৰ ওচৰলৈ নিলে। ৰাণী-সিংহে বৰগোহাঁইক সুধিলে যে তাৰ মাক বাপেক কোন। বৰগোহাঁইৰায়ে কলে যে তাৰ মাক মংস্যোদৰী আৰু বাপেক লাণ্ডবৰ। দহ-বিশখন গাঁৱৰ গৰাকী আছিলে, বিধিৰ বিপাকত সেই দিনা চাকৰ হ'ল। সেই দিনাৰে পৰা তাৰ আই বোপাই জয়ন্তীদেৱীয়েই। জয়ন্তীদেৱীয়ে কলে যে মংস্যোদৰীৰ পো বুলি জানিহে তাক ধৰি আনিবলৈ কলে, নহলে মাৰিবলৈ দিলেহেঁতেন। এতিয়া মাকক আনক গৈ। দেখাদেখি হব লাগে। পাছে মংস্যোদৰীক আনাই আশ্বাস দি কলে,—"তোক দেখিবলৈ মোৰ ইচ্ছা আছিল, আজি দেখিলোঁ। বিপদত তই মই দুয়ো ভনী। তঞি মোৰ ধৰ্ম্ম ৰক্ষাৰ কাৰণে সেইদিনা মৎস্যৰ গৰ্ভত জন্মাইলে। এখনো তঞি স্বামী শুশ্ৰূষাকৈ থাক গৈ। আজিৰ পৰা তোক স্বামায়ে সহিতে দশ-বিশখন গাঁৱৰ অধিকাৰী কৰি পোক সহিতে দি বিদাই দিলোঁ।" মৎস্যোদৰীয়েও ৰাণীসিংহক সেৱা কৰি স্বামীৰ দেশলৈ গ'ল। বৰগোহাঁইৰায় ৰাণীসিংহৰ লগতে থাকিল। কিছু দিনৰ পাছত বৰগোহাঁইৰায়ক জয়ন্তীপুৰত ৰজা পাতি জয়ন্তীদেৱী পাতাললৈ গ'ল।

জয়ন্তীদেৱীৰ পূজা।—জয়ন্তীদেৱী যি ঠাইত পাতাললৈ গ'ল বৰ-গোহাঁইৰায়ে খং কৰি সেই ঠাই খন্দাব ধৰিলে। এইদৰে মাটি খানি জয়ন্তী দেৱীক নাপাই বেজাৰ মনেৰে শুলে। পাছে স্বপ্নত জয়ন্তীদেৱীয়ে কলে,— "মোক নাপা, মাটি খান্দি নিবি, তাত তঞি এক তাম পাবি, তাৰে মূৰ্ত্তি কৰি জয়ন্তী নাম দি সেৱা-পূজা কৰি থাকিবি।" বৰগোহাঁইৰায়েও মাটি খানোতে তাম এডোখৰ পাই দেৱীৰ মূৰ্ত্তি কৰি জয়ন্তীদেৱী নাম দি পূজা কৰিছিল। যি ঠাইত জয়ন্তীদেৱী পাতাললৈ গ'ল সেই ঠাইৰ নাম হ'ল মুক্তিপুৰ। আৰু এটা প্ৰবাদ আছে যে স্বপ্নত দেৱীয়ে কলে,—"মাটি খানোতে অষ্ট ধাতুৰ লোহা এডোখৰ পাবি, তাৰে মূৰ্ত্তি কৰি জয়ন্তী নাম দি সেৱা-পূজা কৰি

থাকিব। এতেকে আয়ু-শ্ৰী, যশ-ধৰ্ম্ম সকলো বাঢ়িব। এই দেশত ভনীৰ পোহে ৰজা হব, পাত্ৰৰ পোহে পাত্ৰ হব। যেতিয়া এয়ে নবে আৰু মূৰ্ত্তিও গুচে ৰাজ্য নাশ হব।"

আহোমৰ সৈতে যশমাণিকৰ প্ৰীতিবাঞ্ছা।—জয়ন্তীয়া ৰজা যশমাণিকে কছাৰীৰ প্ৰতাপ সহিব নোৱাৰি স্বৰ্গদেৱৰ সহায় লবলৈ ফন্দি পাতিলে। মনতে ভাবিলে যে কছাৰীক বলেও নোৱাৰে, মিত্ৰতা কৰিও নোৱাৰে। গতিকে স্বৰ্গদেৱে ৰাখিলেহে ৰখা। ইয়াকে ভাবি উকীল পঠাই স্বৰ্গদেৱক ছোৱালী যাচিলে। স্বৰ্গদেৱেও ছোৱালী আনিবলৈ থিৰ কৰিলে। তেতিয়া জয়ন্তীয়া ৰজাই কলে,—"কন্যাহে দিম, সাতগাওঁ তেতেলীগুৰিয়েদি কন্যাক যদি নিয়ে তেহে মঞি আনন্দক পাওঁ।" এই কথা শুনি স্বৰ্গদেৱে তিনিজনা গোহাঁয়েৰে মেল কৰিলে। গোহাঁইসকলে কলে,—"এক দেশৰ সি ৰজা, শৰণাগত হৈ যে কন্যাক দিয়ে আনিবহে লাগে।" এই কথা শুনি স্বৰ্গদেৱে লোকজন দি সোন্দৰ গোহাঁইক পঠালে। কছাৰীয়ে সেই বাটে ছোৱালী নানিবলৈ কলে। স্বৰ্গদেৱেও বাৰ্ত্তা পঠালে,—"কছাৰীয়ে ৰৰকথা মাতিছে, আগবাঢ়ি গৈ কছাৰীক ধৰোক।" সোন্দৰ গোহাঁয়ে দৈয়াঙ্গ পাৰ হৈ কোঁঠ দিলে গৈ। কছাৰী ৰজাই দেখিলে যে জয়ন্তীয়াও শত্ৰু, তাতে সোন্দৰ গোহাঁয়ো আগবাঢ়ি আহিল। গতিকে কিনো উপায় কৰিব পাত্ৰ-মন্ত্ৰীসকলৰ লগত আলোচনা কৰিলে। শেষত পাত্ৰ-মন্ত্ৰীসকলৰ উপদেশ মতে সোন্দৰ গোহাঁইৰ ওচৰত ধৰিবলৈ মন কৰিলে। সেই সূত্ৰে কছাৰীৰ মানুহ-দুনুহ সদায় সোন্দৰ গোহাঁইৰ ওচৰলৈ অহা-যোৱা কৰে। আজি গৈ কয় "হাতী-ঘোঁৰা সজাইছোঁ," কালি গৈ কয় "বস্ত্ৰহে গোটাইছোঁ"। সোন্দৰ গোহাঁয়ে ভীমবল পাত্ৰকে পৱন হাতীকে বিচাৰিলে। কছাৰী ৰজাই উপায় নাপাই দিবলৈ ওলাল। ভীমবল পাত্ৰে কলে,—"আহোমৰ হাতত পৰিলেও মৰা যুদ্ধত পৰিলেও মৰা।" এই বুলি পৱন হাতীৰ আগত পূজা-পতল দিলে। পূজা দি ভাল পালে, কিয়নো হাতীয়ে পূজা-সেৱাৰ বস্ত্ৰ শুঁৰেৰে শিৰত তুলি ললে। ভীমবলে দিন-বাৰ চাই যুদ্ধলৈ বুলি যাত্ৰা কৰিলে। কছাৰীবিলাকে ভাৰ-ভেঁটি লৈ সোন্দৰ গোহাঁইৰ মানুহৰ ওচৰলৈ গৈ ৰাতি দুপৰলৈকে মেল মাৰে আৰু ভিতৰুৱা কথাৰ গম লয়। যি দিনা ৰণ লাগিব, সেই দিনা হিলৈৰ

ভিতৰত ডুবৰিবন ভৰাই মুখত পানী ঢালি থলে। কছাৰীয়ে পৰন হাতী আগত লৈ কোঁঠৰ ভিতৰত সোমাল। সোন্দৰ গোঁহাইৰ মানুহ-দুনুহ নৰিয়া পৰি আছিল। ইফালে হিলৈও নুফুটিল। ফলত কছাৰীয়ে কোঁঠৰ মানুহ দুভাগ মান কাটিলে আৰু সোন্দৰ গোঁহায়ো ৰণত পৰিল। যিজন মানুহে সোন্দৰ গোঁহাইক কাটিলে কছাৰী ৰজাই তাক খং কৰি কলে,—" মোত সুধিহে কাটিব পাৰ ? দেশ-দেশান্তৰৰ পৰা লোকজন অহি দেখিলেইতে, স্বৰ্গ ৺ আশা থাকিলহঁতে, আমাৰো মেলত বহি কথা-বাৰ্ত্তা হলহঁতে।" স্বৰ্গদেৱলৈ কৈ পঠালে,—" সোন্দৰ গোঁহাঞি ডাঙৰ মানুহ বুলি শুনা গৈছে। কাজ-শৰাধলৈ মূৰ লাগেইতে মানুহ পঠাই নিয়াৰ মই যতনকৈ থৈছোঁ।" স্বৰ্গদেৱে সোন্দৰ গোঁহাইৰ মৃত্যুৰ কথা শুনি বেজাৰ কৰিলে। কিন্তু সেই সময়তে বঙ্গালেৰে ৰণ লাগিল। গতিকে কছাৰী ৰজালৈ স্বৰ্গদেৱে এই বুলি কৈ পঠালে যে সোন্দৰ গোঁহাইক কন্যা আনিবলৈ পঠোৱা হৈছিল। সি গৈ বিনা অনুমতিতে কোঁঠ দিলে গৈ। তাক কাটি স্বৰ্গদেৱৰ কামহে কৰিলে। কছাৰী ৰজাই যেন বেয়া নাপায়।

জয়ন্তীয়া ৰজা ৰামসিংহৰ কথা।—১৬২৯ শকত ৰুদ্ৰসিংহ স্বৰ্গদেৱে ৰংপুৰ নগৰৰ ইটাৰ ঘৰত উঠি ৰাজ্যৰ অনেকক বটা-প্ৰসাদ দিলে। তালৈকে একুৰি কি দুকুৰি কছাৰীও আহিছিল। সিহঁতক ৰজাই সোধালে বোলে, সিহঁতৰ ৰজা পলাই কলৈ গ'ল। সিহঁতে কলে যে স্বৰ্গদেৱৰ ভয়ত খাসপুৰলৈ গ'ল। তাৰ পৰা জয়ন্তীয়া ৰজাই মিত্ৰতা কৰোঁ বুলি মাতি পঠালে। 'আজি মাৰিছে তোক, কালিলৈ মাৰিব আমাক। যদি আমি একে লগ হলোঁ অসমৰ গড়লাও উঠাব পাৰোঁ। শুনুতে শুনাহে গৈছে বৰমহঙ্গৰে পৰা কছাৰীৰ হে ৰাজ। আমি একে যুগুতি হলে তাকো পাব।' কছাৰী ৰজা তাম্ৰধ্বজ এই কথাত সন্মত গ'ল, আৰু ৰৰকোঁৱৰতকৈ ৰামসিংহ ৰজাক মাতি পঠালে। এই কথা কোঁৱৰে ৰজাক জনোৱাত ৰজাই কছাৰী ৰজাক ধৰি আনিব লাগে বুলি কলে। 'স্বৰ্গদেৱে কছাৰী ৰজাৰ ৰাজ্য মাৰি থৈদিছে, গতিকে তেওঁক ধৰা ভাল নহয়' বুলি অনেক বুজোৱা হ'ল। ৰামসিংহই কাৰো কথা নুশুনিলে, আৰু হাজাৰচেৰেক মানুহ লৈ তাম্ৰধ্বজ নাৰায়ণক বন্দী কৰি নি জয়ন্তীপুৰত থলে।

এই বার্ত্তা স্বৰ্গদেৱে পোৱাৰ কিছু দিনৰ পাচতেই কছাৰী ৰজাই স্বৰ্গদেৱৰ সহায় বিচাৰিলে। স্বৰ্গদেৱে কৈ পঠালে যে আহোমে কছাৰী ৰাজ্য মাৰিছে। ৰজা পলাই খাসপুৰত আছিল তাৰ পৰা জয়ন্তীয়াই ধৰি নিছে। গতিকে এৰি দিব লাগে। জয়ন্তীয়া ৰজাই উত্তৰ দিলে,—"খাসপুৰৰ পৰা ধৰি আনিছোঁ, তুমি কেমনে পাবি? আমি তইঁতক কোনো বস্তু খুজিম দিবি নিকি? কোনোজনে ধৰি লোৰোতে মউ পালে তাক নিকি আনক দিএ?" এই কথা শুনি স্বৰ্গদেৱে ডাঙৰীয়া তিনি গৰাকীৰ লগত ৰহমেল পাতিলে। ডাঙৰীয়াসকলে একমত হৈ কলে,—"কছাৰী ৰাজ্য আমি মাৰিছোঁ, ৰজাক সি কিয় ধৰি নিব?" পাচে স্বৰ্গদেৱে দিন-দাব চোৱাই ডেমেৰাৰ বাটে সন্দিকৈ ৰৰবৰুৱাক পঠালে আৰু গোভাৰ বাটে পাত্ৰ-বৰফুকনক পঠালে। জয়ন্তীয়া ৰজা কেবাখনো ৰণত হাৰি কছাৰী ৰজাক সমৰ্পণ কৰি ৰৰবৰুৱাৰ ওচৰত আত্মসমৰ্পণ কৰিলে। দুয়ো ৰজা ধৰা পৰাত স্বৰ্গদেৱৰ অপাৰ আনন্দ হ'ল, আৰু তিনি দিন প্ৰজাসকলৰ হতুৱাই ৰং-ধেমালি কৰালে। জয়ন্তীয়া আৰু কছাৰী ৰজাক আহোম ৰাজ্যলৈ অনা হ'ল। স্বৰ্গদেৱে বিধ-খিত দৰবাৰ পাতিলে আৰু তালৈ দুয়োজনা ৰজাকে নিয়ালে। কছাৰী ৰজাই স্বৰ্গদেৱক সেৱা জনাই যি আজ্ঞা হয় তাকে কৰিম বুলি জনালে। জয়ন্তীয়া ৰজাক কোৱা হ'ল যে কছাৰী ৰজাৰ ভাল মানুহ আহি প্ৰাৰ্থনা কৰিলত পুনৰ থাপি পোৱা হ'ল। গতিকে জয়ন্তীয়া ৰজাৰো ভাল মানুহ আহি প্ৰাৰ্থনা জনাব লাগে। ৰজাক নিবৰ নিমিত্তে ভাল মানুহ আনিবলৈ ৰৰফুকনে ভণ্ডাৰীক জয়ন্তালৈ পঠালে। জয়ন্তীয়া ৰজাক উজাই নি মঠাডাঙত থলে। জয়ন্তীয়ালে ভণ্ডাৰীক কলে,—"তঞি ফিৰা পলাইছে আহিছ? ৰাজা আছে বা নাই তোৰ কথাত প্ৰমাণ কি? আমাৰ ভগী, উক, কাওৱা ইহত তোৰ লগতে যাওক, ৰাজাকো চাই আহক। যদি প্ৰাৰ্থনা কৰিলে দিয়ে আমিও যাম।" ইতিমধ্যে শাওণৰ ২০ দিন যোৱাত জয়ন্তীয়া ৰজা ৰামসিংহৰ মৃত্যু হয়।

সন্তোষ ৰঙ্গালৰ কথা।—পাণ্ডুৱাৰ সন্তোষ ৰঙ্গাল জয়ন্তাৰ পৰা পলাই আহি ডিমৰুৱাৰ চকীত পৰিল। সি ডিমৰুৱা ৰজাক কলে যে সি বেপাৰী মানুহ, তাক ধৰামীৰ কিনা ৰকৱাৰ হাতত দিয়ক। ডিমৰুৱা ৰজাও সেই অনুৰোধ মতে তাক কিনা ৰকৱাক দিলে। কিনাৰ লগত থাকি সি বেপাৰ কৰি অনেক ধন-বস্তু ঘটিলে। তাকে দেখি কিনা ৰকৱাই তাক ধৰামী

বজালৈ ধৰি পঠাবলৈ যত্ন কৰিলে। এই খবৰ পাই সন্তোষে ডিমৰুৱা ৰজাক কলেহি,—"পূৰ্ব্বেও তুমিহে মোক কিনাৰ হাতত দিছা। ওপৰৰ ৰাজাৰ ঠাইলৈ মোক ধৰি দিব খোজে। মোৰ বস্তু-জাতখনি আনি দিয়া, তোমাৰ লগতে থাকোঁ।" ডিমৰুৱা ৰজাই ভাবিলে যে সি জয়ন্তীয়াৰ পৰা আহি ডিমৰুৱাৰ চৰাত পৰিছেহি। কোনো দিনা জয়ন্তীয়ালে খুজিলেও দিব লাগিব। ইয়াকে ভাবি তাক ৰাখি থলে। সন্তোষক ৰখা দেখি ডিমৰুৱাৰ ওপৰত খৰামীৰ সন্দেহ হ'ল। খৰামীয়ে ডিমৰুৱাৰ লগত হাট-বাট কৰিবলৈ এৰিলে, হাটলৈ আহিলেও অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হৈ আহে। ইয়াকে দেখি আহোমৰ পাত্ৰ-ফুকনে ছল পাই ৰজাৰ ডুবৰীয়াৰ হতুৱাই খৰামীক আহোমেৰে মিত্ৰতা কৰিবলৈ খুচলাবলৈ ধৰিলে। কিন্তু খৰামী ৰজাই কলে যে যদিহে ডুবৰীয়া আগে আহে তেহে প্ৰীতি হব, নহলে শ বছৰেও নহয়। অনেক বুজালতো মানুহ নপঠালত ডুবৰীয়াই উপায় কৰি ডিমৰুৱাৰ ৰজাৰ হতুৱাই সন্তোষ বঙ্গালক বৰুৱা পাতি হাতত খঙ্গা পৰি বহুৱালে। তাকে দেখি কিনাৰ খং উঠিল। ডুবৰীয়াই কলে যে আহোম আৰু খৰামাৰ মিত্ৰতা ঘটা হলে এনে হব নোৱাৰিলে হেঁতেন। ইয়াৰ পাচত কিনাৰ চেষ্টাত ৰৰফুকনৰ ওচৰলৈ খৰামী কটকী পঠোৱা হ'ল।

গুৱাহাটী, অসম।
ইং ১৫।৭।১৯৩৭।

শ্ৰীশৰৎ কুমাৰ দত্ত।

জয়ন্তীয়া বুৰঞ্জী।

প্ৰথম আধ্যা।

জয়ন্তাৰ আদিকথা।

১। জয়ন্তীদেৱীৰ প্ৰথম আখ্যান।

জয়ন্তীয়াৰ 'খাসী' নাম।—শ্ৰীকৃষ্ণায় নমঃ॥ জয়ন্তা ৰাজাৰ জন্ম-কথা। পূৰ্ব্বে জয়ন্তীপুৰত যুধিষ্ঠিৰৰ দিন ধৰি ব্ৰাহ্মণ ৰাজা অনেক হৈ গ'ল। যুধিষ্ঠিৰ ৰাজা যি কালত ৰাজসূই যজ্ঞ কৰিলে সেই কালত যজ্ঞৰ নিমিত্তে চাৰি দিশক প্ৰতি ভাতৃসকলক পঠালে। ভাতৃসকলেও চাৰি দিশক জিনি ধনসকল আগ্ৰহকৈ আনিলে। সেই বেলা ইন্দ্ৰসেন-ৰাই ভীমক অনাদৰ কৰি ভীমৰ ঠাই নগ'ল। ভীমেও ব্ৰাহ্মণ হেন জানি নামাৰি গিদা চোঁচোৰালে। ব্ৰাহ্মণ ৰাজাৰ অণ্ড ছিগিল। সেই কাৰণে জয়ন্তা ৰাজাৰ খাসী নাম থাকিল। সেই ঠাইকো অদ্যাপি খাসীপুৰ বোলে। ১॥

গৌৰীৰ অংশে জয়ন্তীদেৱীৰ জন্ম।—কেদাৰেশ্বৰ-ৰাই, ধনেশ্বৰ-ৰাই, কন্দৰ্প-ৰাই, মাণিক-ৰাই, জয়ন্ত-ৰাই শেষ কৰি পূৰ্ব্বে ব্ৰাহ্মণ ৰাজা অনেক গৈল। শেষান্তত জয়ন্ত-ৰাই ৰাজা অপুত্ৰক আছিল। পুত্ৰ কামনা কৰি গৌৰীক আৰাধন কৰিছিল। গৌৰী সন্তোষ হৈ স্বপ্নত দেখা দিলে, বোলে,—"বিধাতাৰ লিখিতা তোৰ পুত্ৰ হবৰ যোগ্য নাই। মঞি পুত্ৰ দিব নোৱাৰোঁ। তেও যে মোক উপাসা কৰিলি মঞি তোৰ কুশলক সাধি গৃহত এক অংশে জন্মিব। সেই কালৰ পৰা জয়ন্তীপুৰ হেন নাম হব। সেই কন্যা ৰাজা হৈ বহুদিন ৰাজ্য ভোগ কৰিব। মোৰ প্ৰসাদে তঞো মোক পাবিহি।" এই বুলি দেবী অন্তৰ্দ্ধান হ'ল। জয়ন্ত-ৰাই ৰাজা চেতন পাই পৰম সন্তোষ মনে দেবীক সেৱা কৰি ৰহিল। ২॥

লাণ্ডাৰৰ লগত জয়ন্তীৰ বিয়া ।—তাতপাছে ৰজাৰ গৃহত সৰ্ব্বলক্ষণে যুক্ত এক কন্যা জন্মিল। ৰজাও বপ্ৰৰ কথাক সুমৰি জয়ন্তী নাম থলে। কন্যাও দিনে দিনে চন্দ্ৰকলা যেন বাঢ়িল। জয়ন্তা ৰজাও কন্যাৰ সদৃশ বৰ বিচাৰি নাপাই অসন্তোষ কৰি আছে। পাছে ৰজাৰ পুৰোহিত নামত চণ্ডবৰ, তান পুত্ৰ লাণ্ডাৰৰ সৰ্ব্বগুণাকৰ পণ্ডিত। তাকৃবৰ্গো নাই এই কাৰণেহে নাম থলে লাণ্ডাৰৰ। তাতে আনি জয়ন্তীক বিবাহ দিলে। জয়ন্তীয়েও পতিব্ৰতা তাৰে স্বামী সেৱা কৰি ৰহিল। ৩ ॥

জয়ন্তীৰ ৰাজ-অভিষেক ।—তাতপাছে জয়ন্তা ৰজাও আপোনাৰ অৱস্থা হীন হবৰ দেখি জয়ন্তীক ৰাজ্য-অভিষেক কৰি ৰাণীসিংহ নাম দি দেৱীক চিন্তি মূৰ্দ্ধাস্ফোট কৰি দেহ এৰিলে যাতো এতেকে থানৰ নাম মুক্তিপুৰ থাকিল। পাছে জয়ন্তীদেৱীও ৰাণীসিংহ নাম ললে। ৪ ॥

অভিশপ্ত লাণ্ডাৰৰ ।—লাণ্ডাৰৰ কতোদিন থাকি ভদ্ৰকালী ব্ৰত কৰিবাক এক বৎসৰ সঙ্কল্প কৰি ব্ৰত আৰম্ভিলে। ব্ৰত সাঙ্গ নোহওঁতে দেৱীয়ে প্ৰমাণ কৰিলে। লাণ্ডাৰৰে কামাতুৰ হুই দেৱীক আলিঙ্গন কৰিবাক উঠিল। দেৱীয়ো ক্ৰোদ্ধ কৰি বোলে,—“ তোৰ শাস্ত্ৰ-জ্ঞান নষ্ট হোক, মহাম্লেচ্ছ হৌ। ” এই বুলি দেৱীএ শাপ দি অদৃশ্য হ'ল। লাণ্ডাৰৰো ব্ৰতভঙ্গ হুই আপোনাৰ ঘৰক আহি আচাৰ-ধৰ্ম্মক এৰিলে। ৫ ॥

সুতঙ্গা গাৰোৰ ঘৰত লাণ্ডাৰৰ ।—তাতপাছে একদিন প্ৰতি জয়ন্তীদেৱী অশুচি হৈল। সেই সময়তে লাণ্ডাৰৰে পৈ বল কৰি সম্ভোগ কৰিলে। জয়ন্তীদেৱীয়ো খঙ কৰি লাণ্ডাৰৰক লগৰ পৰা খেদিলে ‘ পুনৰ্ব্বাৰ মঞি নেদেখোঁ ’ হেনকৈ। পাছে লাণ্ডাৰৰেও সেই বেলাৰ পৰা জাতি অজাতি বিচাৰ নকৰি মদ, কুকুৰা, গাহৰি খাই ফুৰিব ধৰিলে। লাণ্ডাৰৰ বুলি কেও চিনিব নোৱাৰে। পাছে যতে মদ-ভাত খাবলৈ পায় তাতে বল-ধাৰি কৰি থাকে। এই মতে ফুৰিহোঁতে সুতঙ্গা নামে গাৰোৰ ঘৰ পালেহি। তাৰো কোনো নাই, বুঢ়া-বুঢ়ী দুই মাত্ৰ। সুতঙ্গাই বোলে,—“ তঞি কোন ? ” লাণ্ডাৰৰে বোলে,—“ মঞি লাণ্ডাৰৰ। মোৰ কেও নাই, যতে পাওঁ তাতে থাকোঁ। ” সুতঙ্গা গাৰোৱে বোলে,—“ মোৰো কোনো নাই, তঞি মোৰ

ঘৰতে থাকিবি বন-বাৰি কৰি, মঞি তোক পুহিম । তোৰ বাপ-মাও আছি হলোঁ ।" মন-তাত থুৱাই নান্দাৰৰক সুভদ্ৰা গাবোৱে ঘৰত ৰাখিলে । নান্দাৰৰেও সুভদ্ৰা গাবোক আই-বুপা বুলি তাৰ ঘৰতে আপোন বুলি থাকিল । সুভদ্ৰাৰ পুতেক নান্দাৰৰ বুলি সকলেও মাতে । ভুৰিবো নাম সুভদ্ৰা ভুৰি । এইমতে কতোদিন থাকি সুভদ্ৰা গাবো, ঘৰিণীয়েক হুও মৰিল । নান্দাৰৰে সুভদ্ৰা, গাবোৱনীৰ কাজ-ক্ৰিয়া কৰি ঘৰবাৰীৰ অধিকাৰ হ'ল । গাঞাগিৰীয়ো নান্দাৰৰক সুভদ্ৰা গাবো বুলিহে মাতে । ৬ ॥

জয়ন্তীদেৱীৰ অনুতাপ ।—এখন জয়ন্তীৰ আখ্যান কহোঁ ।—জয়ন্তীয়ে নান্দাৰৰক খেদাই মনত দুখকৈ বোলে,—"কিনো অযোগ্য কাম কৰিলোঁ ? পতিব্ৰতা ধৰ্মকো এৰিলোঁ । মহামায়া ভগৱতি ! মোক কোনোৰূপে উদ্ধাৰ কৰা ।" এই বুলি শয়ন কৰিলে । পাচে স্বপ্নত দেৱীয়ে বোলে,—"তোৰ পতিব্ৰতা মঞি ৰাখিম, অধমে যিহক বাঞ্ছা কৰিছে তাকে পাই হেন কৰিম, দুখ নকৰিবি । অশুচি হৱৰ কালত তোৰ দেহৰ পৰা ছায়া-প্ৰতিবিম্ব কন্যা একটা জলত প্ৰৱেশ হৱ, সেই কন্যা ৰৱালি মাছে খাৱ । পাচে নান্দাৰৰে সুভদ্ৰা ভুৰিত খোকা পাতি সেই মাছ পাৱ । তাৰে গৰ্ভৰ পৰা ছায়া-প্ৰতিবিম্ব কন্যা জাত হৱ, মৎস্যোদৰী নাম থৱ, তাৰ ঘৰতে থাকিব । সেয়ে সহিতে বসতি কৰিলে তোৰ পতিব্ৰতা ধৰ্ম ৰহিব । মৎস্যোদৰীৰ গৰ্ভে যেখন পুত্ৰ হয় তাত ৰাজ্য সমৰ্পনা কৰি ভঞি মোক পাবিগৈ, এখন ৰাজ্য পালি থাক ।" এই বুলি মহামায়া অন্তৰ্দ্ধান হ'ল । পাচে চেতন পাই জয়ন্তী ৰাণীসিংহ সন্তোষ হুই আনন্দে ৰহিল । মহামায়াক চিন্তি ৰাজ্য প্ৰতিপালি ৰহিল । যি সময়ত অশুচি হ'ল দেৱী স্বপ্নৰ কথা মনত কৰি সুভদ্ৰা ভুৰিত অশুচি গা স্নান কৰি জয়ন্তীৰ গাৰ পৰা ছায়া-বিম্ব জলত খেপণ কৰি স্নান কৰি আপোনাৰ নগৰক আহিল । ছায়া-বিম্বকো মৎস্যে গিলিলে । ৭ ॥

মৎস্যোদৰীৰ অজ্ঞাত গৃহস্থালি বন ।—নান্দা সুভদ্ৰায়ো মাছলৈ বুলি সেই ভুৰিত খোঁকা পাতিছিল । দৈবযোগে যোৰ বৃষ্টি হ'ল । পাচে সেই খোঁকাতে ছায়া-বিম্বক গিলা ৰৱালি মাছ আহি লাগিলহি । পুৱা গৈ নান্দা সুভদ্ৰায়ে ঘৰক আনি আৰি থৈ আৰাক গ'ল । বাওঁতে তোৰোলা নামে এক গাবোৱে বোলে,—"ঐ নান্দা সুভদ্ৰা ! যৰ মাছটো যে পাইছ একলে কিটৈ

খাবি ?" লাণ্ডা সুতজাএ বোলে,—"গেলি পোক পৰিব, দিনে দিনে তাকে তাজি খাম।" আৰা চাই দুই গাৰো ঘৰক আহিল। ঘৰ সোমাই দেখে নানাবিধ দিহ-দ্ৰব্য সহিতে ভাত দেখি বিস্ময় হই বোলে,—"মঞি লাণ্ডাৰৰ, মোৰ কোনো নাই, মোক লাগি কাৰনো দয়া উপজিলেক ? জানিলোঁ ৰনদেৱেহে দয়া কৰি মোক লাগি থৈছে।" এই বুলি ভাত-মদ খাই ঘৰত থাকিল। এইৰূপে আনাকাদিনাও লাণ্ডাৰৰ আৰাটৈ গ'ল ; আৰাৰ পৰা আহি আকও ভাত-মদ তেনেকৈ পালেহি। লাণ্ডাৰে বোলে,—"কি বিস্ময় কথা !" এই বুলি ভাত-পানী খাই লাণ্ডাৰৰ সেই মনে থাকিল। "মাছ ধৰোঁ আৰি, নেগেলে ;" বোলে,—"কাটি শুকুৱাও।" এই বুলি মাছ কাটিব খোজোঁতে তাৰ হাতৰ দা ছিগি মোডোখৰ হ'ল। ৮ ॥

মৎস্যোদৰীৰ লগত লাণ্ডাৰৰ গৃহবাস।—লাণ্ডাৰে মাছ আকও আৰি থৈ আনাকাদিনা আৰাটৈ যাওঁ বুলি লাণ্ডাৰে জুমি আছিল। পাচে মাছৰ পৰা ওলাই মৎস্যোদৰীএ ঠাই-ঠুই আঁওতাওতে লাণ্ডাৰে গৈ চাৰ মাৰি ধৰি বোলে,—"তঞি কোন ক ?" মৎস্যোদৰীএ বোলে,—"তঞি মনে মনে থাক, তোৰ দুখৰ কাৰণেহে আহিছোঁ। তোৰো নাই কেও মোৰো নাই কেও, দুয়ো ইয়াতে থাকিম। তঞি আজিৰে পৰা আৰাটৈ যাব নেলাগে, মই সকলো দিম, তঞি সহিতে গৃহবাস কৰিম। একো দুখিব নেলাগে, মনে মনে থাক।" এই প্ৰকাৰে দুয়ো খাবা-দাবা কৰি বসতি হই ৰহিল। ৯ ॥

লাণ্ডাৰ প্ৰতিপত্তি।—সেই দিন ধৰি তাৰ ঘৰত অযাচিতে সকলে বস্তু লাগ ধৰিলে। কতোদিন অন্তৰে লাণ্ডা সুতজাৰ মৎস্যোদৰীৰ গৰ্ভত পুত্ৰ জন্মিল। সেই বেলা চাৰি-ছয় গাঞৰ লোকজন আহি বাদ্য-ভণ্ড বজাই দেশ-ব্যৱহাৰে যাত্ৰা-সুমঙ্গল কৰি ৰৰগোহাঞি নাম থলে। লাণ্ডা সুতজাও সকলকো মদ-ভাত ভুঞাই যথাৰতে দিয়া-থোৱা কৰি সবাকে পঠালে। সেই দিন ধৰি লাণ্ডা সুতজাৰ ঘৰত ধান-চাউল কঠা বাঢ়িব ধৰিলে। তাতপাচে লাণ্ডা সুতজাক সকলো গাঞৰ অধিকাৰী পাতি থলে। লাণ্ডা সুতজায়ো সকলকে ৰৰাই ললে। আৰৰ লোক যি আছিল তাকো ৰৰালে, আৰু চুণ্টানপুৰলৈ গৈ চুণ্টানপুৰত যি থানাদাৰ আছিল মহমদ চুণ্টানক মাৰি লাণ্ডা চুণ্টান নাম ললে চুণ্টানৰ বেটা ৰৰগোহাঞি সামৰ্থ হয়া মাছ-পছ মাৰি দুই-চাৰিখন গাওঁ মাৰি আনি বশ কৰি লৈ স্বতন্ত্ৰ হই ৰহিল। ১০ ॥

জয়ন্তীপুৰত বৰগোহাঁইৰ হেঙ্গাল।—তাতপাচে একদিনা প্ৰতি বৰগোহাঞিৰায়ে লোকজন তিয়াবকৈ লৈ হেঙ্গল কুকুৰ লগত লৈ পহু চিকাৰলৈ গ'ল। পহুচোঙত হেঙ্গল মেলিলে। হেঙ্গলেও পহুচোঙত আঁধি হুই জয়ন্তীপুৰ পালেগৈ। জয়ন্তীপুৰৰ লোকে হেঙ্গল ধৰি বাণীসিংহৰ ঠাইত দিলেনি। বাণী-সিংহেও হেঙ্গলক ভাত-পানী খুৱাই সোণাৰ শিকলি লগাই মেলি পঠিয়াই দিলে। হেঙ্গলৰ পাচত মানুহ পঠাই ক'ৰ কুকুৰ ইয়াৰ তালাচ বুজিব দিলে। কুকুৰো গৈ বৰগোহাঞিৰ গাঞ পালেগৈ। জয়ন্তীদেবীৰ চৰীয়া গৈ বৰগোহাঞিনাইৰ গাঞৰ তালাচ বুজি আহিল। বাণীসিংহে সুধিলত চৰীয়াই কলে, বোলে,—"মৎস্যো-দৰীৰ লাণ্ডাবৰৰ বেটা, নামত বৰগোহাঞিৰাই, তেঞে গঞাগিৰী সকলকো বশ কৰি লৈ চুণ্টানপুৰত অধিকাৰী হুই আছে।" বৰগোহাঞিৰাইএ হেঙ্গলৰ গলত সোণাৰ শিকলি দেখি 'এই পোনে ডাঙ্গৰ ৰাজ্য আছে' হেন বুলি যুধক সমুখে আগবাঢ়ি ৰহিলগৈ। ১১॥

বৰগোহাঁই বাণীসিংহৰ বন্দী।—পাচে জয়ন্তী বাণীসিংহে এই বাৰ্ত্তা শুনি 'মৎস্যোদৰীৰ পুত্ৰ মোৰ ভনীৰহে পুত্ৰ' এই বুলি ভীম সেনাপতিক পঠিয়াই যুদ্ধ নকৰাই ধৰি আনিব দিলে। বাণীসিংহৰো সৈন্য গৈ বৰগোহাঞিৰাইক সমুখে বল'গৈ। বৰগোহাঞিৰায়ে বোলে,—"আমাৰ প্ৰতাপ সুশুনি নাই যে আমাত মিলোকহি, যদি নিমিলে যুদ্ধকে দিওঁক।" এই বাৰ্ত্তা পাই বাণীসিংহ ৰণসিংহ সেনাপতিক পঠাই বোলে,—"তাৰো আমাৰো লোকজন হানি নহয় হেনকৈ ধৰি আনগৈ।" ৰণসিংহেও গৈ বৰগোহাঞিৰাইক হাতে ধৰিবৰলৈ মন কৰিলে। পাচে বৰগোহাঞিৰাইক ধৰি আনি বাণীসিংহত যোগালে-নি। ১২॥

জাহিৰ্ব্বেগ চুণ্টান বধ।—পাচে বৰগোহাঞিৰায়ে বাণীসিংহত কলে, বোলে,—"জাহিৰ্ব্বেগ চুণ্টানে ধৰি নিছে মোৰ পিতৃক।" পাচে এই কথা বাণীসিংহে শুনি ৰণসিংহক লগত দি বোলে,—"বৰগোহাঞিৰাইৰ বাপেকক যি ধৰি নিছে তাক মাৰি বাপেকক মেলাই আনগৈ।" বাণীসিংহৰ আজ্ঞা শুনি বৰগোহাঞিৰাই ৰণসিংহ সেনাপতি সহিতে জাহিৰ্ব্বেগ চুণ্টানক মাৰি সুত্তজা জাইগ্যাতে লাণ্ডা চুণ্টানক অধিকাৰীকৈ থৈ ৰণসিংহ সহিতে বাণীসিংহক চালাম কৰি সকলো বাৰ্ত্তা জনালে। পাচে বাণীসিংহ সন্তোষ হুই সুত্তজা জাগ্যাৰ নাৰ

চুন্টাম জাগ্যা নাম থৈ তাতে মৎস্যোদৰী সহিতে লাণ্ডাবৰক চুন্টাম জাগ্যাৰ অধিকাৰী পাতি থলে। ৰাণীসিংহও পুত্ৰবোধ কৰি বৰগোহাঞিৰাইক ৰাখিলে। ১৩॥

বৰগোহাইৰ পিতৃ-মাতৃৰ পৰিচয়।—পাচে ৰাণীসিংহে সুধিলে,—"তোৰ মাৱ-বাপ কোন?" পাচে বৰগোহাঞিৰায়ে বোলে,—"মোৰ মাঁও মৎস্যোদৰী, বাপ লাণ্ডাবৰ। দশ-বিশ গাঞৰ অধিকাৰী হৈ আছিলোঁ, এখন বিধিৰ বিপাকে তোমাৰ চাকৰ কৰাইলে। আজি ধৰি মোৰ বাপ-মাও তোমাকে-সে নিচয় কৰি জানিলোঁ।" বৰগোহাঞিৰ বচন শুনি ৰাণীসিংহে বোলে,—"মঞি চাৰমুখে মৎস্যোদৰীৰ বেটা হেন শুনি তোকে আগুৰি ধৰি আনিব দিছোঁ, এমন কথা হুশুনিলোঁহঁতে সিঠাইতে মাৰিব দিলোঁহঁতে। এখন তোৰ লগৰ মানুহ আমাৰো মানুহ যাই মাৰকো আনিব দেগৈ, মঞি সহিতে দেখাদেখি হব লাগে।" ১৪॥

মৎস্যোদৰী আৰু জয়ন্তীদেৱীৰ মিলন।—পাচে মৎস্যোদৰীক অনাই বহুত আশ্বাস কৰিলে, বচন বুলিলে,—"তোক দেখিবলৈ মোৰ ইছা আছিল, আজি দেখিলোঁ। বিশেষত তই মই ছুয়ো ভনী। তঞি মোৰ ধৰ্ম্ম ৰক্ষাৰ কাৰণেসে মহামায়া মৎস্যৰ গৰ্ভত জন্মাইলে। এখনো তঞি স্বামী শুশ্ৰষাকৈ থাকগৈ। আজিৰ পৰা তোক স্বামীএ সহিতে দশ-বিশ গাঞৰ অধিকাৰী কৰি লোক সহিতে দি বিদাই দিলোঁ।" মৎস্যোদৰীও ৰাণীসিংহক সেৱা কৰি সুৰঙ্গাৰ জাগ্যাক গ'ল বৰগোহাঞিৰাইক ৰাণীসিংহৰ লগত থৈ। ১৫॥

জয়ন্তীদেৱীৰ পূজা।—তাতপাচে কতোদিন থাকি বৰগোহাঞিৰাইক ৰাজা পাতি জয়ন্তীদেবী পাতাললৈ গ'ল অদৃশ্য হৈই। পাচে বৰগোহাঞিৰাইও খজকৈ সেই পোনে মাটি খনাব ধৰিলে। পাচে একোৰূপে মাটি খনাই জয়ন্তী-দেৱীক নাপাই অসন্তোষে শয়ন কৰিলে। পাচে স্বপ্নত দেৱীয়ে বৰগোহাঞি-ৰাইক বুলিলে, বোলে,—"মোক নাপা, মাটি নাখানিবি, তাতে তঞি এক তাম্ৰ পাবি, তাৰে মূৰ্ত্তি কৰি জয়ন্তী নাম দি সেৱা-পূজা কৰি থাকিবি।" পাচে বৰগোহাঞিৰায়েও মাটি খানতে এডুখৰি তাম্ৰ পাই দেৱীৰ মূৰ্ত্তি কৰি সেৱা-পূজা কৰি আছিল, নাম থলে জয়ন্তীদেবী। যিখনি ঠাইত জয়ন্তীদেবী পাতাললৈ গ'ল সেই ঠাইৰ নাম থাকিল মুক্তিপুৰ। ১৬॥

ভনীৰ পোহে ৰজা হব ।—আৰু এক প্ৰকাৰে কয় । স্বপ্নত দেৱীয়ে বোলে,—" মাটি খানোতে অষ্ট ধাতুৰ লোহা এচুখৰি পাবি, তাৰে মূৰ্ত্তি কৰি জয়ন্তী নাম দি সেৱা-পূজা কৰি থাকিবি, এতেকে আয়ু-শ্ৰী যশ-ধৰ্ম্ম সকলো বাঢ়িব ।" আৰু বোলে,—" এই দেশত ভনীৰ পোহে ৰজা হব, পাত্ৰৰ পোহে পাত্ৰ হব । যেতিয়া এয়ে নৰে, মূৰ্ত্তিও যদি গুচে, তেবে ৰাজ্য নাশ হব । " ১৭ ॥

বৰগোহাঁইৰ পৰা ৰামসিংহলৈকে জয়ন্তা ৰজাৰ লেখ ।—জয়ন্তা ৰাজাৰ নাম নির্ণয় । সেই বেলা জয়ন্তীপুৰত বৰগোহাঞিৰাই ৰাজা হ'ল ১, আৰ পাচত বৰপৰ্ব্বতৰাই ৰাজা ১, পৰে বিজয়মাণিক ৰাজা ১, ৰামধৰ-মাণিক ৰাজা ১, ধনমাণিক ৰাজা ১ । ধনমাণিকৰ দিনতে কছাৰীৰ যশনাৰাণ ৰাজায়ে জয়ন্তীপুৰ মাৰি ধনমাণিক ৰাজাৰ বায়েক মুক্তাৰাণীকে অমৰসেনকে তাজিলে । যশমাণিকক কছাৰী ৰাজাও ওল আনি কছাৰী ৰাজ্যত থৈছিল । পাচে জয়ন্তা ৰাজা ধনমাণিক মৰিবৰ শুনি কছাৰী ৰাজায়ে যশমাণিকক বঁটা-বাহন দি জয়ন্তীপুৰলৈ ৰাজা পাতি পঠালে । ধনমাণিকৰ পাচত যশমাণিক ৰাজা হ'ল ১, সোন্দৰৰাই ৰাজা ১, সৰুপৰ্ব্বতৰাই ৰাজা ১, বৰমতৰাই ৰাজা ১ । মানসিংহ ৰজাদৰ পৰা আহি যশমতৰাইক মাৰি ৰাজা হ'ল । মানসিংহক মাৰি প্ৰতাপসিংহ ৰাজা হ'ল ১, প্ৰতাপসিংহক মাৰি লক্ষীসিংহ ৰাজা হ'ল ১, লক্ষীসিংহক মাৰি ৰামসিংহ ৰাজা হ'ল ১ । ১৮ ॥

ৰংপুৰত ৰামসিংহ ।—এই ৰামসিংহ জয়ন্তীপুৰ মাৰি শ্ৰীশ্ৰীশ্ৰীস্বৰ্গমহাৰাজ শ্ৰীকদ্ৰসিংহ মহাৰাজায়ে গড়গাঞলৈ ধৰি আনিলে । ধৰি অনা শক ১৬২১ । ৰজপুৰত কাঁকুৰাৰ দ'লখাত্ৰাৰ ঠাইত জয়ন্তাৰ ধৰি অনা ৰামসিংহ ৰাজাক সেথুৱাই ফুৰাইছিলে । স্বৰ্গমহাৰাজা ৰুদ্ৰসিংহৰ কাঁকুৰাৰ চ'ৰাত অনেক গুণী গায়নক সোৱাইছিলে । তাতে সি সেৱা কৰিলে । ৰবাগী ৰবৰুৱায়ে ভেঁটালে । বুঢ়া গগৈ-বৰুৱাৰে চৌখাম কৰি কথা-বাৰ্ত্তা কৈছিলে । এই এক প্ৰকাৰ জনৰ কথা কয় । ১৯ ॥

২ । জয়ন্তীদেৱীৰ দ্বিতীয় আখ্যান ।

মৰ্ত্তজীয়া বৰলা গাবো ।—মৰ্ত্তজীয়া গাবোগা ও এটা বৰলা গাবো আছিল । সি আবা-পথাৰ কৰি খাই থাকে । মৎস্যক আশায়ে একদিন পৰ্ব্বতৰ ছুবিত শিল দি জৌঙা বান্ধিলে । তাতে খোঁকা পাতি অকৈজ আছিল ।

পাচে সেই খোঁকাতে ডাঙৰ ৰৰালি মাছ এটা লাগি আছিল । আন দিনা ৰৰলাই ভেটাৰৈলৈ গৈ দেখে ৰৰালি মাছ এটা লাগিছে । মাছ দেখি বং কৰি ঘৰলৈ নিলে, বোলে,—“ ইয়াক নেখাওঁ, মাছ পেলি তাতে পোক লাগিব সেই পোকহে ভাজি খাম ।” এই বুলি মাছটো আৰি থলে । ২০ ॥

দেৱকন্যা আৰু ৰৰলা গাৰো ।—প্ৰভাতে ৰৰলায়ে ভাত খাই আবাৰৈলৈ গ'ল । গধূলা আহি দেখে ঘৰত সকলো বনবাৰি কৰি ভাত-পানী ৰান্ধি তিয়াৰ কৰি থৈছে । খাই-বৈ ৰৰলা শুই থাকিল । আনদিনা পুনৰ্ব্বাৰ গধূলা আহি দেখে সিওদিনা সকলো তিয়াৰ কৰি থৈছে । সিওদিনা খাই-বৈ শুই থাকিল । সি ৰাত্ৰি মনতে আলচিলে, বোলে,—“ মোৰ অভকাল ৰৰলা ভাত খাওঁতে দিন গ'ল, এতিয়া যে সকলো তিয়াৰ, ৰান্ধি-বাৰি দিয়ে কি কাৰণ, কোনে দিয়ে, ইয়াক মই জিজ্ঞাসা কৰোঁ ।” এই বুলি প্ৰভাতে উঠি ভাত খাই বোলে,—“ মই আজি দূৰত আবা কাটিবলৈ যাম, ৰাত্ৰি হলেহে আহিম ।” এই বুলি ছদ্ম কৰি ঘৰত লুকাই থাকিল । পাচে দেখে সেই ৰৰালি মাছৰ পৰা দেৱকন্যা এটী উৎপন্ন হৈ সেই বনসকল কৰে । এনেতে ৰৰলাই দেখি মনত ৰঙ্গে ওলাই আহি চাঁৰ মাৰি হাতত ধৰিলে, বোলে,—“ তুমি কোন, কিয় ছদ্ম কৰা কোৱা ?” কন্যাই বোলে,—“ মই দেৱকন্যা । তোমাত হন্তে এক বালক হব, সেই বালক ৰাজা হব, বৰ পৰাক্ৰমী হব ।” এনেতে কতদিন থাকি কন্যাৰ গৰ্ভ হৈ সুন্দৰ বালক এটি জন্মিল । সেই বালক আজি-কালিকৈ ডাঙৰ হ'ল । পাচে নৰ্ত্তকীয়া গাৰোগাৱঁৰ লৰাসকলক লগত লৈ বং কাৰ মাছ-পহ মাৰি-ধৰি ফুৰে । ২১ ॥

জয়ন্তীৰ ৰাজ্যত গ'ৰো কোঁৱৰৰ কুকুৰ ।—পাচে একদিন প্ৰতি অনেক লোকক লগত লৈ দূৰত পহ চিকাৰ কৰিবলৈ গ'ল । পাচে চিকাৰ কৰি আহিলত তাৰে লগৰ কুকুৰ এটা হাবিতে থাকিল । পাচে সেই কুকুৰটো অৰণ্যে অৰণ্যে গৈ জয়ন্তীদেৱীৰ ৰাজ্য পালেগৈ । পাচে জয়ন্তীদেৱীয়ে দেখি বোলে,—“ মোৰ ভনীৰহে কুকুৰটি আহিছে, ধৰি আন ।” এই বুলি কুকুৰটি ধৰাই আনিলে । পাচে জয়ন্তীদেৱীয়ে সেই কুকুৰৰ ডিঙিত সোণ এটুপনি, লিখা এখনি বান্ধি দিলে । লিখাতো এই লিখিলে, বোলে,—“ মোৰ কুশল ।” এই বুলি কুকুৰটি বাট লগাই খেদি পঠাই-দিলে । ২২ ॥

জয়ন্তীৰ বিৰুদ্ধে গাৰো কোঁৱৰৰ যাত্ৰা ।—পাচে সেই কুকুৰটো আহি আপোনাৰ ৰাজ্য পালেহি । পাচে দেৱকন্যাই দেখি সেই কুকুৰৰ ডিঙিৰ সোণকো আনিলে, লিখাকো চালে । পাচে দেৱকন্যাৰ পুতেকে দেখি বোলে,—“ এই কুকুৰৰ ডিঙিত যে লিখা এখন, সোণ এটুপলি বান্ধি দিছে, সেই পোনে এক দেশ আছে, মই সেই দেশকে মাৰোঁগৈ । ” এই বুলি লোকজন তিয়াৰকৈ জয়-যুক্তি হৈ সেই বাটৰ নিচানে গৈ জয়ন্তীদেৱীৰ ৰাজ্য পালেগৈ । ২৩ ॥

ভনীৰ পো ৰৰগোহাঁই ৰজা —পাচে জয়ন্তীদেৱীয়ে এই কথা শুনি বোলে,—“ মোৰ ভনীৰ পুতেকহে আহিছে । ” পাত্ৰ-মন্ত্ৰীসকলক পাচিলে,—“ তইঁতে আগবাঢ়ি আনগৈ । ” পাচে সকলোৱে আদৰ কৰি আগবাঢ়ি আনিলেগৈ । জয়ন্তীদেৱীয়ে বোলে,—“ বোপাই, তই মোৰ ভনীৰহে পুত্ৰ, তোক মই এই দেশৰ ৰাজ্য পাতিলোঁ, ইৰাজ্যত তই ৰজা হৈ থাক । ” এই বুলি জয়ন্তীদেৱীৰ দুই ভনীয়েক অন্তৰ্দ্ধান হ’ল । পাচে ৰজা হৈ ৰৰগোহাঞি নাম ললে । পূৰ্ব্বে যাতো জয়ন্তীদেৱীৰ ৰাজ্য এই নিমিত্তেহে জীয়ৰীৰ পুত্ৰেহে ৰাজা হব পায়, অন্য দেশত ৰাজাৰ পুত্ৰেহে ৰাজা হব পায়, এই সঙ্কেত । ২৪ ॥

জয়ন্তা ৰজাৰ লেখ ।—জয়ন্তা ৰাজাৰ লিখা । প্ৰথমে ৰৰগোহাঞি ৰাজা ১, বিজয়মাণিক ১, পৰ্ব্বতৰায় ১, ধনমাণিক ১, যশমাণিক ১, সুন্দৰৰায় ১, যশমন্তৰায় ১, বাণীসিংহ ১, লক্ষ্মীসিংহ ১, প্ৰতাপসিংহ ১, ৰামসিংহ ১, সককোৱৰ ১, ১২ পিৰি । ২৫ ॥

৩ । জয়ন্তীদেৱীৰ তৃতীয় আখ্যান ।

ৰৰালি মাছৰ পেটত অপেচৰা ।—৮৭ নমো গণেশায় । জয়ন্তাৰ জন্মৰ কথা । জয়ন্তা ৰাজা কাৰ পৰা হ’ল ।—এক গাৰোৱে মুতলা খুবিত থোকা পাতিছিল । তাতে বৰ ৰৰালি মাছ এটা লাগিল । থোকাৰ গিৰীহঁতে সেই মাছ কাটোতে কন্যা এখানী মাছৰ পেটত পালে । সেই গাৰোৱে সেই কন্যাক জী বুলি তুলিলে । সেই ছোৱালীটী ডাঙৰ হৈ দুই গিৰী-ঘৰিণী আবাটৈ যায় । এখেত খাবৰ বনখানি কৰি থয় । গাৰোৱনী আহি অদ্ভুত মানে । একদিনা প্ৰতি খাওঁ বুলি লুকাই আছিল । দেখে সক ছোৱালীটীয়ে জাকৰ হৈ, সকল কন কৰিলে । মাপেকে মাকে আহি দেখা দিলে, তুমি কোন

বুলি সুখিলত কন্যাৰে অপেশ্বৰা বুলি কলে। কন্যা ডাঙৰ হল, নাওঁৰখ পাৰোত দিলে। সেই কন্যাৰ এটি গভুৰা লৰা হ'ল, তাৰ নাম ৰৰগোহাঁঞি নাও থলে। সেই ৰাজ্যত ৰজা নাইকিছিল, বাৰেবাজ ঠাই অধিকাৰী আছিল। ৰৰগোহাঞেক ইঠাই সিঠাই মাৰি ললে, বাৰেবাজ ঠাইকো আবৰি ললে। ২৬ ॥

ভনীৰ পো ৰৰগোহাঁই ৰজা।—জয়ন্তীদেৱী যাক বোলে তেওঁএ অপেশ্বৰা। তেৱেঁ ভৱানীৰ মূৰ্ত্তিক সেৱা কৰি আছিল। তেওঁৰো পাও-ভূইখান বেলেগ আছিল। ৰৰগোহাঁঞি ৰজাৰ মানুহে জয়ন্তীদেৱীৰ মানুহক বধ দিয়ক বুলি ধৰিলেগৈ। সেই মানুহে আচাৰখাই জয়ন্তীদেৱীত কলেগৈ। জয়ন্তীদেৱী বোলে,—"মোৰ ভনীৰ পো, তইতে ভয় নকৰিবি, মোৰ এখেলৈ মাতি আনগৈ।" ৰৰগোহাঁঞি ৰজা অপেশ্বৰা সহিতে এক ঠাই হলে অপেশ্বৰাএ বোলে,—"ভনীৰহে পো তুমি, তোমালৈকে বাট চাই আছোঁ, মোৰো যাবৰ দিন হ'ল।" এই বুলি তাম্ৰৰ দশভুজা দেৱী মূৰ্ত্তি দিলে, ৰাজ্যৰ অধিকাৰী পাতিলে। জয়ন্তী অপেশ্বৰাএ বোলে,—"মঞি এটি কথা কওঁ, এই ৰাজ্যত ৰজাৰ পো ৰজা নহয়, ভনীয়েকৰ পোহে ৰজা হব।" অদ্যাপিও সেই নিয়মতে থাকিহে ৰজা পাতে। সেই দিন ধৰিহে জয়ন্তাপুৰত ৰজা নাম হ'ল। ২৭ ॥

জয়ন্তা ৰজাসকল।—ৰৰগোহাঁঞি, বিজয়মাণিক, পৰ্ব্বতৰাই, ধন-মাণিক, ৰামধৰমমাণিক, যশমাণিক, সোন্দৰৰাই, ৰৰপৰ্ব্বতৰাই, যশমন্তসিংহ, মানসিংহ, প্ৰতাপসিংহ, লক্ষ্মীসিংহ, ৰামসিংহ, মুঠত ১৩। ২৮ ॥

দ্বিতীয় আধ্যা।

জয়ন্তা-কছাৰীৰ বিৰোধ।

জয়ন্তা ৰজা— ধনমাণিক, যশমাণিক।

কছাৰী ৰজা— যশনাৰায়ণ।

জয়ন্তা ৰাজ্য পৰ্ব্বাক কছাৰীৰ কিনা-বিকা।—জয়ন্তা ৰজাৰে কছাৰী ৰজাৰে দুইৰ বিৰোধ যি নিমিত্তে লাগিল তাৰে কথা।—কছাৰীএ চাউল মাহ মুলাগুলেদি গৈ জয়ন্তাৰ চিৰটিত বেচে, বজালে কিনি নিয়ে। জয়ন্তীয়ালে

বোলে,—"আমাৰ মাটি গৰকি যে কিনা-বিকা কৰে ইয়াৰ খুত দিয়োক ।" এই বুলি ৰোঁটা-পোটা কৰি চাৰি ভাৰ চাউল কাঢ়ি নিলে । কছাৰীএ সৈ খুমডাঙত কলে, খুমডাঙে ৰজাত ক'লে । কছাৰী ৰজা বোলে,—"মাটি গৰকি যাবৰ হই যে মোৰ মানুহৰ চাউল কাঢ়ি নিয়ে, সি কিয় নিব ? জয়ন্তাৰ মানুহক ধৰি আনগৈ ।" এই বুলি কছাৰী ৰজা'এ জয়ন্তাক ধৰি আনিবলৈ পঠালে । ২৯ ॥

কছাৰী জয়ন্তাৰ সীমা মূলাগুল ।—জয়ন্তীয়ালেও এই কথা শুনি সাৱধান হ'ল । দুই কৈদৰ মাজত ঘোৰ ৰণ লাগিল । কছাৰী ৰণত হাৰিল । কছাৰীৰ আঠাৰে পৰগনা মাৰিলে । চিৰিপাতি বুলিবৰ ভালমানুহ এটা, তাকে অধিকাৰ কৰি দিলে । পাচে কছাৰী ৰজায়ে সাৱধান হই লোকজন সহিতে জয়ন্তাক ৰণ ধৰিলে, জয়ন্তীয়া'ল হাৰিলে । জয়ন্তা ৰাজাক ধৰি নি মূটি কাঢ়ি থাসী নাম থৈ তাক পঠাই দিলে । সেই দিন ধৰি মুলাগুলকে সীমা কৰিলে । কছাৰীয়ে ৰবাকেদি হাট-বাট কৰিলে । ৩০ ॥

কছাৰীৰ ফান্দত জয়ন্তীয়াৰ হত্যা ।—তাতপাচে কছাৰী জয়ন্তাৰ দুইবো দল নভাগি আছে । তেনে সময়তে জয়ন্তা কছাৰী সমবস্তি হই প্ৰীতি হৈ বুলি চিৰা খাবলৈ মন কৰিলে । কছাৰীয়ে বোলে,—"আমাক আগে ভক্তি খুৱা ।" গাৰোএ বোলে,—"ভাল, আমি আগে খুৱাও ।" এই কথা শুনি কছাৰী চিৰা খাবলৈ কপিলী পাৰ হই গ'ল । লৰা বুঢ়া সকলো মিলি চিৰা খালে । গৰকিত ধৰাধৰিকৈ প্ৰীতি হ'ল । আনাকানিনালৈ কছাৰীও মাতি আছিল । গাৰোএ কপিলী পাৰ হই কছাৰীএ সহিতে চিৰা খাবলৈ ধৰিলে, তেনে সময়তে কছাৰীএ হাৰিৰ খাৰৰ পৰা ওলাই বেঢ়ি ধৰি সকলো গাৰোক কাটিলে । ৩১ ॥

খাসপুৰত মোগলৰ কোঠ ।—তাতপাচে কছাৰীয়ে বঙালক দুই হস্তী দিব লাগে । বঙালে বোলে,—"এটি হাথীৰ ৰূপ দে, এটি হাথীৰ ওল-বস্ত্ৰ দে ।" তাতপাচে আমান-খাঁ ৺নবাব ৰহিলহি । নবাবে বোলে,—"পাচ্চাৰ হাট-বাটৰ অৰ্থে দুই হাথী দিয়া, আমাকো এটি হাতী কিনিবলৈ দিয়া ।" কছাৰীয়ে বোলে,—"আজি যদি হাথী দিম পুৰ্ব্বাপৰলৈ নিবন্ধন হ'ল, সি মানুবিৰলি কথা, এই কথা ভঙাব পাৰিমনিকি ?" এই বুলি হাথী নেদিলে ।

জামাল-খাঁ নবাবে খৰকৈ পাচ্ছাক জনালে, বোলে,—“ৰবাকৰ সিপাৰত কছাৰী আছে, পাচ্ছাৰ আজ্ঞা হলে তাৰ ৰাজ্যক মাৰিব পাৰি, হাতী ধৰিবলৈকো পাব।” চাহজাহা পাচ্ছা বোলে,—“কছাৰীৰ ৰাজ্য মাৰোক।” জামাল-খাঁএ সাতত দুই খাদপুৰত কোঁঠ দি আঠাৰে পৰগনা সকলো বশকৈ ললে। ৩২ ॥

ভল দিবলৈ কছাৰীৰ প্ৰতিজ্ঞা।—কছাৰীৰ যশনাৰায়ণ ৰজা মাইবাঙত আছে। এই কথা শুনি যশনাৰায়ণে বলে নোৱৰিব দেখি জামাল-খাঁ নবাবক বৰিল। যশনাৰায়ণে বোলে,—“জামাল-খাঁ নবাব যাচি আহিব নালাগে, ভল-মাল লৈ আমি যাওঁ। পাচ্ছালৈকো, নবাবলৈকো হাতী, আগৰকাঠ বছৰ কৰিছোঁ আৰু সোণৰ গছ, ৰূপৰ গছ কৰি তেহে যাব পাৰোঁ।” এই বুলি তীৰবল কোঁৱৰক পঠাই দিলে। ৩৩ ॥

কছাৰীৰ হাতত মোগলৰ পৰাভৱ। এই কথা শুনি নবাব তাতে ৰ'ল। কছাৰীৰ মানুহ দুদিন চাৰি দিন অন্তৰে অহা-যোৱা কৰিছিল। চৈত্ৰ বৈশাখ দুমাহ সেই ঠাইতে ৰাখি থৈছিল। আজি কি বোলে,—“আগৰকাঠ হৈছে, হাতী বোলন লৈছে,” কালি কি বোলে,—‘‘সোণৰ গাছ হৈছে, ৰূপৰ গাছ নোহৈছে।” আজি কালি কৰি দুমাহ নিয়ালে। বঙালকো পৰ্বতী মাটিত জৰ-পৰহণীয়ে ধৰিলে এনেতে কছাৰীয়ে বাজিয়ে বেঢ়ি ধৰি জামাল-খাঁ নবাব সহিতে সকল বঙালক মাৰিলে। যশনাৰায়ণ থানাতে থাকিল। তীৰবল কোঁৱৰ পৰনা হাতী প্ৰজা সমন্বিতে ৰবাকৰ সিপাৰ দুই বঙালৰ আঠাৰে পৰগনা মাৰিলে, আঠাৰেটা জমিদাৰকো ধৰি আনিলে। লোকজন সহিতে জয়ন্তাকো মাৰি ৰাজা ধনমাণিকক ধৰি আনিলে। ধৰি অনা বঙালৰ দুতোৱাই ইটা পগাই চাৰিও যেৰে গড় বন্ধালে। বঙালৰ সাত বৎসৰ আঠাৰেখান পৰগনাৰ ধনো লৈছিল। ৰজা ধনমাণিককো পাক বৎসৰ লোৱা লগাই বন্দী কৰি থৈছিল। ৩৪ ॥

জয়ন্তা ৰজা ধনমাণিকৰ পলায়ন।—একদিনা প্ৰতি কছাৰী মদ খাই শুলে। ৰাজা ধনমাণিকৰো লোৱা ছিগিল। তেনে সময়তে ৰাজা পলাই গ'ল। ৰাতি পলাই যাওঁতে বাটতে বাঘ এটা শুই আছে। ৰাজা দেখি স্তম্ভিত হ'ল। ৰাজা বোলে,—“দুগা আই, মোক তুমি পাক বৎসৰ লোৱা লগাই থৈছা, মুকলিয়ো কৰিছা। মোক মাৰিবলৈ আহিছা যদি এই ঠাইতে মাৰা,

বধিবে মোক নিৰবংশকে আহিছা আগে আগে তুমি চলা, মই পাচে পাচে যাওঁ।" এই বুলিনতে যাবটো বাটে বাটে চলিল। যাৱেয়ো ৰজাক জয়ন্তাপুৰ তুলিলেনি। কছাৰীৰ বৰীয়াই তিনি দিনৰ পাচত ৰজাক জনালে। ৰজাও বিচাৰ কৰি নাপালে, জয়ন্তাপুৰলৈ গ'ল হেন বুলি জানিলে। ৩৫॥

ধনমাণিকৰ কন্যা সন্ধ্যাৱলী।—আকবাৰ জীমকল কোঁৱৰক পঠাই দিলে। জীমকল কোঁৱৰ পালতহে ধনমাণিকে সন্ধ্যাৱলী নাম জীয়েকক দিবলৈ কথাবাৰ্ত্তা হই দেশক ৰক্ষা কৰি অনেক যৌতুক সহিতে যশনাৰায়ণলৈ দি পঠালে। যশনাৰায়ণেও জয়ন্তা ৰজাৰ যৌতুক সহিতে কন্যাকো ৰাখিলে, জয়ন্তাকো অধীনকৈ ললে। কতোদিন থাকি ধনমাণিক মৰিলত কছাৰীৰ যশনাৰায়ণ ৰজাই যশমাণিকক ৰজা পাতি পঠালে। ৩৬॥

ধনমাণিকৰ মায়েক মুক্তাবাণী আৰু অমৰসেনা।—এই কথাকে আৰু এক প্ৰকাৰে কয়। কছাৰীৰ যশনাৰায়ণ ৰজা জয়ন্তাপুৰ মাৰিলত ৰজা ধনমাণিকে ৰাজ্য ৰক্ষা কৰিবৰ নিমিত্তে ধনমাণিকৰ মাএক মুক্তাবাণীকে, অমৰসেনাকে, ভাগিনেক যশমাণিককে, কছাৰীলৈ ওল দি জয়ন্তাপুৰতে ৰহিল। কতোদিন থাকি ধনমাণিক ৰজা মৰিলত কছাৰীৰ যশনাৰায়ণ ৰজা যশমাণিকক ৰজা পাতি মুক্তাবাণী মাতৃ সহিতে জয়ন্তাপুৰলৈ পঠালে, অমৰসেনাক ৰাখিলে। এই দুই প্ৰকাৰে কয়। ৩৭॥

আহোম আৰু জয়ন্তাৰ লেনদেন।

তৃতীয় আধ্যা।

স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত।

শক ১৫২৫-১৫৬৩, খৃষ্টাব্দ ১৬০৩-১৬৪১।

সমসাময়িক জয়ন্তা ৰজা— যশমাণিক।

আহোমৰ সৈতে যশমাণিকৰ প্ৰীতিবান্ধা।—পাচে যশমাণিক ৰজা কছাৰীৰ তাপক সহিব নোৱাৰি স্বৰ্গমহাৰাজাৰ ঠাইত মিত্ৰ কৰিবলৈ মন কৰিলে। "কছাৰীক বলেও নোৱাৰোঁ, মিত্ৰকৈও নোৱাৰোঁ; এতেকে স্বৰ্গমহাৰাজাৰ খড়্গছেৰ সেই ঠাইৰ পৰাহে আমো ৰক্ষা পৰে দেশো ৰক্ষা পৰে।"

বৰা-বৰুকে সহিতে আলচ কৰিলে । চৰাই-পহু মাৰিবৰ ছলেৰে চৰিয়া মানুহ পঠালে । সেই সময়ত কলীয়াবৰত চাৰি পানীশিয়া আছে । সেই কালত খাগৰিজানত আমাৰ চকী আছিল । চকীয়াল সহিতে কথাবাৰ্ত্তা হ'ল । চকীয়ালে চাৰি পানীশিয়াত জনালে । তেনে সময়ত আমাৰ বজিয়া বৰাগীৰ পাই যশমাণিকে প্ৰীতি আচৰি কথাবাৰ্ত্তা বৰাগীতকৈ জনাই পঠালে । বৰাগীয়ো আহি ভঁড়াৰী গোহাঞিতকৈ ৺দেৱতাত জনালে । চকীয়ালৰ কথাকো চাৰি পানীশিয়াএ ৺দেৱতালৈ জনাই পঠালে । ৩৮ ॥

স্বৰ্গদেৱ প্ৰতাপসিংহলৈ জয়ন্তা কুঁৱৰী ।—এই কথা শুনি ৺তাএ তিনিজনা গোহাঞি সহিতে আলচ কৰি জয়ন্তাৰ উকীলক আহিৰ দিলে, তেহে প্ৰথম । কটকীৰ নাও বপাবৰ, বপৰাই ; এই দুই উকীলতকৈ কন্যা দিম বুলি আছিল । চাৰি পানাশিয়াই গড়গাঞলৈ দি পঠালে । তিনিজনা গোহাঞি তুলিলত পাচে ৺ও তুলি বিদাই দি দুই উকীলৰ লগত দামোদৰ কটকীক জোৰণ দিবলৈ পঠালে । ৰজাও কন্যা দিবলৈ নিচয় কৰিলে । জয়ন্তা ৰজা বোলে,— "কন্যাহে দিম, সাতগাওঁ তেঁতেলীগুৰিয়েদি কন্যাক যদি নিয়ে তেহে মঞি আনন্দক পাওঁ । এইখানি তুমি ৺তাত জনাবা ।" এই বুলি দামোদৰ কটকীক বিদায় দিলে । তেওঁৰ লগত দুই উকীলক পঠাই দিলে । এই কথা ৺দেৱে শুনি তিনিজনা গোহাঞিৰে মেল কৰিলে । গোহাঞিবোৰে বোলে,— "এক দেশৰ সি ৰজা, শৰণাগত হৈ যে কন্যাক দিয়ে আনিবহে লাগে ।" ৺তাএ লোকজন সহিতে সোন্দৰ গোহাঞিক পঠাই দিলে । ৩৯ ॥

জয়ন্তাৰ কন্যা নমাওঁতে কছাৰীৰ ভেঁটা ।—কছাৰী সেই বাটে নাযাবৰ অৰ্থে ৰৰকথা মাতিলে । কছাৰীয়ে বাট নেদিএ হেন জানি গোহাঞিএ ৺লৈ জনাই পঠালে । ৺ বোলে,—"বন্দী কছাৰীত কি সুধিব লাগে, বাট কাটি যাওঁক । কন্যাৰ লগত সোন্দৰ গোহাঞি নাহিব, যই আহিব বিলেহে আহিব ।" এতেকতে কন্যা বাট কাটি নমাই আনিলে কটকীয়ে সহিতে, সোভা তামূলীএ গড়গাঞলৈ আনিলে । তাৰে পৰা জয়ন্তাৰে বিত্ৰ হ'ল । কন্যা আনিলত ৺তাএ সোন্দৰ গোহাঞিলৈ বাৰ্ত্তা দিলে,—"কছাৰীএ যে ৰৰকথা মাতিছে আগৰাড়ি গৈ কছাৰীক ধৰোক ।" এই বাৰ্ত্তা পাই সোন্দৰ গোহাঞি আগবাড়ি গৈ দয়াজৰ সিপাৰত কোঁঠ দি ব'লগৈ । ৪০ ॥

সোন্দৰ গোহাঁইৰ মনস্তাপ।—সেই সময়তে ভঁড়াৰী গোহাঞে সোন্দৰ গোহাঞিৰ পুতেকক চিনা গোহাঞিক সুধিলে,—"এনে সময়তে সোন্দৰ গোহাঞিৰ তিৰী-তিৰোতা ৺তাত নথাকে কিয়?" চিনা গোহাঞি ৺তাৰ পাচনি আছিল। গোহাঞিৰ খিজনা মুখ্য ঘৰিণী থাটিবলৈ গ'লত কিছু আথাসুৰ হ'ল। সেই কথা সোভা তামুলী আহোতে জানি গৈছে। সেয়ে গোহাঞিক জনালে। গোহাঞে শুনি বৰ অসন্তোষ কৰিলে। কন্যা আনোতে গোহাঞো কপিলী কোথৰত কোঁঠ দি ৰইছিল। কন্যা আনিবলৈ হাতী দি পঠাইছিল। দামোদৰ কটকী, সোভা তামুলী গৈছিল। গোহাঞে বোলে,—"মোৰ জীৱৰ আশা আছেনেকি? ৰণত পৰিলেও মৰা, গড়গাৱঁলৈ গলেও মৰা।" ৪১॥

কছাৰীৰ আতঙ্ক।—তেনে সময়তে ৺তায় বোলে,—"কছাৰী ৰজা আমাৰ থাৰছাই বেটীৰ লৰা, সি মোক ৰবকথা মাতিব পাইনেকি? কছাৰীক খেদি ধৰোক।" দয়াঙ্গ পাৰ হই কোঁঠ দিলেগৈই। কছাৰীএ বোলে,—"সোন্দৰ গোহাঞিও আপবাঢ়ি আছিল, জয়ন্তীয়ালো আমাৰ শত্ৰু, দুই দিশিৰ পৰা ধৰিলে আমাৰ ৰাজ্য কেনেকৈ ৰক্ষা পৰিব?" এই বুলি পাত্ৰ-মন্ত্ৰী সহিতে আলচ কৰি ৰবিবলৈ মন কৰিলে। কছাৰীৰ মানুহ-দুনুহ সদায়ে সোন্দৰ গোহাঞিৰ ঠাইলৈ অহা-যোৱা কৰে। আজি কি বোলে বস্ত্ৰজাত ৰতন কৰিছে, কালি কি বোলে হাতী-ঘোঁৰা সজাইছে, এই বুলি কছাৰীয়ে দিন অধিক কৰে। সোন্দৰ গোহাঞিএ বোলে,—"যদি কছাৰী ৰজা পূৰ্ব্বৰতে বাঢ়িব ভীমবল পাত্ৰকে, পৱন হাতীকে দিয়োক।" এই কথা শুনি ৰণনাৰাণ ৰজা দুইকো দিবলৈ মন কৰিলে। একদিনা প্ৰতি ভাতৰ মেলত ৰবা-ৰকক সহিতে মেল কৰিলে। ৰজা বোলে,—"একো প্ৰকাৰে যে ৰাজ-ভূঞি ৰক্ষা নপৰে ভীমবল পাত্ৰক পৱনা হাতীক দুইকো দিওঁ।" ভীমবল পাত্ৰে বোলে,—"আহমৰ হাতত পৰিলেও মৰা যুদ্ধত পৰিলেও মৰা, মঞি প্ৰমাণকৈ বিথান হব বুলিম।" ৪২॥

কছাৰীৰ হাতত সোন্দৰ গোহাঁইৰ মৃত্যু।—ভীমবল পাত্ৰে সেৱজন কৰি পৱন হাতীৰ আগতো পূজা-পাল দি জাল পাৰে। পূজা-সেৱাৰ ষণ্ড ডঙেবে তুলি মূৰত ধৰি লয়, যি কাৰ্য্যলৈ ইছা কৰে নিসিজিব এনে কথা নাই। ভীমবলে সকলবলে ভাল হেন দেখি যুদ্ধলৈ মন কৰিলে, তিন বাৰ [illegible] ৰাজ্য কৰি

নবিল । কছাৰীৰ মানুহ-চামুহে নগৰ পৰা নুগুচিল । আজি চাৰি ভাৰ চাউল দিএ, কালি চাৰি ভাৰ কোমৰা দিএ, কালি চাৰি ভাৰ কচু দিয়ে, এইৰূপে কছাৰীৰ দহ-কুৰি ১০।২০ লোকজন সোণৰ গোহাঞিৰ মানুহে সহিতে ৰাতি চুপৰলৈকে মেল কৰি থাকে । কছাৰীএ তাৰ লোকত আমাৰ ভিতৰৰ কথা নিশেষ কৰে । আৰু দিহিনা ৰাতি ৰণ লাগিব পৰজত চৰৰিৰন ভৰাই হিলৈৰ মুখত পানী দিলে । পৰন হাতী আগকৈ কছাৰী আহি কোঁঠৰ ভিতৰত ধৰিলেহি । হিলাই মাৰিলে যি সিও নাবাজে, মানুহ-চামুহো নৰিলা । কোঁঠৰ মানুহ চম্ভাগমানে কাটিলে, এভাগেহে পলাই এৰাল । সোণৰ গোহাঞো ৰণত পৰিল । ৪৩ ॥

গোহাঁইৰ হত্যাত কছাৰী ৰজাৰ ক্ৰোধ ।—যি কছাৰীটে গোহাঞিক কাটিলে ৰজাও সেই কছাৰীক কাটিলে । সেই কছাৰীৰ নাম থাক্ছা । ৰজা বোলে,—" মোক্ত সুধিহে কাটিব পাৰ ? দেশ-দেশা যুবৰ পৰা লোকজন আহি যে'থলেইতে, বৰ্ষ ৮ আপা থাকিলহঁতে, আমাৰো মেলত বহি কথাবাৰ্ত্তা হ'লহঁতে।" এই দাই ধৰি কছাৰীক কাটিলে । সেই যুদ্ধৰ আগে শ্ৰীকান্ত, শীতলিয়াৰ ডেবেৰা, দুই কটকী গৈছিল । ৰজা শ্ৰীকান্ত, ডেবেৰাক আনি কেলে,—" আগে প্ৰীতি-কথা দেখোঁ কৈছিলি, পাছতে যুদ্ধৈল আহিল ?" কটকীয়ে বোলে,—" প্ৰীতিৰ কাৰণেহে আমাক পঠালে । পিছি দিলে পৰ্ব্বতকো নেদেখি, পাচত কি হ'ল কিবৈ জানিব ?" এই বুলি দুই কটকীক পঠাই দিলে,—" ভঞি এইখান কৰিবৈ,—সোণৰ গোহাঞি তাজৰ মানুহ বুলি জনা গৈছে, কাজ-নবাধলৈ যুদ্ধ লাগেইতে মানুহ পঠাই নিয়াৰ, মই ৰজাটৈক নোৱাঁ ।" এই বুলি দুই কটকীক কপিলীয়েদি দুখ বাটি ওটাই পঠালে । ৪৪ ॥

কছাৰীৰে সাম্প্ৰতিক মিত্ৰতা ।—যুদ্ধা ৮দেও ভলাই ৰহিছিল । এই কথাবাৰ্ত্তা কটকীয়ে কলে, ৮তা বিবৰ্ণ পৰি ভিতৰ সোমাল, কছাৰীকো ধৰিবলৈ মন কৰিলে । তেনে সময়তে ৰজালেবে ৰণ লাগিল । ৮তা বোলে,— "ভাজৰ শত্ৰু মোৰো ৰজাল ।" দিনচাৰেক পচ কৈ থৈ কছাৰীলৈ কটকী পঠালে । "ৰাজাত এইখান কৰিবৈ,—সোণৰ গোহাঞিক পঠালে কথা আনিবলৈ, সি যে ৰাতি গৈ কোঁঠ দিলে মই সপাঁতা কথা কৰিব পাইলেকি ? কাটিলে ভাল কৰিলে, মোৰে মনহে কৰিলে । এনে ফলা কথা কৰিব

পাইনেকি ? এখেলে আহিলহঁতে মই তাক কাটিলোঁহঁতে, মোৰহে বদ কৰিলে। ৰজা ইয়াত জানো অসন্তোষ কৰে ? নকৰিব।” এই বুলি সিদিকিও খাপ খুলাই থলে । তেহে বঙ্গালেৰে আমাৰে যুদ্ধ লাগিল । ৪৫ ॥

প্ৰতাপসিংহৰ কাৰেঙত জয়ন্তা কুৱৰী ।— শ্ৰীশ্ৰী৺মহাৰাজা দেৱতালৈ জয়ন্ত ৰজা কন্যা দিয় কথা। বুঢ়াৰজা হ’লাতে শক ১৫২৮ জয়ন্তাৰ যশমাণিকৰ কন্যা সোমৰ গোহাঁঞে সাতগাঞেদি অনা একজন । গোভাৰ বাটে লাই সন্দিকৈএ আনিলে একজনা । তাৰ পাচত যশমাণিকে কন্যা দি মিত্ৰ হ’ল । ৪৬ ॥

ফুলগুৰিত হাট-বাট ।—বুঢ়াৰজা ৺৺লৈ ফুলগুৰিত হাট-বাট কৰোঁ বুলি কলঙ সীমা কৰি তিনি দাতিৰ মাটি পুজিলে । পাচে ৺ তিনিজনা গোহাঁঞে সহিতে মেল কৰি বোলে,—“ এক দেশৰ ৰজা, সি যে আমালৈ মাটি প্ৰাৰ্থনা কৰি খুজি পঠাইছে গোহাঁঞাৰাৰৰ মান কি চোএ ?” থাম্পত বৰগোহাঁঞেএ বোলে —“ নেদিলেও নহয় ভাল, দিলেও তলিছিঙাকৈ দিব নালাগে । ছয়ো ঘৰৰ মাজত হাট-বাট কৰিবৰ অৰ্থে সেইৰূপে থব লাগে । লাহি ফুকনতো এই কথা সুধিব লাগে ।” ফুকনত সুধিলত বোলে—“ থৰি মাছ পচ মৰা ঠাই, সিহঁতে যদি থৰি মাছ দিব পাৰে তেহে ফুলগুৰিত হাট-বাট হবলৈ ভাল ।” এই কথা সিহঁতে গাত লৈ, সোণাৰৰ ৰূপাৰৰ দুই গছ তাৰে তলত হাট আছিল, তাৰ পৰা আনি ফুলগুৰিত হাট পাতিলে । আমাৰো মুদৈ-সাউদ সেই দিন ধৰি গাৰোএৰে বেচা-কিনা কৰিছে । তিনি ৰজাও নামি আহি ভৈয়ামত ঘৰ সাজিছিলে । সেই দিন ধৰি ফুলগুৰিত হাট-বাট হুইছে । লাঙ্গি ফুকন কাজলীৰ মুখত আছোঁতে খৰি-পাত যোগাইছিল । যেতিয়া আমাৰ লোকজন গুৱাহাটীলৈ আহিল তেতিয়াৰ পৰা হে নিবন্ধ গুচিল । ৪৭ ॥

কলঙৰ চকীঘৰত জুই ।—বঙ্গাল মাৰিলত চেটিয়া ফুকনৰ দিনত কলঙৰ সিপাৰত চকীঘৰ আছিল । সেই চকীঘৰত দিনত মানুহ থাকে, ৰাতি নাথাকে । জয়ন্তীয়ালে সেই ঘৰত জুই লগালে । তেনে সময়তে চেটিয়া ফুকন তাগিল, সন্দিকৈ বৰফুকন হ’ল । বৰফুকনে পুৰ্ব্বাগোঁসাই ধৰিলত জয়ন্তীয়ালে সেই ঘৰ সাজি দিলে, তেহে এবাৰ পাৰিলে । পূৰ্ব্বৰ বন্ধ-নিবন্ধ এই কথা ।

আৰু যশমাণিকৰ দিনতে গোভাৰ বাটে ফুলবকৰা অনা এজনা । যশমাণিক ৰজালৈ ৺মহাৰাজা দিছে,—হাথী এটা, ঘোঁৰা দুটা, অলঙ্কাৰ-পাতিয়ো দিলে । ৪৮ ॥

ভগা ৰজালৈ দিয়া জয়ন্তাৰ কুঁৱৰী ।—তাতপাচে যশমাণিকৰ দিনতে ১৫২৯ শকত ভগাজনা ৰজালৈ দিও বুলিলে কন্যা একজনা । পাচে শীতলিয়ালৰ ডেবেৰা কটকীকে, সোণাবৰকে, দুই কটকীক জোৰণ দিবলৈ পঠালে । অলঙ্কাৰ—সোণৰ খাৰু ৪ পাট, সোণৰ আঙ্গঠি ৪ যোৰ—বাখৰপতা ২টা, হাতৰ ডিঙ্গিৰ মণি ৩ ছেও, ডিঙ্গিৰ হাৰ ১ ধাৰ, মেখেলাৰে কাপোৰ ১ যোৰ, পাটশাৰ ১ যোৰ, বৰৈ-লগোৱা বিহা ১ খন, কন্যা নমাবলৈকে এই ক্ৰমে দিলে । কেঁকোৰা দোলাৰে তংচু সন্দিকৈএ, মদনখোৱা চেটিয়াএ আনিলে । জয়ন্তা ৰাজালৈ দিলে,—হাথী ৪টা, ঘোঁৰা ২টা, কঁৰীয়া ১ যোৰ, কেৰু ৩ যোৰ, কুনমিনেৰে কাপোৰ ২ যোৰ । মাদইলৈ,—ৰূপৰ খাৰু ৪ পাট, পাটৰ শাৰেৰে কাপৰ ১ যোৰ, মেখেলাৰে কাপৰ ১ যোৰ । পাচে জয়ন্তা ৰাজা বোলে,—"ৰূপৰ খাৰু কিসক দিলে ?" এই বুলি কাপৰ ৰাখি ৰূপৰ খাৰু ওলোটাই দিলে । মান গোহাঞিলৈ দিলে,—ফোঁটাএৰে কাপৰ ২ যোৰ, কঁৰীয়া ১ যোৰ । কন্যা চক্লং কৰা যি আহিছিলে তালৈকো,—টাৰ ৬ যোৰ, ফোঁটাএৰে কপাহী কাপৰ ৭ যোৰ, চাউল ১০০০ পুৰা, লোণ ১০ মোন, তেল ২০ কলহ, থাহি ২০টা, গাহৰি ২০টা, মদ ২০ হাড়ী । মূঠত কন্যা দিছে পূৰ্ব্বে জয়ন্তা ৰজাএ শ্ৰীশ্ৰীস্বৰ্গমহাৰাজালৈ দিছে চাৰিটা । ৪৯ ॥

চতুৰ্থ আধ্যা ।

স্বৰ্গদেৱ জয়ধ্বজসিংহৰ দিনত ।

শক ১৫৭০-১৫৮৫ ; খৃষ্টাব্দ ১৬৪৮-১৬৬৩ ।

সমসাময়িক জয়ন্তা ৰজা— যশমন্তৰায় ।

জয়ন্তাত জয়হৰি মুদৈ বন্দী ।—শ্ৰীশ্ৰীজয়ধ্বজসিংহ স্বৰ্গমহাৰাজাৰ দিনত জয়ন্তাৰ লাণ্ডা সুলতান ৰাজাএ পূৰ্ব্বৰধি কুটুম্বিতা সম্বন্ধ প্ৰীতিৰ কাৰণে উকীল-পত্ৰ গতাগত কৰিছিল এনেতে ১৫৭০ শকত ৮৮তাত জনাই

ৰাজমন্ত্ৰী বৰবৰুৱাত কৈ জয়হৰি মুদৈএ সোণে-ৰূপে আনো অচবাবে ৮০০০ হাজাৰ টকাৰ বস্তু লৈ খৰামিৰ বাটে গৈ বঙ্গালৰ সীমা জয়ন্তাৰ চকীত পৰিলগৈ। চকীয়ালে বস্তু সহিতে নি জয়ন্তাৰ ৰাজাৰ ঠাইত যোগালে। পাচে স্বৰ্গমহাৰাজাৰ কথা মুদৈএ ক'লতো মুদৈত সন্মাত নকৰি বিপথে আহিলি বুলি বন্দী কৰিলে, বস্তুজাতকো কাঢ়ি নিলে। ৫০॥

জয়ন্তাত মুদৈৰ বস্তু বাজেয়াপ্ত।—পাচে আমাৰ কটকী নিবহ, সোণাবৰ দুই পালতগৈ দুইত সুধিলে, বোলে,—"ই ৰাজাৰ মুদৈ হয় নহয়?" দুই কটকীয়ে বোলে,—"হয়।" জয়ন্তা ৰাজা বোলে,—"যদি ৰাজাৰ মুদৈ হয় এৰি দিলোঁ।" এই বুলি বস্তু ৰাখি মুদৈক এৰিলে, এৰি এইখান বুলিলে,—"যদি স্বৰ্গমহাৰাজা এইবাৰৰ পত্ৰত লেখি খুজি পঠাই তেবে বস্তুজাতকো দি পঠাম।" সেইবাৰ আমাৰ দুই উকীল সহিতে জয়ন্তাৰ উকীল-পত্ৰ পঠালে। আমাৰ ইঠাইৰ পৰাও দুই উকীল সহিতে পত্ৰ-সন্দেশ ধাৰাণে পঠোৱা গ'ল। পালতগৈ আমাৰ উকীলক তুলি পত্ৰ শুনি দুই উকীলত সুধিলে,—"আগে যে ৰাজাৰ মুদৈ বুলি কহিছিলি, ৰাজা এখন বস্তুৰ কাৰণে পত্ৰত কিয় নেলেখিলে? এতেকে ৰাজাৰ মুদৈ নহয়, বৰুৱাসকলেহে ৰাজাত নজনায়া বিপথে পঠাই বিৰোধ লগায়।" ইয়াতে আমাৰ কটকীয়ে বোলে,—"আমি ৰাজাত কহিলোঁ। ৰাজা বোলে,—'তই মোৰ উকীল, তোৰ কথাতে সন্মাত নকৰিলে অল্প বস্তু পত্ৰত কি লিখিম'?" দুই উকীলে এই বুলি ক'লতো বস্তু নেদিলে। ৫১॥

জয়ন্তা ৰজাই পঞ্চপত্ৰৰ পৰিবৰ্ত্তন বিচাৰে।—তাৰ পাচে আমাৰ দুই উকীল সহিতে জয়ন্তা ৰাজাএ এখন পত্ৰ দি উকীল ৰূপৰাইক পঠালে। ৰাজমন্ত্ৰী বৰবৰুৱাৰ ঠাইত জনালেহি,—"ৰাজা লাণ্ডা স্থলতানে এইখান জনাব দিলে,—'স্বৰ্গমহাৰাজাৰ ঠাইৰ পাত্ৰ-মন্ত্ৰী সহিতে পাঞ্চ পত্ৰ দি পঠায়, মঞি একলেহে পাঞ্চ পত্ৰ শুহু। তোমোৰালৈ পাঞ্চ পত্ৰ লেখোঁ, মোৰ ৰাজাএ এক পত্ৰ মাত্ৰ শুনে। এখন ৰাজাএ লেখিব মোলৈ পত্ৰ, তিনিজনা গোহাঁয়ে লেখিব মোৰ পাত্ৰলৈ, নামজানি নবাবে লিখিব নবতজৰ মোৰ ভাই মান ৰাজালৈ এই ধাৰণে। এই ধাৰণে উকীল-পত্ৰ আহে হেন নামজানি নবাবে কৰাব'।" নামজানি নাবাবে ইয়াকে কৰাব শুনি, ৰাজালৈ ৰাজমন্ত্ৰী বৰবৰুৱা চেষ্টিয়া

গোহাঞে জনালত এই আজ্ঞা কৰিলে, - " পূৰ্ব্বৰতে যি ধাৰণে চলি গৈছে তাক এৰি বিধাৰণে যে কহে ই অপ্ৰীতিৰহে চিন। " এই বুলি উকীল-পত্ৰ দিব নেদি কলীয়াবৰৰ পৰা জয়ন্তাৰ কটকীক ওলোটাই পঠালে। ৫২ ॥

অসমত জয়ন্তাৰ হাট-বাট নিৰোধ।—আগৰ জয়হৰি মুদৈৰ কথা মনত অনুসৰি স্বৰ্গমহাৰাজাএ বৰবৰুৱা চেটিয়া গোহাঞিলৈ আজ্ঞা কৰিলে,— " জয়ন্তাৰ হাট-বাট, আবেঙ্গ, দুৱাৰ নিৰোধ কৰি যি পায় তাৰো বেপাৰী ধৰি আনক। " এই আজ্ঞা শুনি দুৱাৰ মাৰি বেপাৰী কিছোমান সালনা, সোণাপুৰৰ পৰা ধৰি আনি সলাত বন্দীকৈ থৈছিল। এতেকে উকীল-পত্ৰ গতাগত নহৈছিল। পাচে ৰাজমন্ত্ৰী বৰবৰুৱা মৰিল। ৫৩ ॥

জয়ন্তাৰ ধাৰণপূৰ্ব্বক উকীল-পত্ৰ আৰম্ভণি।—তাতপাচে ১৫৭৭ শকত ৰাজাৰ শহুৰ কলীয়াবৰীয়া বৰফুকনৰ ঠাইলৈ ৰাজা লাণ্ডা সুলতানে দুই মানুহ পঠালে। বৰফুকনেও স্বৰ্গমহাৰাজালৈ জনাই তাৰে পৰা এখানি কাকত দি আমাৰ কটকী থলিহৈকে, কোমোৰাকে তাৰ মানুহ সহিতে এইখান বুলি পঠালে,—" তোৰ ৰাজা লাণ্ডা সুলতানত বুজাই কৰি যদি পূৰ্ব্বধাৰণে উকীল-পত্ৰ পঠায় তবে আহিবলৈ। আমি ৺তাত জনাই ধাৰণে পঠাম। " এই বুলি বিদাই দিলে। পালতগৈ পুনৰ্ব্বাৰ বিধাৰণে এখানি লেখা দি দুটি মানুহ দি আমাৰ দুই উকীলক পঠাই দিলে। জয়ন্তা ৰাজাএ এইখনি বুলিলে আমাৰ দুই কটকীক,—" তঞি বেপাৰী নানি কিয় আহিলি ? এখনো তঞি যাই বৰফুকনত কবি বেপাৰী ছাৰি দিব। " এই বুলি বিদাই দি ঘৰ কাটি খেদিব দিলে। আহিলত বিধাৰণে দেখি ৺তালৈ জনালে। উকীল-পত্ৰ নেদি বেপাৰী ছাৰি দি জয়ন্তাৰ দুটি মানুহ পঠাই দিলে। বেপাৰী সৈতে পালতগৈ জয়ন্তা ৰাজাএ পূৰ্ব্বধাৰণে পত্ৰ-সন্দেশ দি উকীল হনুমতাকে, উজাপকে পঠাই দিলে। পালতহি ইঠাইতো ধাৰণানুক্ৰমে তুলি আমাৰো কটকী কোমোৰাকে, বলিয়াকে পত্ৰ-সন্দেশ দি তাৰ লগত পঠালে। পালতগৈ জয়ন্তা ৰাজাএ ধাৰাণে তুলি পত্ৰ-সন্দেশ সহিতে উকীল ৰামৰাইকে, কেচাইকে লগত দি আমাৰ দুই কটকীক পঠালে। সেই অৱধি ধাৰ ধাৰণপূৰ্ব্বকে উকীল-পত্ৰ পঠাইছিল। ৫৪ ॥

জয়ন্তাৰ উকীল-পত্ৰ মোগলৰ হস্তগত ।—এতেকে ১৫৮৪ শকত ৰাজভগন সমন্বত জয়ন্তাৰ উকীল পত্ৰ সহিতে আহি বঙ্গালৰ ঠাইত পৰিল । উকীলৰ লগৰ এক চাকৰ এৰাই আহি ৮ত বাৰ্ত্তা জনালে,—“ ৰাজা লাণ্ঢা সুলতান বাৰ্ত্তা-সমাচাৰ জানিবৰ নিমিত্তে পত্ৰ সহিতে উকীল পঠালে । পথত আহোঁতে বঙ্গালে ৰাখিলে, ইঠাই নেপালেহি । ” ইয়াকে স্বৰ্গমহাৰাজা শুনি লাণ্ঢা সুলতানলৈ এখানি লেখা দি কোমোৰাখোৱাৰ ভায়েকক, দৈয়ঙ্গীয়া বৰা এটাকে পঠাই দিলে । ৫৫ ॥

যশমন্তৰায়লৈ জয়ধ্বজসিংহৰ পত্ৰ ।—অথ সমাচাৰ সহিত পত্ৰ এই,—

এথাত আমাৰ সমস্তৰে কুশল । ৰাজা লাণ্ঢা সুলতানেৰ নিৰন্তৰে কুশল চাহি । তুমি যি উকীল পঠালা সি আসি বঙ্গালত পৰিল । তাৰ এক চাকৰ আসি তোমাৰ বাৰ্ত্তা জনালেহি, তাক শুনি আমি পৰম সন্তোষ হৈলোঁ । আৰু তোমাৰ আমাৰ পূৰ্ব্ব ধৰি যিহেতু মিত্ৰৱতি এই নিমিত্তে তুমি আমাৰ বাৰ্ত্তা ললা, ইহাত আমাৰ আনন্দ । আৰু তোমাৰ উকীল বঙ্গালত পৰিল, ইয়াক শুনি বৰ অসন্তোষ পাইলোঁ । কিন্তু যিহেতু আমাৰ বিপদ কাল এই নিমিত্তে তোমাৰ উকীলৰ এমত হ'ল, ইহাত মনে দুখ নকৰিবা । ইদানীক তোমাৰ যেমনে বাৰ্ত্তা পাই থাকোঁ এমত কৰিবা ।

তোমাক লাগি সন্দেশ,—পাটকাপৰ ১ খন, গান্ধ ৮ টা, গাঁঠিয়ন ১ মোনা, কটাৰী ৬ খন । ৫৬ ॥

নৰ্ত্তঙ্গীয়া ৰজা মাণিকসিংহলৈ স্বৰ্গদেৱৰ পত্ৰ ।—নৰ্ত্তঙ্গীয়া ৰজালৈ লিখা এই,—

পৰং লাণ্ঢা সুলতান ৰাজাৰে আমাৰে পূৰ্ব্ব ধৰি প্ৰীতিগোট ৰহিছে । এই কাৰণে তাইৰ এক উকীল আমাৰ ঠাই পঠাইছিল । আমাৰ উকীল-পত্ৰ তোমাৰ ঠাই পঠাইছি, সি যেমনে কুশলে অবিঘ্নে সিঠাই পহুছে তুমি তেনে কৰিবা ।

তোমাৰ সন্দেশ,—পাটকাপৰ ১ খন, কটাৰী ৪ খন, গান্ধ ৪ টা । ১৫৮৪ শক, তেৰিখ ৬, মাস চৈত্ৰ । ৫৭ ॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ প্ৰীতি-পত্ৰ —এই পত্ৰ কোমোৰা-খোৱাৰ ভায়েক, দৈয়ঙ্গীয়া বৰা অটা দুই কটকীয়ে নিয়ে । এই পত্ৰৰ পাচত জয়ন্তা ৰাজাএ দি পঠোৱা পত্ৰ ভগনৰ পাচত এই,—

স্বস্তি সমস্ত-প্ৰশস্ত-ক্ৰিয়াচৰণ-চাৰু-পবিত্ৰ-চৰিত্ৰ-শৌৰ্য্য-ধৈৰ্য্য-দাৰ্ঢ্য-মৰ্য্যাদ-গম্ভীৰ - পাৰাবাৰ - ভুবন-উত্তম-ভাবুক-ভবন-কুল-কৈৰৱ-পালন-পাৰ্ব্বণ-শাৰদ - শশধৰ - গঙ্গাধৰ - হিম - হিণ্ডীৰ - পিণ্ড-পাণ্ডুৰ-যশঃ-পৰিপূৰিত-দিগন্তৰ - কমলামলাদিবৃন্দাৰক - বৃন্দ - বন্দনীয় -মুকুন্দ-পদ-সৰোজ-সৰস-মধুব্ৰত -ত্ৰিবিক্ৰমোদ্দাম-বাম-পাদাঙ্গুষ্ঠ-নখ-শিখৰ-খণ্ডিত-ব্ৰহ্মাণ্ডবিবৰণী-শৰৎ - শাৰদামৃতকৰ-সুৰবাহিনীতোয়-শৰীৰ-সোমাৰ-ধৰণী-মণ্ডলাখণ্ডল-শ্ৰীশ্ৰীমহাৰাজ - স্বৰ্গদেৱনাৰায়ণ - প্ৰচণ্ড - প্ৰতাপ - চৰিত্ৰ - বিচিত্ৰ-গুণ-সমূহেষু—

পৰম-সৌহাৰ্দ্দ-লিখনং কাৰ্য্যঞ্চ আগে । এথা কুশল, তোমাৰ ৰাজোন্নতি কুশল-মঙ্গল সদা বাঞ্ছি । পৰং তোমাৰ লিখা পত্ৰ আসি পহুছিল । সমাচাৰ পৰম প্ৰীতে জানিলাম । আৰ তোমাৰ কটকীৰ প্ৰমুখ্যে বাৰ্ত্তা শুনিয়া আমি সন্তুষ্ট হৈলাম । অতঃপৰ মধ্যে শুনিলাম মগলে আসিয়া তোমাৰ ৰাজ্য মাৰিলে, এসকল বাৰ্ত্তা আমালৈ নিদিলা । কতোদিন পাচে আমি বাৰ্ত্তা পায়া গোভাৰ ৰামাই দলৈক ও নিৰৈক আনিয়া তোমাৰ থানে পঠাইলাম বাৰ্ত্তা লৈবাৰ, কিছু পত্ৰ-সন্দেশ দিছিলাম, আৰ পত্ৰ লেখি দিছিলাম । তুমি প্ৰীতি-উত্তৰ বিদলেখ সেই অনুসাৰে কাৰ্য্য কৰিম । তাতে তোমাৰ কৰ্ম্মাইৰ লোকে সেই মনুষ্য আমাৰ দুইজন মগোলেৰ সাতে বান্ধিয়া দিলে কি মাৰিলে এবং নিৰ্ণয় নাপাইলাম, আৰ সন্দেশ তোমাৰ থানে পহুছিল হেন নাজানিলাম । এবে বিচাৰ কৰিয়া অতদিন সেই পত্ৰেৰ প্ৰীতি-উত্তৰ আনিব কৰিয়া জানিছিলাম, এখন নিষ্ঠা বুজিয়া তোমাৰ থানে পুছিল, কটকী বিদায় কৰিলাম । আমাৰ কটকী ৰামাইকে পঠাইতেছি । আপোনাৰ কুশল-মঙ্গল বাৰ্ত্তা বিবেচিয়া সকল লেখিয়া ততকাল কটকী পঠাইবা । জয়ন্তা আৰ গড়গাঞ দুই ৰাহই । তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে,

আমাৰ মনে এমত দুখ লাগিছে । অতঃপৰ বহুত মন দুখী আছি । তোমাৰ প্ৰত্যুত্তৰ আইলেহে চিত্ত নিবৃতি হ৽ । আৰ তোমাৰ আমাৰ প্ৰীতি নবীন নাহই, পূৰ্ব্বাবধি চলি আহিতেছে । বিশেষত অধিকত অধিক হৈবাৰ ক্ৰম হেন চিন্ন । তাতে এমত প্ৰপঞ্চ হৈল । অতঃপৰ তুমি কুশলে আছা, ৰাজ্য কুশলে আছে । পৰং এমন সময়তে তোমাৰ প্ৰীতি-উত্তৰ নাপাইলাম, হুকুম নাকৰিলাম, এটা মন দুখ ৰহিল । সময় পৰিলে যদি অত্যন্ত সহায় নাহইব তবে প্ৰীতেৰ কাৰণ কি ? তাৰ প্ৰীতি ৰক্ষা বা কিয় হৈব ? অতঃপৰ যে হৈবাৰ আছিল-সে হৈল, এখন যেমতে দিন দিন অধিক প্ৰীতি হয় তাক কৰিবায় । বাকী সমাচাৰ কটকীস্বলে কহিবেক । আৰ বঙ্গালে খানিক ৰাজ্যক পীড কৰিলে এই মাত্ৰ, মাটিক নিবাক নপাৰিল । সেই দেশ, সেই লোকসকল আছে, তুমি আপনে কুশলে আছ । এখন এমত কাৰ্য্য কৰি তুমি আমি এক প্ৰীতি হৈয়া যেমনে বঙ্গালৰ দাদ লৈবাৰ পাৰি তাকে কৰ । গৰীয়াএ যি কৰিছে যদি তেমত দাদ লৈবাক পাই তেবেসে আমাৰ সন্তোষ হয়, মন দুখ যায় । এতেকে যেমতে তোমাৰ চিত্তেত ভাল প্ৰতিবাসে তাকে লেখিবা । আৰো সময়ে ইয়াত যেটা কৰণা হয় ততকালে লেখিবা ।

আৰ পত্ৰ-সন্দেশ,—শাৰ কাপৰ ৪ খান, খাচা ৪ খানা, সূতাৰ কাপৰ ১০ খান, আঠাৰে খান যায় । আদতাই ৪ খান, ঢৰা ৩ খান, গাজি খাচা ২০ খান । বাকী সমাচাৰ তোমাৰ দুই কটকী ও ৰামাই প্ৰমুখে জ্ঞাত হৈবা । কিমধিকং বিজ্ঞেষু । ইতি, শক ১৫৮৫, মাস জেঠ । হাট-ভেঁটি,—খাচা ১ খান । পালেহি তাৰিখ ১১, ভাদ্ৰ মাসে এই শকতে । ৫৮ ॥

জয়ন্তা ৰজাৰ অপৰ পত্ৰ ।—সেই শকত অপৰ পত্ৰ,—

স্বস্তি প্ৰকাণ্ড-দোৰ্দ্দণ্ড-পিণ্ডীকৃত-কোদণ্ড-মণ্ডিত-চণ্ড-কাণ্ড-খণ্ড-খণ্ডীকৃত-অশেষ-বৈৰি-খণ্ড-মণ্ডিত-প্ৰতাপ- তপন - শ্ৰীশ্ৰীযুত - মহাৰাজ - স্বৰ্গদেব-নাৰায়ণ-মহোগ্ৰ-প্ৰতাপেষু—

পৰম-সোহাৰ্দ্দপূৰ্ব্বক-লেখনং কাৰ্য্যঞ্চ । পৰং যে কিছু সমাচাৰ পত্ৰতে সকল জ্ঞাত হৈবায় । মাত্ৰ যেমনে দিন দিন অধিক প্ৰীতি বাঢ়ে তাক

কৰিবায়। আৰ বঙ্গালে যেমত কৰিছে তেমত তাৰ দাদ লৈবাৰ পাৰি তেবেসে মন সন্তোষ হই। এতেকে তোমাৰ চিতে যেমত ভাল প্ৰতিবাদে তাৰ প্ৰত্যুত্তৰ লেখিবায়। বাকী সমাচাৰ কটকীয়ে কহিব। কিমধিকং বিজ্ঞেষু। ইতি, শক ১৫৮৫, তাৰিখ ১০, মাস জ্যেষ্ঠ। ইঠাই পালেহি তাৰিখ ১১, মাস ভাদ্ৰ। ৫৯॥

স্বৰ্গদেৱলৈ নৰ্ত্তঙ্গীয়া ৰজাৰ পত্ৰ।—নৰ্ত্তঙ্গৰ মাণিকসিংহৰ স্বৰ্গ-ৰাজালৈ দিয়া পত্ৰ,—

পৰম-সৌহাৰ্দ্দ-লেখনং কাৰ্য্যঞ্চ আগে। এঠাত আমাৰ সমস্তৰে কুশল; তোমাৰ ৰাজন্নতি কুশল-মঙ্গল সৰ্ব্বদা বাঞ্ছি। পৰং তোমাৰ লিখা পত্ৰ আসিয়া পৌহুছিল, পৰম সাদৰে শুনিয়া বৰ সন্তোষ হৈলাম। কিন্তু যেমত মন দুখ আছিল তেমতে তোমাৰ সুস্থ বাৰ্ত্তা পায়া পৰম সন্তোষ হৈলাম। কিন্তু আমাৰ দুইজন মনুষ্য বঙ্গালত পৰিল একাৰণ তুমি লেখি আছিলাই। দুইজন কি, তোমাৰ কাৰ্য্যেৰ নিমিত্তে যদি দশ-বিশ হাজাৰ লোক পৰিল তথাপি আমাৰ অসন্তোষ নাছিল। আমাৰ লোক যে তোমাৰ কাযত নাহিল ইকাৰণেসে আমাৰ মনত অসন্তোষ হৈল। আমি এমত জানি তোমাৰ সহিত আমাৰ অচল সুহৃদ অভেদ প্ৰীতিতা সকল দিন, তোমাতকৈ আমাৰ অধিক নাই। আৰ তোমাৰ চিত্তে আমাৰাও এমতথান লৈছিহেন জানিলাম। অন্যো অন্যে হৃদয় শুদ্ধে থাকিলে দূৰেও সন্নিহিত এমত চিত্তে লয় যেন। "যো যস্য মিত্ৰং নহি তস্য দূৰম্।" অতএব এমতথান জানিয়া যে সময়ে যে কাৰ্য্য উচিত হয় সেই বাৰ্ত্তা জনাইবা, সে কাৰ্য্য আমি কৰিম। আৰ গড়গাঞা জয়ন্তা দুই নাহয়, তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে, মনে এনে দুখ লাগিছে। মনুষ্য পঠালোঁ বাৰ্ত্তা জানিবাক, তাতে পথে এমত পৰিপঞ্চ হ'ল বাৰ্ত্তা নাপালোঁ। তোমাৰ দেশ বঙ্গালে মাৰিলে আমি কুশলে বসি আছিলোঁ। হুকুম নাকৰিলাম, দশ-বিশ হাজাৰ লোক আমাৰ গৈয়া নাপৰিল এইখানহে আমাৰ চিত্তে অধিক দুখ লাগিছে। আৰ বঙ্গালৰ প্ৰাণ-শক্তি যি আছিল তাকে কৰিলে। তেমতে কৰ্ম

কৰিছিল তেমতে ঈশ্বৰে তাৰে পাত কৰিলা। অথন বঙ্গালে যেমত কৰিছে তেমত প্ৰতিফল পাইলেসে ভাল। তোমাৰ আমাৰ কুশ-তিল এক যুক্তি হয়া এই সময়তে যেমনে দাদনি লৈবাৰ পাৰি তাৰ সালাহ কৰিয়া সময় দড়ায়া প্ৰত্যুত্তৰ লেখিয়া কটকীত কোল পঠাবা। এমন সময়তে তোমাৰ সাত নাদিলাম আমি এই দুখে লজ্জিত হয়াছি। এতে আনিছিলাম যে কিছু অসন্তোষ বিদ লেখিবায় হেন। তাতে আৰ আমাৰ দুইজন মনুষ্য পৰিল বঙ্গালত তাৰ কাৰণ অমৰ্য্যদা লেখিছাঁ। এতে তোমাৰ ৰাজনীতি গম্ভীৰতা নাৰহিল। দুইজন কি, এমত দুই লক্ষ তোমাৰ গৌৰৱ তুল্য নহয়, মাত্ৰ তোমাৰ অধিক মৰ্য্যাদাএ বহুত আমি লজ্জিত হৈলাম। কি কাৰণ সুবীৰ হয়া যে কুটুম্বৰ সহিতে পৰাক্ৰম শুনিয়া ঘৰতে থাকল অতঃপৰ ধিকাৰ নাই। এতেকে কোনো দিন শত্ৰু নিৰ্য্যাত কৰি যদি গুচাইবা পাৰি তবেসে আমাৰ ই লজ্জা যায়। আৰ বিশেষ কি লেখিম। মাত্ৰ তোমাৰ মনে যেমত ভাল প্ৰতিবাসে তাৰ প্ৰত্যুত্তৰ ততকাল লেখিবায়। কিমধিকং বিজ্ঞেষু। ইতি, শক ১৫৮৫, তাৰিখ ১০, মাস জেঠ। যাইতে পালেহি এই শকতে তাৰিখ ১১, মাস ভাদ্ৰ। ৬০ ॥

আওলিয়াত জয়ন্তা কটকী ৰামাইক তোলে।—শ্ৰীযুত মহাপাত্ৰ কন্ম বুঢ়াগোহাঞি প্ৰমুখে তিনিজনা গোহাঞিৰ ঠাইলৈ সমাচাৰ পৃথকে ধাৰাধ অনুসৰি তিনিখান পত্ৰ আনিছিল সেই শকে মাসে। ৰাজাৰ শহুৰ ৰাজমন্ত্ৰীতো বচন-সমাচাৰ উকীলে কহিলেহি। সেই সময়ত মহাপাত্ৰ কন্ম বুঢ়াগোহাঞিক উজাৰ হোৱা ৰাজ থিৰ কৰিবৰ নিমিত্তে ৮তাএ পঠাইছিল, আওলিয়াত আছিলগৈ। তৈতে জয়ন্তাৰ উকীল ৰামাইক তুলি পত্ৰ-সমাচাৰ শুনিলে। ৰাজা-শহুৰ বৰফুকনৰ পুত্ৰ ভোমাই গোহাঞি কলীয়াবৰত আছিল। ৬১ ॥

জয়ন্তালৈ পঞ্চপত্ৰ দিয়া অনিয়ম।—অতপৰ উকীলৰ বচন-সমাচাৰ লেখা নাই। বৰভাত ৰাজসভাত ৰামাই উকীলে কলে, বোলে,—“ ৰাজা লাঙ্গা সুলতানে কৰ দিছে,—‘ স্বৰ্গমহাৰাজাৰ ঠাইৰ পৰা পাত্ৰ-মন্ত্ৰীসহিতে পাঞ্চ পত্ৰ দিয়ে মই একলে শুনোঁ। ফিৰি মই পাঞ্চ পত্ৰ লিখোঁ, ৰাজা মোৰ একে পত্ৰ মাত্ৰ শুনে। এখন ৮তাএ এক পত্ৰ লেখিব নোৱৈ, পাত্ৰ-মন্ত্ৰীয়ে লেখিব মোৰ

পাত্ৰ-মন্ত্ৰীলৈ। ইদানীক প্ৰভৃতি এনে ক্ৰমে লেখা যাব’।” এনেৰূপে ক’লত ৬৮/০এ বুলিলে,—“ওপৰে যি ৰজাসকলে ইঠাইলৈ উকীল-পত্ৰ পঠাইছিল সিসবে জানো ইয়াক নাজানিলে? সিবোৰত কৰিনো কোন কাম কমে বঢ়াই কৰিছে নিমিত্তে পূৰ্ব্বধাৰাণ ছাৰি কৈ পঠাই? ইগোট প্ৰীতিক ভাঙিছে বুলিলে।” তাতে ৰজাৰ শহৰ ৰাজমন্ত্ৰীএ বুলিলে,—“যদি ইয়াক পাণ্ডা সুলতানে বুলিলেহঁতে পত্ৰতো লেখিলেহঁতে। কিবা উকীলেহে কয়?” এই বুলি উকীলক সমাজৰ গাণ্ডিয়াই খেদিলে। ৬২॥

পঞ্চম আধ্যা।

স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰ দিনত।

শক ১৫৮৫–১৫৯১; খৃষ্টাব্দ ১৬৬৩–১৬৬৯।

সমসাময়িক জয়ন্তা ৰজা— যশমন্তৰায়, মানসিংহ।

কন্ম বুঢ়াগোহাঁইৰ মীমাংসা।—তাৰ পাচে ১৫৮৫ শকত জয়ধ্বজসিংহ মহাৰাজা স্বৰ্গগামী হৈলত সেই শকতে চক্ৰধ্বজসিংহ মহাৰাজা হৈল। তাঞিত মাণ্ডিলে। কন্ম বুঢ়াগোহাঞে বোলে,—“পত্ৰতো দূষণ নাই, বিত্তৰ গুণৰ নিকটত এক দোষক নাচাই। কিবা উকীলেহে কহে? আমাৰ উকীল-পত্ৰ দি তাক বিদায় দিব লাগে।” এই বুলি মাণ্ডিলত ধাৰাণে বিদায় দিলে। পাচে গোহাঞে কটকী কোমোৰাকে, নাৰাণকে লগত দি পত্ৰ-সন্দেহ সহিতে বাৰাইক বিদাই দিলে। ৬৩॥

জয়ন্তা ৰজা যশমন্তৰায়লৈ স্বৰ্গদেৱৰ পত্ৰ।—অথ সমাচাৰ সহিতে শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ চক্ৰধ্বজসিংহ মহাৰাজা দিয়া পত্ৰ এইখান,—

স্বস্তি পৰম-মঙ্গলোদাৰ-গুণ-গুণাৰ্ণৱ-মহামহিম-মহিমাৰত্ন-কন্দৰ্প-দৰ্প-খৰ্ব্বিতাঙ্গ-শ্ৰীশ্ৰীযুৎ-যশমন্তৰায়-চৰিত্ৰ-বিচিত্ৰ-গুণসমূহেষু—

সৌহাৰ্দ্দপূৰ্ব্বক-লেখনং পৰোজনঞ্চ। এথা কুশল, তোমাৰ কুশল সৰ্ব্বথা চাহি। পৰং তোমাৰ লেখা আসিল, সমাচাৰ পৰম প্ৰীতি জানিলোঁ। বিশেষ আপনে সম্পত্তে কুশল থাকে তাকেহে চিন্ত বুলি। এতেকে আপুন

কালে তুমি আমাৰ কুশলক বাঞ্ছা ইয়াত আমাৰ বৰ সন্তোষ । তোমাৰ আমাৰ প্ৰীতিগোট নবীন নহয়, পূৰ্ব্বাপৰ যেন ধাৰণে চলিয়া গৈছে তাক তুমি আপুনি জানা । এতেকে সেই পূৰ্ব্বধাৰাণে যদি ৰহে তেহে মিত্ৰ বুলি, তেবেহে প্ৰীতিও ৰহে, পূৰ্ব্বধাৰণে যদি নাৰহিল তেবে প্ৰীতি কেমনে ৰহিব ? আৰ দেখ, তুমি যি শক্ৰক পাৰিবাৰ কাৰণ কহি পঠালা হয় প্ৰীতিত থাকি কহিব পোৱা । কিন্তু বাৰম্বাৰ বঙ্গালক যেমন কৰিছোঁ তাক তুমি আপুনি দেখিছা । দৈৱদোষে যদি একবাৰ ঘাটিছোঁ তেবে কি আমাৰ কাৰ্য্য-কাম গুচিলনিকি ? কিন্তু তোমাৰ আমাৰ যেমনে অধিকাধিক প্ৰীতি হৈব তেমনখানক মাত্ৰ কৰিবা । আৰ আমি অধিক কি কহিম, আপুনি সমস্তে জানা । আৰ যি কিছু বাকী সমাচাৰ হয় শ্ৰীনাৰায়ণ ও শ্ৰীকোমোৰা কহিব ।

আৰ তোমাক লাগি সন্দেশ,—কতিপা ১ খান, কিৰ্ম্মিজি ১ খান, ঢৰা ২ খান, কস্তুৰী ৪, চামৰ ২, কটাৰী ২০, মৰিচ ৪ টোপা, গাঁঠিয়ন ১ জোলা । হাট-ভেঁটি,—বানাত ১ খান । ইতি, শক ১৫৮৬, তাৰিখ ২, মাস বৈশাগ । ৩৪ ॥

নৰ্ত্তকীয়া ৰজালৈ পত্ৰ ।—নৰ্ত্তকীয়া প্ৰতি লেখা এই,—

এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং তোমাৰ কুশল-সমাচাৰ আসিল, সমাচাৰ পৰম প্ৰীতি জানিলোঁ । আৰ দেখ তুমি যি প্ৰীতিৰ কাৰণ যে কলা কহিবাক পোৱা । কিন্তু পূৰ্ব্বাপৰে যেমন ধাৰণে প্ৰীতিগোট চলিছে তাক আপুনি জানা । এখনো যদি সেই ধাৰণে ৰহে তেবেসে প্ৰীতিও ৰহে । আৰ বঙ্গালৰ কাৰণ যি কহিলা কহিবাক পোৱা । কিন্তু বাৰম্বাৰ বঙ্গালক যেমনখান কৰিছোঁ তাকতো আপুনি জানা । বিশেষ প্ৰীতিত থাকি যিখানি বুলিলা ইয়াত আমাৰ বৰ সন্তোষ । আৰ বাকী সমাচাৰ কটকী প্ৰমুখে জানিবা ।

আৰ তোমাৰ অৰ্থে সন্দেশ,—কস্তুৰী ১ খান, কটাৰী ১০ খান, ঢৰা ২ খান, চামৰ ১ খান, মৰিচ ২ জোলা, গাঁঠিয়ন ১ জোলা । ৩৫ ॥

জয়ন্তালৈ তিনিগোহাঁইৰ পত্ৰ।—মহাপাত্ৰ কৰ বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিজনা গোহাঞে জয়ন্তালৈ দিয়া এই লেখা,—

এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখা আসিল, সমাচাৰ পৰম প্ৰীতে জানিলাম। বিশেষ নিদানতো তুমি আমাৰ কুশলক বাঞ্ছা আত আমাৰ বহুত সন্তোষ। অপৰঞ্চ তুমি যি প্ৰীতিৰ কাৰণ কহিলা হয় কহিবাক পোৱা। ৮তাএ নৰা মাস্তৰা আন আনো ৰজাসকলবে প্ৰীতি কৰিছে। কিন্তু তোমাৰ সঙ্গে যেমত প্ৰীতিগোট আছে আনৰ এমত প্ৰীতিগোট নঘটিছে। তোমাৰ জয়ন্তাপুৰ গড়-গ্ৰামে হৈছে আৰ আমাৰ গড়গ্ৰাম জয়ন্তাপুৰে হৈছে। এমত অভিন্ন প্ৰীতিগোট চলি গৈছে। এতেকে সেই প্ৰীতিকো পূৰ্ব্বধাৰাণেসে ৰক্ষা কৰে। যদি পূৰ্ব্বধাৰাণে নাৰহিল তেবে প্ৰীতি কেমনে ৰহিব? এতেকে পূৰ্ব্বপ্ৰীতি যেমন ধাৰাণে চলি গৈছে ইদানীক সেই প্ৰীতিগোট যেমনে অধিকাধিক বাঢ়ি যায় আমিও তাকেহে বাঞ্ছা কৰোঁ। আৰ ৰাজা ৰাজা প্ৰীতিগোট হৈলে যেমত হয় তাকতো আপুনি জানা। আৰ অধিক কি কহিম তুমি আপুনি সৰ্ব্বজ্ঞ। বাকী সমাচাৰ শ্ৰীনাৰায়ণ ও শ্ৰীকোমোৰা মুখে জানিবা।

আৰ সন্দেশ,—চৰা ২ খান, মৰিচ ৪ মোনা, কটাৰী ২ খান। ইতি, শক ১৫৮৬, তাৰিখ ১২, মাস বৈশাগ। ৬৬॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ পত্ৰ।—শ্ৰীশ্ৰীচক্ৰধ্বজসিংহ মহাৰাজালৈ জয়ন্তাৰ ৰাজাএ দিয়া পত্ৰ এই,—

এথা কুশল, তোমাৰ কুশল-মঙ্গল সদা বাঞ্ছি। পৰং তোমাৰ লিখন পত্ৰ আইল, সমাচাৰ পৰম প্ৰীতি জানিলাম, সন্তুষ্ট হইলাম। কিন্তু তুমি লেখি আছা পূৰ্ব্বাবধি যেমত প্ৰীতি-কুটুম্বিতা চলি গৈছে তাক কৰিবাৰ, তুমি ভাল লেখিছা। প্ৰীতি আজি নবীন নহয়, তোমাৰ আমাৰ অচলা প্ৰীতি। পূৰ্ব্ব ছাৰিয়া যেদিন সূৰ্য্য পশ্চিমে উদয় হই, কলা কাক খেত হৈলে তথাপিও আমি এমত জানোঁ তোমাৰ আমাৰ প্ৰীত চলিবাৰ নাহয়। অতঃপৰ যেমতে আগে প্ৰীতি-কুটুম্বিতা হৈছে তাহাতে অধিকাধিক প্ৰীতি-কুটম্বিতা আমি তোমাৰ সহিত কৰিব।

তুমিও তেমত কাৰ্য্য কৰিবা, যেন দেশ-বিদেশৰ লোকে শুনিয়া প্ৰশংসা কৰে। সকল দিনে যেমত চলিয়া গৈছে তাহাত অধিক যেন হৈয়া যায়। আৰ বঙ্গালে যে কিছো কাৰ্য্য কৰিল সে কৰিবাৰ কি? দৈৱগতি হৈবাৰ আছিল হৈল। তুমি আপুনি কুশলে আছা, সে ৰাজ্য সে লোক কুশলে আছে, বঙ্গালৰ নিবন্ধে আনিছিল, আসিবৰ নেকি স্বতন্ত্ৰ? একাৰণ কিছু মনে দুখ নকৰিবা। এই দুখে আমিও দুখী আছি। গড়গ্ৰাম জয়ন্তী দুই হেন নাজানিবাই। বঙ্গাল তোমাৰ আমাৰ শত্ৰু। তোমাৰ আমাৰ এক বুদ্ধি হৈলে সকলে ভাল হৈব। আৰ ভাল-মন্দ যে হয়, যে কাৰ্য্য যাৰ উপস্থিত হয় ইয়াতে অন্যোন্যে বাৰ্ত্তা নুপুছি আৰ অন্যোন্যে সহায় নাভজিব তেৱে প্ৰীতিৰ গুণ কি? আৰ বিশেষ কি লিখিম। বাকী সমাচাৰ তোমাৰ দুই কটকী, আমাৰ ৰমাই কটকীৰ মুখে জ্ঞাত হৈবা। আৰ কটকীক বিলম্ব নকৰিবা, তৎকাল প্ৰত্যুত্তৰ সমাচাৰ লেখি সন্তুষ্ট কৰিবা। তোমাৰ আমাৰ কুটুম্বিতা অধিক প্ৰীতি ভালৰূপে হোক, যেন সকলে শুনিয়া দুইক ধন্য মানক। কিমধিকং বিজ্ঞেষু।

আৰ তোমাৰ নিমিত্তে সন্দেশ,—কাপৰ সাল ১ থান, খাচা ৩ থান, লোহা ৬০ থান আৰে পঠাইতেছি। ইতি, শক ১৫৮৬, তাৰিখ ৬, মাস আহিন। পালেহি শক ১৫৮৭, তাৰিখ ২৫, মাস জেষ্ঠ। ৬৭॥

স্বৰ্গদেৱলৈ নৰ্ত্তঙ্গীয়া ৰজাৰ পত্ৰ।—ৰামাএ আনে আমাৰ কোমোৰা ও নাৰাণে সহিতে জয়ন্তা ৰাজাৰ অনুবৰ্ত্তী নৰ্ত্তঙ্গীয়া ৰাজাএ দিয়ে ৺ৰাজাৰ ঠাইলৈ এক শ্ৰীএৰে অনা লিখা এইখান,—

এথা কুশল, তোমাৰ কুশল-মঙ্গল সদা বাঞ্ছা কৰি। পৰন্তু তোমাৰ লেখন পত্ৰ আইল, সমাচাৰ পৰম প্ৰীতি জানিলাম পৰম সন্তোষে। কিন্তু প্ৰীতি আজিৰ নবীন নহয়, পূৰ্ব্বাবধি চলিয়া যাইতেছে। অতঃপৰ তাহানে যে আদ্য অধিক প্ৰীত-কুটুম্বিতা হয় ইসে প্ৰশংসনীয়। আৰ গড়গাঁও জয়ন্তী দুই নাহয়, এক ঘৰ প্ৰায় চলিয়া যাইতেছে। এতেকে যেমতে দিন দিন অধিক প্ৰীতি হয় তাক কৰিবা। বাকী সমাচাৰ তোমাৰ দুই কটকী ও আমাৰ ৰমাই কটকীৰ প্ৰমুখ্যে জ্ঞাত হৈবা। আৰ কুদাল ৫ থান পঠাইতেছি। কিমধিকং বিজ্ঞেষং। ইতি, শক ১৫৮৬, তাৰিখ ২৮, মাস আশ্বিন। পালেহি শকত ১৫৮৭, তাৰিখ ২৫, মাস জেষ্ঠ। ৬৮॥

কম্ম বুঢ়াগোহাঁইলৈ জয়ন্তা ৰজাৰ পত্ৰ ।—শ্ৰীযুত কম্ম বুঢ়াগোহাঞিৰ প্ৰতি জয়ন্তা ৰাজাৰ এই লিখা,—

এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং তোমাৰ লিখন পত্ৰ প্ৰীতিপূৰ্ব্বকে জানিলাম । তুমি ভাল লেখিছিলাই । প্ৰীতি আজিৰ নবীন নাহয়, পূৰ্ব্বাবধি চলিয়া যাইতেছে । অতঃপৰ আগে যেমত প্ৰীত-কুটুম্বিতা হৈছে তাহাত অধিকাধিক প্ৰীত-কুটুম্বিতা আমি কৰিম, মাত্ৰ তুমিও তেমত কাৰ্য্য কৰিবাই যেন আৰ ভিন্ন নাহয়, লোকে প্ৰশংসা কৰে । আৰ গড়গাওঁ জয়ন্তী দুই হেন নাজানিবাই । আৰ বঙ্গাল তোমাৰ শত্ৰু আমাৰ শত্ৰু । এক বুদ্ধি কৰি যেমনে শত্ৰুক নিৰ্য্যাতন কৰিবাক পাৰি তাকে কৰিবাই । আৰ ভাল মন্দ যিদিন যাৰ কাৰ্য্য উপস্থিত হয় আত যদি প্ৰত্যুত্তৰ কথা-বাৰ্ত্তা নপঠৈছিল, আৰ অন্যোন্যে সহায় হৈয়া শত্ৰু নিৰ্য্যাতন নকৰিবা তেবে প্ৰীতে গুণ কি ? আৰ বিশেষ কি লেখিম । বাকী সমাচাৰ তোমাৰ দুই কটকী ও আমাৰ কটকীৰ প্ৰমুখ্যে জ্ঞাত হৈবাই । আৰ কটকী বিলম্ব নাকৰিবাই। তৎকালেই আৰ প্ৰত্যুত্তৰ লিখিয়া কটকী পঠাইবা ।

আৰ তোমাৰ নিমিত্তে সাল ১, গাড়া ১ তেইশগজি পঠাইতেছি এবে লৈবাই । ইতি, শক ১৫৮৬, তাৰিখ ৪, মাস আহিন । পালেঁহি শক ১৫৮৭, তাৰিখ ২৫, মাস জেষ্ঠ । ৬৯ ॥

এক “ শ্ৰী ” থকা চিঠিৰ অপৰাধ ।—ৰমাএ আনে অপৰ পত্ৰ । বৰগোহাঞিৰো পত্ৰ, বৰপাত্ৰ-গোহাঞিৰো পত্ৰ এই ধাৰণে । কলীয়াবৰীয়া যোঁৰাকোঁৱৰ বৰফুকনৰো পত্ৰ এই ধাৰণে । জয়ন্তা ৰাজাৰ পাঞ্চ পত্ৰতো একো দূষণ নাই । জয়ন্তা ৰাজাৰে তলপ নৰ্ত্তজীয়া ৰাজাৰ পত্ৰথান এক শ্ৰী দি স্বৰ্গমহাৰাজালৈ লিখিছিল, এইগোট বৰ দূষণ । ইহাতে স্বৰ্গমহাৰাজাএ বুলিলে দূষণ ধৰি,—“ই যে ধাৰণ এৰি লেখে ?” মহাপাত্ৰ কম্ম বুঢ়াগোহাঞিলৈ ৺ৰাজাএ বুলিলে,—“আমাৰ উকীল-পত্ৰ নিদি জয়ন্তা ৰাজাৰ উকীলক বিদায় দিয়ক ।” ইহাতে তথাপি কম্ম বুঢ়াগোহাঞি ৺লৈ জনাই ৺ৰাজাৰ উকীল-পত্ৰ নেদি তিনিজনা গোহাঞিৰ পত্ৰ-সন্দেশ দি কলীয়াবৰীয়া যৌৱাকোঁৱৰ বৰফুকনৰো পত্ৰ-সন্দেশ দিব দি ৰামাইক বিদাই দিব দিলে । আমাৰ মাহুতে গীমনাত

আগৰচাই থৈ আহিলহঁগে। পাচে জয়ন্তা ৰাজাও তাৰ কটকী ৰাজহুইত কৰি ধাৰাণে পাঞ্চ পত্ৰ দি পঠালে। সেই সময়তে কলীয়াবৰত ৰৰবৰুৱাৰ সৰু পুতেক ৰৰফুকন আৰু দিহিঙ্গীয়া ফুকন আছিল। ৭০॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ পত্ৰ।—শ্ৰীশ্ৰীচক্ৰধ্বজসিংহ মহাৰাজালৈ অনা জয়ন্তা ৰাজাৰ এই পত্ৰ,—

কুশলমিহতাং ভবতাং ভাবুকং সমীহামহে—

পৰং তোমাৰ আমাৰ প্ৰীত আজিৰ নাহয়, পূৰ্ব্বাবধি চলিয়া আইতেছে। অধিকত অধিক হুইবাৰ তোমাৰ থানে যে কিছু লেখিয়াছিলাম তাক শুনিছ। আমি জানিছিলাম ইবাৰ প্ৰীতেৰ কিছু বাকী নাৰহিল, তাতে অধিকাধিক হৈব। পূৰ্ব্বে যে আছিল তাক ভাজিলা, আমাৰ কটকীথানি বিদায় কৰিলা। যদি কোনো ছিদ্ৰ থাকে তথাপি লেখিবাৰ উচিত; আপোনাৰ কটকী দিয়া কহিবাৰ উচিত। অকস্মাৎ এমতথান কৰণ কুটুম্বৰ সহিত ভালো নাহয়। সত্য কি মিছা একটা অসবৰ পৰা ছিদ্ৰ ধৰিছ, সিও ৰাজাৰ আগতে নাছিল। সে আমাৰ সহিত যেমত কৰিতেছে তাক শুনিতেছে। তাৰ ইছা যেমতে অপূত হই। অতঃপৰ তোমাৰ আমাৰ যদি দৃঢ়তৰ বহুত প্ৰীতি থাকে তেবে কিছুতে পাৰ হৈল, মধ্যে কেও কিছু কহিল কাৰণ এই প্ৰীত নাযাই। আৰ আমি কদাচিত কোনো দিন কিছো ছিদ্ৰ নাধৰি, যেমতে প্ৰীত বাঢ়ে তাকে আমি কৰি। প্ৰীতি ভুৰিতে অনেক যতন লাগে ভুৰিতে কিছু বিলম নাই। অতঃপৰ যেমতে চিত্তে ভাল প্ৰতিবাসে, প্ৰীতি বাঢ়ে তাকে কৰিবাৰ। আৰ জয়ন্তী গড়গাওঁ দুই নাহয় আমি একেসে জানি। এতে যে ভেদ কৰে সে সত্যভ্ৰষ্ট হয়। আৰ বিশেষ কি লিখিম, বাকী সমাচাৰ ৰামাই কটকী প্ৰমুখ্যে জ্ঞাত হৈবাৰ। ইতি, শক ১৫৮৭, তাৰিখ ২০, মাস ফাগুন।

স্নেহচ্ছেদেপি সাধূনাং মনো ন যাতি বিক্রিয়াং।
ভঙ্গেপি হি মৃণালানামনুবধ্নাতি তন্তবঃ॥ শ্লোকোৰ্থং॥

পাছেহি শক ১৫৮৮, আহিন ৫, ধান আহিল। আমাৰ কটকী নাইকাটৈ জয়ন্তাৰ ৰামাই কটকীয়ে আহে। ১১॥

বুঢ়াগোহাঁইলৈ জয়ন্তা ৰজাৰ পত্ৰ।—মহাপাত্ৰ কন্ন বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিজনা গোহাঞিলৈ দিয়া শ্ৰীশ্ৰীজয়ন্তা ৰাজাৰ এই লেখা,—

স্বস্তি প্ৰচণ্ড-ভুজদণ্ড-খণ্ডিত-চণ্ড-বৈৰি-মনোহাৰি-নাৰী-বিলাস-পৰিপাক-কজ্জঃ-মহিমাৰন্ত-শ্ৰীশ্ৰীযুত-মহাৰাজ-যশমন্তসিংহ-প্ৰবল-প্ৰতাপানাং বিবিধ-গুণ-গ্ৰামৈক - ধাম - পৰম-সুপ্ৰতিষ্ঠিত - শ্ৰীযুত - বুঢ়াগোহাঞি - সুচাৰু - চৰিত্ৰেষু—

পৰমশুভাশীঃ কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ আমাৰ প্ৰীত আজিৰ নাহয়, পূৰ্ব্বাবধি চলিয়া আইতেছে। অধিকত অধিক হৈবাৰ যে কিছু লেখিয়া পঠাইছিলা তাক শুনিয়া তাতো অধিক হৈব। পূৰ্ব্বে যে আছিল তাক ভাঙ্গিলা। আমাৰ কটকীখানি বিদায় কৰিলা। যদ্যাপি কোনো ছিদ্ৰ থাকে লেখিবাৰ উচিত, কটকী পঠাই কহিবাৰ উচিত। অকস্মাৎ এমত ভাল নাছিল। সত্য কি মিছা একটা অক্ষৰৰ কাৰণ ছিদ্ৰ ধৰিয়াছে, ইয়ো ৰাজাৰ আগতে নাছিল। সিও আমাৰ সহিত যে কৰিতেছে শুনিতেছে। তাৰ ইছা যেমত অপ্ৰীতি হয়। অতঃপৰ তোমাৰ আমাৰ দৃঢ়তৰ বহুত প্ৰীতি থাকিলে মধ্যে কেও কিছু কহিলে এত অপ্ৰীত নাহয়। আৰ আমি কোনো দিন কিছু ছিদ্ৰ নাধৰি, যেমতে প্ৰীত বাঢে তাকেসে কৰি। প্ৰীত কৰিতে অনেক যত্ন লাগে শুচিতে কিছু বিলম্ব নালাগে। আৰ গড়গাওঁ জয়ন্তী ভিন্ন নাহয় আমি একেসে জানি। এতে যে ভেদ কৰে সে সত্যভ্ৰষ্ট হুইব। আৰ বিশেষ কি লিখিম, কিমধিকং। বিশেষ বাকী সমাচাৰ ৰামাই কটকী প্ৰমুখ্যে জ্ঞাত হৈবাই। ইতি, শক ১৫৮৭, তাৰিখ ২০, মাস ফাগুন। কাপৰ ১ থান পঠাইতেছি।

পালেহি শক ১৫৮৮, তাৰিখ ৪, মাস আশ্বিন। বৰগোহাঞি, বৰপাত্ৰ-গোহাঞি, ৰাজমন্ত্ৰী বৰবৰুৱাৰ সক পুত্ৰ কলীয়াবৰীয়া বৰফুকনযো এই ধাৰাপে পত্ৰ। ৭২ ॥

জয়ন্তা ৰজালৈ স্বৰ্গদেৱৰ পত্ৰ ।—শ্ৰীশ্ৰীমহাৰাজা চক্ৰধ্বজসিংহে জয়ন্তা ৰাজালৈ দিয়া এই পত্ৰ,—

এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি । পৰং তোমাৰ লিখা আসিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জানিলোঁ । আৰ দেখ তুমি বুলিছা বোলা,—'পূৰ্ব্বপ্ৰীতিকো ভাঙ্গিলা ।' ইথান আগপাচ বিমৃষা কৰি বোলনহে উচিত । পূৰ্ব্বাপৰে যেমত ধাৰাণ উকীল-পত্ৰ গতাগত কৰিছে এথনো তেমত ধাৰণে উকীল-পত্ৰ গতাগত কৰিলেসে পূৰ্ব্বপ্ৰীতিগোট ৰহে । পূৰ্ব্বধাৰাণগোট নাৰহিলে পূৰ্ব্বপ্ৰীতিগোট কেমনে ৰহিব ? অতএব তোমাৰ ঠাইৰ পৰা যেথন পূৰ্ব্বধাৰাণ এৰি পত্ৰ আসিল তেথনে মৃণালৰ প্ৰায় পূৰ্ব্বপ্ৰীতিগোট তোমৰাসে ভাঙ্গিলা । তত্ত্বৰূপে মঞি পূৰ্ব্বপ্ৰীতিতে ৰহিছোঁ, কিন্তু পূৰ্ব্বধাৰাণ এৰি পত্ৰ আসিল যি কাৰণ এই কাৰণেসে মঞি উকীল-পত্ৰ পঠালোঁ । আৰ সত্য অসত্যৰ কাৰণ যি লিখিলা, আমি যি দায় ধৰিলোঁ, তাক তুমি সত্যহেন জানিহে দণ্ড কৰিলা । আৰ তুমি যেমন গড়গাওঁ জয়ন্তী এক হেন জানিছা আমিও তেমনে একেহে জানিছোঁ । এহুৰাতো যি ভেদ কৰি কাৰত লেখিলে সি সত্যভ্ৰষ্ট হোৱনেসে উচিত । আৰ অধিক কি কহিম, তুমি আপুনি সমস্তে জানা । আৰ যি কিছো বাকী সমাচাৰ হয় তাক শ্ৰীৰাম ও জয়কৃষ্ণে কহিবেক ।

আৰ তোমাৰ অৰ্থে পত্ৰ-সন্দেশ,—কতিপা ১, কিৰ্ম্মিজি ১, চৰা ২, কস্তুৰী ৪, মৰিচ ৪ তোপা, চামৰ ৪, গাঁঠিয়ন ১ মোনা, কটাৰী ২ খান । ইতি, শক ১৫৮৮, তাৰিখ ৮, মাস আঘণ । ৰামাই সহিতে নিৰহ, বিৰিণায়ে জয়ন্তা ৰাজালৈ নিয়ে এই পত্ৰ । ১৩ ॥

জয়ন্তা ৰজালৈ তিনিগোহাঁইৰ পত্ৰ ।—মহাপাত্ৰ কমৰ বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিমনা গোহাঞিএ দিয়া এই লেখা,—

এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং তোমাৰ লিখা আহিল, সমাচাৰ পৰম প্ৰীতিপূৰ্ব্বকে জানিলোঁ । আৰ দেখা তোমৰা বোলা,—'পূৰ্ব্বপ্ৰীতিগোট ভাঙ্গিলা ।' ভাল, আমি যে পূৰ্ব্বপ্ৰীতিগোট

ভাজিছোঁ তবে ৰামাইত কৰি কি নিমিত্তে প্ৰীতিৰ কাৰণ কহি পঠাইলোঁ ? আৰ দুৱাৰৰ পৰা আমাৰ মুদৈক কি নিমিত্তে নানিলোঁ ? সাধুৰ স্নেহ ছেদ হৈতেও যেনতে বিক্ৰিয়াক নাযাই তেমন প্ৰকাৰে উকীল-পত্ৰ পঠাওঁ । আমি পূৰ্ব্বপ্ৰীতিতে আছি, কিন্তু পূৰ্ব্বধাৰাণ এৰি পত্ৰ আসিল যি কাৰণে সেই কাৰণেসে আমি উকীল-পত্ৰ নপঠালোঁ । আৰ সত্য অসত্যৰ কাৰণ যি লিখিছিলা, আমি যি দাই ধৰিছিলোঁ, তাক তুমি সত্য হেন জানিহে দণ্ড কৰিলা । আৰ তুমি যেমনে গড়গাওঁ জয়ন্তী এক হেন জানিছা আমিও তেমনে একে হেন জানিছোঁ । এনুৱাতো যি ভেদ কাকত কৰিলে সি সত্যভ্ৰষ্ট হোৱনহে উচিত । আৰ পূৰ্ব্বাপৰ যেমনে প্ৰীতিগোট চলিয়া গৈছে এখনো যে সেই সম্বন্ধ-প্ৰীতিগোট খলিত নাহই তেমনথান কৰণহে উচিত । আৰ অধিক কি কহিম, তুমি আপুনি সৰ্ব্বজ্ঞ । আৰ যি কিছো বাকী সমাচাৰ হয় তাক শ্ৰীবলোৰাম ও শ্ৰীজয়কৃষ্ণে কহিবেক ।

আৰ তোমাৰ অৰ্থে সন্দেশ,—ঢাৰা ২ খান, মৰিচ ২ তোপা, কটাৰী ২ খান বৰগোহাঞিৰো, বৰপাত্ৰ-গোহাঞিৰো, ৰাজমন্ত্ৰী বৰবৰুৱাৰ সরু পুত্ৰ কলীয়াবৰীয়া বৰফুকনৰো পত্ৰ-সন্দেহ এই ধাৰাণে । ইতি, শক ১৫৮৮ । ৭৪ ॥

স্বৰ্গদেৱলৈ জয়ন্তাৰ কন্যা ।—কথা—জয়ন্তাৰ ৰামাএ, আমাৰ নিৰহ, ৰিৰিণাএ জয়ন্তা ৰাজাৰ ঠাই পালতগৈ তুলি পত্ৰ শুনিলে । পাচে ৰাজা যশমন্ত-সিংহে এইখান বুলিলে,—“ পূৰ্ব্বহন্তে ৺ৰো আমাৰো পত্ৰত প্ৰীতিগোটকেহে লিখা যাই । এখনো যে পত্ৰত লেখিছে ‘ প্ৰীতি যেমতে ৰহে তেমত কৰণেহে উচিত, ’ ইহাত আমাত কোনোখানি নাৰহিছে, আক তোমোৰা যেন কহ ।” এই বুলি পুচিলত আমাৰ দুই কটকীয়ে বুলিলে,—“ ৺ৰ আশয়ক আমি নজানোঁ, ইহাক ৰাজা লাণ্টা সুলতানেহে পাই ।” ৰাজা বুলিলে,—“ মঞি জানিলোঁ, মঞি ৺লৈ কন্যা দিম, ব্যৱহাৰপূৰ্ব্বকে অলঙ্কাৰ দি পঠাব ।” এই বুলি আমাৰ দুই কটকীক ৰামাই সহিতে পত্ৰ-সন্দেশ দি পঠাই দিলে । অথ পত্ৰ-সন্দেশ এই । ৭৫ ॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ পত্ৰ।—চক্ৰধ্বজসিংহ মহাৰাজালৈ জয়ন্তা ৰাজাৰ পত্ৰ দিয়ে,—

এথা কুশল, তোমাৰ কুশল-মঙ্গল বাঞ্ছা কৰি। পৰং তুমি যি কাৰণে লেখিছিলা পৰম সন্তোষে জানিয়া সন্তোষ হৈলাম। আৰ তোমাৰ দুই কটকীৰ মুখে শুনিলাম। কিন্তু গড়গাওঁ জয়ন্তী দুই নাহয়, অত্যন্ত অভেদ প্ৰীতি এক ঘৰ প্ৰায় চলিয়া যাইতেছে। তোমাৰ দিগেৰ হস্তী, ঘোঁৰা আমাৰ ঘৰত আছে, আমাৰ দিগেৰ কুঞ্জৰী তোমাৰ ঘৰত আছে। অতঃপৰ অখনেও লেখিয়াছ, কুঞ্জৰীও খুজি আছ। কুটুম্বিতা কৰিবাৰ বহুত ভাল, কুটুম্বিতা আমি কৰিম, অধিকত অধিক প্ৰীতি বাঢ়িব মাত্ৰ। যেমত ব্যৱহাৰ আছে তোমাৰ দিগেৰ সকল সামগ্ৰী দিয়া কটকী পঠাওঁ কুঞ্জৰী জোটন কৰিয়া যাইবাৰ। যে কাৰ্য্য কৰিম হেন নিচয় কৰিলাম এতে বিলম্ব কৰিবাৰ কিছো কাৰ্য্য নাই। বিশেষ মাঙ্গল্য কাৰ্য্যত বিলম্ব ভাল নাহই। আৰ বিশেষ কি লেখিম। আৰ শুনিলাম তুমি মগোলৰ সহিত লেঢ়াই কৰিবাৰ লোক-লস্কৰ পঠায়াছা, আৰ আপোনাৰ অধিকাৰ স্থান চৰায়া লৈলায়, এবে শুনিয়া বহুত খোচাল হৈলাম। অতঃপৰ মগোল তোমাৰ শত্ৰু আমাৰ শত্ৰু। আমিও লোক-লস্কৰ ডিমৰুৱাৰ পথে পঠাইবাৰ চাই সমস্ত তৈয়াৰ, তোমাৰ বাৰ্ত্তাৰ অপেক্ষাএ মাত্ৰ ৰাখিছি। আৰ ঢকাৰ মগোলেৰ যে কিছু সমাচাৰ কটকীৰ স্থানে কহিছি এবে শুনিবাই। সাৱধান হৈয়া মগোলে সহিত লঢ়িবাই। বাকী সমাচাৰ বমাই কটকীৰ প্ৰমুখে শুনিবায়। কিমধিকং পৰম বিজ্ঞবৰেষু। ইতি, শক ১৫৮৯, তেৰিখ ৯, মাস কাৰ্ত্তিক।

কাপৰ পৰা পামৰি ১৮ থান, খাচা ২ থান, এব্‌ং কুৰিথান, লোহা ৫০ পঠাইতেছি। পালেহি শক ১৫৯০, তাৰিখ ১৪ শ্ৰাৱণ। ৭৬॥

কন্ম বুঢ়াগোহাঁইলৈ জয়ন্তা ৰজাৰ পত্ৰ।—শ্ৰীযুক্ত মহাপাত্ৰ কন্ম বুঢ়াগোহাঞিলৈ এই লেখা,—

এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখা পৰম প্ৰীতে জ্ঞাত হৈলাম। আৰ তোমাৰ দুই উকীলৰ মুখ-মবানী শুনিয়া

সন্তোষ হৈলাম । কিন্তু গড়গাওঁ জয়ন্তী দুই নাহয়, অত্যন্ত অভেদ প্ৰীতিয়ে এক ঘৰ প্ৰায় চলিয়া যাইতেছে, আৰ প্ৰীতি-কুটুম্বিতাও সকল দিনে চলিয়া গৈছে । তোমাৰ দিগেৰ হস্তী, ঘোঁৰা আমাৰ ঘৰতে আছে, আমাৰ দিগিৰ কুঞৰী তোমাৰ ঘৰতে আছে । অতঃপৰ অখনেও লেখিয়াছা, কুঞৰীও খুজিয়াছ । ই কুটুম্বিতা কৰিবাৰে ভালা । কুটুম্বিতা কৰিলে অধিকতো অধিক প্ৰীতি বাঢ়িব মাত্ৰ । যেমত ব্যৱহাৰ আছে তোমাৰ দিগেৰ সকল সামগ্ৰী দিয়া পঠাওঁ কুমাৰী জোটন কৰিয়া যাইবাৰ । যে কাৰ্য্য কৰিম হেন নিয়ম কৰিলাম এতে বিলম্ব কৰিবাৰ কিছো নাই । বিশেষ মঙ্গল কাৰ্য্যত বিলম্ব ভাল নাহয় । আৰ বিশেষ কি লিখিম । আৰ শুনিলাম মগোলেৰ সহিত লেঢ়াই কৰিতেছ, আপোনাৰ অধিকাৰ থানা চোৰায়া লৈলাই, এবে শুনিয়া বহুত সন্তুষ্ট হৈলাম । অতঃপৰ আমিও ডিমৰুৱাৰ পোনে লোক-লস্কৰ পঠাইবাৰ তিয়াৰ কৰিছি, তোমাৰ বাৰ্ত্তাৰ অপেক্ষাএ মাত্ৰ ৰাখিছি । আৰ ঢাকাৰ মগোলেৰ যে কিছো সমাচাৰ কটকীৰ স্থানে কহিছি এবে শুনিবাই । কাপৰ ২ থান পঠাইতেছি এবে লৈবাই । বাকী সমাচাৰ ৰামাই কটকীৰ মুখে জ্ঞাত হৈবা । কিমধিকং বিজ্ঞেষু । ইতি, শক ১৫৮৯, তেৰিখ ৯, কাৰ্ত্তিক মাস । পালেহি শক ১৫৯০, তেৰিখ ৫, আষাৰ মাস । বৰগোহাঞি, বৰপাত্ৰ-গোহাঞি, কলীয়াবৰীয়া বৰফুকনলৈকো একে ধাৰণে লিখা । ৭৭ ‖

জয়ন্তা ৰজালৈ স্বৰ্গদেৱৰ পত্ৰ ।—শ্ৰীশ্ৰীচক্ৰধ্বজসিংহ মহাৰাজাৱে জয়ন্তা ৰাজালৈ দিয়া এই লেখা,—

এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং তোমাৰ লিখা পহুছিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জানিলাম । আৰ প্ৰীতিৰ কাৰণ যি কহিলা হয় কহিবাক পোৱা । কিন্তু পূৰ্ব্বাপৰ তোমাৰ আমাৰ যি প্ৰীতিগোট চলি গৈছে এখনো আমি সেই প্ৰীতিতেহে আছো । এই অভিন্ন প্ৰীতিগোট যিমতে খলিত নাহয় তুমিও তেমতগোট কৰিবা । আৰ সম্বন্ধগোটৰ কাৰণ যি কহিছা পূৰ্ব্বাপৰেও সম্বন্ধগোট তোমাৰ আমাৰ চলি গৈছে, এখনো সম্বন্ধ বুলিছা । যদি তোমাৰ জী নাথাকিলহন্তে

ভবে তোমৰাৰ ভগিনা দিবাৰ উচিত ; তোমাৰ বেটীক যেমন স্নেহ ভগিনাক নিকি তেমন স্নেহ ? অতএব তোমাৰটিকহে দিবন উচিত। আৰ বুলিছা,—' তোমাৰ সীমনা লৈবাৰ শুনি মঞি বহুত সন্তোষ হৈলাম।' ইখান বুলিবাক পোৱা। যাতো তোমাৰ আমাৰ অভিন্ন প্ৰীতিগোট হৈছে এই কাৰণে তুমি সন্তোষ হৈবাৰ উচিত। আৰ বুলিছা,—' ডিমৰুৱাদি লোকজন দিবাৰ তিয়াৰ, বচনক মাত্ৰ অপেক্ষা কৰিছি।' ইখানতো তুমি আপুনি জানা। পূৰ্ব্বপৰম্পৰে আমি কোনো ঠাই কহি কাম কৰা নাই। এখন তুমি বুলিছা,—' বঙ্গাল তোমাৰ শত্ৰু আমাৰো শত্ৰু, এই কাৰণে লোক দিবাৰ ভাল।' তোমাৰ কবুল ৰাখি চিতাপে ত্ৰিশ বিশ হাজাৰ লোক আমাৰ ইঠাইলৈ কহি পঠাবা। আমি যেই পোনে কাৰ্য্য-কামলৈ চল সেই পোনে আনিম, যেমন আসিয়া গড়-প্ৰাঞ্চী তিয়াৰ কৰিবাক পাই। ইটো হঠাতে কাম তুমি কৰিবাৰ নহে, ইহাক তুমি আপুনে জানা। আমি বিস্তৰ কি কহিম। আৰ বাকী সমাচাৰ নিবহ, বিৰিণাৰ মুখে শুনিবাই।

তোমাৰ অৰ্থে সন্দেশ,—কতিপা ২ খান, কিম্মিজি ২ খান, ঢৰা ২ খান, কস্তুৰী ৪ খান, মৰিচ ৪ তোপা, চামৰ ৪টা, গাঁঠিয়ন ১ মোনা, কটাৰী ২০ খান। ইতি, শক ১৫৯০, তেৰিখ ৪, মাসে পৌষ। ৭৮ ॥

জয়ন্তা ৰজালৈ তিনিগোহাঁইৰ পত্ৰ।—মহাপাত্ৰ কম্ম বুঢ়াগোহাঁএ প্ৰমুখ্যে তিনিজনা গোহাঞিৰ ভিনে ভিনে জয়ন্তালৈ এই পত্ৰ,—

এথা কুশল, তোমাৰ কুশল সততে চাহি। পৰং তোমাৰ লিখা আহি পহুছিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জানিলোঁ। আৰ তুমি যি সম্বন্ধ-প্ৰীতিৰ কাৰণ কহিলা আমি তাক স্বৰ্গমহাৰাজাত কহিলোঁ। মহাৰাজাও বহুত সন্তোষ হৈ যিথান বুলিলে তাক তুমি লেখা উকীলৰ মুখে জানিবা। পূৰ্ব্বাপৰে যি প্ৰীতিগোট চলি গৈছে আমিও ইহাকেসে বাঞ্ছা কৰি। ৺ৰে প্ৰীতিত অপ্ৰীতিত যিখান হয় তাক তুমি আপুনি জানা। অতএব প্ৰীতিগোট যেমনে খলিত নাহয় তুমিও তেমতগোট কৰিবা। আৰ সম্বন্ধ কাৰণ যি কহিছা পূৰ্ব্বাপৰেও ৺এৰে তোমা সম্বন্ধগোট চলিয়া গৈছে, এখনো সম্বন্ধগোট কৰিবাক বুলিছা। যদি

তোমাৰ স্ত্ৰী নাথাকিলহঁতে তবে তোমাৰ ভাগিনীকে দিবাৰ উচিত। তোমাৰ বেটীক যিমান স্নেহ তেমনে ভাগিনীক নিকি সিমান স্নেহ? অতএব তোমাৰ বেটীকহে দিয়ন উচিত। আৰ বুলিছা,—'তোমাৰ সীমনাক লৈবাৰ শুনি মঞো বহুত সন্তোষ হৈলোঁ।' সিথান বুলিবাক পোৱা। যাতো পূৰ্ব্বাপৰে অভেদ প্ৰীতিগোট চলি গৈছে সেই কাৰণে সন্তোষ হৈবাৰ উচিত। আৰ বুলিছা,—'ডিমৰুৱায়েদি লোকজন দিবাৰ তিয়াৰ, বচনক মাত্ৰ অপেক্ষা কৰিছি।' ইথান তুমি আপুনি জানা। পূৰ্ব্বাপৰৰ পৰা আমি কোনো ঠাই কহিকাম কৰা নাই। এখন তুমি বুলিছা,—'বঙ্গাল তোমাৰ শত্ৰু আমাৰ শত্ৰু, এই কাৰণে লোক দিবাৰ ভাল!' তোমাৰ কবুল ৰাখি চিতাপে ত্ৰিশ বিশ হাজাৰ লোক দি আমাৰ ঠাইলৈ কৈ পঠাওঁ। আমি যি পোনে কাৰ্য্য-কামক। চল সেই পোনে আনিম, যেন আসিয়া গড-প্ৰাঞ্চী তিয়াৰ কৰিবাক পাই ইটো হঠাৎ কাম কৰিবাৰ নাহয়, ইয়াক তুমি আপুনি জানা। বিস্তৰ কি কহিম। আৰ বাকী সমাচাৰ বিৰিণা ও নিবহৰ মুখে জানিবা।

তোমাৰ অৰ্থে সন্দেশ,—ঢৰা ২ থান, মৰিচ ২ তোপা, কটাৰী ৪ থান। ইতি, শক ১৫৯০, তেৰিখ ৪, মাহ পৌষ। ৭৯ ॥

জয়ন্তা পাটত মানসিংহ।—বৰগোহাঞি, বৰপাত্ৰ-গোহাঞি, কলীয়া-বৰীয়া বৰফুকনৰ এই ধাৰণে সন্দেশ-পত্ৰ সহিতে বিৰিণা ও নিবহ, জয়ন্তাৰ ৰামায়ে নিয়া লিখাৰ নকল, অথ বচন সমাচাৰ। আমাৰ নিবহ ও বিৰিণাএ জয়ন্তাৰ দেশ পালতগৈ এতেকে জয়ন্তাৰ ৰাজা যশমন্তসিংহ মৰিল। তাৰ নাতি মানসিংহ ৰাজা হ'ল। সেই ৰাজাই দুই কটকী তুলিলে। ৮০ ॥

ষষ্ঠ আধ্যা।

স্বৰ্গদেৱ উদয়াদিত্যসিংহৰ দিনত।

শক ১৫৯১-১৫৯৫; খৃষ্টাব্দ ১৬৬৯-১৬৭৩।

সমসাময়িক জয়ন্তা ৰজা— মানসিংহ, প্ৰতাপসিংহ, লক্ষ্মীসিংহ।

জয়ন্তা ৰজা প্ৰতাপসিংহৰ ডিমৰুৱা দাবি।—সেই সময়ত আমাৰো ইঠাইত চক্ৰধ্বজসিংহ মহাৰাজা স্বৰ্গী হ'ল ১৫৯১ শকত, তবে উদয়াদিত্য-সিংহ মহাৰাজা হৈল। পুনৰ্ব্বাৰ জয়ন্তাতে ছয় মাস অন্তৰে মানসিংহক ভাঙ্গি বঙ্গালৰ পৰা আহি প্ৰতাপসিংহ ৰাজা হৈল। তাঞিএ ৰামাইক লগত দি

আমাৰ দুই কটকীক পত্ৰ-সন্দেশ সহিতে বিদায় দিলে। আৰ বচনে এইখান বুলিলে,—"সৰ্ব্বকালে ডিমৰুৱা আমাৰ, প্ৰীতিত থাকি আমাৰ লৈ ছাৰি দিবলৈহে উচিত।" আমাৰ দুই কটকীয়ে বুলিলে,—"ইহাক আমি ৺তাত কহিবাক নাপাৰোঁ।" আতে জয়ন্তাৰ ৰাজাএ বুলিলে,—"যদি তোমৰা ৺ত বচনে নকহ, আমি পত্ৰতে লেখিম।" এই বুলি বিদায় দিলে। ৮১ ॥

জয়ন্তা পাটত লক্ষ্মীসিংহ।—সিঠাইৰ পৰা আহি কলীয়াবৰ পালেহি। এতেকে শুনিলে জয়ন্তাৰ প্ৰতাপসিংহক মাৰি লক্ষ্মীসিংহ ৰাজা হ'ল। ইহাক শুনি ৺লৈ জনাই ববফুকনে তুলি গড়গাওঁলৈ পঠালে। ইঠাইতো ৺তাত জনাই মহাপাত্ৰ কমু বুঢ়াগোহাঞে মৃতক ৰাজাৰ অস্বস্ত পত্ৰ দেখি নাচাই সুধা কটকী তুলি এইখান বুলিলে,—"ইবাৰ ৺তাৰ পাৰত সেৱা কৰিব নাপা। আমিও যে পত্ৰক নাচালোঁ ৰাজা মৰিলে শ্ৰী হত হয়। এতেকে মৃতক ৰাজাৰ পত্ৰ অস্বস্ত। এখন তাঞিৰ জোঁৱাই লক্ষ্মীসিংহ ৰাজা হইছে। তঞি গৈয়া তাঞিৰ ধাৰাণে পত্ৰ আনিলে তবে আমি ইঠাইৰ পৰা ৺তাত জনাই উকীল-পত্ৰ পঠাম।" এই বুলি আমাৰ উকীল-পত্ৰ নেদি জয়ন্তাৰ ৰামাইক বিদায় দিলে সন্দেশ দি। ইতি, শক ১৫৯০। ৰামাই পালতগৈ জয়ন্তাৰ লক্ষ্মীসিংহ ৰাজাএ পত্ৰ-সন্দেশ দি পঠাই দিলে। ৮২ ॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ পত্ৰ।—শ্ৰীশ্ৰীস্বৰ্গমহাৰাজা উদয়াদিত্য-সিংহলৈ এই লেখা,—

স্বস্তি সমস্তাশান্তাম্বৰ-সকৰ্ণ-তালাস্ফালন-পৱন-গৰ্ব্বিত-প্ৰতাপানল-বৈৰি-বক্ষস্তট-কপাট-পাতন-প্ৰকটিত-নৰসিংহাবতাৰ-সদামৰগণ-গীয়মান-যশোদাৰ-যশঃপূৰ্ণ-তুহিনকৰ-কিৰণ-নিকৰ-ধৱলিতাশেষ-দিঙ্মণ্ডল-ধৰা-মণ্ডন-সৌমাৰেশ্বৰ-শ্ৰীশ্ৰীমৎ-স্বৰ্গনাৰায়ণদেৱ-মহামহোগ্ৰপ্ৰতাপ-চৰিত্ৰ-চিত্ৰিত-গুণসমূহেষু—

পৰম-প্ৰীতিপূৰ্ব্বক-পৰম-প্ৰীতি-সৌহাৰ্দ্দ-লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ ৰাজ্যোন্নতি কুশল-মঙ্গল সদা বাঞ্ছি। পৰং গড়গাওঁ জয়ন্তী দুই নাহয়, সকল দিনে এক ঘৰ প্ৰায় চলিয়া যাইতেছি। বিশেষ দিনে দিনে কুটুম্বিতাহে অধিক ব্যতিৰেকে কমি নাহৈতেছে। অতঃপৰ কটকী ৰাবাএ শুনিলাম নবীন কুটুম্বিতা কৰিবাৰ ইচ্ছা

হৈছে। এতেকে আমাৰো অধিক ইছা আছে। যোগ্য স্থানে কুটুম্বিতা কৰণেসে উচিত। এতেকে পূৰ্ব্বাৱধি যেমত ধাৰণে কুটুম্বিতা কৰিতে ৰাজনীতি ব্যৱহাৰ আছে সেই সামগ্ৰী ধাৰাণে কটকী প্ৰীতি-পত্ৰ পঠাইবাই, এতেকে কোনো সন্দেহ নাকৰিবাই। এথাত আমাৰ যেমত নীতি-ধৰ্ম্ম আছে সে সুচাৰ আমি কৰিম। ঘনিষ্ঠতা বাঢ়িতে থাকিব এমতথানহে ভাল। অন্য কুশল সমাচাৰ যদি ততকাল নাপহুছিল তবে অভেদ প্ৰীতিৰ সন্তোষ গুণ কি? অতঃপৰ এমত কাৰ্য্য কৰণ চাই যেন উভয়ান প্ৰীতি প্ৰতিষ্ঠা হয়। আৰ বিশেষ কি লেখিম, বাকী সমাচাৰ ৰমাই কটকী প্ৰমুখ্যে শুনিবায়।

আৰ তোমাৰ অৰ্থে সন্দেশ,—কাপৰ ২ থান, লোহা ৯ থান পঠাইছি, এবে লৈবায়। কিমধিকং বিজ্ঞাবৰেষু। ইতি, শক ১৫৯৩, তেৰিখ ১০ আষাৰ। পালেহি শক ১৫৯৪, তাৰিখ ২৪ জেঠ। তিনিজনা গোহাঞিৰো পত্ৰ-সন্দেশ এই ধাৰণে, কলীয়াবৰীয়া বৰফুকনৰো পত্ৰ এই ধাৰণে। ৮৩ ॥

ডিমৰুৱা দাবিৰ প্ৰত্যুত্তৰ।—কথা—কলীয়াবৰীয়া বৰফুকনে ৰামাইক তুলি গড়গাওঁলৈ পঠালে। তাতো মহাপাত্ৰ কম্ম বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিজনা গোহাঞে তুলি পত্ৰ-সমাচাৰ শুনি পাচে মহাপাত্ৰ কম্ম বুঢ়াগোহাঞে ৺তাত ভেঁটালে। ৺তাও কটকী তুলি পত্ৰ শুনিলে। জয়ন্তাৰ উকীল ৰামাৰে বচনে কহিলে,—"৺৺দেৱতালৈ লাণ্ঢা সুলতান ৰাজাএ কন্যা দিম বুলিছে, ব্যৱহাৰপূৰ্ব্বকে অলঙ্কাৰো খুজি পঠাইছে।" আৰু বোলে,— "লাণ্ঢা সুলতানে কহিব দিছে, বোলে,—'সৰ্ব্বকালে ডিমৰুৱা যি সি আমাৰ, তাক ছাৰি দিব'।" এই বুলি কহিলত ৰাজসভাতে মহাপাত্ৰ কম্ম বুঢ়াগোহাঞে উকীল ৰামাইকে বুলিলে,—"তঞি ই কথা কহিব নাপা। পূৰ্ব্বহন্তে ডিমৰুৱা আমাৰ ৺ৰহে অধীন। এথন মগোলে মাৰি লৈছিল, তাঞিৰ যে হয় কিয় ৰক্ষা নকৰিলেহি? এতেকে তাঞিৰ নহয়। এখনো ৺তায় ৰঙ্গালক মাৰি ডিমৰুৱাক ৰক্ষা কৰিলে। বড়া কথা কহিব নাপা। বড়া কথাত হন্তে ৰকতাত আগে বিধান হ'ল তাক তয়ো পাসৰিলি নিকি?" এই বুলি ৰাজ সমাজৰ শৰা দিৰ দিলে। ৮৪ ॥

জয়ন্তা কুঁৱৰীৰ কাৰণে জোৰণ।—কতোদিন অন্তৰে ইঠাইতে ৰামাই কটকী মৰিল। কটকী মৰিলত পাচে মহাপাত্ৰ কন্ন বুঢ়াগোহাঞে ৺তাত কহিলে,—“পূৰ্ব্বাপৰেও ৺তাৰৈ জয়ন্তা ৰাজা যে কন্যাও দিছে এখনো বাৰ বাৰ পত্ৰতো লেখিছে। উকীল ৰামাএ কহিছেহি,—‘৺তাৰৈ লাণ্ডা সুলতান ৰাজাএ কন্যা দিম বুলিছে। ব্যৱহাৰপূৰ্ব্বক অলঙ্কাৰো খুজি পঠাইছে’।” ইয়াকে ৰাজাত কহি আজ্ঞা লৈ আমাৰ নিৰহ, বিৰিণা দুইৰ হাতত কন্যাৰ জোৰণৰ অৰ্থে অলঙ্কাৰ পত্ৰ-সন্দেশ দি মৰা উকীলৰ লগৰ মানুহে লৈতে পঠাই দিলে। ৮৫ ॥

জয়ন্তা ৰজালৈ স্বৰ্গদেৱৰ পত্ৰ।—শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ উদয়াদিত্য-সিংহ মহাৰাজাএ জয়ন্তালৈ দিয়া লেখা,—

এথা আমাৰ সমস্তে কুশল, তোমাৰ হামো সৰ্ব্বথা কুশল বাঞ্ছি। অপৰঞ্চ তুমি যো অভেদ প্ৰীতি-সম্বন্ধ কহিলা সে সে অভেদ প্ৰীতিতে ৰহিছি, এখনো সেই সম্বন্ধ-প্ৰীতি যেমনে বৃদ্ধি হৈব। পৰং ধাৰাণ এহি যে কালে হ্ৰাস হয় সকলে প্ৰীতি হ্ৰাস। অতঃ ধাৰাণ ৰক্ষা কৰণহে উচিত। বহুত হামু কিমুচ্যং, আপোনে জ্ঞাতা। আৰ যি কিছো বাকী সমাচাৰ হয় তাক বলোৰামে ও জয়কৃষ্ণে কহিবেক।

আৰ তোমাৰ অৰ্থে পত্ৰ-সন্দেশ,—কতিপা ২, কিৰ্ম্মিজি ২, ঢৰা ২, বানিয়া ২, গান্ধ ৪, কটাৰী ২০, গাঁঠিয়ন ২ যোনা, ঝালুক ৪ তোপা, শুক্লে কলীয়াএ চামৰ ৪। ইতি, শক ১৫৯৪, তেৰিখ ২৪, মাঘ মাস। ৮৬ ॥

জয়ন্তা ৰজালৈ ডাঙ্গৰীয়া আৰু বৰফুকনৰ পত্ৰ।—শ্ৰীযুত মহাপাত্ৰ কন্ন বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিজনা গোহাঞিৰে, কলীয়াবৰীয়া বৰফুকনৰে জয়ন্তা ৰাজালৈ এই লেখা,—

এথা আমাৰ সৰ্ব্বত্ৰে কুশল, তোমাৰ হামু সৰ্ব্বথা কুশল বাঞ্ছি। পৰং তোমাৰা যি অভেদ সম্বন্ধ-প্ৰীতিগোট কহিলা তাক আমি পৰম আনন্দ হৈয়া জানিলোঁ। ৰাজা সে সম্বন্ধ-প্ৰীতিতে ৰহিছে, এখনো সেই নিৰবন্ধ-প্ৰীতিগোট যেমনে বিৰুদ্ধ নাহৈব। আৰ ধাৰাণগোট

যি কালে হ্রাস হৈব সেই কালেসে প্রীতি নাস । এতেকেহে ধাৰণ-গোট ৰক্ষা কৰণেসে উচিত । বহুত আমি কি কহিব, আপুনি জ্ঞাতা । আৰ বাকী সমাচাৰ যি হই তাক বলোৰাম ও জয়কৃষ্ণে কহিবেক ।

আৰ তোমাৰ অৰ্থে সন্দেশ,—ঢৰা ২ খান, ঝালুক ২ তোপা, গাঁঠিয়ান ১ যোৰা, কটাৰী ৪ খান । ইতি, শক ১৫৯৪, তেৰিখ ২৪, মাঘ মাস । দুইজনা গোহাঞিৰো পত্ৰ-সন্দেশ এই ধাৰাপে, কলীয়াবৰীয়া বৰফুকনৰো এই ধাৰাপে । সন্দেশ,—ঢৰা ২ খান, ঝালুক ২ তোপা, কটাৰী ২০ খান, গান্ধ ২ টা । ৮৭ ॥

জয়ন্তা কুঁৱৰীৰ জোৰণৰ বাবে অলঙ্কাৰ ।—কন্যা জোৰণাৰ্থে অলঙ্কাৰ দিয়ে,—সোণৰ থাক ৪ পাট জোখাত ১৫ তোলা, সোণাৰ গুটীয়া আঙ্গঠি ৪ যোৰ, সোণাৰ বাখৰাম আঙ্গঠি ২ যোৰ, সোণে পোৱালে মুকুতাএৰে ভিঙ্গিৰ মণি পাঁচ-ধৰীয়া ১ ধাৰ, আচল-ফুলাম ৰৰকাপৰ ২ যোৰ, আচু-ফুলাম ৰিহা ১ খান, ৰূপৰ বৰৈএৰে ফুলাম ৰিহা ১ খান, কলীয়া মেখেলা ২ যোৰ, পাটৰ শাৰ ২ খান, পাটৰ টঙ্গালি ২ গছ ; কটকী নিৰহ, বিৰিণাএ ৰমাইৰ লগৰ মানুহে সহিতে নিয়ে । ৮৮ ॥

অপ্রীতিৰ আশঙ্কা ।—অথ বচন সমাচাৰ,—আমাৰ দুই কটকী পালন্তৈগে জয়ন্তাৰ ৰাজা লক্ষ্মীসিংহে কটকী তুলি পাঞ্চ পত্ৰ শুনিলে । আমাৰ দুই কটকীয়ে বচনে কহিলে, বোলে,—"মহাপাত্ৰ কন্ম বুঢ়াগোহাঞিৰ ঠাইতো তোমাৰ ৰামাই কটকী কহিছে, বোলে,—'৺তাদৈ ৰাজা লাণ্ডা সুলতানে পৰ্ব্বতৰাইৰ দুখানী জীৰ এখানী দিম বুলিছে,' এই নিমিত্তে জোৰণাৰ্থে অলঙ্কাৰ দিছে ।" ইহাতে ৰাজা লক্ষ্মীসিংহে বুলিলে,—"৺দৈ কন্যা দিমহে বুলিছোঁ, আমি নাম ধৰি ৰামাইতকৈ কহি পঠোৱা নাই, এইখান তোমোৰাহে কহ । আৰ ডিমকৰাৰ কাৰণ ৰমাইত কহি পঠালোঁ, তাৰ প্রত্যুত্তৰ কোনখান কহি পঠালে ?" আমাৰ দুই কটকীয়ে বুলিলে,—"বিদাইৰ সময় আমি ৺ৰ দুই পাৰত পুছিলোঁ,—'ৰাজা লাণ্ডা সুলতানে ডিমকৰাৰখান পুছিলে আমি কি কহিম নাই ?' আজা কৰিলে,—'ইহাৰ নিমিত্ত পাত্ৰক কৈছো, তাকি আপুনি জানিব, এইখান মাত্ৰ কৰি' ।" ৮৯ ॥

সপ্তম আধ্যা।

স্বৰ্গদেৱ ৰামধ্বজসিংহৰ দিনত।

শক ১৫৯৫-১৫৯৬ ; খৃষ্টাব্দ ১৬৭৩-১৬৭৪ ।

সমসাময়িক জয়ন্তা ৰজা— লক্ষ্মীসিংহ ।

জোৰণ পিন্ধোৱা স্থগিত।—কতোদিন আমাৰ দুই কটকী তৈতে আছোঁতেই এথা উদয়াদিত্যসিংহ মহাৰাজা স্বৰ্গী হ'ল, শক ১৫৯৫। তদনন্তৰ শ্ৰীশ্ৰীৰামধ্বজসিংহ মহাৰাজা হৈল। ইহাকে শুনি লক্ষ্মীসিংহে আমাৰ দুই কটকীক বুলিলে,—"তোমাৰা যাই যি ৰাজাৰ নামে অলঙ্কাৰ আনিলা তাঞি স্বৰ্গী হ'ল। আমি শুনিছোঁ তাঞিৰ চোট ভাই ৺ৰাজা হুইছে। তাঞি কিবা বোলে,—'বৰ ভাইৰ নামে জোটন দিয়া কন্যাক আমি কিসক আনিম ?' এতেকে ইবাৰ তোমৰা অলঙ্কাৰ ফিৰাই লৈ যোৱা।" ইহাতে আমাৰ দুই কটকীএ বুলিলে,—"এখন স্বৰ্গ মহাৰাজাৰ ভাই ৰাজা হুইছে, তাঞিৰ নামে অলঙ্কাৰ পিন্ধালে তাঞি নিকি তোমাৰ সহিত কুটুম্বিতা-সম্বন্ধ ছাৰিব ? এতেকে আমি অলঙ্কাৰ পিন্ধাই যাওঁ। ইহাত যদি বৈগুণ্য হয় তাক আমি গা কৰিলোঁ।" তাতে জয়ন্তাৰ ৰাজা বুলিলে,—"ইবাৰ ইকথা নহয়। আৰ তোমৰা কহিলা 'ডিমৰুৱাৰ কাৰণ পত্ৰতে আছে' বুলি, আমি বিচাৰ কৰি কিছো সিদ্ধান্ত নাপালোঁ। ইবাৰ ডিমৰুৱাৰ কাৰণ পত্ৰতে লেখিম, যদি ছাৰিয়া দিয়ে তোমৰা দুই উকীল মোৰ উকীলে সহিতে আহিবা, যদি নেদিয়ে তোমৰা তাতে ৰহিবা, মোৰ উকীল পঠাই দিবা। পাচে যেমন জানোঁ তেমন কৰিম।" এই বুলি পত্ৰ-সন্দেশ সহিতে তাৰ উকীল সুবুদ্ধিৰাইকে লগত দি আমাৰ দুই উকীলক বিদাই দিলে, শক ১৫৯৫। ২০ ॥

জয়ন্তাৰ পত্ৰত দোষণ।—শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ ৰামধ্বজসিংহ মহাৰাজাৰ দিনত জয়ন্তাৰ পাচ পত্ৰ আসিছিল। ৺আৰৈ যি লিখা পত্ৰ-সন্দেশ আনিছিল তাক দূষণ ধৰি ফিৰাই দিলে। ২১ ॥

কম্ম বুঢ়াগোহাঁইলৈ জয়ন্তাৰ পত্র।—কম্ম বুঢ়াগোহাঞিলৈ আনা পত্র এই,—

এথা কুশল, তোমাৰো কুশল সদা বাঞ্ছা কৰি। পৰং তোমাৰ লিখা পহুছিল, সমাচাৰ আদৰপূৰ্ব্বকে জানিলাম। কিন্তু পূৰ্ব্বাৱধি প্রীতি যেমত চলিয়া গৈছে আজিও তেমত। এতেকে উভয়ান প্রীতি অধিক হৈবাৰ উচিত। আমাৰ চিত্তে এমত কাৰ্য্যোসে ভাল প্রতিবাসে। গড়গাওঁ জয়ন্তী অভেদ প্রীতিতে চলিয়া যাইতেছে, এতে যে আজি ভেদাভেদ হৈব তেবে প্রীতি কিৰূপে ৰহিব? কি কাৰণ এমত কহিছে? সকল দিনে ডিমৰুৱা আমাৰ খাটনীয়াৰ, তাৰে যে তুমি অধিকাৰ কৰ ইটো বৰ অনুচিত। অতঃপৰ ডিমৰুৱা আমাৰে ছাৰিয়া দিবা, প্রীতিৰ দিনে দিন যেমনে অধিক হয় তাকে কৰিবা। বাকী সমাচাৰ আমাৰ সুবুদ্ধিৰাই কহিবেক।

তোমাৰ অৰ্থে সন্দেশ,—তেইশ হতীয়া গজি ১ খান, গাড়া ১ খান, যুতলোহা ৫ খান। ইতি, শক ১৫৯১, তেৰিখ ১০, মাস পৌষ। পালেহি শকত ১৫৯৬, চৈত্র মাস। দুইজনা গোহাঞিৰো, সকজনা বৰফুকনৰো পত্র-সন্দেশ এই ধাৰণে দিছিল। আমাৰ নিৰহ, বিৰিণা কটকী সহিতে তাৰ উকীল সুবুদ্ধিৰায়ে আনে। ৯২ ॥

জয়ন্তাৰ ডিমৰুৱা দাবি অগ্রাহ্য।—অথ বচন সমাচাৰ,—জয়ন্তাৰ উকীল সুবুদ্ধিৰাই পালতহি পাচে বৰফুকনে পত্র শুনি গড়গাওঁলৈ পঠালে। এখেতো মহাপাত্র কম্ম বুঢ়াগোহাঞি প্রমুখ্যে তিনিজনা গোহাঞিৰ পত্র শুনিলে। পাচে ৺তাও তুলি পত্র চালে। "কটকীয়ে গা কৰিলতো যে অলঙ্কাৰ ফিৰাই পঠালে, যদি হে ফিৰাব আগে কিয় খুজি পঠালে? ইগোট প্রীতিৰ কাৰণ নহয়। ডিমৰুৱাৰ কাৰণ আকৰাৰো কহি পঠালে, ইবাৰো পত্রতে লিখি পঠাইছে, কহিবাক নাপাই। সৰ্ব্বকালে ডিমৰুৱা আমাৰ ৺বহে। চৈয়দ পিৰোজ প্রমুখ্যে নবাবসকলক মাৰি ৺তাহে ৰক্ষা কৰিছে। এতেকে বোলন বৰ অনুচিত। তথাপি যে লেখিছে প্রীতিক ভাঙ্গিহে লেখিছে।" এই বুলি ৰাজ-আজ্ঞায়েৰে পত্র-সন্দেশ ফিৰাই দিলে। ৯৩ ॥

অষ্টম আধ্যা।

চুজিনফাৰ পৰা চুডৈফা স্বৰ্গদেৱৰ দিনলৈকে।

শক ১৫৯৭-১৬০১; খৃষ্টাব্দ ১৬৭৫-১৬৭৯।

সমসাময়িক জয়ন্তা ৰজা— লক্ষ্মীসিংহ।

জয়ন্তাৰ উকীলৰ বিদায়।—এনেতে উকীল আছোঁতে ৰামধ্বজ ৰাজা স্বৰ্গী হ'ল, শক ১৫৯৭। পাচে দিহিঙ্গীয়া ৰাজা হ'ল। তদনন্তৰে মহাপাত্ৰ কমল বুঢ়াগোহাঞে ৮ৰ উকীল-পত্ৰ নেদি তিনিজনা গোহাঞিৰ পত্ৰ-সন্দেশ দি বিদায় দিলে। গুৱাহাটীতো সকজনা ৰৰফুকনৰ ঠাইৰো এখেৰ ধাৰণে পত্ৰ-সন্দেশ দিলে শক ১৫৯৭, শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ দিহিঙ্গীয়া ৰাজাৰ লিখা উকীল নেদি। ৯৪ ॥

জয়ন্তা ৰজালৈ কমল বুঢ়াগোহাঁইৰ পত্ৰ।—কমল বুঢ়াগোহাঞিৰ জয়ন্তালৈ এই লেখা,—

এথা কুশল, তোমাৰ কুশল সৰ্ব্বথা চাহি। পৰং তুমি যি পত্ৰৰ কাৰণ কহিলা তাক শুনি আমি পৰম সন্তোষ হৈলোঁ। আৰ তুমি কন্যাৰ কাৰণ কহিলা নিমিত্তে আমিও পূৰ্ব্বব্যৱহাৰে অলঙ্কাৰ দি পঠোৱা গ'ল। যদি আপোনাৰ কবুলক আপুনি ৰাখিব নোৱাৰিব কি নিমিত্তে ৰামাইতকৈ কহি পঠালা? আৰু ডিমৰুৱাৰ কাৰণ যি কহি পঠালা পূৰ্ব্বে চৈয়দ বাবাকৰ প্ৰমুখ্যে বাইশ ওমৰাওক মাৰি দৰঙ্গ, বেলতলা, ডিমৰুৱা আমি লৈছোঁ। ইদানীকো নবাব চৈয়দ পিৰোজ প্ৰমুখ্যে ওমৰাওসকলক মাৰি ডিমৰুৱাক আমি লৈছোঁ। এই ৰাজা পৰীক্ষিতৰ আমোলৰ নিমিত্তে মধ্যতো যিমান মাইৰ হৈছে তাক কি কহিম? ডিমৰুৱাক আমি এনয় প্ৰকাৰেহে পাইছোঁ। তুমি ডিমৰুৱাৰ কাৰণ কহিবাক নোপোৱা, তথাপিতো যে কহা তোমাৰ বচন বৰ অনুচিত হৈল। আৰ তুমি যে নিবন্ধ, বিবিশাক এথনো বুলিলা, বোলা,—'ডিমৰুৱাক দিয়ে যে লৈ আহিবি, যদি ডিমৰুৱাক নিদিয়ে তেবে তোমাৰ ঘৰত তুমি থাকিবা, আমাৰ উকীলক পঠাই দিবা।' ইথান যে বুলিলা পূৰ্ব্বৰ নিবন্ধ-প্ৰীতিগোট ভাঙিছে

বুলিলা। এই নিমিত্তে আমাৰ উকীল নপঠালোঁ। তথাপিতো তোমাৰ উকীলৰ বচনেও হাট-আৱঙ্গথান ৰাখিছোঁ। যদি প্ৰীতিত ইছা থাকে তবে পূৰ্ব্বধাৰণে উকীল-পত্ৰ পঠাই দিবা, যদি নাথাকে তোমাৰ ইছা।

আৰ তোমাৰ অৰ্থে সন্দেশ,—কটাৰী ৪ খান, ঢৰা ২ খান, মৰিচ ৪ টোপা। ইতি, শক ১৫৯৭, তেৰিখ ১৮, মাস কাৰ্ত্তিক। বৰগোহাঞি, বৰপাত্ৰ-গোহাঞি, ৰবৰুৱা-বৰফুকনৰো পত্ৰ-সন্দেশ এই ধাৰাপে, আমাৰ উকীল-পত্ৰ নাইকাকৈ তাৰ সুবুদ্ধিৰায়ে নিয়ে। ৯৫ ॥

প্ৰীতিভঙ্গ স্থগিত।—মহাপাত্ৰ বুঢ়াগোহাঞে সুবুদ্ধিৰাইক বচনে এইখান বুলি বিদায় দিলে,—"তোৰ ৰাজা লাংচা সুলতানে ধাৰণ ছাৰি কহি পঠালে,—'যদি ডিমৰুৱাক নিদিয়ে ৺ৰ উকীল থাকিব, আমাৰ উকীল পঠাই দিব।' অলঙ্কাৰ খুজি পঠাই ফিৰাই পঠালে। প্ৰীতি ভঙ্গ কৰিহে এইখান বুলিলে? তাক চাই আমাৰ ডিমৰুৱাক ছাৰি দিব নোৱাৰোঁ, আমাৰ উকীলকো নপঠাওঁ।" ইহাতে সুবুদ্ধিৰায়ে আৰ্দ্দাস কৰিলে,—"পত্ৰ-সন্দেশ সহিতে দুই উকীলক সীমনাত থাকিবলৈ আজ্ঞা কৰোক, হাট-আৱেঙ্গো দুই-চাৰি মাহ নোতোলাওক।" উকীলে এই বুলি মাগিলত মহাপাত্ৰ বুঢ়াগোহাঞি বুলিলে,—"তোৰ ৰাজাএ প্ৰীতি ভাঙ্গি যিখান বুলিলে তাক চাই আমাৰ পত্ৰ-সন্দেশ দিবাক যোগ্য নহয়। উকীল বা সীমনাত কিয় থাকিব? যদি তোৰ ৰাজাএ পূৰ্ব্বপ্ৰীতি নাছাৰিলে তবে উকীল নাথাকিও থাকিল। তথাপি তঞি যে মাগিলি আমাৰ পত্ৰ-সন্দেশ দিম, হাট-আৱঙ্গথান ৰাখিম।" এই বুলি ৺তাৰ পত্ৰ নেদি মহাপাত্ৰ বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিজনা গোহাঞিৰ পত্ৰ-সন্দেশ দিলে। এখেৰ ধাৰাপে বৰফুকনৰো পত্ৰ-সন্দেশ দিব দিলে। আমাৰ মানুহে সীমনাত আগবঢ়াই থব দিলেনি। ইতি, শক ১৫৯৮। ৯৬ ॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ পত্ৰ।—শ্ৰীশ্ৰীস্বৰ্গমহাৰাজাই জয়ন্তাৰ ৰিজা এই লেখা,—

স্বস্তি সমস্ত-মস্তকমণি-জালাকাশন-পবন-মণ্ডিত-প্ৰতাপানল-তাপিত-বৈৰি-ৰাজকণ্টক-পাতন-প্ৰকটিত-নৰসিংহাৱতাৰ-সমামৰণ-ধীৰমান-ৰণচতুৰ-

পূর্ণ-তুহিনকৰ-কিৰণ-ধবলিতাশেষ-দিঙ্মণ্ডল-সৌমাদেৱৰ-শ্রীশ্রীমৎ-স্বৰ্গনাৰায়ণদেৱ-মহামহোগ্রপ্রতাপ-চৰিত্র-চিত্রিত-গুণ-সমূহেষু—

পৰম-প্রীতিপূৰ্ব্বক-সৌহাৰ্দ্দ-লেখনং কাৰ্য্যঞ্চ । এথা কুশল, তোমাৰ বাঞ্ছোন্নতি কুশল-মঙ্গল সদা বাঞ্ছা কৰি । পৰং এতদিন জানিছিলাম গড়গাঁও জয়ন্তী দুই নাহয়, পূৰ্ব্বাবধি সত্য নিবন্ধ পূৰ্ব্বপ্রীতি চলিয়া যাইতেছে । পূৰ্ব্ব ছাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব তেবেসে প্রীতিগোট হ্রাস হৈব । অত্যাপিতো সেসকল কিছো নাচলিছে, তাতেসে আন মত হৈল কাৰণ কি ? আমাৰ ভদ্রাভদ্র বাৰ্ত্তা লৈয়া কটকী তোমাৰ তথাতে যাইতেছে, তোমাৰ তথাৰ কুশল ভদ্রাভদ্র বাৰ্ত্তা লৈয়া কটকী আমাৰ এথাতে আসিতেছে । অন্যোন্য কটকীৰ দ্বাৰাএ কুশল বাৰ্ত্তা পাইলে হৃদয় সাহ্লাদ ধৰে, মনঃ প্রীতিও অধিক হয় । তাতে এমত কৰ্ম্ম কৰিলা, পূৰ্ব্বাপৰে এমত কৰ্ম্ম নাহৈছে । তোমাৰ দিগেৰ পত্র আমাৰ কটকাৰ স্থানে দিয়া এক বৎসৰ ৰাখিয়া অনাদৰ কৰিয়া বিদাই কৰিলাই, তোমাৰ দিগেৰ কটকীও নেদিলাই, এমতটা কোন প্রীতি-কুটুম্বিতাৰ লক্ষণ ? যাৰ যাৰ প্রীতি ভঙ্গ হৈয়া থাকে তথাপিও তাৰ কটকীৰ সহিত কটকী অৱশ্য আইছে । তোমাৰ আমাৰ অভেদ প্রীতি, তাতে যে এমতখানি হৈল কাৰণ কি ? কিন্তু তুমি বুলি আছিলাই পূৰ্ব্বকুটুম্বিতা ব্যেৱহাৰে অলঙ্কাৰ দিয়া পঠাইছিলা তাক আমি নাৰাখিলোঁ । কিন্তু আমাৰ মনতে যেমত যাৰ সঙ্গেতে কুটুম্বিতা কাৰ্য্য কৰিম হেন নিচয় কৰিলাম তাতে বিলম্ব উচিত নাহয় । বিশেষত মঙ্গল কাৰ্য্য শীঘ্রেসে উচিত । তাত শুনিলাম তোমাৰ দেশেৰ অসমত হৈল । এই নিমিত্তে অলঙ্কাৰ কিছো নাৰাখিলাম, প্রীতিপূৰ্ব্বক কটকীক বিদাই দিলাম । এই বিদ সমাচাৰ বিবেচিয়া কহিবাৰ নিমিত্তে কি কাৰণ নাজানি । কুটুম্ব কুটুম্বিতাৰ কোনো বাতে মনে সন্দেস নাহয় । তাতে তুমি বুলিছা আমাৰ বচন নাৰহিল, এমনটা কেনে উচিত ? বচন নাৰেতে অলঙ্কাৰ আইছে আৰসে ৰবণ, তাকে উচিত নাহয় । আৰ কিব কাৰণ [illegible] সমাচাৰ প্রীতি-কুটুম্বিতাৰ ব্যৱহাৰে যে কিছো [illegible] তাতে পূৰ্ব্বাপৰ আমাৰ [illegible] [illegible] জানা ।

শত্রুএ নিয়াছিল, শত্রু মাৰিয়া মিত্রে অধিকাৰী হৈল্য কাৰণেসে লেখিলাম। তাতে যে তুমি দিলগিৰ হৈলা তাৰ কাৰণ কি? প্রীতি-কুটুম্বিতা হেন সকলে আছে। যেই জয়ন্তা সেই গড়গাওঁ, যেই গড়গাওঁ সেই জয়ন্তা। এতেকে আমাৰ মনে কিছো ভেদাভেদ সন্দেস নাই। দিন দিন প্রীতি-কুটুম্বিতা হলে অধিকত অধিক বাঢ়িতে যাইব, কমি কদাচিতো নাহৈবেক। আৰ কুশলাদি সমাচাৰ লেখিয়া কটকী তৎকালে বিদাই কৰিবাই। আৰ বাকী সমাচাৰ বিজয়ৰাম কটকী প্রমুখ্যে জ্ঞাত হৈবাই। কিমধিকং বিজ্ঞেষু।

আৰ তোমাৰ অৰ্থে পত্র-সন্দেশ,—সাল ১ খান, খাচা ১ খান, গাড়া ১ খান, আদাতাঞ্জি ১ খান, তেইশগজি ১১ খান, মায়লি ৫ খান, লোহা ৫ খান। ইতি, শক ১৫৯৯, তেৰিখ ৮, মাস আষাঢ়। পালেঁহি শক ১৬০০, তেৰিখ ১৭, আশ্বিন মাস। ৯৭॥

জয়ন্তা ৰজালৈ কৰ্ম্ম বুঢ়াগোহাঁইৰ পত্র।—শ্রীযুত মহাপাত্র কৰ্ম্ম বুঢ়াগোহাঞিলৈ জয়ন্তা ৰাজাএ দিয়া লেখা,—

স্বস্তি প্রবল-বিপক্ষ-মত্তমাতঙ্গ-দলনৈক-দিগ্বিলাসিনীগণ-গীত-গুণ-সন্তান-প্রচণ্ড-দোৰ্দ্দণ্ড-মণ্ডিতাখণ্ড-কোদণ্ড-খণ্ড-খণ্ডীকৃত-চণ্ডি-তুণ্ড-কুন্দ-প্রান্ত-প্রতাপ-মাৰ্ত্তণ্ড-ডিণ্ডিমোৰ্জিতাখণ্ড-মহীমণ্ডল-যশস্তট-সৎদান-সম্পাদিত-সৎকীৰ্ত্তি-লতাকুলাকুলিত-কলানিধি-কাসিতা-কামিনী-জয়ন্তাপুৰ-পুৰন্দৰ শ্রীশ্রীযুত-লাণ্ঢা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্রবল-প্রতাপানাং সকল-মন্ত্রণাতন্ত্র-বিচাৰ-চাতুৰি-তুহিন-ৰোচি-স্তিৰোহিতাৰাতি-মণ্ডলীকৃত-সমস্ত-সঞ্জাত-গিৰ্ব্বাণ-গীয়মান-যশোদাৰ-শ্রীযুত-বুঢ়াগোহাঞি-পৰম-সুচাৰু-চৰিতেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ। পৰং এতদিন জানিছিলাম গড়গাওঁ জয়ন্তী দুই নাহয়, পূৰ্ব্বাবধি সত্য নিৰন্ধে পূৰ্ব্বপ্রীতি চলিয়া গৈছে। পূৰ্ব্ব ছাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব, ভাটী লোহিত উজান চলিব, ক'লা কাক ধবল হৈব তেবেসে প্রীতিলোপ চলিব। অতাপি সেসকল কিছো না চলিছে, তাতে যে আৰ এমত হৈল কাৰণ কি? আমাৰ চিত্তে এবাৰ অন্যান্য বাৰ্ত্তা লৈয়া কটকী তোমাৰ অথাতে

যাইতেছে, তোমাৰ তথাৰ কুশল ভদ্ৰাভদ্ৰ বাৰ্ত্তা লৈয়া কটকী আমাৰ এথাতে আসিতেছে । অন্যোন্যে কটকীৰ দ্বাৰাই কুশল বাৰ্ত্তা পাইলে হৃদয় সাহ্লাদ ধৰে, মনঃ প্ৰীতি অধিক সন্তোষ হয় । তাতে যে এমত কৰ্ম্ম কৰিলা ? পূৰ্ব্বাপৰ এমত কৰ্ম্ম নাহৈছে । তোমাৰ দিগেৰ পত্ৰ আমাৰ কটকীৰ স্থানে দিয়া অনাদৰ কৰিয়া তোমাৰ কটকীও নাদিলাই, এমতটা কোন প্ৰীতি-কুটুম্বিতাৰ লক্ষণ ? যাৰ যাৰ প্ৰীতি ভঙ্গ হইয়া থাকে তথাপিয়ো তাৰ কটকী সহিতে কটকী অৱশ্যে আইসে । তোমাৰ আমাৰ অভেদ প্ৰীতি, তাতে যে এমন-খানি হৈল্য কাৰণ কি ? কিন্তু তুমি বুলিয়াছিলাই পূৰ্ব্বকুটুম্বিতা ব্যেৱহাৰে অলঙ্কাৰ দিয়া পঠাইলা তাক আমি নাৰাখিলাম । কিন্তু আমাৰ মনতে এমত, যাৰ সহিতে প্ৰীত-কুটুম্বিতা কাৰ্য্য কৰিম হেন নিচয় কৰিলাম তাতে বিলম্ব উচিত নাহয় । বিশেষত মঙ্গল কাৰ্য্য শীঘ্ৰেসে উচিত । তাতে শুনিলাম তোমাৰ দেশৰ আৰমত । এই নিমিত্তে অলঙ্কাৰ কিছো নাৰাখিলাম, প্ৰীতিপূৰ্ব্বক কটকী বিদায় কৰিলাম । এই বিদ সমাচাৰ বিবেচিয়া কহিবাৰ উচিত নিমিত্তে কি কাৰণ নাজানি । কুটুম্ব কুটুম্বিতাৰ মধ্যে কেমনে সন্দেস হই ? তাতে তুমি বুলি আছা আমাৰ ৰাত নাৰহিল, এমনটা কোন উচিত ? যাৰ নামতে অলঙ্কাৰ আসে তাৰেসে উচিত ৰবণ, তাতে উচিত নাহয় । আৰ বিদ কাৰণ ডিমৰুৱাৰ সমাচাৰ প্ৰীত-কুটুম্বিতা অনুসাৰে যে কিছো লেখিয়াছিলাম তাৰে পূৰ্ব্বাপৰ অধিকাৰী, আপোনেও জানা । শত্ৰুএ নিয়াছিল, শত্ৰু মাৰিয়া মিত্ৰেৰ অধিকাৰ হৈল কাৰণেসে লেখিয়াছিলাম ।. তাতে যে তুমি দিলগিৰ হৈলা তাৰ কাৰণ কি ? প্ৰীতি-কুটুম্বিতা হলে সকলে আছে । জয়ন্তাসে গড়গাওঁ, যেই গড়গ্ৰাম সেই জয়ন্তা । এতেকে আমাৰ মনে কিছু ভেদাভেদ নাহি । দিনে দিনে প্ৰীতি-কুটুম্বিতা অধিক হলে অধিকত অধিক বাঢ়িতে যাইব, কমি কদাচিতো নাহৈব । আৰ কুশলাদি সমাচাৰ লেখিয়া কটকী শুভকালে বিদাই কৰিবাই । আৰ বাকী সমাচাৰ বিজয়ৰাম কটকী প্ৰমুখ্যে শুনিবা । কিমধিকং বিজ্ঞবৰেষু ।

আৰ তোমাৰ নিমিত্তে সন্দেশ—খাচা ১ খান, তেইশগজি ১ খান, লোহা ৯ । ইতি, শক ১৫৯৯, তেৰিখ ৮, মাস আশ্বিণ । পালেহি শক ১৬০০, তেৰিখ ১৭, মাস ভাদ্ৰ । পুত্ৰ বৰগোহাঞিৰো, বৰপাত্ৰ-গোহাঞিৰো, ৰাজমন্ত্ৰী বৰবৰুৱাৰ পুত্ৰ বৰফুকনৰো এই প্ৰকাৰে পত্ৰ আৰু পত্ৰ-সমাচাৰ । উকীলে সেৱা কৰে মানে লগৰ এক মানুহে মাথাত পত্ৰ লৈ থাকে থিয় হৈ, পাচেহে কটকীয়ে মাথাত লয় । ৯৮ ॥

জয়ন্তা ৰজাৰৈল স্বৰ্গদেৱৰ পত্ৰ ।—শ্ৰীশ্ৰীস্বৰ্গমহাৰাজাৰ জয়ন্তা ৰাজালৈ দিয়া এই লেখা,—

এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি । পৰং তোমাৰ উকীল আসিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জানিলাম । বিশেষত সূৰ্য্য পূৰ্ব্ব ছাৰিয়া পশ্চিমে উদয় হৈব, লোহিত্য পূৰ্ব্বদিশক চলিব, বক, কাকে আপোনাৰ পূৰ্ব্ববৰ্ণ এৰি বিবৰ্ণ ধৰিব তথাপি আমাৰ তোমাৰ মিত্ৰ, ৮ৰে সম্বন্ধ-প্ৰীতিগোট খলিত নাহৈব হেন যি বুলি পূৰ্ব্বত নিবন্ধগোট কৰা গৈছে এথনো মই সেই সম্বন্ধ-প্ৰীতিগোটতহে ৰহিছোঁ । তুমি পূৰ্ব্বনিবন্ধগোটক এৰি যি কাৰণে মোৰ উকীলক নিবাৰণ কৰিলা এই কাৰণেসে মঞি উকীল-পত্ৰ নপঠালোঁ । মোৰ পত্ৰ যে যোৱাএ নাই, ইঠাতে কি নিমিত্তে মোলৈ পত্ৰৰ কাৰণ লেখিলা ? আৰ বোলা যাৰ সঙ্গে অপ্ৰীতি হয় তাৰো উকীলৰ সঙ্গে উকীল পঠাই । এইখানকো বোলা মোৰ উকীলকো নিবাৰণ কৰা, তুয়ো আথাৰ বুলিবাৰ তোমাৰ ধাৰণ নহয়, ইখানকো তুমি আপুনি জানা । অধিক কি বুলিম । আৰ বাকী সমাচাৰ শ্ৰীবলোৰাম ও শ্ৰীজয়কৃষ্ণৰ মুখে জানিবা ।

আৰ তোমাৰ অৰ্থে সন্দেশ,—কিৰ্ম্মিজি ২, কতিপা ২, বানিয়া ২, বৰচৰা ২ । ইতি, শক ১৬০০, তেৰিখ ৪, আশ্বিণ মাস । বিজয়ৰাম, বলোৰ লগত নিবহ, বিৰিণাএ নিৰে,—মৰিচ ৪ তোপা, গাঁঠিয়ন ২ মোনা, কটাৰী ২০ খান, কন্তৰী ৪ খান, চামৰ ৪ টা । ৯৯ ॥

জয়ন্তালৈ কম্ম বুঢ়াগোহাঁইৰ পত্ৰ।— কম্ম বুঢ়াগোহাঞে জয়ন্তালৈ দিয়া লেখা,—

এথা কুশল, তোমাৰ কুশল চাহি সদা। পৰং তোমাৰ লিখা পহুছিল, সমাচাৰ পৰম প্ৰীতি জানিলোঁ। বিশেষ সূৰ্য্য পশ্চিমে উদয় হৈব, লোহিত্য পূৰ্ব্বদিশক বহিব, কাক শুক্ল হৈব, বক কৃষ্ণবৰ্ণ হৈব তথাপি তোমাৰ আমাৰ প্ৰীতিগোট খণ্ডিত নাহৈব হেন বুলি যি পূৰ্ব্ব-নিবন্ধগোট কৰা গৈছে এখনো আমি সেই নিবন্ধগোট প্ৰীতিতে ৰহিছোঁ। তুমি পূৰ্ব্বনিবন্ধক এৰি আমাৰ উকীলক নিবাৰণ কৰিলা, এই নিমিত্তে উকীল-পত্ৰ নেদিঞো বুলিলো। পাচে সুবুদ্ধিবাযে আমাত আৰ্দ্দাস কৰিলে,—' উকীল-পত্ৰ নিদিয়া যদি পূৰ্ব্বৰ প্ৰীতি-নিবন্ধগোট ভাঙ্গিল। যত্মাপি উকীল নেদিয়া পত্ৰখান দিবা।' পাচে আমি বোলোঁ,—' সেই নিবন্ধ-প্ৰীতিগোট আমি ভাঙ্গিলোঁহঁতে, তুমি আৰ্দ্দাস কৰিলতো পত্ৰ নেদিলোঁহঁতে, আমিতো সেই নিবন্ধ-প্ৰীতিতে ৰহিছোঁ।' এই বুলি আমি প্ৰীতিৰ তত্ত্ব ৰাখি পত্ৰখান দিলোঁ। আৰ যেখনে পূৰ্ব্বনিবন্ধক এৰি আমাৰ উকীলক নিবাৰণ কৰিলা তেখনে পূৰ্ব্বাপৰে নোহোৱাখানো তোমাৰ পৰাহে হৈল। আমাৰ পৰা হেন হৈল কিসক বুলিলা? অধিক আমি কি কহিম, আপুনি সমস্ত জানা? আৰ বাকী সমাচাৰ ৰলোবাম ও জয়ৰুকে কহিবেক।

আৰ তোমাৰ নিমিত্তে সন্দেশ,—ঢৰা ২ খান, মৰিচ ২ তোপা, কটাৰী ৪ খান। ইতি, শক ১৬০০, তেৰিখ ৪, মাস আঘুণ। বৰপাত্ৰ-গোহাঞিৰো, বৰগোহাঞিৰো সন্দেশ-পত্ৰ এইৰূপে। ৰাজমন্ত্ৰী বৰবৰুৱাৰ সৰু পুত্ৰ বৰফুকনৰো, দিহিঙ্গীয়া ফুকনৰো এইখান লেখা, সমাচাৰ এই। সন্দেশ,—ঢৰা ২ খান, মৰিচ ২ তোপা, কটাৰী ২০, পাগ ২ টা। কটকীবোৰে নিয়ে গোভা, নেলী, খলাৰ তিনি ৰজালৈ,—খণ্ডা ৩ খান, কটাৰী ১৫ খান। ১০০॥

ভিনকলা দাবি পুনৰ অগ্ৰাহ্য।—স্বৰ্গমহাৰাজাৰ আজ্ঞাত কম বুঢ়াগোহাঞে মিয়াই দিউক এইখান বুলিলে। ৰাজ সভাতে উকীলেও কলে এইখান বুলিলে,—" পাৎচা সুলতান বাবাও বাকী সমাচাৰ কটকী প্ৰমুখে

জানিবা বুলি যে লেখিলে এতেকে মোক কহিব দিছে,—৺ৰাজাৰ কন্তাৰ নিমিত্তে অলঙ্কাৰ খুজি পঠাইছে, আৰ ৺ৰাজাৰে লাণ্ঢা সুলতান ৰাজাৰে অভেদ প্ৰীতিগোট পূৰ্ব্বে চলিয়া গৈছে নিমিত্তে ডিমৰুৱাৰ কাৰণ কহিব দিছে, প্ৰীতিৰ ৰাবাএ ৺এ দিয়ে যদি পাম ।" এই বুলি কহিলত বুঢ়াগোহাঞি এই বুলিলে,—" লাণ্ঢা সুলতান ৰাজা যে অলঙ্কাৰৰ আখাৰ কহি পঠাইছে, আন আখাৰক যে লিখাত লিখিব পাৰিলে অলঙ্কাৰৰ আখাৰ কিসক নিলিখিলে ? আগেও অলঙ্কাৰ দিয়া গৈছিল । আৰ ডিমৰুৱাৰ কাৰণ যে কহি পঠাই ইহাৰ এক বা দুই বাৰ নহয়, আগেও বাৰম্বাৰ ডিমৰুৱাৰ থানক সিদ্ধান্ত দিয়া গৈছে । সিদ্ধান্ত পোৱা আখাৰক নজানিহে কহে । ইখান বুলিবৰ উচিত নহে, ইহাক তাঞি আপুনি জানে । অখন আমাকে পৰমেশ্বৰে দিছে পাইছোঁ, আৰ পৰমেশ্বৰে যদি দিয়াই অধিকাধিকো পাবলৈ আছে । যেথন তোমোৰাক পৰমেশ্বৰে দিয়ে পাৰি । এনেখান আমি নিকি কোনো দিন তাঞিৰ ঠাই কহি পঠাইছোঁ ? তাঞি নিকি ঈশ্বৰক বশবৰ্ত্তী কৰিছে ? এতেকে ইগোট কহিবাক উচিত নাহয় ।" এই বুলি উকীলক বিদাই দিলে । ১০১ ॥

নবম আধ্যা ।

স্বৰ্গদেৱ গদাধৰসিংহৰ দিনত ।

শক ১৬০৩–১৬১৭ ; খৃষ্টাব্দ ১৬৮১–১৬৯৬ ।

সমসাময়িক জয়ন্তা ৰজা— লক্ষ্মীসিংহ ।

সন্দিকৈ দিহিঙ্গীয়া ফুকনলৈ জয়ন্তাৰ পত্ৰ ।—শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ গদাধৰসিংহ মহাৰাজালৈ জয়ন্তাৰ লক্ষ্মীসিংহে বিজয়ৰামক পঠালে পাক পত্ৰ সহিতে ।

গড়গঞা সন্দিকৈ ফুকনলৈ দিয়া এই লেখা,—

স্বস্তি প্ৰবল-বিপক্ষ-মত্তমাতঙ্গ-দমনৈক-পঞ্চানন - দিগ্বিলাসিনীগণ - গীয়মান - গুণ-সন্তান - শ্ৰীশ্ৰীযুত - লাণ্ঢা - সুলতান-মহাৰাজ - লক্ষ্মীসিংহ - প্ৰচণ্ড -

প্ৰতাপানাং সৌৰ্য্য-প্ৰাৰ্থিত-মহীপতেঃ প্ৰীতিপ্ৰাপ্ত-প্ৰচুৰ-ৰাজ-সম্মানৈক-ধন-শ্ৰীযুত-দিহিঙ্গীয়া ফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং সমাচাৰ পহুছিল সকলে জ্ঞাত হৈলাম। কিন্তু গড়গাওঁ জয়ন্তা দুই নাহয়। পূৰ্ব্বাপৰ কুটুম্বানুৰূপে এক ঘৰ প্ৰায় চলিয়া গৈছে। এখনো ৮৴ৰে কাৰণ অধিকতো অধিক স্নেহানুৰূপে সম্বন্ধ-গোট চলিয়া যাইব। এতে ছুলিবাৰ নাহয়। আৰবাৰ যে কাৰণ ফিৰিছিল তাৰে পূৰ্ব্বেও লেখিয়াছিলাম, কিন্তু অখনো সেই সম্বন্ধ-কুটুম্বিতা অনুৰূপে চলিয়া যাওক, এতে কিছু সন্দেহ নাহি। তোমাৰ আমাৰ সম্বন্ধগোট ছুলিবাৰ নাহয়। আৰ বিশেষ সমাচাৰ বিজয়ৰাম কটকীৰ প্ৰমুখ্যে জ্ঞাত হৈবাই।

আৰ তোমাৰ নিমিত্তে পত্ৰ-সন্দেশ,—খাচা ১, গাড়ু ১। ইতি, শক ১৬০৫, তাৰিখ ১৪, ফাগুন মাস। পালেহি শক ১৬০৬, তাৰিখ ৬, আষাঢ় মাস। ১০২ ॥

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ১ম পত্ৰ।—শ্ৰীযুত গড়গঁয়া সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ৰজাই দিয়া পত্ৰ এইখান,—

স্বস্তি নিজদোৰ্দ্দণ্ড-ধৃতকোদণ্ড-প্ৰচণ্ডবাণাবলি-খণ্ডিতাশেষ-শত্ৰুমুণ্ড-মুণ্ডিত-প্ৰতাপ-তপন-নিৰন্তৰ-শ্ৰেষ্ঠদেৱচৰণ-পঙ্কজ-ভৃঙ্গায়িতমতি-শূৰবৰ-জয়ন্তীপুৰ-পুৰন্দৰ-শ্ৰীশ্ৰীযুত-লাম্ফা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰবল-প্ৰতাপানাং বিবিধ-গুণ-গৌৰৱ-মৰ্য্যাদা-পাৰাবাৰ-মহোদাৰ-সৌন্দৰ্য্য-নিৰ্জ্জিতাশ্বিনীকুমাৰ-শ্ৰীযুত-বৰফুকন-সুচাৰু-চৰিত্ৰেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং এতদিন জানিছিলাম গড়গাওঁ জয়ন্তী দুই নাহয়, সত্য নিবন্ধতে চলিয়া যাইতেছে। এখন জানিলো তোমাৰ প্ৰীতি-গোট ভাঙ্গিবাৰ ইচ্ছা হৈছে। আমি যেসকল সত্য কহি তাক তুমি প্ৰত্যয় নাকৰ। আমাৰ দেশত দুইজন মনুষ্য আসিয়া পহুছিল। সে বোলে,—'আমি ৮৴ৰ কৌঁৱৰ।' তেবে আমি নিজ

চাকৰ দিয়া তোমাৰ ডুজনা কটকীত সুধিলোঁ কোঁৱৰ হয় নহয় । সিবোলাকে বোলে,—' নিছয় নাজানোঁ । ' সে বাতে আমি অনাদৰ কৰিলোঁ । সে অনাদৰ পায়া দেশ-বিদেশ চলিয়া গৈল, আমি তাৰ ৰক্ষক নিকি ? এতেকে তুমি ছল কৰিয়া সেই দুইজনাৰ কাৰণ এতদিনৰ প্ৰীতি ভাঙ্গিবৰ ইচ্ছা হৈছে । এতেকে তোমাৰ ধৰ্ম্ম তুমি জানা । আৰ আমি পূৰ্ব্ব সত্য নিবন্ধতে আছি । আৰ চকীৰ সমাচাৰ আপুনে জানা । সত্য নিবন্ধ যেটা আছে কিয় নাচলিছে ? প্ৰীতিগোটক চায়া তোমাৰ পাৰ আমাৰ পাৰ । তোমাৰ এ অল্প দায়, এতে কোনো সন্দেস নাই । এতে যে সত্য লৰায়া থাকে তাকে অন্তো অন্তে দণ্ড কৰিবো । কিন্তু এতদিনৰ প্ৰীতিগোটক অন্নদায়তে বাস হুইতেছে, তোমাৰ প্ৰধান প্ৰধান পাত্ৰ-মন্ত্ৰী থাকন্তে এ কোন উচিত ? আৰ আমাৰ দেশৰ তিনি দলৈ পত্ৰ লৈয়া আইতেছি । পত্ৰ-সমাচাৰ শুনিয়া এমাৰাক দৰবৰ বিদাই কৰিবাই ।

পত্ৰ-সন্দেশ,—তোমাৰ নিমিত্তে খাচা ১ খান লৈবাই । গোভা, নেলী, খলাৰ তিনি দলৈএ কটকী নাইকাকৈ একেখানি পত্ৰ লৈয়া আসিছিল । ১০৩ ॥

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ২য় পত্ৰ ।—শ্ৰীযুত গড়গঞা সন্দিকৈ বৰফুকনলৈ অনা জয়ন্তাৰ এই লেখা,—

স্বস্তি নিজদোৰ্দ্দণ্ড-ধৃতকোদণ্ড-কাণ্ডবাণাবলি-খণ্ডিতাশেষ-শত্ৰুমুণ্ড-মণ্ডিত-প্ৰতাপ-তপন-নিৰন্তৰ-শ্ৰেষ্ঠদেৱচৰণ-পঙ্কজ-ভৃঙ্গায়িতমতি-শূৰবৰ-জয়ন্তীপুৰ-পুৰন্দৰ-শ্ৰীশ্ৰীযুত-লাণ্ঢা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰবল-প্ৰতাপানাং বিবিধ-গুণ-গৌৰৱ-মৰ্য্যাদা-পাৰাৱাৰ-মহোদাৰ-সৌন্দৰ্য্য-নিৰ্জ্জিতকামিনীকুমাৰ-শ্ৰীযুত-বৰফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ । এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি । পৰং বিশেষ সূৰ্য্য পশ্চিমে উদয় হৈব, লোহিত্য পূৰ্ব্বদিশক বহিব, ক'লা কাক শুক্ল হৈব, বক কৃষ্ণবৰ্ণ হৈব, তথাপি তোমাৰ আমাৰ প্ৰীতিগোট খলিত নাহৈব হেন বুলিছি । পূৰ্ব্বৰ নিবন্ধগোট

বন্ধা হৈছে । এখনো আমি সেই পূৰ্ব্বপ্ৰীতিতে আছোঁ । কিন্তু তোমাৰ কটকীৰ থানে যে কহিছিলাম সে এখানেতে আছে । তাতে আমি এমত্ত জানিছিলাম, সে দেশ-বিদেশ চলিয়া যাইব । যদ্যাপি এখনো আমাৰ দেশতে থাকে তবে তাৰাৰ একথান হৈত । কিন্তু প্ৰীতিক চায়ো ই কোন কৰ্ম্ম ? কিন্তু পুৰ্ব্বাপৰ এমতথান নাই । তোমাৰ দেশৰ ভাল মনুষ্য আমাৰ দেশে আসে আমি তাক দিব, আমাৰ দেশৰ ভাল মনুষ্য তোমাৰ দেশে গৈলে তোমোৰা তাক দিবা, নাদিলে প্ৰীতি হ্রাস হৈব । এমতথান যদি পূৰ্ব্বাপৰ সত্য নিবন্ধতে থাকিতো তাক আমি লোহাৰ পিঞ্জৰা কৰি ৰাখিতো । পূৰ্ব্বে এমত নিবন্ধ কৰা নাই, তাতে প্ৰীতি ৰাস হৈব কোন উচিত ? কুলশীল-ধৰ্ম্মাৰ্থ-শাস্ত্ৰানুসাৰে বুজ এতকালেৰ প্ৰীতিগোট ভগ্ন হৈলে ই দোষ কাত লাগিব ? এতেকে তুমি আপোনে বিজ্ঞ । এতেকালৰ প্ৰীতিগোট হ্রাস হৈবাৰ উচিত নাহয় । আৰ তুমি হাট-আবেঙ্গ দিয়া চকীথান যিথানে সীমনা কৰি কবুল এৰিলা ইখান কোন উচিত ? পুৰ্ব্বাপৰ তোমাৰ আমাৰো সীমা সেই পাৰে । তোমাৰ উজনী হলে ভাঠীত যেনে আক তুমি আপোনে জানা । প্ৰীতিপুৰ্ব্বকে হাট-আবেঙ্গ কুলিঙ্গৰ মুখত ভিতৰে দি তবে মনুষ্য দি ভাঙ্গিবৰ লুটিবৰ কাৰণ কুলিঙ্গৰ মুখত পানীচকী দিছ । এখনে প্ৰীতিক চাইতে তাকো তুমি সীমনা বোলা । এতেকাল সীমনা কৰিলা বুলিছ নাশুনিছি, আজি যে বুলি ইখান কোন উচিত ? কিন্তু আমাৰ মনে এমত ইছা যেহানুৰূপে সম্বন্ধ-প্ৰীতিগোট উভয়ানু পক্ষে অধিকতো অধিক চলিয়া যাইব । এখনো আমি সেই সত্য নিবন্ধতে আছি । তাত যদি তুমি কথাৰ ছল কৰি এতেক কালৰ প্ৰীতিগোট ভাঙ্গা এতে তোমাৰ ইছা । ঈশ্বৰ শিৱ কামাক্ষা ৺৺পি ৺৺ সাখী যাৰ পৰা তাগে ধৰ্ম্মাৰ্থ বুজিয়া যেটা যুগুত হয় তাহাক কৰিবাই । আৰ বাকী সমাচাৰ তিনি দলৈৰ মুখে জ্ঞাত হৈবাই ।

আৰ তোমাৰ নিমিত্তে পত্র-সন্দেশ,—বাঢ়া ১ খান । শক ১৬১০, তাৰিখ ৩, মাহ ফাগুন । লোতা, লেলী, বলাম তিনি দলৈৰ আমাৰ কটকী ৰাইকাটৈৰ হতা পঠিয়াল পত্র-সন্দেশ । ১০৪ ।

জয়ন্তা ৰজালৈ প্ৰত্যুত্তৰ ।—ইয়াৰ সিদ্ধান্ত জয়ন্তালৈ আমাৰ কটকী নাইকাকৈ তিনি দলৈৰ হাতত দিয়ে,—

স্বস্তি সুযশঃপুৰ-পূৰিত-সৰ্ব্বগুণ-ধামোপম-যোগ্য-নিম্নতনু-সৌন্দৰ্য্য-সৰ্ব্বজ্ঞ-গঞ্জন-ধীৰধৈৰ্য্য-মৰ্য্যাদা-পাৰাবাৰ-নিখিল-কুল-কমল-প্ৰকাশকৈক-ভাস্কৰ-মহামহিম-মহিমা-সাগৰ-শ্ৰীশ্ৰীযুত-লাণ্ঢা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-মহানুভাব-সুচৰিতেষু—

পৰম-প্ৰীতিপূৰ্ব্বক-লেখনং কাৰ্য্যঞ্চ । পৰং তোমাৰ পত্ৰ-সন্দেশ সমেত তিনি দলৈক যি পঠাইছিলা আসি পহুছিল, সমাচাৰ জানিলোঁ । তুমি যি লিখিছিলা গড়গাওঁ জয়ন্তী ভিন্ন নাহয়, ই হই । আমি অদ্যাপিও অভিন্নগোটকে জানি আছোঁ । ভিন্ন হেনো তোমাৰ পৰাহে হৈছে । আৰু দুই মানুহৰ কাৰণ ‘ তোমাৰ কথাত আমি প্ৰত্যয় নাকৰোঁ ’ হেন যি লিখিছা তোমাৰা যদি স্বৰূপ কহিছা তাত কেমনে সন্ত্ৰান্ত নকৰিম ? কিন্তু আমাৰ দু উকীলে যেখন দুই মানুহক খোজে তেখন তুমি বুলিছা, ই দুই মানুহক আমি আগে চাৰিঙ্গীয়া ফুকনৰ বংশ হয় ইঠাইত আছে সিঠাইতে আছে । ৰৰৰ ঠাইতো যদি ই মানুহৰখান কহে যিখান কহে, যিখান বোলে তাৰ জবাব সিখানে হব, আগেও যিখান বুলিছা । আৰ বিজয়ৰামৰ মানুহ সহিতে তোমাৰ ৰামচৰণত কৰি যি লিখা দিছা তাতো যে লিখিছা তোমৰা যে বাতে মন ভঙ্গ হৈছে সে কোন কথা ? বিজয়ৰাম সহিতে দুই উকীলক পঠাই দিয়া, তোমাৰ মনে যিখানি থাকে সি অৱশ্যে হব । এতেকে আগে এমতখান বুলি লেখিও যে এখন বিপৰীত কৰি লেখিবাই ইখান তোমাৰ যোগ্য কি অযোগ্য তাক আপুনি জানা । আৰ আমি সত্য নিবন্ধতে আছি হেন বুলি যি চকীয়ালৰ কাৰণ কহিছা ই হই, তথাপি তুমি যদি পূৰ্ব্বনিবন্ধতে ৰহিছা চকী বা কটা যাব কিসক ? এই হাট-আৰঙ্গ চকী পূৰ্ব্বাপৰ তোমাৰ আমাৰ প্ৰীতি সীমা কৰি আছে । যদি আমাৰ মানুহে কোনোখান বঢ়া কাম কৰি থাকে তাকো তুমি প্ৰীতিত থাকি আমাৰ ঠাই কহিবাকহে উচিত ? নকহি যে ইখান কৰিলা ই তোমাৰ কৰ্ত্তব্য হয় কি নাহয় তাক তোমাৰা আপুনি জান । আৰ আমি হুল

কৰি প্ৰীতিক ভাঙ্গিবৰ ইছা কৰিছোঁ যেন যি লিখিছা আমাৰ যদি ইখান ইছা আছে এই চকী কাটিবৰ অনেক দিন হৈতেও তেৰে বিজয়ৰামত কৰিও তাৰ মানুহ পঠাব দিওঁ। চকীৰ কাৰণ দুই মানুহৰখান কিসক কহিব দিলোঁ? পূৰ্ব্বাপৰ প্ৰীতি ৰখাৰ কাৰণেসে কহিব দিলোঁ? এতেকে আমাৰখান যে তোমাৰা নাৰাখিলা, ছল কৰি প্ৰীতিহে ভাঙ্গিলা। আৰ এখনো যদি তোমাৰ প্ৰীতিক ইছা আছে যিখানৰ পৰা প্ৰীতি বাস হৈছে সেইখান কৰি পূৰ্ব্বৰতে উকীল-পত্ৰ পঠাবা, যদি ইছা নাই নপঠাবা। আমি যে পূৰ্ব্বপ্ৰীতিত্তে ৰহিছোঁ। আৰ বাকী সমাচাৰ তিনি দলৈ কহিবেক। ইতি, শক ১৬১০, আঘণ মাস। পুনৰ্ব্বাৰ তিনি দলৈক জয়ন্তাৰ ৰজাই পঠাইছিল। ১০৫॥

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ৩য় পত্ৰ।—শ্ৰীযুত গড়গঞা সন্দিকৈ বৰফুকনৈ দিয়া পত্ৰ,—

স্বস্তি প্ৰচণ্ড-দোৰ্দ্দণ্ড-খণ্ড-খণ্ডীকৃতাৰি-মুণ্ড-পৰম্মল-প্ৰবল-মত্তমাতঙ্গ-গণ্ড-লীলয়া-মুণ্ড-কৰৰ-স্থিৰ-নিজ-ধৈৰ্য্য-মৰ্য্যাদাভি-ৰামাভিৰত-প্ৰাৰ্থিতাভি-মতাশ্বৰ্য্যাস্ত-বিত্তৰণজনিত-যশঃপাৰাৱাৰ-পৰিপূৰিত-দিগন্তৰ-ত্ৰিভুবন-বিৰাজিত-শ্ৰীশ্ৰীযুত-লাণ্ডা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰবল-প্ৰতাপানাং সকল-মঙ্গল-কুল-কলাপালিঙ্গিত-কলেৱৰ-বিবিধ-গুণাগাৰ-গাম্ভীৰ্য্যাৰ্জ্জিত-ৰত্নাকৰ-নিৰন্তৰ-শ্ৰেষ্ঠদেৱচৰণ-পঙ্কজ-ভৃঙ্গাৰিতমতি-শূৰবৰ-শ্ৰীযুত-বৰফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু—

পৰম-স্নেহপুৰ্ব্বক-সগৌৰব-লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং সমাচাৰ এই,—আমাৰ তিনি দলৈৰ থানে যি লিখিছিলা আপোনে, আজি নব কথা হৈল; প্ৰীতি নাৰহিল এমত সম্বন্ধে জানিলোঁ। কিন্তু আমাৰ এথাকাৰ সকল সমাচাৰ পূৰ্ব্বে জাত আছে, এতে এমতটাহে উচিত। এখন ৰাজদ্বাৰে তোমাৰ কটকী আসিয়া আমাৰ দিগেৰ ভদ্ৰাভদ্ৰ বাৰ্ত্তা জানিয়া যাইবেৰ লাগে, অপৰ আমাৰ দিগেৰ উকীল যৈয়া ভদ্ৰাভদ্ৰ বাৰ্ত্তা জানিয়া আসিবাৰ

লাগে । এনকল অভেদ প্ৰীতিৰ চিন । এতেকে এমত কাৰ্য্য কৰণ উচিত যেন তোমাৰ আমাৰ এতেকালেৰ প্ৰীতিগোট হ্ৰাস নাহয়, দিনে দিনে অধিকাধিক হৈত্তে যায় তাক কৰিবাই । আৰ তোমাৰ মনে যেটা ধৰে তাক কৰিয়া আমাৰ দলৈসকলক বিদাই কৰিবাই ।

পত্ৰ-সন্দেশ,—কাপৰ ১ খান লৈবাই । তিনি দলৈক জয়ন্তা ৰাজাই পঠোৱা এই পত্ৰ । ১০৬ ॥

সন্দিকৈ বৰফুকনে দিয়া সিদ্ধান্ত পত্ৰ ।—ইহাৰ সিদ্ধান্ত সন্দিকৈ বৰফুকনে জয়ন্তা ৰজালৈ দিয়া পত্ৰ,—

স্বস্তি সকল-কুল-কলাপালিঙ্গিত-কলেবৰ-গো-ব্ৰাহ্মণ-ৰক্ষক-পালক-নিজ-মৰ্য্যাদাভিৰত-প্ৰতাপ-তপন-তাপ-তাপিতজন-শ্ৰীশ্ৰীযুত-পাণ্ঢা সুলতান-মহাৰাজ-ৰুদ্ৰসিংহ-প্ৰচণ্ড-প্ৰতাপানাম্—

সৌহাৰ্দ্দপূৰ্ব্বক-লেখনং প্ৰয়োজনঞ্চ । পৰং এথাত আমাৰ সমস্তে কুশল, তোমাৰ কুশল সদা চাহি । পৰং তুমি যি লেখিছিলা এথন ৰাকৰূপে প্ৰীতিৰ কাৰণে অন্যো অন্যে উকীল-পত্ৰ গতাগত কৰিব, পূৰ্ব্বপ্ৰীতিগোট হ্ৰাস নহৈব, এথান হয় । কিন্তু আমাত হন্তে পূৰ্ব্বপ্ৰীতিগোটতো হ্ৰাস নহৈছে, তোমাত হন্তেসে হ্ৰাস হইছে । বিশেষ এথন তুমি পূৰ্ব্বনিবদ্ধত ৰহিয়া যে প্ৰীতিক বাঞ্ছা কৰিছা, স্ৰাল তোমাৰ মনোৰথ ঈশ্বৰে পূৰণ কৰিব হেন নিঃসন্দেহৰূপে জানি, তোমাৰ উকীল-পত্ৰ পূৰ্ব্বধাৰণে পঠাই দিবা । এই প্ৰীতিগোট চলিবাৰ কাৰণে আমৰাও যত্ন কৰিম ।

আৰ তোমাৰ নিমিত্তে পত্ৰ-সন্দেশ,—কৰ্ত্তৰী ১ খান, দাত্তৰ ভাৰেৰে চক্ৰালগা কটাৰী ১ খান, উকা ১ খান, শিঙৰ ভাৰেৰে চৰালগা ১ খান, উকা ১ খান, মৰিচ ৫ সেৰ । ইতি, শক ১৬১১, তাৰিখ ২২, মাহ ফাগুন । আমাৰ কটকী নাইকাটিক গোতা, নেলী, খলাব তিনি দলৈৰ হাতত দিয়া যায়, ১ খান পত্ৰ আৰু দিয়া গৈছে । ১০৭ ॥

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ৪র্থ পত্র।—শ্রীযুত গড়গঞা সন্দিকৈ বৰফুকনলৈ জয়ন্তা ৰাজাৰ দিয়া লিখা পাক পত্র সহিতে বিজয়ৰামে আনে,—

স্বস্তি নিজদোৰ্দ্দণ্ড-ধৃতকোদণ্ড-মুক্তবাণাবলি- খণ্ডিতাশেষ - শত্রুমুণ্ড - মুণ্ডিত - প্রতাপ-তপন-নিৰন্তৰ - শ্রেষ্ঠদেৱচৰণ - পঙ্কজ - ভৃঙ্গায়িতমতি - শূৰবৰ - শ্রীশ্রীযুত-লাণ্ঢা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্রচণ্ড-প্রতাপানাং বিবিধ-গুণ-গৌৰব-মৰ্য্যাদা-পাৰাবাৰ-মহোদাৰ - সৌন্দৰ্য্য - নিৰ্জ্জিতাশ্বিনীকুমাৰ - শ্রীযুত-বৰফুকন গোহাঞি ও শ্রীযুত-চেটিয়া ফুকন গোহাঞি-পৰম-সুচাৰু-চৰিত্রেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ। পৰং এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং সমাচাৰ,—গড়গাওঁ জয়ন্তী চুই নাহৰ, একঘৰ প্রায় সম্বন্ধ-প্রীতিতে চলিয়া গৈছে। এমতটা জানিয়া তোমাৰ প্রীতি-পত্র চুই কটকীৰ মুখে যে বাণী শুনিয়া পূৰ্ব্বৱত ব্যৱহাৰে যেমত যুগুত হয় তাহাক কৰিলাম। তাহাকে তোমাৰ কটকী প্রমুখ্যে শুনিয়া জ্ঞাত হৈবাই। অতঃপৰং আমাৰ অদ্যাবধি মনত এটা আছে। এতেকে কালৰ প্রীতিগোট কোনোমত প্রকাৰ বাস নাহোক, দিনে দিনে অধিক হৈয়া যাউক। আৰ তোমাৰ আমাৰ মধ্যে কোনো অংশে কোনো বাতেৰ সন্দেস নাৰহিব, পূৰ্ব্বাপৰ মাফিক প্রীতিগোট চলিয়া যাউক। অতঃপৰ ইহাত আমি নিসন্দেসে আছি, যেৰূপে পূৰ্ব্বপ্রীতিগোট হ্রাস নাহৈ তাহাক কৰিয়া পূৰ্ব্বাপৰ মাফিক মৰ্য্যাদা ব্যৱহাৰে প্রীতি-পত্রো তোমাৰ উকীল সঙ্গে দিয়া আমাৰ কটকী বিদাই কৰিবাই। তাতে তুমি আপুনে জ্ঞাতা। বিশেষ কি লেখিম, বাকী সমাচাৰ আমাৰ কটকী শ্রীবিজয়ৰাম প্রমুখ্যে জ্ঞাত হৈবাই।

আৰ তোমাৰ নিমিত্তে পত্র-সন্দেশ,—খাচা ১ খান, গাড়া ১ খান, লোহা ৭ খান। ইতি, শক ১৬১২, তাৰিখ ১, মাস ভাদ্র। ইহাৰ পাচত ভালেদিন কটকী মাহিছিল। পাচত ১৬১৬ শকত তাৰিখ ১০, মাস শ্রাৱণ বিজয়ৰাম, বিশ্বৰ চুই উকীলে পাক পত্র সহিতে আহে। ১৬৮।

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ৫ম পত্ৰ ।—শ্ৰীযুত গড়গঞা সন্দিকৈ বৰফুকনলৈ অনা এই পত্ৰ,—

স্বস্তি নিজদোৰ্দ্দণ্ড-ধৃতকোদণ্ড-স্তম্ভবাণাবলি-খণ্ডিতাশেষ-শত্ৰুমুণ্ড - মুণ্ডিত - প্ৰতাপ-তপন- নিৰন্তৰ - শ্ৰেষ্ঠদেৱচৰণ - পঙ্কজ - ভৃঙ্গায়িতমতি - শূৰবৰ - জয়ন্তীপুৰ-পুৰন্দৰ-শ্ৰীশ্ৰীযুত-লাণ্ডা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ - প্ৰচণ্ড-প্ৰতাপানাং বিবিধ-গুণ-গৌৰৱ-মৰ্য্যাদা-পাৰাবাৰ- মহোদাৰ - সৌন্দৰ্য্য-নিৰ্জ্জিতাশ্বিনীকুমাৰ-শ্ৰীযুত-বৰফুকন, শ্ৰীযুত-চেটিয়া ফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ । এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং সমাচাৰ এহি,—গড়গাঁও জয়ন্তী দুই নাহয় । পূৰ্ব্বাৱধি সত্য নিবন্ধ প্ৰীতিপূৰ্ব্বকে চলিয়া গৈছে । পূৰ্ব্ব ছাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব, ক'লা কাক ধৱল হৈব, ভাঠীৰ লোহিত্য উজান চলিব তথাপি প্ৰীতি বাস নাহৈব । অদ্যাপিও সেসকল কিছু নাচলিছে, কিন্তু উভয়ানুপক্ষে প্ৰীতিতে ৰহি কুটুম্বিতা স্নেহানুৰূপে চলিয়া যাইতেছে । ৺৺ কাৰণ এখনো প্ৰীতি-কুটুম্বিতা স্নেহানুৰূপে প্ৰীতিপূৰ্ব্বক অধিকাধিক চলিয়া যাওক । এতে কিছু সন্দেস নাই । পৰন্তু যেৰূপে পূৰ্ব্বপ্ৰীতিগোট বাস নাহয় তাক কৰিবা । পূৰ্ব্বাপৰ মাফিক মৰ্য্যাদা ব্যৱহাৰে প্ৰীতি-পত্ৰ তোমাৰ কটকী সঙ্গে দিয়া মোৰ কটকী বিদায় দিবা । এতে তুমি আপুনি বিজ্ঞ, বিশেষ কি লেখিম । বাকী সমাচাৰ শ্ৰীবিজয়ৰাম ও শ্ৰীবিক্ৰমৰ মুখে জ্ঞাত হৈবা ।

আৰ তোমাৰ নিমিত্তে পত্ৰ-সন্দেশ,—খাচা ১ খান, গাড়ু ১ খান, লোহা ৭ খান । ইতি, শক ১৬১৬, তাৰিখ ২৫, মাস আষাঢ় । ১০৯ ॥

সন্দিকৈ বৰফুকনে দিয়া সিদ্ধান্ত পত্ৰ ।—ইয়াৰ সিদ্ধান্ত শ্ৰীযুত গড়-গঞা সন্দিকৈ বৰফুকনে জয়ন্তালৈ দিয়া পত্ৰ,—

স্বস্তি সকল-দিগ্দিগান্তৰ-দিগ্গজ-ৰাজন্যক-মুকুট-বিলুণ্ঠিত-পাদপীঠ যোধন-শৌণ্ড-দোৰ্দ্দণ্ড-বিদ্ৰাৱিতাৰি-মস্তকাখণ্ড-প্ৰতাপ-বিলিনীকৃত-দস্যুসংহাৰ-

ধৰ্ম্ম-কুমুদ-ভাস্কৰ-ধৰ্ম্ম-প্ৰতিপালিত-ভূমণ্ডল-শ্ৰীশ্ৰীযুত-লাণ্ডা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰচণ্ড-প্ৰতাপানাম্—

প্ৰীতিপূৰ্ব্বক-লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখা আসিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জানিলোঁ। বিশেষ সূৰ্য্য লোহিত্যাদিৰ বৰ্ণ গতি বিপৰীত হৈলেও পূৰ্ব্বপ্ৰীতি বাস নহৈব। এমন সত্য নিবন্ধে যদি অভেদ প্ৰীতি-কুটুম্বিতাগোট অন্যোন্যে চলি গৈছে হেন যি লিখিছা যাতো এইৰূপে সকল দেশ-বিদেশৰ লোকসকলে শুনি প্ৰশংসা কৰিছে। অতএব আমিও সেই প্ৰীতি-কুটুম্বিতাগোট অন্যোন্যে চলি গৈছে নিমিত্তেহে ৰহিছে। অপৰঞ্চ অধিকাধিক স্নেহৰূপে কিসক নাচলিব? কিন্তু যে বিধ বীৰ্য্য নিৰ্ন্নয়ত হন্তে অধিক স্নেহানুৰূপ প্ৰীতি-কুটুম্বিতাগোট শোভন হয় তাক তুমি মাত্ৰ বিচাৰপৰে কৰিবা আৰু পূৰ্ব্বপ্ৰীতিকে বাস নাহৈবাৰ কাৰণ পূৰ্ব্ব মাফিক মৰ্য্যাদা ব্যৱহাৰে প্ৰীতি-পত্ৰ সহিতে উকীল-পত্ৰ পঠাবৰ থান যি লিখিছিলা আমি সেই ধাৰাণে পূৰ্ব্বপ্ৰীতিৰ বৃদ্ধি-পথতে ৰহিছোঁ। কিন্তু তোমাত হন্তে পূৰ্ব্বপ্ৰীতিগোট যি কাৰ্য্যৰ পৰা বাস নহৈব তাক তোমৰা কৰণেহে উচিত, ইহাক তুমি আপোনে জানা। অধিক কি লেখিম। আৰ বাকী সমাচাৰ আমাৰ কটকী শ্ৰীবলোৰাম ও শ্ৰীজয়কৃষ্ণৰ মুখে জ্ঞাত হৈবায়।

আৰ তোমাৰ অৰ্থে সন্দেশ,—গান্ধ ২টা, ঢৰা ২ থান, মৰিচ ২০ সেৰ, কটাৰী চৰালগা ১০ থান, উকা ১০ থান। ইতি, শক ১৬১৬, তাৰিখ ২৪, মাঘ মাস। ১১০ ॥

'বেপাৰী হৈলে সি ভ্ৰমৰ'।—পত্ৰত বাজে বচনেও শ্ৰীযুত গড়গঞা সন্দিকৈ বৰফুকনেও এইথান বুলি তাক বিদায় দিলে,—"বিজয়ৰাম, বিক্ৰম, তইতক ৺দেৱতাই বিদাই দিলে, তিনিজনা ডাঙৰীয়াৰ ঠাইতো বিদায় হ'ল, আজি আমিও বিদায় দিলোঁ। ৰাজা লাণ্ডা সুলতানত কবিগৈ ৺৺এ লাণ্ডা সুলতানে যি কালত সত্য নিবন্ধ কৰি প্ৰীতিগোট কৰিলে সেই দিন ধৰি আমাৰ ৺৺এ এখনলৈকে সেই প্ৰীতিতে ৰহিছে। আৰ ৰাজা লাণ্ডা সুলতানে যি কৈই

পঠাইছে প্ৰীতি-কুটুম্বিতাগোট অধিকাধিক চলি যাবৰ্ক্ষাল, যিবাৰ হন্তে প্ৰীতি-কুটুম্বিতাগোট ৰহিব অধিকতো অধিক চলি যাব তাঞ্চি ভালকালে মন দি বিচাৰ-পূৰ্ব্বকে আচৰিলে তবে প্ৰীতি-কুটুম্বিতা ব্যৱহাৰগোট কিসক নাচলিব ? আৰ এই প্ৰীতিগোট আজিৰ নাহয়, সৰ্ব্বকালে চলিয়া গৈছে । আমাৰ মধ্যতে থানিকমান ব্যেৱধান হইছে । তইঁতৰ ৰাজায়ে আমাৰ ঠাইলৈ ৰাৰম্বাৰ লিখি কহি পঠাইছে, তাকে চাই আমি অনেক প্ৰকাৰে তিনিজনা ডাঙৰীয়াৰ ঠাইলৈ জনালোঁ । তিনিজনা ডাঙৰীয়াও ৮৮ত জনাই এই পথগোটক পূৰ্ব্বৱতে উজ্জলিত কৰিলে । যেমনে পথগোট হ্ৰাস নহই ৰাজা সেইথান কৰিব । আৰ বিজয়ৰাম, বিক্ৰম, তইঁতে যে ৮৮ৰহে উকীল ; নিৰহ, বিৰিণা যি সি ৰাজা লাণ্ঢা সুলতানৰহে উকীল । এতেকে খৰিপাত লুৰি বেগাৰ ধৰি আহিব লাগিলে তইঁতৰ বা যাবৰ কিছো শ্ৰম নাই । যেমনে শ্ৰম নাহয় ইথান কৰিব । ” আৰু এথেৰ পৰা নিয়া পাঞ্চ মানুহৰ বিত-বস্তুৰ কাৰণে বিজয়ৰামে কলে,—“ ডিমৰুৱাতে বস্তুজাতথান পাব লাগে, সি আপুনি মনুমান হৈছে । ” বোলে,—“ বেপাৰী হলে সি ভ্ৰমৰা, মধু যৈতে পায় সি তৈকে যাই । ” তাতে ফুকনে বোলে,—“ বিজয়ৰাম, যি কৈছ হয় । ভ্ৰমৰাএ মধুক আশাএ অনেক পুষ্পত পৰে, অন্ত পুষ্পত মধুক পান কৰি সি যাই গধূলি সময়ত মধুক আশায়ে পদ্মত পৰি ৰহিতে দৈৱে সূৰ্য্য অস্তাঙ্গত হৈল পদ্ম মুঞ্জিত হৈল, তথাতে ভ্ৰমৰ বন্ধ হৈল । যেথনে ৰবি উদয়, পদ্ম বিকাশিত হৈল ভ্ৰমৰো উৰিল । তেও যে কৈছে, ভাল সোধপোছ কৰি চাওঁ । ’ এই বুলি বিদায় দিলে । ইহাৰ পাচত বিজয়ৰাম, বিক্ৰমে অনা এই পাঞ্চ পত্ৰ । ১১১ ॥

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ ৬ষ্ঠ পত্ৰ ।—শ্ৰীযুত গড়গঞা সন্দিকৈ বৰফুকনলৈ অনা এই পত্ৰ,—

স্বস্তি শ্ৰীমৎ-ত্ৰিপুৰহৰ-পদাম্ভোৰুহ-বিনিঃসৃত-মকৰন্দ-পান-তুন্দিলৰুচো-শৈলাগ্ৰ-নিজকৰকলিত-চীৎকাসি-নিহিত-বিপক্ষ-পক্ষ-স্কন্ধ-গলিত-সিন্দূ-বাভি-সেৰীকৃত-মেদিনী-মণ্ডলাজন্ম-বিবিধ-ধন-দীন-দৈন্য-দমনাতুলকান্তি-কলাতত্তাতিকৃত-দিগ্মণ্ডল-শ্ৰীশ্ৰীযুত-লাণ্ঢা সুলতান-মহাৰাজ-জয়সিংহ-প্ৰচণ্ড-প্ৰতাপানাং সকল-গুণভাজন-পূৰ্ব্বাপূৰ্ব্ব-প্ৰৱৰ্ত্তিত-প্ৰীত-প্ৰাৰ্থিপাদ-

প্ৰকাশীকৃত-হিম-ঘনসাৰ-প্ৰতিকাৰ-যশোৰাশি-বিৰাজিত-শ্ৰীযুত-বৰফুকন, শ্ৰীযুত চেটিয়া ফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ লেখনং। পৰং তোমাৰ লিখন পৌছিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জ্ঞাত হৈলাম। অপৰ গড়গাওঁ জয়ন্তা দুই ৰাজ্যৰ, সত্য নিবন্ধ পূৰ্ব্বাপৰ এক ঘৰ প্ৰায় সম্বন্ধ-প্ৰীতিতে চলিয়া যাইতেছে। আৰ তুমি যি কিছু লেখি আছা সে উত্তম লেখিছা। অতঃ অদ্যাবধি আমাৰ মনে এইটা আছে, এতেক কালৰ প্ৰীতিগোট পূৰ্ব্বাপৰ যেমত চলিছে আজিও তেমতে চলক, ইহাতে আমি নিসন্দেস আছি। এতে তুমি আপুনি বিজ্ঞ। আৰ বিশেষ কি লিখিম। বাকী সমাচাৰ আমাৰ কটকী শ্ৰীবিজয়ৰাম ও শ্ৰীবিক্ৰমৰ মুখে জ্ঞাত হৈবা।

আৰ তোমাৰ অৰ্থে পত্ৰ-সন্দেশ,—থাচা ১ খান, পাড়া ১ খান, লোহা ৭ খান। ইতি, শক ১৬১৮, তাৰিখ ৫, জেঠ মাস। ১১২॥

— —

দশম অধ্যা।

স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত।

শক ১৬১৭-১৬৩৬; খৃষ্টাব্দ ১৬৯৬-১৭১৪।

সমসাময়িক জয়ন্তা ৰজা— লক্ষ্মীসিংহ, ৰামসিংহ, বৰকোঁৱৰ।

জয়ন্তা ৰজালৈ তুৰুৱা বৰফুকনৰ পত্ৰ।—ইহাৰ সিদ্ধান্ত শ্ৰীযুত তুৰুৱা বৰফুকনে জয়ন্তালৈ দিয়া পত্ৰ ৰুদ্ৰসিংহ মহাৰাজাৰ দিনত,—

স্বস্তি শ্ৰীমন্ত্ৰিপতি-কুলোজ্জল-বৃন্দাৰক-বৃন্দ-বিলোকিত-শ্ৰেষ্ঠ-দেৱচৰণ-সৰোজ-মধুব্ৰত-বিপু-মত্ত-গজেন্দ্ৰ-বিদ্ৰাৱনপাবেন্দ্ৰ-বিশদ-যশঃ-সুধাংশু-ৰবিচ্ছি-ৰোচিত-দিগঙ্গনা-কৰ্ণ-পুৰকৈৰৱ-বিমল-ধৰ্মধাম-শ্ৰীশ্ৰীযুক্ত-লাক্ষা কুলজাত-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰচণ্ড-প্ৰতাপানাম্—

সৌহাৰ্দ্দপূৰ্ব্বক-লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং লিখা আছিল তোমাৰ, সমাচাৰ পৰম প্ৰীতে জানিলাম। অপৰ গড়গাওঁ জয়ন্তা দুই ৰাজ্যৰ। সত্য নিবন্ধ পূৰ্ব্বক একঘৰ প্ৰায়

সম্বন্ধ-প্ৰীতিতে চলি গৈছে হেন যি লিখিছা অদ্যাপিও আমি সেই পূৰ্ব্ব অভেদ প্ৰীতিতে বহিছোঁ । অতঃপৰ এতেক কালেৰ প্ৰীতি-গোট পূৰ্ব্বাপৰে যেমতে চলি গৈছে আজিও তেমত চলক । ইহাত আমাৰ নিসন্দেস হেন যি লিখিছা ইখান হয় । অতএব সেই প্ৰীতিগোটৰ কাৰণ আগে যিখান হয় তোমাৰ ঠাই লেখিছোঁ । এথনো যদি তুমি সেইখানকে নিঃসন্দেসৰূপে আমাৰ ঠাই লেখিলা তেবে আমাৰ নিঃসন্দেসৰূপে প্ৰীতিগোট কিসক নাচলিব ? কিন্তু নিঃসন্দেস-ৰূপে আছিতেও যে পূৰ্ব্বধাৰাণক এৰি যে আমাৰ পত্ৰ লেখিলা, ইখান তোমাৰ কৰ্ত্তব্য হয় কি নাহয় তাক তুমি আপুনি জ্ঞাতা । বহুত কি লেখিম । বাকী সমাচাৰ শ্ৰীৰত্ন কন্দলি, শ্ৰীৰামচৰণৰ মুখে জ্ঞাত হৈবাই ।

আৰ তোমাৰ নিমিত্তে পত্ৰ-সন্দেশ,—ঢাবা ২ খান, মৰিচ ২ তোপা, গান্ধ ২ টা, কটাৰী চৰালগা ১০ খান, উকা ১০ খান । ইতি, শক ১৬১৯, তাৰিখ ২৬, মাস কাৰ্ত্তিক । দুৱৰী বৰফুকন হ'লত জয়ন্তা ৰাজালৈ দিয়া এই পত্ৰ । ১১৩ ॥

আহোম আৰু জয়ন্তা চকীয়ালৰ বিবাদ ।—১৬১৯ শকত আমাৰ ৰত্ন কন্দলিকে ও ৰামচৰণকে, বিজয়ৰাম, বিক্ৰমৰ লগত জয়ন্তালৈ পঠোৱা গ'ল । পাচে তিনি বছৰ হ'লত তথাপি নপঠাবৰ দেখি আমাৰ চকীয়াল বৰুৱাএ বোলাহেনকৈ তাৰ চকীয়াল লস্কৰক এইৰূপে বোলা গ'ল,—" আগেও এক বাৰ মঞি কটকীৰ কথা সুধিলোঁ সিওবাৰ নিচয় বাৰ্ত্তা নাপালোঁ । এথন বৰফুকন স্বৰ্গ-মহাৰাজাক সেৱা কৰি আহিলে কটকীৰ কথা যদি মোত সোধে তেথন মঞি কি কম ? ৰাজা ৰাজাৰ প্ৰীতি উকীল গতাগত হন্তেহে ৰহে । এথন যে উকীল যাবৰ অনেক দিন হ'ল, ইহাৰ বিলম্বৰ কাৰ্য্য কি ? এতেকে বিলম্বত হন্তে যদি প্ৰীতিত বৈগুণ্য পৰে, তাৰ দোষ বে তহঁততহে ।" এইৰূপে বুলিলত লস্কৰে বোলে,—" কটকী মঞি এথেতে ৰাখিছোঁ নিকি ? ৰজৰ কথা ৰবেহে জানে কিয় ৰাখিছে ? যদি তেও সজাত নাযায় তঞো মাহুহ যে মঞো দিওঁ জানি আহকগৈ ।" পাচে এইৰূপে ৮দেৱতালৈ জনালত আকৌ এক মাহ মান থাকি পুনৰ্ব্বাৰ চকীয়াল বৰুৱাএ সোধ'তৈ সুধিব

দিলে, বোলে,—"মঞি বৰফুকন আহিলে কটকীৰ কথা সোধেইঁতে কোনখান কম? সি যে বুলিলে,—'কটকী মই এথেতে ৰাখিছোঁ নিকি? ৰবৰ কথা ৰবেহে জানে কোন কাৰণে ৰাখিছে? যদি তেও সন্নাত নাযাৰ তইঁতে মানুহ দে মৰো মানুহ দিওঁ জানি আহকপৈ।' ইখান সি বুলিব নাপায়। সকল কালে কোনো কথা আমিও সোধোঁ সিওঁ আমাত সোধে, এনেৰূপে প্ৰীতি গৈছে। এতিয়া যে সি ৰবাগী যাৱৰথান কই, উকীল আছে বুলি নবীনকৈ আহিছে গৈছে নিকি? প্ৰীতিৰ দ্বাৰাএ সকল কালে গতাগত কৰিছে, ইহাক সি কি কয়? তাৰ যি মানুহ আমাৰ ইদিকিলৈ নাহিৱৰথান যি কই সকল দিনেও নাহিছে নগৈছে। সি বুলিলে বুলি এখন নবীন কৰি আহিৰ যাব নিকি? এখনে! বোলোঁ ৰৰফুকন আহিলে নোসোধে যদি কিছো নাই, যদি সোধে তেৱে এখন যি বুলিছে ইহাকে কম কি কোনখান কম তাকে নিচয় কৰি কৈ পঠাওক। ইহাত হন্তে যদি প্ৰীতিত বৈগুণ্য পৰে ইহাৰ যে মই ৰাজ।" এইৰূপে পানীশলগুৱীয় খাগটীয়া শইকীয়া লক্ষৰত তৰে চকীয়াল বুলিহে কলে। পাচে লক্ষৰে বোলে,— "আকে কবলৈহে আহিছ? মই যে সুগুনোঁ মোৰ পোকৰেসে ই বাৰ্ত্তাক যাই, এনে কথা নকৰি সুগুনোঁ। তঞি ডকক আহোম পাপী, তোৰ দিকিলৈ কি যাব, আমাৰ ইদিকিলৈ লক্ষ লক্ষ আহে যাই। আমি কাক ডৰ কৰোঁ? গোভা, নেলী, থলাৰ তিনি ৰজাহে থগাত বহা লোক, কোনো কথাবাৰ্ত্তা সিবোৰতহে সুধিব লাগে, মোত কি সোধ? সিইঁতে ৰৰফুকনত কৰ মোক কি কৰিব? মই সংশয় কৰোঁ নিকি? নৰ্ত্তঙ্গলৈকো যদি কটকী আহিৱৰ বাৰ্ত্তা পাওঁ তেৱে ৰলৈ এটা পঠাই জনাম।" ১১৪।

অসমৰ কটকী বস্ত্ৰ কন্দলি আৰু ৰামচৰণৰ ওভোতনি।—পাচে মাহখানেক থাকি বিজয়ৰাম সহিতে আমাৰ দুই কটকী আহি আমাৰ চকী পালতহি এইৰূপে বুলিব দিয়া গ'ল চকীয়াল লক্ষৰক,—"লক্ষৰে যে আগপাচ নাচাই এনে কথা বুলি পঠাই সি এনে কথা বুলিৱৰ মানুহ হত্তে? যাতো আমি ৰাজাৰাজাৰ পূৰ্ব্বপ্ৰীতিক চাই ৰৰফুকনতো নকলোঁ সেই কাৰণেসে ইঠাইত ৰহিব পাৰিছ। আগেও এনে বিধাৰণ কথাৰ পৰা বিখান হৈছে তইঁতে তাক নাজানিছত্তে?" এনেৰূপে কটকী আমাৰ ইঠাই জাহাটা পালতহি এই

কথা বোলা গ'ল। তিনি বৎসৰৰ পাচে বিজয়ৰাম সহিতে আমাৰ দুই কটকীক বিদাই দিলে। আহি ফুলগুৰি পালতহি তাতে গোভা, নেলী, খলাৰ তিনি ৰজাও, আমাৰ চকীয়াল বৰুৱাও এঠাই হৈ মেলকৈ কুশলাকুশলি সুধি দুই কটকীক আমাৰ বৰুৱাৰ হাতত শোধাই দিলে। তাৰে পৰা সোলাল বৰ-গোহাঞিৰ ১ খান, পানীফুকনৰ ১ খান, পানীদিহিঙ্গীয়াৰ ১ খান এই তিনিখান নাৱেৰে আনি আমাৰ জাগীচকীতো ছয় দিন থাকি গুৱাহাটীলৈ আনি লতাশিলৰ ওপৰে বিজয়ৰামৰ ঘৰ আছে তাতে থলেহি। ভাটীবেলা পালেহি নিমিত্তে খৰিপাত চক মাত্র কটকীবোৰে দিয়াহেনকৈ দিলে। পাচদিনা ৰৰফুকন গোহাঞিৰ কথাকৈ আঠু পৰাই ৰোজ দিলে। আঠ দিন অন্তৰে ৰোজ দিয়া যাই। সেই ৰোজেৰে দুটা ৰোজ দি বস্ত্র কম্বলিক তাৰ লগৰ পৰা বৰফুকন গোহাঞিৰ কথা কৈ আহিবলৈ বুলিলে এইখান বুলি,—"অনেক দিন দুই উকীল আছিব, অটা মাত্র তাৰ লগত থাক, অটা মোৰ এখেত থাকিবি।" এনেৰূপে ভগুনা কৰি ৰাত্রি লুইতৰ সিপাৰ হৈ ৮ত জনাবলৈ পঠালে। ১১৫॥

জয়ন্তা কটকী বিজয়ৰামৰ দোপদৰত তোলা।—তৈৰ পৰা আহি কলেহি বোলে,—"ৰৰগোহাঞি ফুকন সহিতে একেলগে বহি কটকী তুলিব দিনচাৰেকতে।" কাৰ্ত্তিকৰ আধা যাওঁতে তুলিবলৈ নিচই হ'ল। আগদিনা বিজয়ৰামত এইৰূপে জনালে,—"কালিলৈ দৰ্ব্বাৰ হব, যদি কোনো দৈবদোষ নাহয় ৰাজ-কীৰ্ত্তন হব, তুমি তৈয়াৰ হৈ থাকিবা আমি নিয়হি।" কটকী নোআহোতেই ভাদ্র মাসত দপদৰত স্বৰ্গ পৰিল, এতেকে ভাঙ্গি সাজিছিল। তাৰে কোখত এটি সৰু চ'ৰা সাজিছিল। মাজত দুটা খুটা পুতি দুজনা ফুকন ৰহিছিল। ৰৰফুকনৰ দলচা কুসুমবুলীয়া। অভয়পুৰীয়া পানীফুকনে, গড়গঞা বুঢ়াফুকনে, নবাকোঁৱৰ ফুকনে চৰাৰ ওপৰত কাপৰ পাৰি বহিছিল। ৰাজ-খোৱাবোৰ আগৰ নিয়মে বহিছিল। বেলতলীয়া ৰজাও, খটুৱাতগা ৰজাও, চৌধাৰীবোৰেও বহিছিল। কটকী মজুন্দাৰক বঁটা দিলে। তাৰ লগৰ দুই কটকীএ বিজয়ৰামক সেৱা কৰাই পুতেকটিৰ মূৰত কাকত দি চ'ৰাত বহুৱালেহি। পাচৰ পৰা লুকুৱাই কলাপাত খণ্ডা পাৰি বহি সন্দেশ পাত পাৰি খ'লে। পাচে ৰৰফুকনে মাত লগালে,—"বিজয়ৰাম, তঞি যেখন আহ তেখন লাগা সুলতান ৰাজা কুশলে আছে? ৰৰা-বৰুৱা কুশলে আছে?" সি

বোলে,—"স্বৰ্গদেও, মঞি বন্দী যেথন আছোঁ তেথন কুশলে আছে।" পাচে ফুকনে বোলে,—"ভাল, বৰা-বৰুৰ সমন্বিতে যে ৰাজা লাণ্ডা সুলতান কুশলে ৰহিব আমাৰো ইছা এইগোটহে।" পাচে ৰত্ন কন্দলিএ পত্ৰ আনি এক ঠাইত আঠু পাৰি মজুন্দাৰৰ হাতত দিলে। মজুন্দাৰে মোনাৰ চুক ফালি পত্ৰ উলিয়াই মাতি শুনালে। ১১৬॥

ছুৰবা বৰফুকনলৈ জয়ন্তা ৰজাৰ পত্ৰ।— পত্ৰত এইথান লিখিছে,—

স্বস্তি প্ৰচণ্ড-দোৰ্দ্দণ্ড-ধৃতকোদণ্ড-নিৰ্গত-বিশদকাণ্ড-খণ্ড-খণ্ডী-কৃতাৰিমুণ্ড-মণ্ডলি-মণ্ডিত-ভূমণ্ডল-শৰদিন্দু-সুন্দৰ-যশোৰাশি-বিৰাজিত-পাৰাবাৰ-ধৰণীমণ্ডল-দিগন্তৰাখণ্ডল-সম-বৈৰিমণ্ডল-যোধ্যমান-শ্ৰীশ্ৰীযুত-লাণ্ডা সুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰচণ্ড-প্ৰতাপানাম্।

স্বস্তি প্ৰবল-ভুজবলসমুপাৰ্জ্জিত-শৰদিন্দু-সুন্দৰ-যশোৰাশি-বিৰাজিত-ভূখণ্ড-মণ্ডিত-কলেবৰ-শ্ৰীযুত-বৰফুকন, শ্ৰীযুত-অভয়পুৰীয়া ফুকন-পৰম-সুচাৰু-চৰিতেষু—

পৰম-স্নেহপূৰ্ব্বক-শুভাশীৰ্লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল-মঙ্গল সৰ্ব্বদা বাঞ্ছি। পৰং তোমাৰ লিখন পৌছিল, সমাচাৰ প্ৰীতি-পূৰ্ব্বকে জানিলাম। গড়গাঁও জয়ন্তা দুই নাহয়, একঘৰ প্ৰায় সম্বন্ধ-প্ৰীতিতে চলিয়া গৈছে। পূৰ্ব্ব চাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব, কলা কাক ধবল হৈব, ভাটী লোহিত্যে উজান চলিব, তথাপিও তোমাৰ আমাৰ প্ৰীতি গোট বাস নাহৈব। আৰু তুমি যে লেখিছা 'বিচাৰ-পূৰ্ব্বকে কৰিলে নিঃসন্দেহৰূপে প্ৰীতি কিসক নাচলিব?' এ যি লেখিছা ভাল লেখিছা। কিন্তু পূৰ্ব্বে বিচাৰপূৰ্ব্বক নিৰ্ণয় হৈছিল। তোমাৰ দুই কটকীয়ে নিবন্ধ কৰি গ'ল। এতে যদি তোমাৰ মনে সন্দেহ হয় তবে তোমাৰ আমাৰ যেমত পূৰ্ব্বাপৰ প্ৰীতি-পত্ৰ চলিয়া গৈছে আজিও সেই মতে চলোক। এতে তুমি আপুনি বিজ্ঞ। বিশেষ কি লিখিম, বাকী সমাচাৰ আমাৰ কটকী বিজয়ৰামৰ মুখে জ্ঞাত হৈবা।

আৰ তোমাৰ নিমিত্তে পত্ৰ-সন্দেশ,—খাচা ১ থান, চৰা ১ থান, লোহা ৭ থান। ইতি, শক ১৬২২, তেৰিখ ২১, মাস শ্ৰাৱণ। ১১৭॥

বিজয়ৰামৰ বচন-সমাচাৰ।—পাচে বৰফুকনে পত্ৰ শুনি বোলে,—"পত্ৰত যি লেখিছে তাক শুনিলোঁ, বচনে তোত লাণ্ডা সুলতান ৰাজা যি বুলিছে তাক ক'।" সি বোলে,—"স্বৰ্গদেও, পত্ৰত যি লিখিছে এইহে, বচনে মই কি কম?" খানিক থাকি বোলা গ'ল,—"বিজয়ৰাম, পূৰ্ব্বাৱধি ৮৮দেৱতাৰে লাণ্ডা সুলতান ৰাজাৰে এই প্ৰীতিগোট ধাৰাণত হৈছেহে চলি গৈছে। যিদিনত এই প্ৰীতিগোট বিধাৰণ হৈ গৈছে সিদিনত তাৰ পৰা যিখান হৈ গৈছে ই পুনু সৰ্ব্বলোকতে বিদিত। এতেকে প্ৰীতিপথত তাঞি যে ধাৰণে ৰহিব ইগোটহে বিশেষ।" পাচে বিজয়ৰামে বুলিলে,—"আপুনি সৰ্ব্বজ্ঞ, যিখান বুলিছে ইখান সমস্তে হয়, মই কি কম?" পুনৰ্ব্বাৰ বোলে,—"বিজয়ৰাম, প্ৰীতিপূৰ্ব্বকে লাণ্ডা সুলতান ৰাজাএ যিখান লিখিছে তোক বিদায় দিওঁ যেখন ইহাৰ সিদ্ধান্ত তেখনে পাবি। এখন তঞি বহাত জিৰাই থাকগৈ।" পাচে শ্ৰাৱণৰ ১০ দিন আছোঁতে শুক্ৰবাৰৰ দিনা বিজয়ৰামক দৰবাৰলৈ আনি বৰফুকন গোহাঞে বোলে,—"বিজয়ৰাম, তোক আজি মই গড়গাওঁলৈ বিদায় দিলোঁ। তঞি গৈ ৰাজমন্ত্ৰী প্ৰমুখ্যে তিনিজনা ডাঙৰীয়াৰ ঠাইত সেৱা কৰিবি। যদি তোৰ ভাগ্য আছে সেইবোৰৰ দ্বাৰাএ কিবা ৮৮ক সেৱা কৰিবলৈ পা।" খন্তেকমান থাকি ফুল-চন্দন দিলত পাচে বুলিলে,—"বিজয়ৰাম, তঞি এখান বহাত জিৰাই থাকগৈ, আনদিনলৈ যাবি।" জয়ন্তাৰ কটকী কাত্তিকৰ তিনি দিন আছোঁতে গধুলি সময়ত গড়গাওঁলৈ নিলে। তৈতো তিনিজনা গোহাঞিএ ৮ৰাজাএও ধাৰাণপূৰ্ব্বক তুলি বিদায় দিলে পত্ৰ-সন্দেশ সহিতে। গুৱাহাটী পালতহি আঘোণৰ দুদিন থাওঁতে সোমবাৰে তুলিলে। শ্ৰীযুত হুৰৰা বৰফুকনে বচনে তাক এইখান বুলিলে,—"বিজয়ৰাম, ৮৮দেৱতাৰ ঠাইতো, তিনিজনা গোহাঞিৰ ঠাইতো তোৰ বিদায় হ'ল। ময়ো আজি তোক বিদাই দিলোঁ। লাণ্ডা সুলতান ৰাজা পত্ৰত যিখান লিখিছে তাৰ সিদ্ধান্ত পত্ৰতে দিয়া গৈছে। তঞি বচনেও এইখান কহিবি। তাঞি যি পূৰ্ব্ব অভেদ সম্বন্ধ-প্ৰীতিগোট লিখিছে আমাৰ ৮৮ সহিতে তাঞো যে সেই সম্বন্ধ-প্ৰীতিতে ৰহিব আমাৰো ইগোটহে ইছা। আৰু এইখান কৰি আমাৰ ৮৮তা সহিতে ৰাজা লাণ্ডা সুলতানৰ বৈসানিৰ পৰা অভেদ সম্বন্ধ-প্ৰীতিগোট চলিছে তৱৰৱি হাট-আৰলো চলিছে। আমাৰ দেশৰ ৰবাসী যাত্ৰীয়ো তীৰ্থ-ক্ষেত্ৰ কৰিবলৈ সেই পথে গতাগত

কৰিছে, এখন দেখোঁ সিসকলে আন দিনত কৰি বঢ়াকৈ অপদ্ৰব কৰেহেন বুলি কয়। এতেকে পুৰ্ব্বধাৰাণ ছাৰি যদি কোনোজনে কোনো বস্তু-দ্ৰব্যখানক আশাএ আমাৰ যাত্ৰী বৰাগীক দুখ-কষ্ট দিয়ে, আমিও কোনোখান বুবুলিছোঁ প্ৰীতিত থাকি, ইহাক যদি কোনোৰূপে আমাৰ ৰাজমন্ত্ৰী বৰগোহাঞে শুনে, ইহাত হন্তে কোনখান বৈগুণ হলে ই দোষে কাক পাব? আক প্ৰীতিৰ কাৰণেহে যাত্ৰী বৈৰাগীও এই পথে গতাগত কৰিছে? যেখন ই পথ নহৈ থাকে তেখন নিকি ই পথ নহল বুলি আন পথে গতাগত নকৰিছে? এনে বিধাৰণ কৰিব লাগিলে অভেদ সম্বন্ধ-প্ৰীতি কৰিবৰ চিন কি? আজি বহাত জিৰাই থাকগৈ, আন দিনালৈ যাবি।” ১১৮॥

জয়ন্তা ৰজালৈ দুৱৰা বৰফুকনৰ পত্ৰ।—দুৱৰা বৰফুকনে জয়ন্তা ৰাজালৈ দিয়া পত্ৰ এই,—

স্বস্তি পূৰ্ব্ব-পূৰ্ব্ব-ভূপালকপাল-বিশাল-কীৰ্ত্তি-মণ্ডল সুৰাষ্ট্ৰ-পালন-গো-ব্ৰাহ্মণ-প্ৰতিপালক-বৈৰি-বৰুন্তট-কপাট-পাতন-প্ৰকটিত-সিংহাৱতাৰ-সদামৰ-সমৰ-সৰ্ব্ব-সুভদ্ৰ-ৰৰাৰোহণ-সুবীৰ-সুস্থিৰ-সুৰাষ্ট্ৰ-মঙ্গল-মুকুন্দ-চৰণ-সৰোজ-মধুব্ৰত-শ্ৰীশ্ৰীযুত লাণ্ডা সুলতান মহাৰাজ-লক্ষ্মীসিংহ-প্ৰচণ্ডপ্ৰতাপানাম্—

সোহাৰ্দ্দপূৰ্ব্বক-লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখন আসিল। সমাচাৰ প্ৰীতিপূৰ্ব্বকে জ্ঞাত হৈলোঁ। গড়গাওঁ জয়ন্তী দুই নাহয়, একেঘৰ প্ৰাই মানি। সূৰ্য্য, লোহিত্য, বাদস এইসবৰ দৃষ্টান্ত দি যি লেখিছা ইথান ভালেহে লিখিছা। আমিও সেই পূৰ্ব্বনিবন্ধ সম্বন্ধ-প্ৰীতিতে ৰহিছোঁ, আপুনিও যে তাহাতে ৰহিবা ইগোটহে বিশেষ। অপৰঞ্চ দুই উকীলে নিবন্ধ কৰিবাৰ, নিবন্ধ কৰাতো সন্দেস হৈবাৰখান বি লিখিছা, উকীলে বুলিলে কি নিবন্ধ হয়? তোমাত আমাত হন্তেহে হয়। এতেকে এখনো যদি পূৰ্ব্বাপৰ অবিৰোধৰূপে তুমি আমি নিৰ্ণয় নিবন্ধগোট কৰা গ'ল তেবে তাত আমাৰ কি সন্দেস হৈব? কিন্তু প্ৰীতি-পত্ৰ চলোক হেন বি কৈছা সম্বন্ধ-প্ৰীতিগোট নবীন নাহয়, পূৰ্ব্বাবধি চলি গৈছে। এখনো যদি সম্বন্ধ দেখোঁখি প্ৰীতি-পত্ৰ

লেখিবা ইগোট শোভন কি অশোভন ইহাক তুমি আপুনি জানা ।
বহুত কি লিখিম, আৰ বাকী সমাচাৰ আমাৰ শ্ৰীমাধৱ কন্দলি ও
শ্ৰীৰামচৰণৰ মুখে জ্ঞাত হৈবা ।

আৰ তোমাৰ অৰ্থে সন্দেশ,—চৰালগা কটাৰী ১০ খান, উকা ১০ খান,
ঢৰা ২ খান, পাদ্ধ ২ টা, মৰিচ ২ টোপা । ইতি, শক ১৭২৩,
তাৰিখ ২৩, মাস আঘণ । পত্ৰকোখৰত লিখা যাই,—শ্ৰীযুত বৰ-
ফুকন গোহাঞি মহাশয়েষু, শ্ৰীযুত বৰগোহাঞি ফুকন মহাশয়েষু ।
জয়ন্তাৰ যত গদ্য লেখা যাই তাৰে দুশাৰী মান নামকৈ লেখে । ১১৯ ॥

ডিমৰুৱাৰ বৈৰাগী কোঁৱৰ।—ডিমৰুৱাৰ বৈৰাগী কোঁৱৰক তাৰ সীমাত জয়ন্তা ৰাজাএ ডিমৰুৱাৰ ভাগি যোৱা মানুহ কোচাই বনগাৱঁত পাতি থৈছিল । ডিমৰুৱাৰ দুই-এক ভাল মানুহে ভিতৰি বৈৰাগী কোঁৱৰলৈ কথা দিলে, বোলে,—"পূৰ্ব্বে যে আমাৰ দেউ-ৰাজকোঞৰক বঙ্গালে ধৰি নিলে, আমি চিনি পালোঁ ।" এই বুলি ৰজা পাতিবলৈ আনিলে । ডিমৰুৱা ৰজা পাটত ৰহিব নোৱাৰি ৰাত্ৰি দুটি পুতেক সহিতে আহি শ্ৰীযুত দুৱৰা বৰফুকনৰ ঠাইত পৰিলহি । ফুকনে বোলে,—"দেউ-ৰাজকোঞৰ বঙ্গালৰ গুলী লাগি মৰিল, আমাৰ কলীয়াবৰীয়া ফুকনেও জানে । ডিমৰুৱাৰ মানুহেও শ চিনি পাই চিতা সাজি পুৰিলে, কৰ্ম্ম-কাৰ্য্যকো কৰিলে , তথাপি তাক যে ৰাজ্যে কথা দি আনিছে ভাল, সেএ ৰজা হৈ থাক ।" পাচে ডিমৰুৱাৰ দুই-এক ভাল মানুহৰ দ্বাৰাএ বোলালে,—"৮৮ৰ লোণ-চাউল সুৰ্মৰি নমৰি-নাহাজি যে আহিছে বিদেশৰ পৰাই, ভাল কৰিছে, ডিমৰুৱাৰ দুই-চাৰি ভাল মানুহেও যদি দেউৰাজ হেন বুলি কয় তেবে ৰাজাৰ পোহে ৰজা, গোষ্ঠী-কুৰ্ম্মা নাই দেখিছে ডিমৰুৱাৰ ধাৰাবেজপোৰ পুতেককে ৰজা পাতি থোৱা গৈছে ।" এনে সৰহ বচন বৰফুকনৰ শুনি সিহঁতে ৰাজ্য সমন্বিতে বৰাগী কোঁৱৰক লৈ বৰফুকনক সেৱা কৰিবলৈ গুৱাহাটালৈ আহিলত কতোদিন লোৱা লগাই থৈছিল । পাচে গড়গাৱঁলৈ দি পঠালে । তাক নামৰূপত পাতি থলে । ১২০ ॥

বৈৰাগী কোঁৱৰৰ সন্ধান।—সেই সময়ত জয়ন্তাৰ উকীল খবৰাহাটা পাইছেহি। কতোদিন অন্তৰে দুই কটকী সহিতে ধাৰণপূৰ্ব্বকে জয়ন্তালৈ পঠোৱা গ'ল। তৈতে আমাৰ কটকী ৰাখি এক বছৰৰ পাচত গোভা, নেলী, খলাৰ তিনি ৰজায়ে কলীয়া দলৈক পঠাই বোলে,—"শ্ৰীযুত দিহিঙীয়া বৰফুকনৰ দিনত আমাৰ বনগাৱঁত যে কোঞৰ এটি পাতি থৈছিলোঁ, সি কলৈ গ'ল ?" চকীয়াল বৰুৱাএ বোলে,—"সেই মানুহ যদি পূৰ্ব্বে আমাক গতাই থৈছে তেবে ই কথা আমাত কব পায় ? এনে কথা আমি ফুকন গোহাঞিত জনাব নোৱাৰোঁ।" এইৰূপে বুলিলত সিহঁত উলটি গ'ল। পুনৰ্ব্বাৰ গোভা, নেলী, খলাৰ তিনি দলৈএ লস্কৰ এটাএ আহি বোলে,—"আমাক জয়ন্তা ৰাজা পাঞ্চিছে। চকীয়াল বৰুৱাএ যিখান বুলিছে বুলিব পায়। পূৰ্ব্বে যদি মিত্ৰ ৰাজাৰ ঠাইলৈ চকীয়াল বৰুৱাৰ হায়ালে দিলোঁহঁতে তেহে আমি তাক খুজিবাক পাওঁ, যাতো ৰাজ কথাৰ গিৰী, দুৱাৰবো অধিকাৰী, এতেকেহে আমিও জনাওঁ। আৰ পৰা যদি ডিমৰুৱাৰ মানুহ-দুনুহটো মাৰ যাই আমাক পাচে দুষিব নেপাই। পূৰ্ব্বত তিনি শ লোকেৰে আমাৰ মাটিতেহে পাতি থোৱা গ'ল। ডিমৰুৱাএ ৰজা চিনি পালোঁ বুলি ৰজাত ভেঁটিবাটিখান দিহে খুজি নিছে। সেই ৰাজ্যতে থাকিলহঁতে তেও ভাল, তাতো যে নাই।" এই কথা চকীয়াল বৰুৱাএ বৰফুকনলৈ জনালে, ফুকনে ৮৮ত জনালে। ১২১॥

বৈৰাগী কোঁৱৰক খোজাৰ সমিধান।—পাচে চকীয়ালক এইখান বুলিব দিলে,—"এই কথা বৰফুকনত জনাব লগা নহয়, কিন্তু তইঁতে বাৰম্বাৰ কব দিয় এই নিমিত্তে জনালোঁ।" বৰফুকন গোহাঞে এইখান বুলিলে,—"সি যে বৈৰাগী কোঞৰৰ কথা আমাৰ চকীয়ালত গোনাই, চকীয়াল বৰুৱাৰ হাতত নিকি গতাই দিছে ? আৰু তাক ডিমৰুৱা খুজি আনিবৰ কথা কয়, ডিমৰুৱা ৮৮ৰ সৰ্ব্বকালে শৰণীয়া, সাক্ষিত-থাপিত। ৮৮ যাক অধিকাৰী কৰি দিয়ে সেইহে তাত অধিকাৰী হব পাৰ। ডিমৰুৱাএ খুজিলে বুলি যে তাক জয়ন্তা ৰাজাএ দিব পূৰ্ব্বৰ নিকি এই ধাৰণ ? আৰু যে এই কথাতে লগাই ডিমৰুৱাক মাৰিলে কাটিলে কিছু বুলিব নেপাই যেন যে বোলে, সি মাৰিব কাটিব ডিমৰুৱা নিকি হাত বান্ধি থাকিব ? তথাপি যদি ডিমৰুৱাক মাৰে তাক নিকি আমি এৰিম ? এতেকে পূৰ্ব্বপ্ৰীতি বা কোনৰূপে ৰব ? গোভা, নেলী, খলা, হাই-আৰক

কোনৰূপে ৰক্ষা পৰিব ?" তিনি দলৈএ বোলে,—"বৰাগী কোঞৰক খুজিলে যে তিনিটি কথা হ'ল, পূৰ্ব্বপ্ৰীতি গুচে, হাট-আবেদ মৰে, গোভা, নেলী, খলাও মাৰ যাই। ভাল এইৰূপে আমি ৰজাত জনাবগৈ।" ১২২॥

পুনৰ বৈৰাগী কোঁৱৰক খোজা।—পুনৰ্ব্বাৰ গোভা, নেলী, খলাৰ তিনি দলৈএ লৰৰ এটাবে আহি বোলে,—"জয়ন্তা ৰাজাএ এইখান বুলিছে,—'আগেও বৈৰাগী কোঞৰ খুজিছোঁ, দন্দৰ নিমিত্তে নিকি খুজিছোঁ ? প্ৰীতিৰ কাৰণেহে মিত্ৰলৈ কোৱা যাই ? বঙ্গালৰ পৰা যিহেতু আমাত শৰণাগত হ'লহি এই কাৰণেহে ডিমৰুৱাত সাঁচি-থাপি থবলৈ মাতিছোঁ'?" বৰফুকনে শুনি ৺৺লৈ জনাই চকীয়াল বৰুৱাক এইখান বুলিব দিলে,—"সি যে বাৰম্বাৰ বৈৰাগী কোঞৰৰ কথা কয় সি আমাত সোধাই দিছে নিকি ? যদি কৰ লাগে ধাৰণ-পূৰ্ব্বকে কৈ আহিব, তেখন যি হয় ইহাৰ সিদ্ধান্ত পাব।" ১২৩॥

জয়ন্তাই পূজাৰ কটল বিচাৰে।—আৰু ডিমৰুৱা ৰজাকো জয়ন্তীয়ালে এইৰূপে বোলন দিলে,—"পূজাৰ হাঁহ, ছাগ, পাৰ, সোণোৱালী কাপৰ পূৰ্ব্বে যে আমাক দিছিলে এতিয়াও দে, যদি নিদিয় আৰ পৰা আহুকাল পাবি। বাৰ দিনৰ মূৰত যিখান বোলে ইয়াৰ বাৰ্ত্তা আমাত জনাবি।" বৰফুকনে শুনি ৺৺লৈ জনাই এই বুলিব দিলে,—"ডিমৰুৱা বোলাকৈ বুলিব,—'পূজাৰ কটলৰ খান তোমালোকে যি কৈছা তাক আমি অনেক দিন নিদিছোঁ। এখন যদি দিওঁ বৰফুকনে শুনেহঁতে আমি কিৰূপে গা সাৰিম ? এতেকে দিব নোৱাৰোঁ'।" ১২৪॥

জয়ন্তাত ডুৰছৰ আহোম কটকী।—১৬২৩ শকৰ আঘণৰ ১৩ দিন আছোঁতে বিজয়ৰাম সহিতে আমাৰ কটকী গোভাত পথেক মাহেক থাকি জয়ন্তালৈ নিএ। ফাগুনৰ ৮ দিন আছোঁতেহে পৰ্ব্বত তুলিলেনি। বহাগৰ ১৫ দিন যাওঁতে দেওবাৰে দৰ্ব্বাৰত তুলিলেনি। পাচে দুই বছৰ দুই মাহ থাকিল। ১২৫॥

জয়ন্তা পাটত ৰামসিংহ।—লক্ষ্মীসিংহ মৰিল আষাঢ়ৰ ২০ দিন যাওঁতে বৃহস্পতিবাৰে। ৰামসিংহ ৰাজা হ'ল শাওণৰ ১৫ দিন যাওঁতে। আমাৰ কটকী বিদাই দিলে আহিনৰ ১৫ দিন যাওঁতে, গোভা পালেহি ১৬২৪ শক,

জেঠ মাসত। গড়গাৱঁলৈ ছবো বৰফুকনে ৺৺ সেৱা কৰিবলৈ গ'ল, তাতে মৃত্যু হ'ল। দিহিঙ্গীয়া বৰবৰুৱা বৰফুকন হ'ল, গুৱাহাটীতে এবৎসৰ আছি আষাঢ়ত মৃত্যু হ'ল। পাতৰ বৰফুকন হ'ল। ১২৬॥

আহোম কটকীৰ ওভোতনি।—আষাঢ়, শ্ৰাৱণ, ভাদ্ৰ, আশ্বিন এই চাৰি মাহ আছিতে আমাৰ কটকী গোস্তা পালেহি। বাতুল বৰাএ জনালেহি। সিবাৰ বৰফুকনে নাও-ছনিখান নেদিলে। পুনৰ্ব্বাৰ বাতুল বৰা আহি বৰফুকনত জনালেহি, বোলে,—"আমাৰ দুই কটকীয়ে এইখান বুলিছে,—'বিজয়ৰাম নোপাইহি, আহিবৰ শুনা গৈছে। গোভাবো তিবীহে বজা হৈ আছে মুনিহটো নাই। নেলী, খলাবো দুই বজা নাই, সিহঁতৰ কোঞৰ আছে। নাও-ছনিখান দেখিলে বা আমাক বিদায় দিয়ে, শীঘ্ৰে দি আহক'।" পাচে বৰফুকনে নাও মানুহ দি বোলে,—"নাও নি জাগীতে থবি। তিনি বজাও, বিজয়ৰামো জয়ন্তাৰ পৰা আহিবৰ শুণৰ মানে তাতে থাকিবি, আহিলে আমাত কবিহি।" পুনৰ্ব্বাৰ বাতুল বৰাএ কলেহি,—"বিজয়ৰাম পাক পত্ৰ সহিতে আহি আমাৰ কটকী সহিতে নগাৱঁতে আছেহি, তিনি বজা এটাও অহা নাই, এই নিমিত্তেহে পলম হৈছে। পাচতে যেন জয়ন্তা বজাৰ বাচন এটা আহি বিদাই দিবহেন শুনা গৈছে। তিনি বজাৰ কোঞৰে, বাচনে আমাৰ হাতত দিয়েহঁতে চকীয়াল বৰুৱা যাব কি আমাৰো বৰা, ভূঞাহে যাব?" এনেকৈ বৰফুকনে জনালত ৺ বোলে,—"তিনি বজা আহি চকীয়াল বৰুৱাৰ হাতত নিদিয়ে মানে কটকী নানিব।" ১২৭॥

বিশ্বনাথত স্বৰ্গদেৱ কদ্ৰসিংহৰ যজ্ঞ।—কদ্ৰসিংহ ৺ৰাজা বিশ্বনাথত যজ্ঞো কৰিবলৈ আহিছিল। আঘণত গুৱাহাটীত মুৰকৈ নৰা কোঞৰ ফুকনক থলে। পানীফুকন, বৰগোহাঞি ফুকন, আনো বাজখোৱাবোৰ আছিল। পাচে তিনি বজা আহি চকীয়াল বৰুৱাৰ হাতত দিলে। মাঘৰ ১৩ দিন আছিতে বিজয়ৰাম সহিতে আমাৰ কটকী আহি জাগীত দশ দিন থাকি গুৱাহাটী পালেহি। মাধৱ কন্দলিয়ে খৰ চাওঁ বুলি বিজয়ৰামত জনাই ৺৺লৈ জনাবলৈ গ'ল। পাচে ৺৺ও যজ্ঞ সমাপ্ত কৰি গড়গ্ৰামলৈ গ'ল। বৰফুকনকো গুৱাহাটীলৈ বিদাই দিলে, মাধৱ কন্দলি লগতে আহিল। বৰফুকনৰ বাটত দিন সাতেক থাকি খবৰ সন্দেশ বুলি তাম্ৰোল-পাণ বিজয়ৰামৰ আগত ভগাই বোলে,—"এখন মই খবৰ পৰা আহিলোঁ।" ১২৮॥

দুৱৰা ৰৰফুকনে জয়ন্তা কটকী তোলে।—পাছে চ'তৰ ১২ দিন যাওঁতে শুক্ৰবাৰে কটকী তুলি মজুন্দাৰ ৰাজখোৱাৰ নিয়মে কেক, বোলোৱা ৰৰকাপৰ, কুহমবুলীয়া বচোৱান, বোলোৱা পাগুৰি এইৰূপে বঁটা এযোৰ দিলে। জয়, বিশাৰদ, কণ্ঠভূষণ, পীতাম্বৰ, বিদ্যাভূষণ এই পাঁচজ পাটৰ তুনি চেলেঙ পাগুৰিএৰে বঁটা পাঁচ যোৰ দিলে। তাৰ লগৰ মাধৱ কন্দলিকে, ৰামচৰণকে ৰৰকাপৰ পাট-তুনি, পাগুৰিয়েৰে দুই যোৰ দিলে। ৰৰফুকন, বাককিয়াল বৰগোহাঞি ফুকন দুজনা মাজৰ দুই খুটাত বহিছিল, আনো ফুকন, ৰাজখোৱা কালৰ ধাৰাপে বহিছিল। ৰৰফুকনে মাত লগালে,—“কিজয়ৰাম, তঞি যেখন আছ তেখন লাঙ্চা সুলতান ৰজা কুশলে আছে? ৰজা-ৰকক কুশলে আছে?” লি বোলে,—“স্বৰ্গদেও, কুশলে আছে।” “ভাল, লাঙ্চা সুলতান ৰাজা যে ৰজা-ৰকক সহিতে কুশলে থাকিব আমাৰ এইগোটয়ে ইছা।” পাচে মাধৱ কন্দলিএ পত্ৰ আনি এঠাইত আঠু পাৰি মজুন্দাৰৰ হাতত দিলে, মজুন্দাৰে বাটি শুনালে। ১২৯।

ৰৰফুকনলৈ জয়ন্তা ৰজাৰ পত্ৰ।—পত্ৰো এই,—

স্বস্তি, প্ৰচণ্ড-দোৰ্দ্দণ্ডাকুঞ্চিত-কোদণ্ড-নিক্ষিপ্ত-কাণ্ডৰৱখণ্ড-খণ্ডীকৃতাৰি-মুণ্ড-বিপক্ষপক্ষ-মত্তমাতঙ্গ-গ ণ্ড-গ ণ্ড শী ল ম্বা-খ ণ্ডীকৰণ-হৰিবিৰ-নিজ-ধৈৰ্য্য-মৰ্য্যাদাতিক্ৰ্যাবিৰক্ত-পা থি তা তি ম ণ্ড-বিত ৰ ণ-জ নি ত-যশঃ-সুদ্যোতীকৃত-সৰ্ব্ববিশ্ব-শ্ৰীশ্ৰীযুক্ত-লাঙ্চা সুলতান মহাৰাজা-ৰামসিংহ-প্ৰচণ্ডপ্ৰতাপানাম্। সকল-গুণ তা ৰ ন-পূ ৰ্ণ-পূ ৰ্ণ-প্ৰ ক-ৰাখিল-ধৰ্ম্ম-প্ৰতি পা ল ন পূ ৰ্ব্ব ক-পূ ৰ্ব্ব-ধ ৰ্ম্মা চ ৰ ণ-প্ৰ বা হী কৃ ত-হিমকুন্দেন্দু-পয়ঃ-পাৰাবাৰোদ্ভূত-ন স্মা ৰ-প্ৰ তি কা শ-য় শো ৰা জি-বিৰাজিত-শ্ৰীযুক্ত-ৰৰফুকন, শ্ৰীযুক্ত-অত্ৰ্যপুৰীয় ফুকন-পৰম-সুচাৰু-চৰিত্ৰেষু—

পত্ৰমিদং স্নেহপূৰ্ব্বক লেখনং কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল [illegible] সদা বাঞ্ছা কৰি। পৰং তোমাৰ লেখন পৌঁছিল, [illegible] পূৰ্ব্বক [illegible]। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] পৌঁছিল তুমি [illegible] দিছিলা [illegible] পৌঁছিল [illegible] [illegible]

উদয় গতি বৰ্ণ বিপৰ্য্যয় হৈছেও প্ৰীতিগোট হ্ৰাস নাইহেন হেন উভয়াম্বপক্ষে বোলা যায়। তাতে তুমি লিখিয়াছিলায় কটকীৰ বাবাএ নিৰ্ণয় নাহয়। এতে পূৰ্ব্বাপৰ কটকী ও পত্ৰানুৰূপে নিৰ্ণয় চলিয়া গৈছে। অতঃপৰ তোমাৰ মনে যেটো যাক দেখ তাক কৰিবাই। আমি পূৰ্ব্ব সম্বন্ধ-প্ৰীতি অনুক্ৰমে আছি। এতেকে তুমি আপুনি বিজ্ঞ, বিশেষ কি লেখিম। আৰ বাকী সমাচাৰ শ্ৰীবিজয়ৰাম কটকী প্ৰমুখ্যে জাত হৈবাই।

আৰ তোমাৰ অৰ্থে পত্ৰ-সন্দেশ,—ধাচা ১ খান, গাফা ১ খান, লোহা ৭ খান। ইতি, শক ১৬২৫, তাৰিখ ৮, আহিন মাস। ১৩০ ॥

বিজয়ৰাম কটকীৰ মুখবেৰান।—পত্ৰ শুনি বোলে,—“বিজয়ৰাম, ৰাজা পত্ৰত বিধান লেখিছে তাক কই শুনিলোঁ, বচনে তোতকৈ বিধান বুলিছে তাক তই কৱ।” সি বোলে,—“স্বৰ্গদেও, সম্বন্ধ-প্ৰীতিবিধান যি মহাৰাজা পত্ৰত লেখিছে সেইহে, বচনে আৰ কই কি কম?” পাচে বোলে,—“বিজয়ৰাম, ৰাজা যি সম্বন্ধ-প্ৰীতিবিধান লেখিছে, কিন্তু এই প্ৰীতিগোট আজিৰ নাহয়। পূৰ্ব্বাপৰ বিৰূপ বিচাৰ নিৰ্ণয় হন্তে নিঃসন্দেহৰূপে চলি গৈছে এখনো তাঞি যদি সেই পথে সাৱহিত হৈয়া ৰহিল তেবে সেই প্ৰীতিগোট কিসক নাচলিব?” বিজয়ৰামে বোলে,—“স্বৰ্গদেও, বিধান কৈছে ভালেহে বোলা গৈছে।” ফুল-চন্দন দি খানিক থাকি বোলে,—“বিজয়ৰাম, তোক যেখন বিদাই দিও পত্ৰৰ নিজাৰ্থ পাবি, এখন বহাত জিৰাহি থাকগৈ।” তুলিৰৰ পাচে আগীৰাম ৰৰাৰ হাতত বিজয়ৰামে এখনি লেখা দি বস্ত্ৰ-দ্ৰব্য গুহুতকৈ যি পঠালে আমাৰ কটকীএ দিয়া হেনকৈ। মহুন্নাৰত জনাই তবে মানুহে বৃন্দাবনৰ বজাৰত হাট বেহাই খাইছিল। তুলিৰৰ বিয়াচাৰেকৰ পাচত মাথ কম্বলিএ বৰফুকনৰ কথাত জনাই বিজয়ৰামক বোলে,—“আমাক আজি গড়গাঁৱৈ পঠাইছে ৰাজশ্ৰীৰ ঠাইত তোৰ কথা বাৰ্ত্তা জনাবলৈ।” ১৩১ ॥

জয়ন্তাত বসন্ত ৰোগ।—গড়গাঁও পাজত গৈ জয়ন্তাৰ অনেক লোক বসন্ত জনাই মৰিবৰ খবৰ শুনে তথা গল। গোভাৰ হুৰবীৰাত ৰাজাৰ বহু জনাই গা ঢাকিছে; কম্বলিয়ে জনালে। এই কথাতে ৰাজৰ কম্বলিৰ তিনি পাচ [illegible] ৰাখিছিল। পাচে বোলে,—“যদি তলত মৰে [illegible] কথা বিজয়ৰামক দিবাৰ।” পাচে জনিলে ৰাজাৰ বহু অসোৱা নাই। ১৩২ ॥

বিজয়ৰাম কটকীৰ গড়গাওঁ যাত্ৰা ।—পাচে ৺ বোলে,—"গুৱাহাটীলৈ মাথ কন্দলি তই যা, নিচয় বাৰ্ত্তা জানি বিজয়ৰামক তুলি আমাৰ ঠাইলৈ পঠাব ।" বৰফুকনেও জেঠৰ ৮ দিত ধাওতে সোমবাৰে দোপদৰলৈ আনি বোলে,—"বিজয়ৰাম, তোক আজি বিদাই দিলোঁ । তঞি গৈ ৰাজমন্ত্ৰী বৰগোহাঁই প্ৰমুখ্যে তিনিজনা ডাঙৰীয়াৰ ঠাইত সেৱা কৰিবি । যদি তোৰ ভাগ্য থাকে সেইবোৰৰ দ্বাৰাএ কিবা ৺দেৱতাকো সেৱা কৰিবলৈ পাবি ।" বিজয়ৰামে বোলে,—"হয় স্বৰ্গদেও, ভাগ্যং ফলতি সৰ্ব্বত্ৰ, ন বিদ্যা ন চ পৌৰুষং ॥ ভাগ্য থাকিলেসে পাই, ভাগ্য নথাকিলে কিয় পাম ?" খানিক থাকি বোলে,—"বিজয়ৰাম, এখান বহাত জিৰাই থাকগৈ, আন দিন গড়গ্ৰামলৈ যাবি ।" পাচে চাৰি দিন থাকি শুক্ৰবাৰে লোহিত্যে উজাই গড়গ্ৰামক নিলে । পাচে গড়গ্ৰামৰ পৰা ৺৺তাৰ ঠাইতো তিনিজনা ডাঙৰীয়াও ধাৰণপূৰ্ব্বকে তুলি পত্ৰ-সন্দেশ দি গুৱাহাটীলৈ পঠাই দিলে । এতেকে ফুকনকো ৺তা মতাই পঠালে । এই কাৰণে পালতহি তিনি দিন থাকি দেওবাৰে পঠাই দিলে । শক ১৬২৬, তাৰিখ ২২, ফাগুন মাসত শুক্ৰবাৰে । ১৩৩ ॥

বিজয়ৰাম কটকীৰ ওভোতনি ।—দপদৰত আনি ফুকনে বোলে,—"বিজয়ৰাম, ৺৺তাও তোক বিদাই দিলে । ৰাজমন্ত্ৰী প্ৰমুখ্যে তিনিজনা ডাঙৰীয়াৰ ঠাইতো তোৰ বিদাই হ'ল । আজি মঞো বিদাই দিলোঁ । শাণ্ডা সুলতান ৰাজা প্ৰীতিত থাকি পত্ৰতে যিখান লেখিছিল তাৰ সিদ্ধান্ত পত্ৰতে পাব । বচনেও তঞি এইখান কবি,—'৺ৰে শাণ্ডা সুলতানৰে যি পূৰ্ব্বহন্তে অভেদ প্ৰীতিগোট চলি গৈছে আমাৰ দেৱতা সেই অভেদ সম্বন্ধত ৰহিছে । এই প্ৰীতিগোট স্থিত হন্তে দিনে দিনে অধিকাধিক বৃদ্ধিক পাই তাঞি সেইখান কৰিব' ।" খানিক থাকি ফুল-চন্দন দি বোলে,—"বিজয়ৰাম, এখন বহাত জিৰাই থাকগৈ, আনদিন আপোনাৰ দেশক যাবি ।" ১৩৪ ॥

অসমত্তা ৰজালৈ পাত্ৰ-বৰফুকনৰ পত্ৰ ।—পত্ৰ এইখান,—

স্বস্তি প্ৰচণ্ড-কোদণ্ড-কাণ্ড-খণ্ডিত-ভুজদণ্ড-দণ্ডিত-দুৰ্জ্জনগণ-নিদেশনম্ৰ-শ্ৰৱণ-প্ৰণতমস্তক-সামন্ত-সুৰাষ্ট্ৰ-বৰুণ দ ক-নি জ ক ন-শ্ৰী বো দ খি জ-

চন্দ্ৰ-গঙ্গাজল-সমুজ্জ্বল-যশোমণ্ডল-শ্ৰেষ্ঠদেৱ-প দা ৰ বি ন্দ-ব ন্দ না ন ন্দ-জয়ন্তীপুৰ-পুৰন্দৰ-শ্ৰীশ্ৰীযুত-লাগ্চা সুলতান মহাৰাজ-ৰামসিংহ-প্ৰচণ্ডপ্ৰতাপেষু—

সৌহাৰ্দ্দপূৰ্ব্বক-লেখনং প্ৰয়োজনঞ্চ। এথা আমাৰ কুশল, তোমাৰ কুশলোন্নতি সদা চাহি। পৰং তোমাৰ পত্ৰ আসিল, সকলে বৃত্তান্ত প্ৰীতিপূৰ্ব্বকে জ্ঞাত হৈলোঁ। বিশেষ তোমাৰ আমাৰ অভেদ প্ৰীতিগোট তপন, লোহিত্য, দ্ৰোণ এসম্বাৰ উদয় গতি বৰ্ণ বিপৰীত হৈলেও হ্ৰাস নাহৈবাৰ উভয়ানুপক্ষে বোলা যাই হেন যি লিখিছা এই নিবন্ধগোট পূৰ্ব্বতে যিহেতু কৰা গৈছে এতেকে অদ্যাপিও আমি সেই নিবন্ধ-প্ৰীতিতে ৰহিছি। আপুনিও যে তাতে ৰহিবা আমাৰো এইগোটহে অভিমত। আৰ কটকী পত্ৰানুৰূপে নিৰ্ণয় চলি গৈছে হেন যি লিখিছা কটকী পত্ৰৰ দ্বাৰা হয়। কিন্তু অধিকাৰীএ যিৰূপে নিৰ্ণয় কৰি লেখে তদনুসাৰেসে কটকী পত্ৰৰ দ্বাৰাএ পূৰ্ব্বেও নিৰ্ণয়গোট চলি গৈছে। আজ্ঞানুসাৰে কটকীএ চলে মাত্ৰকে, অধিকাৰীৰ নিৰ্ণয় ব্যেতিৰেকে কটকীত হস্তে নিৰ্ণয় হই কি নাহই ইহাক তুমি আপুনে জানা। অতঃপৰ তুমি পূৰ্ব্বপ্ৰীতি সম্বন্ধানুক্ৰমে আছিবাৰথান যি লিখিছা যদি সেই সম্বন্ধ-প্ৰীতিতে ৰহিছা তবে পূৰ্ব্বাপৰ অবিৰোধৰূপে সম্বন্ধগোট যিহত হস্তে চলিছে এখনো তাক আমাৰ উকীলৰ আগে দৰশণ কৰায়া লেখিবা। আৰ অধিক কি লেখিম, তুমি আপুনি জ্ঞাতা। আৰ বাকী সমাচাৰ শ্ৰীমাধৱ কন্দলি ও শ্ৰীৰামচৰণৰ মুখে জ্ঞাত হৈবা।

আৰ তোমাৰ অৰ্থে সন্দেশ,—ঢৰা ২ খান, দান্তৰ চৰালগা কটাৰী ৫ খান, শিঙৰ চৰালগা ৫ খান, উকা ১০ খান, গাহ্ন ২ টা, মৰিচ ২ টোপোলা। ইতি, শক ১৬২৬, তাৰিখ ২৩, ফাগুন মাস। গন্তৰ পোনে অন্ন নামকৈ কোথত লেখা গৈছিল—শ্ৰীযুত বৰফুকন গোহাঞি মহাশয়ানাং, শ্ৰীযুত বৰগোহাঞি ফুকন মহাশয়ানাং। ৬ৰ ঠাইৰো তিনিজনা গোহাঞিৰো পত্ৰতো এই ক্ৰমে, বচনেও একে ধাৰাণে। তুমি বিদায় দিলে। বিজয়ৰামেও একো বড়া বচন বোলা নাই, আয়াৰো একো বোলা নাই। ফুকনে যেহৰূপে আমাৰ দুই কটকীক মাৰাণীৰূপ

১২ টকাও, কটাৰী ৪ খানে দিলে। আন বিলৰ খাৰাপে দুই কটকীক বিদেশলৈ বাওঁতে দুই যোৰ কাপৰ দিব লাগে। পাটৰ ভুনিও, আচুৰুলীয়া বৰ্‌কাপৰে, পাগুৰিও দিলে। মিয়াৰ যে বচোৱালহে পাই। শক ১৬২৯, আহিনৰ ৫ দিন বাওঁতে গ'ল। ১৩৫।

আহোমৰ কটকী আৰু বৈৰাগী জয়ন্তাত আটক।—আমাৰ কটকী বিলম্বৰ কাৰণে, বৈৰাগী ৰাখিবৰ কাৰণে আগেও দুই তিনিবাৰ বোলন দিলতো নপঠালে। পাচে মহাৰাজা খঙ কৰি ৰাম হাজৰিকীয়াক, পীতাম্বৰ কটকীকে পঠাই দিলে। গুমুতে গোভা, নেলী, খলাৰ তিনি ৰজাত ৰৰকুকনে বোলাৰূপে এইখান বুলিব দিলে,—"সৰ্ব্বকালে ৮ৰে লাগা সুলতানৰে পূৰ্ব্ব নিবন্ধ-প্ৰীতিগোট চলি গৈছে। সেই নিবন্ধ সম্বন্ধ-প্ৰীতিতে থাকি উভয়ানুকূলে উকীল-পত্ৰ গতাগত কৰিছে। তাক্ৰিৰ পথে যাত্ৰী বৈৰাগী আয়াযাত কৰে, আমাৰো হাট-আবেঙ্গ চলিছে। এখন দেখোঁ উকীলকো ধাৰণ ছাৰি বহুত দিন ৰাখি থই, নপঠাই? যাত্ৰী বৈৰাগীকো সিঠাইতে ৰাখি থই, অহা যোৱা কৰিব নাপাই? এনে বিধাৰণে কৰিব লাগিলে পূৰ্ব্ব নিবন্ধ ছাৰি, আমাৰলো হাট-আবেঙ্গ কি কাৰণে থাকিব লাগিছে? এখন মা-মুৱৈ দুৰবীয়া হঁইকি আছক। এই কথা কৈ দহ দিনলৈ বাট চাই উকীলক যদি ধাৰণৰূপে বিদাই দিওঁতে দুই চাৰি দিন বিলম্ব হয় তথাপি আমাৰ যাত্ৰী বৈৰাগী শীঘ্ৰে আনি দিয়ক। যিকেইদিন বাট চাব দিয়া গৈছে সেইকেইদিন মা-মুৱৈ হোঁহোকাই নানিব। কিনা-বিকাও নিয়মৰূপেহে কৰি দিব, বঢ়াকৈ কৰিব নিদিব।" এইৰূপে বুলিলত নহকৰে, তিনি ৰজাও বোলে,—"আমাৰ ৰাজাৰে ৮ৰে অভেদ প্ৰীতিগোট সকলদিনে চলি গৈছে। কটকী বৰাগী পলম হবৰ কাৰণে প্ৰীতিগোট ভাগিল নিকি? ৰাজাও নগৰত নাইকিছিল এতেকেহে পলম হৈছিল। এতিয়াও দশ দিনত বৈৰাগী আনিবলৈ যি বুলিছা, ৰাজা আছেগৈ চিলহটত, মানুহ গৈ জনালে যিখান বোলে পাচতহে জনাব পাৰোঁ। কিন্তু এই দিন-সংখ্যাতে মানুহ নপাৱহি।" পাচে কটকী হাজৰিকীয়াও বোলে,—"আমি যি কথাবাৰ্ত্তা আথাৰ কৰোঁ তাৰ সিদ্ধান্ত একো নপালোঁ, বৈৰাগীকো আমি নিদিলে। এতেকে আমি যাওঁ।" নয়ৰে বোলে,—"আমাৰ মানুহ যি গৈছে সি মানুহ নোপাইহি, এতিয়া মই কি বুলিম?" পাচে আৰু মা-মুৱৈ সহিতে

জাগীলৈ তন্নাই আহিলত. চকীয়ালৰ বৰা মাধৱচৰণে বোলে,—“ ৰবকুকনৰ কথা ক'লত যে ৰন্ধাও টান হ'ব, অনেক দিনৰ প্ৰীতিগোট যাব পৰা জানো আৰু ৰক্ষা কৰাৰে জানে।” নৰৰৰ মাহুৰে বোলে,—“ তইঁত মাথাৰি, মা-মুইবেকো মাৰিবি, ৰাবে দিনৰ মূৰত, বা-বৈৰাগীকো আনি দিয়।” চকীয়াল বৰাও বোলে,— “আহিবৰ বোৰ দিন হ'ল, অথনি নৰবে দেখোঁ আগতে আছিল এনে কথা শুনিলে? তোৰ কথাৰে বৰ পাৰোঁনেকি? তেওঁ যে কৈছ আমিও জাগীত থাকোঁগৈ।” পাচে নৰবে তাৰ বৰাইৰ ভনাই গ'ল। বৰাগী নগঠাবৰ কাষলৈ দুৱাৰ-বাৰো মৰিল। এই কথা শুনি নিশেষ বৰাগীক পঠাই দিলে। ১৩৬।

কছাৰী ৰজা তাম্ৰধ্বজনাৰায়ণ জয়ন্তাত বন্দী।—পাচে বৰাগী আহি কছাৰী ৰজাৰ নিবেদন, জয়ন্তী ৰজাৰ গৰ্ব্ব বচন নিশেষকে আমাৰ বৰ ও জনালে। পাচে ৮৮ পীতাম্বৰে, ৰাম হাজৰিকীয়াকে পঠাই দিলে, বোলে,— “ তইঁতে নৰবত কৰি,—‘ কছাৰী ৰাজ আমি মাৰিছোঁ। আমাৰ ভয়ত ৰজা পলাই খাসপুৰত আছিল। তাৰ পৰা তাক ধৰি নিছে। এখন প্ৰীতিত থাকি ছাৰি দিয়োক। যদি নিদিয়ে এই প্ৰীতিগোট যাব পৰা তাকে, গো-ব্ৰাহ্মণ মাৰ যাই ই দোষ আমাক নাপাই’।” নৰবে বোলে,—“ খাসপুৰৰ পৰা ধৰি আনিছোঁ, তুমি কেমনে পাবি? আমি তইঁতত কোনো বস্তু খুজিব দিবি নিকি? কোনোজনে খৰি লোবোঁতে মউ পালে তাক নিকি আনক দিএ?” ১৩৭।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে তাম্ৰধ্বজৰ বিপৰ্য্যয় শুনে।—১৬২৯ শকত আহিনৰ ১৮ দিন যাওঁতে ৰঙপুৰ নগৰক ইটাৰ গড়ত উঠি বাম্যক অনেক বটা-প্ৰসাদ দিলে। সেই সময়ত তুৰি-ফকুৰিৰ কছাৰী কুকিচাৰেক নাম মাহুত আহিল। তাকে সোধালে বোলে,—“ তোৰ ৰজা পলাই কলৈ গ'ল?” সিঁহতে বোলে,—“ স্বৰ্গমহাৰাজাৰ ভয়ে খাসপুৰলৈ গ'ল। তাৰ পৰা জয়ন্তা ৰাজা নিলে কওঁ শুনি, ৰবকোঁৱৰক পঠাই মাতি পঠালে ‘ আমি মাতিছোঁ, তোক কালি আনিব আমাক। যদি আমি অকেলা হলেঁ সকলো এৰাই উঠিব পাৰোঁ। তইঁতে ভনাইৰে সৈতে ৰবমৰণে পৰা কছাৰীকে যাব। আমি এক বুদ্ধি কৰে তাকো পাব।’ ৰবকোঁৱৰে অনেকমতে শপত কৰিলে। তাম্ৰধ্বজনাৰায়ণে তাতে সন্মত হ'ল, বোলে,—‘ আজা কালক দি ৰজা আছিল

সেইহে বান্ধৱ । যদি প্ৰীতি কৰিব ৰামসিংহ ৰাজাও এই ঠাইকে আহক ।' এই বুলি কোঁৱৰক বিদাই দিলে । পাচে সি ৰজাত কলেগৈ । ৰাজা বোলে,—'কছাৰী ৰজাক ধৰি আনিব লাগে ।' পাচে তাৰ বৰা-বৰুকে বোলে,—'স্বৰ্গৰাজা তাৰ ৰাজ্য মাৰি খেদিছে, তাক আমি ধৰিবলৈ ভাল নহয় ।' অনেক বুজালে তেও কাৰো কথা নললৈ হাজাৰচাৰেক মানুহ লৈ খাসপুৰলৈকে আহিল । তাম্ৰধ্বজনাৰায়ণক অলপ মানুহেৰে আছিবৰ দেখি বেঢ়ি ধৰি নি সপুত্ৰা-বান্ধৱকে জয়ন্তীপুৰত বন্দী কৰি থলেনি ।" ১৩৮ ॥

জয়ন্তা ৰজা ৰামসিংহৰ গৰ্ব্ববচন ।—সেই সময়ত আমাৰ বৰাগী জয়ন্তীপুৰতে আছিল । সিহঁতক মতাই নি ৰামসিংহ ৰজাই এইখানি বুলিলে,—"তোৰ স্বৰ্গৰজাক যে ডাঙৰ বুলি ক', বৰফুকনক যে ডাঙৰ বুলি ক', কছাৰী ৰজাক কিয় ধৰিব নোৱাৰিলে ? আমাৰ তামচা দেখক, সপুত্ৰা-বান্ধৱকে কছাৰী ৰজাক ধৰি আনিছোঁ ।" এই বুলি আমাৰ বৰাগীৰ ওচৰতে বন্দী কৰি থলে । ১৩৯ ॥

কছাৰী ৰজা স্বৰ্গদেৱৰ সহায় প্ৰাৰ্থী ।—পাচে স্বৰ্গমহাৰাজাৰ বৰাগী হেন জানি বৰচেটিয়াৰ পুতেকক পঠাই এইখান বুলিব দিলে,—"পূৰ্ব্বৰো স্বৰ্গৰজাৰ থাপিত-সাস্থিত বুলি শুনা গৈছে, এখনো তেওঁৰ সেৱা পাসৰিলোঁ নিমিত্তে আমাৰ এনে অৱস্থা হুইছে । ইয়াৰ পৰা মুক্ত কৰোঁতা স্বৰ্গৰাজাহে ।" এই বুলি টাৰ এক যোৰ, উণ্টি এক যোৰ বৰাগীৰ হাতত দি শৰ্ণাপন্ন হুই আহিল । আৰু বুলিলে,—"আমাক ৰাখিবৰ নিমিত্তে যদি ৰবৰুক্মাক পঠাই আমাৰো লোকসকলক লগ ধৰিব দিম ।" পাচে বৰাগীএ বোলে,—"যেখন বিদাই পাওঁ আমি ইকথা জনোৱা যাব ।" ১৪০ ॥

স্বৰ্গদেৱে কছাৰী ৰজাক খোজে ।—পাচে বামুণ দলৈৰ মুখে আমাৰ ৰজা শুনিলে । ৰজা বোলে,—"কছাৰী ৰাজ আমি মাৰিছোঁ, জয়ন্তীয়ালে কিয় ধৰিব ?" এই বুলি ভকতধূলি বৰাগী, অৰ্জ্জুন বৰাগীকে পাঁচি দিলে, বোলে,—"তইঁতে ৰবফুকনে বোলা ভাএ এইখান বুলিবি,—'জয়ন্তী গড়গাওঁ দুই নাহয়, পত্ৰতো একেকৈ লিখা যাই । তেওঁৰ শত্ৰু আমাৰ শত্ৰু, আমাৰ শত্ৰু তেওঁৰ । কছাৰী ৰজাক ধৰি নিবৰ শুনিছোঁ । প্ৰীতিপথত যদি বৈৰ নপৰিব দি আহোক'।" এই বুলি লিখা এখনি দিলে । ১৪ ॥

কছাৰী ৰজাক এৰি দিবলৈ ৰামসিংহ অৰাজী।—পাচে এই কথা জয়ন্তা ৰজা শুনি বোলে,—"তোৰ বৰফুকন কোন মানুহ সি, যে আমালৈ পত্ৰ দি আছে ?" এই বুলি দুই বৰাগীক কাটিব দিলে। পাচে তাৰ বৰকোঁৱৰে অনেকৰূপে মাতিহে ৰাখিলে। নাক কাটি লোৰা লগাই থলে। বৰফুকনেও চকীয়ালৰ মুখে অনেক বোলাই মতাই চাপত দুই বৰাগীক এৰি দিলে, তেও ৰজাক নিদিলে। ১৪২ ॥

স্বৰ্গদেৱৰ কছাৰী উদ্ধাৰৰ প্ৰস্তাৱ।—এই কথা বৰফুকনে ৰজালৈ জনাই পঠালে। ৰজা শুনি তিনিজনা ডাঙৰীয়াক মতাই আনি ৰহমেল কৰিলে, বোলে,—" আকবেলি বানবাৰিষা হ'ল দেখি সকলবো মুগুডিৰে ৰাজ্যক উলটি আহিব দিলোঁ। কছাৰী ৰজাটিকো জয়ন্তীয়ালে ধৰি নিছেহেন শুনা গৈছে, তাক বিচাৰপৰ কৰিবলৈ ভাল হয় কি নহয় ?" পাচে ডাঙৰীয়াসকলে বোলে,—" কছাৰী ৰাজ্য আমি মাৰিছোঁ, সি কিয় ধৰি নিব ? দেৱে বিচাৰ কৰিবলৈ যাক হয় বুলি দিয়ক।" পাচে বৰুৱা, ফুকন সকলৰে এই যুক্তি হ'ল। ১৪৩ ॥

দেওধাইমতে শুভযাত্ৰা।—পাচে ৰজা গণক-দলৈ বোৰত যাত্ৰাৰ দিন-বাৰ সুধিলে। সিহঁতে শুক্ৰান্ত বুলি নিষেধ কৰিলে। পাচে ৰজা ৰঙ্গ কৰিলে। দেওধাই নিতালৰ দুই পুতেকক সুধিলে,—" কছাৰী ৰাজলৈ মানুহ পঠাব খুজিছোঁ, তাৰ ৰজাক পাম নে নেপাম ?" পাচে সিহঁতে কুকুৰাঠেং চাই বোলে,—" তাক যি পোৱা যাব তাৰ লগতে আনকো পাব।" এই কথা শুনি ৰজা ৰঙ্গ কৰিলে। হিন্দুৰ মতে যি যি নিষেধ দেওধাএ তাতে যাত্ৰা দিলে। ১৪৪ ॥

ভেমেৰাৰ ঘাটে সন্দিকৈ বৰবৰুৱা।—আষাঢ়ৰ চাৰি দিন আছোঁতে শুক্ৰবাৰে পূৰ্ণিমা তিথিত ৰঙ্গপুৰ নগৰৰ পৰা ৰজা উঠিয়ালে। পুহৰ পাক দিন যাওঁতে শনিবাৰে নৱমী তিথিৰ দিনা দজাৰ পৰা ভেমেৰাৰ ঘাটে গড়গঞা সন্দিকৈ বৰফুকনৰ পুতেক বৰুৱাক পাতি দিলে কছাৰী যাবিবলৈ। তেওঁৰ লগত দুৱৰা তিতকৰাল ফুকন, কলীয়াবৰীয়া ফুকন, বঢ়া বাঙ্গখোৱা, পানীজনাপুৰীয়া, শকুৰা লগুৱীয়া এইসকলৰ দুৱৰীয়া ফুকন, দুৱৰীয়া

[illegible], নগাবুলা [illegible] বৰুৱা, [illegible] বাহিৰেক, [illegible] বৰুৱা; সেইবাই [illegible] মাহিএক [illegible], [illegible] [illegible]। [illegible] পূৰ্ব্বতে বঁটা [illegible] দিলে। [illegible] দিলে মানুহ [illegible] চাবি হাজাৰ। বুঢ়াগোহাঁইক ডেমেৰাত থাকি চাউল খেৰিবলৈ দিলে। [illegible] ৫২৬; [illegible] ৫০ টা [illegible] দিলে। পাচে বৰুৱা আগৰ নিয়মতকৈ বাঢ়ি কৌঠ দি মহৰ পালেগৈ। ১৪৫ ॥

গোভাৰ ঘাটে পাত্ৰ-বৰফুকন।—পাচে [illegible] [illegible] যাওঁতে [illegible] [illegible] বৰুৱাহঁতৰ পৰা গোভাৰ ঘাটে পাত্ৰ-বৰফুকনক থাকি দিলে। তেওঁৰ লগতে বুঢ়াগোহাঁই; [illegible], [illegible] দিহিঙ্গীয়া, [illegible], [illegible]; [illegible] এই ছয় বাজখোৱা। [illegible] [illegible] বাজখোৱা সকলো গোভাত থাকি [illegible] [illegible] চাউল [illegible] দিলে। [illegible] পুত্ৰেক [illegible], [illegible] পুত্ৰক ছুই [illegible] দিলে। [illegible] অনুখ্যে [illegible] বৰাৰো দিলে। মিৰি ৮০, [illegible] ৩০০ দিলে। পূৰ্ব্বতে বঁটা অলঙ্কাৰ দি ফুকনক বিদাই দিলে, লগত মানুহ দিলে ছকুৰি তিনি হাজাৰ। পাচে ফুকনে গোভাত ব'লগৈ। তাতে গোভা বজা, খলা বজা, নগঞা বজা তিনিও বৰিল। নেলীৰ বজাই তাৰ লম্বৰো [illegible]। ১৪৬ ॥

[illegible] [illegible] কছাৰীক অভয়দান।—পুনৰ বৰুৱাৰ [illegible] কথা।—তাৰ পৰা [illegible] পালেগৈ। তাৰ পৰা বাট কাটিবলৈ মানুহ পঠালে। তাত কছাৰীৰ মানুহ গোটাচাৰিয়েক শিলত উঠি আছিল। তাক দেখি হাবকিনাৰ বলো হাজৰিকীয়াই হাতীএৰে কছাৰী পালেহি বুলি [illegible] মানুহক [illegible] খুৰোলে। পাচে তাৰ নেওগে, জিগিৰা কাঁড়ীৰ লগুৰা ১টা ছএ [illegible] শৰণ দি বান্ধক বাখিলে। এই কথা বৰুৱাই বজালৈ জনালে মনমথ [illegible]। পাচে তাক ভাজি লোৱা লগাই আনিব দিলে।

তাত-কছাৰী ওটা মানুহ পাই বৰুৱাত [illegible]। তাত সোধালে বোলে,—"ই কাৰ মানুহ, কিয় ফুৰে?" সিহঁতে বোলে,—"আমি [illegible] কছাৰী, [illegible] [illegible] বিচাৰি ফুৰো।" পাচে বঁটা-বাহন দি খুৱাই-লুৱাই [illegible], বোলে,—"তোৰ তাল মানুহ কোন আছে? তহঁতে যা আনি দিব পাৰ

নোৱাৰ ?" সি বোলে,—"[illegible] [illegible] [illegible] আনি দিব পাৰো।" বৰুৱা বোলে,—"[illegible] [illegible] [illegible] [illegible] মাৰিব পাৰিব ?" এই বুলি [illegible] নিয়াই দিলে । ১৪৭ ॥

বিক্রমপুৰত কছাৰীক অভয়দান ।—পাচে আৰবিলা [illegible] [illegible] খুমডাঙ ১টা, নঙ্কৰ ১টা, মহাদেৱীৰ ভঁৰাৰী ১টা, অৰ্জুন লিগিৰা ১টা, আদতো ৩০ মান মানুহ, হাতী ২টা । পাচে সিহঁতক খুৱাই-বুৱাই ঘাঁটা-বাহন দি বিদায় দিলে । সিহঁতে বোলে,—"ইয়াতে হাতী কিছু আছে ।" বৰুৱা বোলে,—"তাক পাব, তহঁতৰ মানুহৰ্থনি মাত্র ৰখাই দে ।" সিহঁতে বোলে,—"খাসপুৰীয়া, কমলাবৰীয়া যি লোকজন আছে বিক্রমপুৰত [illegible] [illegible] দি ।" পাচে সিহঁতৰ [illegible] [illegible] মানুহ [illegible] [illegible] দিলে, বোলে,—"সকলে বিক্রমপুৰলৈকে যাব ।" পাচে তাৰ পৰা [illegible] গ'ল । তাৰ পৰা চামতলালৈ গ'ল । তাৰ পৰা বিক্রমপুৰলৈ গ'ল । তাতে হৰি বৰুৱা প্রমুখ্যে কছাৰী মানুহ সকলো লগ লগে । বৰুৱাও সিহঁতক [illegible] দি ভাল ভাল মানুহক ঘাঁটা-বাহন দিলে । [illegible] [illegible] নুবাপুৰা কৰিবলৈ আমাৰ মানুহক নিষেধ কৰিলে । "আৰ চকী এখনি কালিন্দীপুৰত কৰিছিলেক মানুহেৰে দিছে । সেও মানুহ কিছো দিয়ক, আমি এবি দিওঁ । ভাত পাতিলে তলাৰ নোৱাৰি ।" পাচে বৰুৱা সিহঁতৰ লগত হাজাৰচাৰিএক মানুহ দি চকীয়ালখনি খেদালে । আৰ ভাল মানুহ তিনি ভুৱৰীয়াকো পালে, নাও এখান ভলীয়াই তাজিলে, মানুহো কিছু মৰিল । ১৪৮ ॥

[illegible] বৰবৰুৱাৰ পত্র ।—[illegible] [illegible] [illegible], তাৰ পৰা মূলা[illegible] গ'ল । তাকে পৰা [illegible] [illegible] [illegible] [illegible] দিলে, বোলে,—"তঁএ এইখান কৰি, যদি [illegible] [illegible] [illegible] দি [illegible] আমি এই ঠাইতে ৰয় । যদি নেদিএ [illegible], [illegible] [illegible] ।" ১৪৯ ॥

শ্রীহট্টৰ নবাবলৈ বৰবৰুৱাৰ নিসংশয় পত্র ।—[illegible] [illegible] ঠাইলৈ [illegible] [illegible] [illegible], [illegible], [illegible],—"[illegible] [illegible] কৰি নবাবত, সিবোৰৰে আমাৰে প্রীতিও হইছে, [illegible] [illegible] [illegible] । [illegible] [illegible] [illegible] কৰিব । [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] ।" ১৫০ ॥

[1]বৰফুকনৰ জয়ন্তা আক্ৰমণ।—ফুকনৰ দিহিৰ কথা।—গোহাঁৰ পথা বাট কাটি যাওঁতে পাৰোঁএ তিনি আলি হৈ ফুকলি যাবি কঁড়ালে। আমাৰ কাঁড় গুলী মাৰিলত ভাগিল। পাচে বৰফুকন গৈ আমচেঙত ৰহিল। আমচেঙা পাওঁ পুৰিলে। মাজআমৰি পাওঁ ৰবিল। আৰে দলৈ এটা, মাৰী ছুটা লগত নিলে। আতে বৰফুকন আগী নৌপাওঁতে মুলুচন্দৰ পাটেঁ লকৰে যায লেওতক পঠাই বোলে,—"সিবোৰৰ কটকীকো অন্তে বিদাই দিব। তাৰী-বেপাৰী যতাইছে, সিবোৰৰ কি বাৰ্ত্তা পাইছে তাকো কৈ পঠাব।" চন্দ্ৰীৰাম বৰুৱাও ঠাঠ সমন্নিতে বৰফুকন যাবৰ জানি তাক ৰাখি থৈছিল। পাচে বৰফুকনে লেওততকৈ কাকত দি পঠালে। ১৫১ ॥

জয়ন্তা ৰজালৈ বৰফুকনৰ পত্ৰ।—ৰজালৈ দিয়া লেখা এই,—

স্বস্তি সকল-কলাপালিলিঙ্গিত-কলেৱৰ-নিজ-গুণৈকধাম-শ্ৰীযুত-লাণ্ডা সুলতান মহাৰাজ-ৰামসিংহ-সদাশয়েষু—

প্ৰীতিপূৰ্ব্বক-লেখনং প্ৰয়োজনঞ্চ। এথা কুশল, তোমাৰ কুশল সততে চাহি। পৰং সমাচাৰ এহি,—পূৰ্ব্বাৱধি ৮৮ৰে লাণ্ডা সুলতান ৰজাৰে অভেদ প্ৰীতি-সম্বন্ধ চলি গৈছে। আমিও সেই অভেদ প্ৰীতিতে ৰহি তাঞ্জিৰ লোক .হন জানি তিনিখান দাণ্ডিক উজাৰ কৰা নগৈছে। কছাৰী ৰজাকো যে তাঞ্জি ৰাখিছে মিত্ৰ শত্ৰু হৈলে তাঞ্জিৰো শত্ৰু, এতেকে ৰাখি থৰ পাই। কিন্তু এখন মাত্ৰ তাঞ্জি শীঘ্ৰে ছাৰি দিয়োক। যদি নিদিয়ে গো-ব্ৰাহ্মণৰ বধেও, এনে প্ৰীতি-ভঙ্গ দোষেও তাঞ্জিক পাব। এই দোষৰ আমি ৰাজ। আমাৰ দ্ৰোহী যাহা যাই তাহাক খেদিম। আৰ অধিক কি লেখিম, আপুনি বিজ্ঞ। বাকী সমাচাৰ সিহঁতৰ মুখে জ্ঞাত হৈবা।

তোমাৰ নিমিত্তে,—সৰ্ব্বাঙ্গ পাঙ্ক ১টা, কটাৰী ৪খন। ইতি, শক ১৬২১, মাস পৌষ। ১৫২ ॥

জয়ন্তাৰ ৰজা.কোঁৱৰলৈ বৰফুকনৰ ভেদপত্ৰ।—ৰজকোঁৱৰলৈ ভেদ কৰি দিয়া পত্ৰ এইখান,—

শ্ৰীৰজকোঁৱৰ প্ৰতি লেখনম্। তঞ্জি যি কবুল কৰি লেখা দি পঠাইছিলি আমিও কছাৰী ৰজাক বিচাৰিবৰ কাৰণে আমচেঙ পাইছোঁহি, তাৰ

প্ৰমাণ দেখোঁ একো নহইছে? বিখান হই বহতে শীঘ্ৰে জনাই পঠাবি।

ৰবকোঞৱৰৈ কটাৰী ২ খন। সিহঁতক কোঁ ১, ৰৱকাপৰ, পাগুৰি, ৰূপৰ কেক এৱেৰে বঁটা দি পঠালে। শনিবাৰে বিদাই দিলে, দেওবাৰে আমচেঙ্গাৰে কোঁঠৰ পৰা গৈ ৰৱপানীৰ কোঁঠ পালতগৈ। ১৫৩ ॥

স্বৰ্গদেৱলৈ জয়ন্তা ৰজাৰ পত্ৰ।—জয়ন্তা ৰাজাএ দিয়া এই পত্ৰ,—

স্বস্তি পূৰ্ব্ব-পূৰ্ব্ব-পুৰুষাখিল-ধৰ্ম্ম-প্ৰতিপালক-পূৰ্ব্ব-ধৰ্ম্মাচৰণ-প্ৰকাশীকৃত-হিমকুন্দেন্দু-পয়ঃ-পাৰাবাৰামৃতষন ৰ সা-প্ৰ তি প্ৰ কা শ-য শো ৰা শি-বিৰাজিত-সৌমাৰেশ্বৰ-শ্ৰীশ্ৰীযুত স্বৰ্গনাৰায়ণদেৱ-মহামহোগ্ৰ-প্ৰতাপেষু—

সৌহাৰ্দ্দ-পৰম-প্ৰীতিপূৰ্ব্বক-লেখনং প্ৰয়োজনঞ্চ। এথা আমাৰ কুশল, তোমাৰ কুশল-মঙ্গল সৰ্ব্বদা বাঞ্ছা কৰি। পৰং সমাচাৰ এহি,—এতদিন জানিছিলাম গড়গাঁও জয়ন্তী দুই নাহয়, পূৰ্ব্বাৱধি সত্য নিৱন্ধতে অভেদ প্ৰীতি-সম্বন্ধ চলি গৈছে। পূৰ্ব্ব ছাৰি সূৰ্য্য পশ্চিমে উদয় হৈব, ভাটীৰ লোহিত্য উজানে চলিব, তথাপি প্ৰীতিপোট হ্ৰাস নহৈব। তবে যে প্ৰীতি হ্ৰাস হই ই কোন উচিত? পৰং সমাচাৰ এহি,—তুমি মঙ্গল কাৰ্য্যৰ নিমিত্তে কটকী পঠাইছিলাই। আমি মঙ্গল কাৰ্য্য দৰ্শন কৰায়া তোমাৰ কটকী ও আমাৰ কটকী বিদাই কৰিছি। অৰ্জ্জুন, তকতপুলিতে যে বুলিছিলা ও তোমাৰ শত্ৰু পাইলে বাখিবাৰ কাৰণে তাৰ ৰাজ্য মাৰিয়া কছাৰী ৰজাক বন্দী কৰি ৰাখিছিল। তাতে লেখিছা কছাৰী ৰজা তোমাৰ দিবাৰ, এতেকে আমাৰ মহত্তৰ ভাৱন কৰণটা উচিত। তাতে তুমি আমাৰ ৰাজ্য মাৰিয়া আসিতেছ। এতেকালৰ সত্য নিৱন্ধ তুমি ভাঙ্গিলাই এই অধৰ্ম্ম আমাত নেলাগে। যদি তাক পাইবাৰ চাই কটকী আসিতে সন্তুষ্ট হই তাবে কৰিম।

তোমাৰ নিমিত্তে সন্দেশ,—খাচা ১খান, শৰ ধনু ১খান। ইতি, শক ১৬২৯, তাৰিখ ১, মাস মাঘ। ১৫৪ ॥

কছাৰী ৰজাক খুজি ৰবৰুকনৰ সন্নিধান ।—৮৮ লৈ আসাম দেখি লেখাকো, সন্দেশকো তাৰ উকীলৰ হাতত এইখান বুলি ফিৰাই দিলে,—" পূৰ্ব্বা-পৰ ৮৮ৰ ঠাইলৈ যেমত ধাৰণে লেখিছে এখনো সেই ধাৰণেসে ৰাখিব খাঁৰ । কোনপত্ৰ নেদিয়াকৈ যে লেখা দিয়ে, কোনে দিছে ? আৰ চিন্ন কি ? যদি দিব লাগে পূৰ্ব্বধাৰাণে আইৰ আমাৰ উকীল কছাৰী ৰাজা সহিতে শীঘ্ৰে দি পঠাব । যদিহে নপঠাই প্ৰীতিও ৰক্ষা নপৰে, গো-ব্ৰাহ্মণৰ বধেও তাইকেহে পাইব । কছাৰী ৰাজা নাপাওঁ মানে আমিও খেদিম, তাঞিৰ লোকজনক আমি একো নোবোলোঁ । যদিহে প্ৰীতিক নাৰাখি পথে-ঘাটে আমাৰ আগ হই তাক নেৰিম ।" এই বুলি বৰপানী কৌঠৰ পৰা সেওতক ওলোটাই পঠালে । ১৫৫ ॥

হাতীবন্ধাত আহোম জয়ন্তীয়াৰ যুদ্ধ ।—আৰে পৰা ঘাট কাটোঁতে হাতীবন্ধা, হাঁহপানীৰ মাজত গাবোএ কঁড়ালে । আমাৰ চাৰিটাত কাঁড় লগাই পলাই গ'ল । পাচদিনাও হাতীবন্ধাত তিনি লাণী হৈ গাবোএ ধৰিলে । আমাৰ ধাৰুম হাজৰিকীয়াত কাঁড় লাগিল, আৰু দহটাত কাঁড় লাগিল । আৰো লাগিল বুলি কলে, পোৱা নগল । পাচে গাবো ভাগিলত লোণতুমত ৰাজখোৱা-বোৰ কৌঠ দি ৰ'ল । পাচে ৰৰফুকনো লোণতুম চৰাই আঠুভগাৰ মণিপৰ্ব্বতৰ মাজত ৰ'ল । আৰে পৰা লোণতুম গাওঁ পুৰিলে । আতে ৰাম সেওত আহি বোলে,—" সককোঞৰে, ৰৰদলৈএ, উমন ভঁৰালীএ মোৰ লেখা সন্দেশ ৰজাৰ ঠাই দি বোলে,—' সিবোৰ তাতে ৰহোঁক । ৰজাৰ ঠাইৰ মানুহ আহিলে বিধান হয় জনাম ' ।" ৰৰফুকনে বোলে,—" দলৈ ভঁৰাৰী সি কোন মানুহ তাৰ কথাএ যে ৰয় ? ৰজাৰ ঠাইৰ চিন্নচক্ৰ আহিলহঁতে বিধান হই বুলিলোঁহঁতে । তোৰ কথাত কি প্ৰমাণ ? যি ঠাইত কছাৰী ৰজাক দিএ সিঠাইত ৰহিম ।" এই বুলি ফিৰাই পঠালে । সিহঁতে বোলে,—" মোক প্ৰীতিৰ উপৰে পঠালে, ঘাটকটা ৰাজখোৱাবোৰ যদি যাই মই গৈ কহিলে বুলিব,—' তুইহে আনিছ, এতেকে আমি যাব নোৱাৰোঁ । আওৱা লোকো ওজৰতে আছে । বোলা, যদি যাব লাগে কালি যাম ' ।" ১৫৬ ॥

বুঢ়িটিকৰত যুদ্ধ ।—সেই দিনা ঘাটকটা মানুহ লোচৰ শিলিখাগুৰি পাৰতলৈ মাতে ৩০০ মান গাবোএ খেড় কাটি আছিল । ৰজাবোৰো তিনি আসিএ যাবৰ দেখি ভাগিল । তাৰ পাচদিনা ঘাট কাটিবলৈ যাওঁতে লোচৰ

বুঢ়িটিকৰৰ বাজত হাতী আনকৈ তিনি আলি হৈ ধৰিলে। আজাৰ মানুহ হাতী দেখি হুঁইকিলে। তকৰা বিজিলীৰ, ভোলাই ভঁৰালীৰ পুতেক, কৰিচন্দ্ৰ বেন চেঁকেৰি তিনিটাৰ মূৰ ছিলে। ডিমৰুৱাৰোৰ ২ টাৰ; গধীয়া-ঘৰীয়া ১ টাৰ শ'ও কেপালে। বাককটীয়া হাজৰিকাৰাত কাঁড় লাগিল। আৰু ১৭ টাত কাঁড় গুলী লাগিল। তাক ঘৰালে। পাচে সাৱধান হৈ ধৰিলত হাতীত গুলী লাগিল, মাউততো কাঁড় লাগিল। হাতীও ১৬টা আনিছিল। পাচে হাতী হুঁইকিল, গাৰোও ভাগিল। ১৫৭ ॥

বুঢ়িটিকৰৰ পৰা যাত্ৰা।—তাৰ পাচদিনা আঠুতগাৰ পৰা বুঢ়িটিকৰত ৰ'ল। আৰে পৰা আমাৰ কোঁঠে কোঁঠে হাতীগড় বান্ধিহে গৈছিল। গাৰো হুঁইকি সকপানী আগকৈ তিনি চাৰি আলি হৈ আছিল। সকলে আলচি বোলে,—"তাৰ যে হাতী দেখা গৈল নগ্গানি হাবিত কতবা লুকাই থৈছে। আমাৰ তিনি আলি হৈ ছিলৈ ধাইকৈ খেদা যাওক।" গাবো ৪০০ মান, গোটা আঠেকমান ছিলৈ মাৰি দু-আলি হৈ আছিল। বাজখোৱাবোৰৰ পানীৰ ওচৰতে কোঁঠ দিবলৈ যাওঁতে গাৰোএ আগবাঢ়ি বোলে,—"তোমালোকে যে সিহঁতক পঠাইছা ৰাজাৰ ঠাইৰ লিখা সন্দেশ চিত্ৰচক্ৰ লৈ আহিল, তুৰ পাইছোঁহি। আজে বোৱা, কালি তোমালোকৰ হাতত দিম।" আমাৰ আগুৱাবোৰে বোলে,—"ভাল, তহঁতো সিপাৰে থাক, আমিও ইপাৰে থাকোঁ।" এই বুলি কোঁঠ দি ৰহিল। ১৫৮ ॥

ৰৰপানীত যুদ্ধ।—পাচদিনা ৰৰফুকন গৈ বুঢ়িটিকৰৰ পৰা ৰৰপানীত ৰহিল। তাতে নাম সেওতে লেখা সন্দেশ দিলেহি। এই লিখিছিল,— "যদি কছাৰী ৰজাক পাব সিবোৰ সীমালৈ যাওক, উকিল পঠাব। যেবে আতে সন্তুষ্ট হই তাকে কৰিম।" সিদিন থাকি আন দিন তিনি চাৰি আলি হৈ ধৰিলে, তাকো ওলোটাই খেদিলে, বোলে,—"ম'ত কছাৰী ৰজাক দিএ আমি ত'তে ৰম।" গাবোও তিনি আলি হৈ গড় বান্ধি আছিল। লকফোকৰ, ৰৰদলৈ আগে ভাগিল, উমন ভঁৰাৰী নাতাগিল, গুলীয়াইছিল। তাতে ২০ গাবোও ধৰিলে। ভাল মানুহ পৰিল, ৰৰকোঁৱৰ ভাই মৰিল ১টা, ভাগিনেক ১টা, কমাৰ পাতৰৰ ভাএক ১টা, জয়ন্তাৰ দলৈ ১টা, কপোৰৰৰ দলৈ ১টা, মূৰ দলৈৰ নাতি ১টা, আৰু ১২টা, এইবোৰ গাঁৱাএ ধৰিলে, মুটা

কাটিলে । এক্কুৰিমান হাতী ধৰি আনিলে । আমাৰ মানুহে পাচে অনাইৰাই খেদিছিল । দুই একত গুলীও লাগিল, তেতিয়া নপৰিল । পাচে যেখে অৰুণা পাই গুলীলগা হাতী গোটাচাৰেকো মৰিছিল । সেই দিন ৰাজখোৱাবোৰ সৰলপানীত ৰ'লগৈ । পাচদিনা বৰফুকন গৈ সৰলপানী ছৰাই শিলসাকোত ৰ'ল । তাৰ পৰা নৰতজত ৰ'ল । তাৰ পৰা পমনাইত ৰ'ল । ১৫৯ ॥

আহোমেৰে মিলিবলৈ ৰৰকোঁৱৰৰ উপদেশ ।—আগে ন জত ৰৰকোঁৱৰ থাকি সক্কোঞৰকে, উমনকে, গাবো ভঁৰাৰীকে ৰৰপানীলৈ পঠাই হাতীএৰে লোকজন দি যুঁজ ইছিল । যুঁজত হাৰিলত এই কথা ৰৰকোঞৰে গৈ ৰাজাক বুজালে, বোলে,—“ অনেক লোকজন আছিছে, বলেও নোৱাৰোঁ, আমি মিলোঁ । পূর্ব্বাপৰ মিত্র আমাক একো নকৰে । মেৰ লগে কটকী দিয়া, গোটাচাৰেক হাতী দিয়া মই মিলোঁগৈ । ” ৰাজা বোলে,—“ ইবাটে অমি যুঁজিছোঁ, আমাক পালে সুৰাএ এৰিব নিকি ? নহয় পলাওঁ । ” কোঞৰে বোলে,—“ তঞি যে পলাবি ৰাজ্য তঞি কিৰূপে ৰাখিবি ? ” এতেকে ভকতধূলি বৈৰাগীও মূলাগোলৰ বৰুৱাৰ ঠাইৰ পৰা পালতগৈ ৰামসিংহ ৰাজাত এই কথা কলে,—“কছাৰী ৰাজাৰ নিমিত্তে স্বর্গৰাজাএ বৰুৱাকো পাঞ্চিছে, ৰৰফুকনকো গোভাৰ বাটে পাঞ্চিছে । যদি তুমি নেদিয়া ৰাজ্যো যাবিৰ, তুমিও ৰক্ষা নপৰা । ” ১৬০ ॥

ৰৰবৰুৱাৰ হাতত কছাৰী ৰজাক সমৰ্পণ ।—পাচে ৰজা এই কথা শুনি বিজয়ৰামকে, ভকতধূলিকে পাঞ্চি দিলে, বোলে,—“ কছাৰী ৰজাকো দিম, বৰুৱাও ততে ৰওক । ৰৰফুকনকো নাহিবলৈ মানুহ পাঞ্চি দিওক । ” এই কথা ভকতধূলিএ জনালেহি । বৰুৱাএ বিজয়ৰামক ৰাখি ভকতধূলিক পাঞ্চি দিলে । “ কছাৰী ৰজাক নেদি সুদা কথাক কি কয় ? যদি দিএ যে দিয়ক, নিদিএ যে মঞি খেদি যাম । ফুকনক ৰাখিবৰথান সোধেইন্তে বুলিবি,—‘ মই জয়তে সুধিব নোৱাৰিলোঁ’ । ” তাক পঠাই বৰুৱা কালজুৰলৈ গ'ল । তলৈকে ভকতধূলিতকৈ কছাৰী ৰজাক দি পঠালে । বোলে,—“ ৰজাক দিলে পালোঁ আৰু তাৰ লৰালুৰিকো দি আহোক । যদি নিদিএ কালিলৈ নগৰ মাৰিম । ” পাচে ভকতধূলিএ জনালত সেই দিনা কছাৰী ৰজাৰ লৰালুৰি দি আহিল । বৰুৱা বোলে,—“ ধন, সৰ্ব্বস্ব, আহিলাপাতি তাকো দি আহক । ” এই বুলি ভকতধূলিক পঠালে । ১৬১ ॥

জয়ন্তা ৰজা ৰামসিংহৰ যুদ্ধৰ ইচ্ছা।—পাচে ভকতধূলিক ৰামসিংহে বন্দী কৰিলে। অৰ্জুনৰ ভতিজাকক পঠাই দিলে, বোলে,—“তহঁতৰ ৰজাক এইখান কবি,—'বৰফুকনেও মোৰ অনেক গাওঁ-ভূঞিখান মাৰি আহিছে। তেওঁ ৰও বুলি বাঢ়ি আছে, মও তৰোৱাল বান্ধিলোঁ'।” এই কথা ৰজা শুনি হাবোগাঙলৈকে খেদি গ'ল। পাচে পিৰাতি বৰকোঁঞৰ প্ৰমুখ্যে সকলো বৰা-বৰুৱে ৰজাক বুজালে, বোলে,—“তুমি যদি মৰা তুমি আমি গো-ব্ৰাহ্মণ দেশ সকলো ৰক্ষা পৰোঁ, যদি নমৰা তোমাকো মাৰিব আমাকো অনেক লঘু-লাঞ্ছনা কৰি ধৰি নিব, ৰাজ্যো উচ্ছন হব।” সি বোলে,—“শ্ৰীমৰণে কিয় মৰিম? এটা যুঁধ দি চাওঁ।” এই বুলি পড়ৰ চাৰিও ফেৰে তিনি হাত অন্তৰে হিলৈ পাতিলে। হাতী ৩০টা ঘন্টা লগোৱা সজালে। ১৭২॥

বৰবৰুৱাত ৰামসিংহ ৰজাৰ আত্মসমৰ্পণ।—পাচে তাৰ বৰা-বৰুৱে বোলে,—“আমি যুদ্ধ নকৰোঁ, নৰৰিবাহঁতে আমি ধৰি দিম।” পাচে ৰজা বোলে,—“তহঁতে ভালেহে বুলিছ। ফুকনৰ দিকিতো নটা যুদ্ধ কৰিলোঁ হাৰিলোঁ, বৰুৱাও সম্প্ৰতি চাপিলহি, মৰিবহে লাগে।” এই বুলি আমাৰ আগে যোৱা মাধ কন্দলি, ৰামচৰণ দুই কটকীক মাতি আনি বোলে,—“তহঁতে লৰি যা, বৰুৱাক ৰাখৈগে। মও তহঁতৰ পাচতে যাওঁ মৰিবলৈ।” এই কথা জনালেহি দুই কটকীয়ে। সিহঁতৰ পাচতে ৰজা, বৰা-বৰুৱে সহিতে তেৰকুৰি হাতীএৰে জয়ন্তা ৰজা চাৰিঘটাতে বৰুৱা আছিবৰ শুনি মৰিবলৈ আহিছে। বোলে,—“মিত্ৰ ৰজাৰ বৰা-বৰুৱ আহিবৰ শুনি আমিও আহিছোঁ, বৰুৱাও আগবাঢ়ি আহোক।” বৰুৱাএ বোলে,—“আগে যিখনি আহিছোঁ তাৰ কথা নকওঁ। মূলাগুলবে পৰা তেওঁলৈকে আগবাঢ়ি আহিছোঁ, তেওঁও আহক হাতীবোৰ নৈৰ সিকোলতে থৈ।” বৰা-বৰুৱে ৰজাক নিয়ালে। পাচে ৰজাত কুশলাকুশল বাৰ্ত্তা সুধি ৰাখি থৰ দিলে। পাচে ৰজা বোলে,—“মোৰ লগত ভেঁটি-ঘাটিখান একো নাহিল বৰা-বৰুৱ থাকোক, মোক বিদাই দিয়োক কালি পুৱা আহিম।” বৰুৱাএ বোলে,—“স্বৰ্গৰজা শুনি খং কৰিব,—'মোৰ মিত্ৰ ৰজা আহিল, তেওঁক যে ৰাতিৰ কাল পঠাই দিলে আমাৰনো কোন বস্তৰ কৰি'?” ৰজা বোলে,—“আমাক যদি নপঠৱা ফুকনৰ ৰাখিবলৈ মানুহ দিয়োক।” পাচে বৰুৱাএ কমলাপতি, বৰনেওগৰ নাতিএক দুই [illegible] মতি আনিলে, বোলে,—“তহঁত যা, জয়ন্তীয়াল ৰজা মৰিল বুলি আমাৰ

স্বৰ্গৰজাত জনাগৈ । জয়ন্তীয়ালৰ দুটা মানুহ বিচূৰ্লৈ দা । ইও কথা কৰি,—'বৰফুকন যিমান পাইছেহি ততে ৰওক, গাওঁ-ভূঞো দুৰাপুৰা নকৰিব । আৰু থাৰঘৰীয়াই ৰজাৰ কথা কৈছেহি, যেই বাটে পাচ পৰে সেই বোৰা তাতে ৰব, থাৰঘৰীয়া আহি কৰ' । " ১৬৩ ॥

কছাৰী জয়ন্তা দিগ্বিজয়ত স্বৰ্গদেৱৰ আনন্দ ।—সেই সময়ত দুয়ো দিশৰ বাৰ্ত্তা বোঁৰাচোৰাই দিনে দিনে জনাইছেহি । চাৰি হাজাৰ অন্তৰে থপুৰা ঘোঁৰা আছিল । পাচে বোঁৰাচোৰাই এক দিনৰ বাট আহি মাচটি পৰ্ব্বতত ফুকনক লগ পাই বাৰ্ত্তা কৈ ফুকনক ৰাখি আহি ৰজাত জনালেহি জয়ন্তা ৰজা ৰখিবৰ কথা, মাঘৰ ১৭ দিন যাওতে শুক্ৰবাৰে শ্ৰীপঞ্চমী । দুয়ো ৰজাক পাবৰ শুনি ৰজা ৰঙ্গ কৰিলে । বাদ্য-ভণ্ড ৰজাই তিনি দিন প্ৰজাক ৰঙ্গ কৰালে । মিছাৰ বাহৰৰ নাম বিজয়পুৰ দিলে । ১৬৪ ॥

বৰফুকন আৰু বৰবৰুৱালৈ স্বৰ্গদেৱৰ আদেশ ।—পাচে ফুকনে মনপূৰ ঘোঁৰাচোৰাক পঠাই ৰজালৈ এইখানি বুলি পঠালে, বোলে,—"দেৱতাএ মাছ পহু মাৰিবলৈ পঠোৱা নাই, ৰণলৈহে পঠাইছে । যদি উলটিব লাগে দেৱতাৰ যি আজ্ঞা হয় তাকে কৰিব লাগে ।" পাচে ফুকন পৰনাইৰ পৰা মুকুতাপুৰলৈ গ'ল । পাচে এই কথা ঘোঁৰাচোৰাৰ মুখে ৮৮৩এ শুনি ফুকন বৰুৱাৰ বিৰুদ্ধ লাগিল হেন দেখি ঢেকিয়াল বৰুৱাক, মনমথ ক কীক বোলে,—"তইতে এইশনি কৰি,—বৰুৱা ফুকন মোৰ মুখ্য মানুহ দুইটা পাকিছোঁ, দুও একে ঠাইতে কৌঠ দি একে যুগুতি হুই দুখান ৰাজ্য যেনেকৈ বশ হয় তেনে কৰিব । দুইৰো বৰকৈ আপাহো পোৱা হৈছে । পুথাও-পুলিনৰ দিনত যি কাম কৰিব নোৱাৰিলে সিও হৈছে । মোৰ ইষ্টদেৱ প্ৰসন্ন হুই দুখান ৰাজ দিছে । সিহঁতৰ আপাহ-আপহিৰ পৰা যদি কাৰ্য্যত বৈগুণ পৰে সিহঁতক নিৰ্কি সুদাই এৰিম ? আৰু তাৰ উত্তৰ কন্তা যে তিনিটা আছে বুলি শুনিছোঁ, তাক আনিব । জয়ন্তীদেৱী প্ৰমুখ্যে মূৰ্ত্তিসকলো দি পঠাব । ভণ্ডাৰৰ ধন-সৰ্ব্বস, আহিলাপাতি ভালৰূপে বিচাৰ কৰিব । চকীয়াল বৰুৱাও আগত থাকিব । আমাৰ দেশী যি লোক আছে তাকো, জয়ন্তাএ মগল মাৰি অনা মানুহকো দি পঠাব । আমাৰ বৰাগীৰ লগত চিলহটৰ বজালে লেখা সন্দেশ দি হৰনৰায়ণকে, হেমৰাজ মিশ্ৰকে পঠাইছে, তাকো ৰজা ফুকনে একে ঠাইতে বসি শুনিব ।

দুয়ো ৰজাএ আপোনাৰ বাটে দি আহিবলৈ মন কৰিছে ত'ৰ বৰ লাজ হ'লে যেতিয়া আহিবলৈ বোলোঁ সিহঁতৰ লগত আপোনাৰ বাটে আহিব । সিহঁতৰ মনে-চোৰাও যিখান বোলে তাক জনাই আহিব । ফুকনক বাধিব দিয়া নাই, মইয়ে বাধিব দিম । যেতিয়া বৰুৱাএ কছাৰীৰ মাৰবাজ মাৰিবলৈ গৈছিল তেতিয়া পানীফুকনক ৰাকতীৰৰা পঠাই খেদা দি নিয়াইছে, ইও আদর্শ আছে । কোঁঠৰ মানুহ-দুনুহটো সাৱধানে থাকিব । ফুকনক যিখনিত পা' খেদাকৈ লৈ যাবি ।" ১৬৫ ॥

ৰৰফুকন আৰু বৰবৰুৱাৰ বিৰোধ।—পালতগৈ ফুকনে বোলে,—"৺ৰ যে আজ্ঞা হৈছে একে যুগুতি হৈ একে ঠাইতে কোঁঠ দিবলৈ, বৰুৱাও চাৰিঘটাৰ পৰা কিছু আগবাঢ়োক, মওঁ মুকুতাপুৰৰ পৰা কিছো আগবাঢ়োঁ, মাজতে একে ঠাইতে কোঁঠ দিওঁ । ৺৺ আজ্ঞালৈকো বাট নাচাই কাৰো অনুমতি নোহোৱাকৈ যে হাতী, ঘোঁৰা আনো বয়-বহুত দেখোঁ দি পঠালে ? এতিয়া সকলো কথা একে যুগুতি হৈ বাচ-বিচাৰ কৰিবলৈ ৺এ আজ্ঞা কৰিলে কিৰূপে কৰা যাব ? আমাক কাৰো তলকৈ পচা দেখোঁ নাই ? অয়ত্না, কছাৰী ৰজাও লেখা পত্ৰখান দিব লাগিলে নামজানি বৰফুকন বুলি মোলৈ লেখে । যদি মই সেই কোঁঠতে সোমালোঁ ৺৺ মানত হাঁহ-কুকুৰাচোৰাৰো যোগ্য নহওঁ, কিন্তু নাম-চহৰত যে ডাঙৰ পাতি থৈছে ? আত মোৰ একো হানি নহই, ৺ৰহে মৰ্য্যদা হানি হই । দুটা ৰজা যদি সেই কোঁঠত নাথাকিলহঁতে তেও মই যাব পাৰোঁ । মোৰ অহা বাটতো আগবাঢ়ি চকী দিছে । আৰ পৰা যাবলৈকো মই ভাল নোহে । লোকে বুলিব কোনো বস্তুৰ আশাএহে আগবাঢ়ি যাই । নগৰ ভঙ্গা দাই পাচত আমাতে লাগিব ।" এই কথাতে বৰফুকনৰ বৰবৰুৱাৰ ডাঙৰ বিৰোধ লাগিল । তেও ৺৺ৰ আজ্ঞা ৰাখি বৰফুকনে মুক্তাপুৰৰ পৰা নৰাঙৰ ঠেঙুলেটিকত কোঁঠ দি ৰহিল । বৰুৱাও চাৰিঘটাৰ পৰা নাহিল । মাজত মাটি ৩০০০ অন্তৰ । বৰুৱাএ কোঁঠৰ ওপৰত দপদৰ সাজিলে । ১৬৬ ॥

শ্ৰীহট্টৰ কটকী তোলা।—৺৺ শুনি অসন্তোষ পাই বুলি তাহঁতকে গৈ দুয়ো একে দলিছাতে ৰহি বঙ্গালৰ কটকী তুলি তাৰ থানাদাৰৰ কুশলাকুশল সুধিলে । সি বোলে,—"আমি যেখন আছোঁ স্বৰ্গমহাৰাজাৰ প্ৰকাশত আমাৰো থানাদাৰ কুশলে আছে ।" আমাৰো বৰুৱাএ বোলে,—"থানাদাৰ যে কুশলে থাকিব আমাৰো এইহে বাঞ্ছা ।" ১৬৭ ॥

স্বৰ্গদেৱলৈ শ্ৰীহট্টৰ থানাদাৰৰ পত্ৰ ।—সি অনা পত্ৰ,—

স্বস্তি সৰ্ব্বশাস্ত্ৰাত্যাচাৰি-প্ৰফুল্ল-মদন-দলিত-যশোৰাশি-জিতা শে ষ-বি বি ধ-গুণালঙ্কৃত-স্বধৰ্ম্ম-নিজকুল-কমল-প্ৰভাকৰ-সুকৃত-জন-কুমুদ-সমু ল্লে ষ ণ-সৰ্ব্ব-শত্ৰু-প্ৰবিদ্ধাৰ্চ্চিত-মহামহোত্তৰ-মহোগ্ৰ-প্ৰ তা পে ষু । প্ৰ তি তি-সম্পাদকোঽহং বৰ্ণনিশ্চয়ঃ সমীহতাযেকংযত্ত ভৱতামনুবেদমিহেতব্যাম্ ।

পৰঞ্চ সমাচাৰ এহি,—প্ৰীতি-পত্ৰ এথা আমি শুভক্ষণে পঠাইছিলোঁ । যেৰূপ নিমক হাৰাম জয়ন্তা ও কছাৰীৰ কাৰণ লিখিছিলা সেৰূপ হয় । প্ৰাচীন আমাৰ পিতা নাবাৰ নাথুলা চিৰাজী কোঁচবেহাৰ ও ৰঙ্গামাটিৰ সূতা আছিল । তাতে তোমাৰ ঠাই অধিক প্ৰীতি আছিল । এখন পত্ৰ পায়া আমাৰ অন্তঃ পায়া অধিক প্ৰীতি উৎপন্ন হৈল । পৰস্পৰ প্ৰীতি পালন উচিত আপনে লেখিছা । বামুনিয়াৰ-থাঁৰ জোপে ৰঙ্গামাটি পথক্ৰমে ৺৺ নবাবৰ সঙ্গে প্ৰীতি হৈছে । এতে ৺৺ কাৰণ এই ক্ৰমে আগত অধিক প্ৰীতি হৈব । ৺৺ অধিক প্ৰীতিতে কাৰণ অনেকৰূপ কাৰ্য্য হৈব । অল্প দিবস হৈয় আমি এথা আসিআছি । থানাৰ কাৰ্য্যত প্ৰবৰ্ত্ত হয়াছি । এদিগেৰ থানা দৃঢ় কৰিয়া সেই দিগেৰ থানাত ফৌজ পঠাইছিল । আৰু তোমাৰ মনুষ্যৰ মুখত হস্তে সমাচাৰ শুনিয়া প্ৰত্যুত্তৰ কহিআছি । শুনিয়া আপুনি লেখিছিলা দ্ৰব্যৰ কাৰণ লিখিবাৰ । তাতে সকলো দ্ৰব্যই প্ৰীতিৰ অধীন । এখন যে আমাত উলক্ষিত হৈব তাক লেখিয় পঠাইম । আৰ তোমাৰ দ্ৰব্যৰ কাৰণ থাকে তাক লেখিবা । এখনে ভাল দ্ৰব্য উপস্থিত নহে কাৰণ উত্তম দ্ৰব্য নাপঠাইলাম । আৰ আমাৰো মনুষ্য পঠাইতেছি, তাহাতে সকল গোচৰ হৈবা । আমাৰ মনুষ্য শীঘ্ৰে বিদাই দিবা । এমত কৰিয়া তোমাৰ আমাৰ মনুষ্য সৰ্ব্বদা প্ৰেমপত্ৰ লৈয়া গতাগত কৰে কুশলাদি বাৰ্ত্তাএ সন্তোষ কৰিএ জ্ঞাত কৰিলাম । কিমধিকং বিজ্ঞেষতি । ইতি, শক ১৬২৯, তাৰিখ ১৫ মাঘ ।

সন্দেশ আসিছিল,—পাটকাপৰ পাগুৰি ১ খান, পাটুকা ১, গুজৰাটী আঙ্গচ ৬ খন, দলচা ২, মুঠত ১০ খন । ১৬৮

শ্ৰীহট্টৰ কটকীৰ বচন-সমাচাৰ।—বচনে কলে হেমৰাজ মিশ্রে, হৃদয়ৰামে, বোলে,—" আমাৰো থানাদাৰে এই বুলি পঠাইছে,—' জয়ন্তীয়ালে আমাক বাৰম্বাৰ মাৰিয়া আছে। তাক যে সিসকলে ধৰিছেহি তাক শুনি আমাৰো বৰ আনন্দ হ'ল। আক বামুনিয়াৰ-থাঁৰ যি প্ৰীতি চলিয়া গৈছে আমিএৰেও সেই প্ৰীতি চলিয়া যাব'।" ১৬৯॥

শ্ৰীহট্টৰ কটকীৰ বিদায়।—পাচে ধকৰা, ফুকনে শলাগিলে। তাক সিদিনা জিৰাই থাকিব দিলে। দুদিনৰ পাচত তুলি,—" হৃদয়ৰাম, তোক আজি বিদাই দিলোঁ। চিলহটৰ থানাদাৰে যি লেখা দিছে তাৰ সিদ্ধান্ত পত্র চালে পাব। বচনেও এইখান কবিগৈ,—'প্ৰীতি-পত্ৰ গতাগত কৰিবাৰ-খান যি কৈছে, হাট-বাটখানো অবিৰোধে চলিব, দুয়ো দেশৰ গো-ব্ৰাহ্মণো যিহত হন্তে ৰক্ষা পৰিব তাক যদি ৰক্ষা কৰিব প্ৰীতি-পত্ৰ বা কিসক নাচলিব? ইহাত যদি বিপৰীত হ'ল তেবে তাৰ পৰা যিথান হব তাক তাঞি আপুনি জানে'। এখান বহাত জিৰাই থাকগৈ, আনদিন আপোন দেশক যাবি।" ১৭০॥

শ্ৰীহট্টৰ থানাদাৰলৈ পত্র।—তাৰ লগত সীতাৰাম, সতানন্দে নিয়া এই পত্ৰ,—

স্বস্তি নিখিল-কল্যাণ-নিলয়-নিজ-গুণাম্বু-বৰ্দ্ধিত-সকল-সদ্‌গুণ-মান সন্মান-কুল-কমল-প্ৰকাশ-কাৰণ-শ্ৰীমৎ-চি লে হ ট-থা না দা ৰ কং-প্ৰতি লেখনং প্ৰয়োজনঞ্চ—

পৰং সমাচাৰ এহি,—তোমাৰ পত্ৰ সমাচাৰ পহুছিল, তাহাক শুনিয়া পৰম প্ৰসন্ন হৈলাম। আৰ তোমাৰ পিতা সমেত পূৰ্ব্ব প্ৰীতি ম্বৰায়া এ ক্ৰমে অধিক প্ৰীতি হব হেন যি লিখিছা ই বিশেষ। কিন্তু পৰস্পৰেৰ যেমনে প্ৰীতি হয় সেই কৰিবাই। আৰ জয়ন্তা ও কছাৰী আমাৰ ঠাই লোণ হাবাৰি কৰিলেক, তাৰ কাৰণ ৮৮ৰতাৰে যে অৱস্থা কৰিলে তাহাক তুমি শুনিআছা। অতএৱ তোমাৰ আমাৰ মধ্যে যেমনে বিগাৰ নহয় সেই কৰিবা। আৰ তোমাৰ আমাৰ মধ্যে সীমাৰ নিবন্ধ এহি,—অদ্যাবধি জয়ন্তা ও কছাৰী অধিকাৰ আমি

হৈলোঁ। তাতহন্তে আমি অন্যো বড়া পাকৰিবোঁ। তুমিও সেই সীমাতে ৰহিবা। প্ৰীতি বাৰ্ত্তাক কহিবা। অতঃপৰ উভয় তৰফেৰ কুশলাদি সমাচাৰ যেমনে গতাগত হৈ থাকে সেই কৰিবা। আৰ তোমাৰ পত্ৰ মনুষ্য সমেও আমাৰ মনুষ্য শীঘ্ৰে বিদাই দিবা। কিমধিকং বিজ্ঞেষতি। ইতি, শক ১৬২৯, তাৰিখ ফাল্গুন। ১৭১ ॥

জয়ন্তা আৰু কছাৰীত পোৱা ধন বস্তুৰ পিয়ল।—পাচে ধন-সৰ্ব্বস আহিলাপাতি পিয়লিব দিলে। সোণে ৰূপে মুলি ১০,০০০ মান টকাৰ বিত্ত পালে। সৰুৰে-বৰে হিলৈ পালে ২০০০, তৰোৱাল ৮০০, জামদাৰ ৪০০, কতৰা-দা' ৪০০, বাৰু-বৰ্চ্ছা ৮০০। জয়ন্তা কছাৰী দুয়ে মুলি তাম পিতল ৯৮। লো, কপাহ বহুত পালে। যশমাণিক ৰজাৰ নাতিনীএক দুটী পালে, মানুহ পালে ১৫০০। আমাৰো মানুহ কছাৰীৰ ভীমবল কোঞৰে নিয়া, মগল মাৰি অনা, বৰচেটিয়াৰ লগত যোৱা পালে ৮০০০। বৰচেটিয়াৰ পুতেক সহিতে কছাৰীৰ বাটে দি পঠালে ঢেকিয়াল বৰুৱা মনমথ কটকীতকৈ। ১৭২ ॥

জয়ন্তা আৰু কছাৰী ৰজাক আহোম ৰাজ্যলৈ অনাৰ দিহা।—আৰু ৮৮ৰতা যি দুয়ো ৰজাক আপোনাৰ বাটে নিবৰখান যে ৮৮এ সুধিলে তাত বৰুৱাই বোলে,—"কছাৰী ৰজাক মই অহা বাটে নিব পাৰোঁ, আত একো সংশয় নাই।" বৰফুকনে বোলে,—"জয়ন্তা ৰজাক আপোনাৰ বাটে নিব লাগিলে আগে যিৰূপে মাৰি ধৰি সাৱধান হৈ অহা গৈছে সেইৰূপে গলে নিব পাবি হেন দেখি। এই বাটত সংশয় নাই, নিৰ্দ্দূষণ হৈছে হেন এনে বুলিবও নোৱাৰি।" পাচে বৰুৱাও বিশ্বাসে ৮৮লৈ জনালে,—"জয়ন্তা ৰজাক যদি আগে উলিয়াই নিএ তেহে তাৰ বৰা-বৰুকে বস্তুবাতখন যত যেনি আছে কৰ পাৰে, সি থাকিলে সংশয়কৈ নকৰ।" এই কথা ৮৮ শুনি থাৱৰীয়াকে ৰতন কন্দলিতকৈ বোলে,—"গোহাঞিবোৰে সহিতে যুগুতি কৰি বোলা গৈছে, গোভাৰ বাটে বুঢ়াগোহাঞি, ফুকন, দুৱৰা-ফুকন, পানীঅভয়পুৰীয়া, পানীশলগুৰীয়া, তকুৱা দিহিঙীয়া ৰাজখোৱা, চাউভাৰৰ বৰুৱা, কমলাবৰীয়া এক কৈদ, দিবোৰোৱাল হাজৰিকীয়া এক কৈদ, বাঁহবৰীয়া কাঁড়ী এক কৈদ, ভিতৰুৱাল হিলৈদাৰী আদখনীয়াকৈ দিব। এইবোৰ সহিতে জয়ন্তা ৰজাক শীঘ্ৰে দি পঠাওক।" এতেকে বৰবৰুৱাও যাৰ লাগে বুলি গধূলি জয়ন্তা ৰজাক জনালে।

ৰজাক আনিবৰ সময়ত তাৰ ৰৰা-বৰুৱা যি বাঁধিছিল তাক বটা দি বিদাই দিলে। "আমাৰ লগত যাব লাগে।" জয়ন্তা ৰজা ৰহস্তে বুলিলে,—"মোক পথতে দগা দি বাধিব।" এই শুনি গাবো সাইম হ'ল। এই কথা মহাদেৱীয়ে শুনি বোলে,—"বৰুৱা, ফুকন অধিক দিন নাথাকিব। মোকো কৌঁঠলৈ বা বিক্ৰমপুৰলৈ বিদাই দিয়োক।" পাচে বিক্ৰমপুৰলৈ যাওঁতে বোলে,—"মই সকলকে সেৱা কৰিবলৈ এই বাটে পাওঁ।" ১৭৩ ॥

জয়ন্তা ৰজাৰ নৰিয়া।—পাচে বিস্তৰ সন্তাৰ যতন কৰিছিলে। সেই ৰাতি জয়ন্তা ৰজাও তিনি বেলি উকলিয়াই বঁতিয়ালে। পুৰা বোলে,—"মোৰ গাও টান কৰিছে, যাব নোৱাৰোঁ।" এই কথাক বৰফুকনলৈ জনালে,—"ই যে নৰিয়া যাব নোৱাৰোঁ বোলে কি কৰা যাব?" বৰফুকনে বোলে,—"আগেও নৰিয়া নাই, এতিয়া যাবৰ শুনি নৰিয়া পৰিল, জানো কথা ছল কৰে হেন দেখি, এতেকে তাক বাধিবলৈ ভাল নহয়। হেন দেখি যিৰূপে পাৰি তাক দি পঠাওক।" পাচে বৰুৱাও এই কথা শুনি,—"মোৰ এথেলৈ আহোক, কথাবাৰ্ত্তা হওঁ" বুলিলে। পাচে গ'লত পালেঙীত তুলি বাজে বাজে দি পঠালে। ১৭৪ ॥

বৰফুকনৰ লগত জয়ন্তা ৰজাৰ সাক্ষাৎ।— সেই দিন আহি বৰফুকনৰ কৌঁঠত ৰাতি থাকিল। ফুকনেও থাব শুৱলৈ কাপৰ-চোপৰ দিলে। পুৰা ৰজা বোলে,—"মই বৰফুকন গোহাঞিক দৰ্শন হই যাওঁ।" ফুকনে ওলাই চিকণ কাপৰ এযোৰ দি এইখান বুলিলে,—"পূৰ্ব্বে যে বৈৰাগীতকৈ ৰাজা বুলিছিল,—'৮৮ লোক সিপোনে যাব, মই পোনে মিত্ৰৰ লোকে আমিএ চাৰিঘটাত একঠাই হৈ দেখাদেখি হম'। আমি বোলোঁ, - 'ই বাটে কি যাম, মিত্ৰৰ বাটে যাওঁ'। এতিয়াই দেখাদেখি হৈ বৰ সন্তোষক লভিলোঁ। ৰাজাও ৮৮ সেৱা কৰি আপোন দেশক আহকগৈ।" ৰাজা বোলে,—"পুনৰ্ব্বাৰ আমি নেকি ইঠাইলৈ আহিম? ভাল, আমি এথন যাম। কিন্তু ৰাজা-সংস্থাপন ধৰ্ম্মগোট যেমত তাক আপুনি জানে।" ১৭৫ ॥

জয়ন্তাৰ সৰুকোঁৱৰৰ আহোম কৌঁঠ আক্ৰমণ।—পাচে ৰাজা আনিলত তাৰ পাচত জয়ন্তীদেৱী, দক্ষিণাবৰ্ত্ত শংখ, লক্ষীনাৰায়ণ শালগ্ৰাম, আনো প্ৰতিমাসকল দি পঠালে। ৰাজাক গোতালৈ উলিয়ালত গাবো সৰুকোঁৱৰ

বৰদলৈএ বোলে,—"আমাৰ ৰজা ৰাজ্য সৰগিতে হাত বান্ধি বহিল। বৰুৱাতো নুৰিপুৰি দিলে। ৰজাকো যে দিয়ে ভালে থব নেকি? ৰজাক যদি পাওঁ ভগৱতী দেৱীক ক'ত পাম?" এই বুলি সিদিকি মুপেৰৰ ইদিকি সকপানী নাৱা কৰি নৰ্ত্তজীয়াএ, খৰামী বজাএ, ৰাণীএ একে কথাহৈ বাটৰ আঠখন কোঁঠ মাৰিলে। পমনাইৰ নৰা কোঞৰৰ দুৱলীয়া ফুকন, নৰা ছিলৈদাৰী, গুভুৰিয়াল চাউপেক হাজৰিকীয়া, চুটিয়া নেমুৰ পুতেক হাজৰিকীয়া ফটিক, শিলাৰ দীঘল টুপী, যশমাণিকৰ পুখুৰিৰ দৰঙ্গী, ধন্দিয়াল হাজৰিকীয়া, নৰ্ত্তজৰ বুঢ়াগোহাঞি, ফুকন, দুৱলীয়া, চিনাতলীয়া খগা, ধন্দিয়ালৰ ভাই হাজৰিকীয়া, কৃষ্ণহৰি কটকী, জয়ন্তীদেৱী অনা নামদয়ঙ্গীয়া, বতকৰীয়া ব্ৰাহ্মণ দামোদৰ মিশ্ৰ, চাউডাঙ, দোলাকাথৰীয়া, খপুৱা যোঁৱাচোৰা, বৰফুকনৰ টেকেলা যি আছিল কোঁঠৰ মানুহ অহা যোৱা ভাৰী সমস্তে পৰিল, দেৱীকো দিলে। ৰাণীএ, খৰামীএ কথা হৈ সোণাপুৰতো মুদৈ আৰঙ্গীয়া ১৪০ লোক কাটিলে। ডিমৰুৱা, মৈদামী, আহ্মাক, দুৱাৰগৰিলা আতো ধৰিবলৈ মন কৰিলে। বজালৈ কথা দি মানুহ পঠাইছিলে। সিদিকি বৰদুৱৰীয়াএ ধৰিলত আমাৰো সাৱধান দেখি নোৱাৰিলে। ১৭৬।

নৰ্ত্তজত আহোমৰ কোঁঠ।—এই কথা মহাৰাজা শুনি বোলে,—"এতেক কোঁঠ যে মাৰিলে জয়ন্তাত বকৰা, ফুকন কি মোৰ ভালে আছে?" এই বুলি বহুত অসন্তোষ কৰিলে। বুঢ়াগোহাঞিকো, ডেকাফুকনকো, ৰজা অনা ফুকন, ৰাজখোৱাকো আগীৰ পৰা শীঘ্ৰে পঠাই দিলে। ইবোৰো গৈল। বুঢ়াগোহাঞি থাকি আমচেঙতে আমচাই, মাৰ্জঙ, ৰঙমাটি, আমৰি এই চাৰিখন গাওঁৰ নৰৰা গাবো ১২০ কাটিলে। লৰা তিৰতা ছোৱালীও ছ-কুৰি জীয়াএ আনিলে। আৰু আঠুভগা কোঁঠৰ পৰা গৈ হাবিতে আমাৰ মানুহ দকলাএ পাই মুনিহ তিৰতাএ কুৰিচাৰেক কাটিলে। গোভাৰ সলাল বৰগোহাঞিৰ হাতলৈ দিলে ৮০, তাৰ দুকুৰি পলাল। গোভা, নেলী, খলাৰ, নগঞা ৰজাৰ দলৈ পাত্ৰ সহিতে মহাৰাজাৰ ঠাইলৈ দি পঠালে। ৰজা বোলে,—"আন যে বৰিল নেলী ৰজা কিয় নৰৰিল?" এই বুলি তাৰ তিনীৰেকক লগৰ দুই-চাৰি মানুহে সহিতে গোভাত কাটি মুণ্ডমালা বান্ধিব দিলে। ডেকা-ফুকন থাকিলগৈ সকপানীত। ৰজা অনা ফুকন, ৰাজখোৱা নৰ্ত্তজলৈ গ'ল। তাতো গাবোএ প্ৰভাতে ধৰিলে। কোঁঠৰ চৌমেৰে ধৰি

[illegible] পাৰো 'হাতীবন্ধৰ' ওচৰলৈ আহিলত আমাৰ [illegible] ফলিকত তাৰ মূৰ 'ত্ৰিশূল' দিলে । ইয়াতো বৰুৱা, ফুকনে কাজলৰ ১০ দিন [illegible] কোঁঠ তোলাৰৰ শুনি সৰকাৰী মানুহক ধৰি আনি পাচ-হাতলৈ আনি মাৰিলে । ১৭৭ ॥

[illegible] আহোমৰ কোঁঠ।—এই কথা শুনি [illegible] বগলৰ পাৰত নগৰৰ ২০ মানুহে চকী দিছিল তাৰে ৬টা ধৰি নিলে । [illegible] ৰাজখোৱা, ভকৰা শলগুৰীয়া ৰাজখোৱাক বগোনৰ উপৰলৈ পঠালে, বোলে;— "পৰনাইত থাকি নৰ্তনৰ বাৰ্তা লবা ।" সিয়োৰে আহি [illegible] কোঁঠ দি ৰ'ল । তাতে পাৰোও ধৰিলে । আমাৰো কাঁড়, বন্দী মাৰি আছিল । পাচদিনা সিবোৰৰ ভাৰী বগেশ্বৰৰ উপৰ পালতলৈ পালোও ধৰিলে । আমাৰো মৰামৰি কৰি হাঁহকিলত দুই-চাৰি কাটিলে । এনেকে সিবোৰ ভাৰী যাব নোৱাৰিলত আহিলাপাতিও চুকাল, খাবলৈ চাউলো নাই, এই কাৰণে হাঁহকি পাচত ৰ'ল । ১৭৮ ॥

[illegible] পথৰোধ ।—পাচে বৰুৱা, ফুকনে বোলে,—"আমি উঠি বাৰলৈ বগেশ্বৰ-পৰ্বতত মহা সংকট, তাতে কোঁঠখান থাকিলে নামিবাৰ ভাৰী-খুৰীটো আগে তুলি পাচত আমি উঠিবলৈ ভাল । বিনা আজ্ঞাও লগতে যাব নোৱাৰোঁ ।" এই বুলি সোনাকাখৰীয়া বৰুৱাক, [illegible] ৰাজখোৱাক পঠাই কোঁঠ শকত কৰি সাৱধানে থাকিব দিলে । পাচে বৰফুকনৰ কোঁঠৰ ওচৰত তিনি দিন পথুলি সময়ত ফুকলি মাৰি যাই কোঁঠত সৰকিলে । মূলাগোহাঁইৰো বৰুৱাৰ কোঁঠৰ মাজতো বহা সেনা খৰিপাত অনা মানুহো তালেমান কাটিলে । শ্ৰীহট্টৰ থানাদাৰেও আমাৰ বৈৰাগীৰ লগত মানুহ পঠাইছিল । যোঁৱা দুটা দিছিল তাকো কাটিলে । মতৰে দিন এইমতে কাটি মাৰিছিল । ১৭৯ ॥

বিজয়ী বৰবৰুৱা আৰু বৰফুকনক [illegible] প্ৰসাদ ।—তেওঁৰ ঘাটৰ যোৱাজোৱা সৈ বোলে,—"তোমালোকক মহাৰাজা [illegible] বাটে মাৰি ধৰি শীঘ্ৰে অনাই যাব দিছে ।" পাচে বৰফুকনেও কছাৰী ৰজা, তাৰ সেনাধি [illegible], মানুহ ফুৰিচাৰেক, জয়ন্তাৰ বৰকোঁৱৰ সেনাপতি, মাৰাজন ভঁৰালী, উমন ভণ্ডাৰী, বিজয় কটকী, মূলাগোহাঁইৰ বগলৰ চাৰিকটাৰ দলৈ জনা,

মজুন্দাৰ আৰু আমাৰ বৰুৱালৈ দুটি কন্যা এইবোৰক ধৰি আনি ওলাই আহি পাছি দিলে । নৰ্ত্তনত ফুকন ৰাজ খোৱাক লগ পাই এদিন থাকি পাঁচ পুৰি চাৰি দিনে গোভালৈ ওলাল । মহাৰাজাৰ ঘোঁৰাচোৱা পঠাই বোলে,— " এখেৰ পৰা মই পানীদিহিঙীয়া ভগাৰাজখোৱাকে, ঘনচাম পাঁচনি বৰাকে পঠাইছোঁ । তাৰ ভাল বস্তুখান যে একো পোৱা নগ'ল ফুকনেও আগে ওলাই আহি বিচাৰ কৰিব ।" পাচে ফুকনেও জাগীলৈ ওলাই আহি গোভাত পলৰীয়া মানুহ আছিল তাকো আনিলে । সলাল বৰগোহাঞি, বৰুৱা, ফুকন সকলবো গাৱঁ বিচাৰ কৰি তাম, পিতল, লো, লোঞৰি বিস্তৰ পালে । সমস্তে ফুকন, ৰাজখোৱা গৈ মিছাৰ বিজয়পুৰ বাহৰত মহাৰাজাক সেৱা কৰিলে। সেই বস্তুৰ কথা বৰফুকনে জনালত মহাৰাজা বোলে,—" যি বস্তুৰ কাৰণে বিচাৰিব দিলোঁ তাক যে পোৱা নগ'ল, ৰাজ্যৰ বস্তু ওলোটাই দিওক ।" ফুকনেও যাৰ যি লৈছিল ওলোটাই দিলে । বৰফুকন, বৰবৰুৱা আনো ফুকন ৰাজখোৱাক বঁটা দিলে । ওপৰদয়ঙীয়া ৰাজখোৱাক আমচেঙৰ পৰা উলটি যাবৰ হৈ ভাঙিলে । বৰুৱা ফুকনেও দুই ৰাজখোৱাক উলটি যাবৰ শুনি কলীয়াবৰীয়া ফুকনক পাচিলে । তেওঁ সংশয় দেখি নাহিলত মহাৰাজাও বঁটা নেদিলে, ভাঙিব খুজিলে । বৰুৱা, ফুকনে মাতিলত ক্ষেমা কৰিলে । ১৮০ ॥

বিজয়পুৰত কছাৰী ৰজাক দিয়া বোজৰাজ ।—আৰু কছাৰী ৰাজাক নি মিছাৰ নামে চামগুৰিত থৈছিল । যিদিন বিজয়পুৰৰ বাহৰ পালতগৈ ১ ঝপাত চিকণ মাহ ২০ টেকেলি, ১ ঝপাত দোয়াপগা লোণ ১০ টেকেলি, ১ ঝপাত খৰিচা ২০ টেকেলি, উজনীয়া বচা লোণ ১০ টেকেলি, ১ ঝপাত খা-লোণ ১০ টেকেলি, ১ ঝপাত ঘিউ ১২ টেকেলি, ২ ঝপাত তামোল ২০ থোকা, ১ ঝপাত চিনি ৪ টেকেলি, চিকণ পাণ ২০টা, ১ ঝপাত মধ্যা পাণ ৪০টা, ১ ঝপাত ঘোৰ তামোল ৪ থুকু, ২ ঝপাত তামোল ২০ থোকা, ১ ঝপাত গাখীৰ ২০ টেকেলি, ১ ঝপাত হাঁহ ডিমা ৬ কাক, গুৰ ৪ টা, তেল ১০ কলহ, মাঠিয়েৰে চাউল ৬ সাজী, তোম চাউল ২০ তোম, কাহ ১০টা, মাছ ৬ সাজী । ১৮১ ॥

কছাৰী ৰজাৰ ভীষ্মাষ্টমী স্নান ।—এনেতে ভীষ্মাষ্টমীত লোহিতত স্নান কৰিবলৈ প্ৰাৰ্থনা কৰিলে । ৬৬৩ " স্নান কৰিব লাগিলে তাৰো যে

এঁকো নাই, দিব নৰ লাগে, ” এই বুলি সুবৰ্ণ ২০ টকা, ৰূপ ৪০০ টকা, কাপৰ ৪ যোৰ মনমথ কটকীতকৈ দি গ'ল। সিও হাতীএৰে চুমুনিশিলাত এক ৰাতি থাকি স্নান-দান কৰি আহিল । ১৮২ ॥

বিশ্বনাথত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দৰবাৰ ।—জয়ন্তা ৰজাক হাতী-মূৰাত থৈছিল । এতেকে ৮৮ বিশ্বনাথলৈ গ'ল । কছাৰী ৰজাক নি বিশ্বনাথৰ নাম উত্তৰে থলে । জয়ন্তা ৰজাক বিশ্বনাথৰ উপৰে থলে । বৈশাগৰ ১ দিন ৰাওতে মঙ্গলবাৰে বিশ্বনাথৰ দক্ষিণৰ বালিত দুটি লালীকৈ তামি ঘৰত তিনি-খুপীয়া দাঁতৰ শিঙৰ পহুএৰে সিংঘাসন, সোণৰ চাৰি খুঁটা, ৰূপৰ চাৰি খুঁটা, চাৰেটি চন্দোৱাৰ তৰি মহাৰাজা বহিছিল । দখিণফালে তিনি ৰেঞো অন্তৰে এটি তামি ঘৰত গোহাঞিবোৰো, দৰঙ্গী ৰজাও বহিছিল । ৰজা ৰহা ঘৰৰ আগৰটিত ফুকন, ৰাজখোৱা উত্তৰকোথে বহিছিল । আনো লোক হাতী ঘোঁৰা কটকী তোলা ধাৰণে বহিছিল । ১৮৩ ॥

ৰাজ দৰবাৰত কছাৰী ৰজা তাম্ৰধ্বজ ।—পাচে কছাৰী ৰজাক সিপাৰৰ পৰা যোৰ চৰাএৰে আনি লুইতৰ কোথৰ পৰা দন্তাল হাতীএৰে গড়ৰ কোথলৈ আনিলে । তাৰ পৰা ভাল ৰাউতে জীম বন্ধা ঘোঁৰাত তুলি ফুকনবোৰৰ ৰহা ঘৰৰ তিনি ৰেঞো অন্তৰে থলাত নমালে । তাৰে পৰা সেইখানি মাটিএ গ'ল । সেৱা কৰিবলৈ মূধৰ খুঁটাৰ গুৰিত চৰাৰ ওপৰত বানাত পাৰি দিলে । লগতে খেমাজি সহিতে ভাল মানুহ পাঁচোটা গৈছিল, তাৰে দুটা নামতে থাকিল, তিনিটা চ'ৰাতে ৰহিল । ভেঁটি যি নিছিল শৰাএৰে তাক হাজ-বিকীয়াইতে নিছিল । পাচে বৰুৱাই ভেঁটালে, বোলে,—" স্বৰ্গদেও যি কছাৰী ৰজাক বন্দী কৰিবৰ শুনি আমি বন্দীসকলক পঠাই দিলে তাৰ ৰাজ্যকো মৰা গ'ল, ৰজাকো ধৰি অনা গ'ল । কছাৰী ৰাজাকো অনা গৈল । কছাৰী ৰাজাএ দেৱতাৰ চৰণত সেৱা কৰিছে ।" হাতী ১টা, সোণোৱালী কাপৰ ২খন, তাও ৪খন, থান ১খন । এইৰূপে সেৱা কৰিলত চৰা বানাতৰ ওপৰত কেপকৰা তুলীত কিৰ্ম্মিজৰ গাক দিলে, তাতে ৰহিল । পাচে মহাৰাজা মজুন্দাৰক পঠাই বুলিলে,—" পূৰ্ব্বাপৰ কছাৰী ৰজা আমাৰ থাপিত-সাক্ষিত, ৰাজ্যো মধ্যতে বিস্মৰণ হৈছিল এতেকে আমাৰ লোকজন পঠোৱা হৈছিল । ৰাজা যে আমাৰ লোকেৰে কথাবাৰ্ত্তাও নহ'ল, দেখাও নেদিলে, আৰ কাৰণ কি ?

আৰু জয়ন্তা ৰাজাও ধৰি নিছিলে নিমিত্তে যাতো মোলৈ সৰ্ব্বপ্ৰকাৰে প্ৰাৰ্থনা কৰি পঠালে। জয়ন্তা ৰাজাও মোৰ মিত্ৰ। তথাপি মোৰ প্ৰধান মন্ত্ৰী বৰবৰুৱা, বৰফুকনক পঠাই তাৰ ৰাজ্যকো লবা গ'ল, ৰজাকো ধৰি অনা হ'ল। আৰু ৰাজা কৈতে আছিতে কেনে ভালে আছিল ? পৰত আহোঁতে বা কেনে ভালে আহিলা ? বৈৰতৰ লোকজনৰ ৰাই-ৰাজী আহাৰ কি পাইছে নেপাইছে ? "

কছাৰী ৰাজা বোলে,—"৮৮ লোকজন যাবৰ হই, যাতো আমি ৰয়লত ন'বা, বুধি অল্প, এতেকে ভয়-সংশয়ত থাকি সন্তাপ হোৱা নগ'ল। পথতো ৰজ পাই কুশলে আহিলোঁ, বৈৰতৰ লোকজনো কুশলে আছে। যি দুই এক ভাগিছিল সিও চাপিছেহি। গঙ্গা দৰশণ হৈতে যেমনে অনেক কল্মষ নষ্ট হই তেমনে ৮৮ৰ চৰণ দেখি আমাৰ ভয়-সংশয় সবে দূৰ গৈল। এখন যিৰূপ আজ্ঞা হই তাকে কৰিব।"

এইৰূপে অলালত ৮৮ বোলে,—" জয়ন্তা ৰজাও বন্দীখানাত থৈছিল, যিৰূপে আছিল তাক আপুনি জানে। যাতো সৰ্ব্বপ্ৰকাৰে প্ৰাৰ্থনা কৰি পঠালে, এতেকে তাৰ ৰাজ্যকো লবা গ'ল, ৰজাকো ধৰি অনা গ'ল, কছাৰী ৰজাকো অনা গ'ল। এতেকে ৰাজা সৰ্ব্বথাএ মোৰ হ'ল। তাত বিস্মৰণ হব নালাগে। এখান গৈ ৰহাত জিৰাই থাকোক, যেখন বিদাই হই আৰু শিকাও পাব।" ১৮৪ ॥

সলাৰ ৰাহৰত কছাৰী ৰজাক দিয়া ৰোজবাজ।—বৈশাখৰ দুই দিন যাওঁতে সলাৰ ৰাহৰৰ বালিত সেৱা কৰিলত দিলে,—চিকণ চাউল ১০০ কলহ, খুৰালগা টেকেলিৰে চিকণ চাউল ৪০ টেকেলি, তোম চাউল ২০০ তোম, কলা মাটিমাহ ২০ কলহ, চিকণ মুগু বিৰলি ২০ টেকেলি, চিকণ লোণ ১০ টেকেলি, চিনি, মধালি লোণ ৩০ টেকেলি, গোট লোণ ২০টা, তেল ২০ কলহ, ঘিউ ২০ টেকেলি, কালুক ২০ টেকেলি, তামোল ৪০, পাণ ৪০ টা, বোৰ তামোল ৪ কলহ, মাছ ৬ সাজী, কাছ ১০ টা, গাখীৰ ৪০ টেকেলি, চিনি ৪ টেকেলি, ভাল গুৰ ২ কলহ, বৰা গুৰ ৪ টা, শাকপাত ৬০ ভাৰ। ১৮৫ ॥

তাম্ৰধ্বজ ৰজাৰ বিদায় উপহাৰ।—১৬৩০ শকত বৈশাখৰ ৩ দিন যাওঁতে মঙ্গলবাৰে সলাত কছাৰী ৰজাক বিদাই দিওঁতে দিয়া বস্তু,—[illegible]

শিৰপোতা ১ খাৰ, বাখৰৰ কণ্ঠপোতা ১ খাৰ, বাখৰৰ হৰ্হলীএৰে মুকুতাৰ মালা ১ খাৰ, বাখৰৰ কৰ্ণফুলা ১ যোৰ; ৰজাৰ আগতে ৰকমা ফুকনে দিলে। আৰু দিহিঙ্গীয়াক ২ জোৰা, হাতী ৪টা, ঘোঁৰা ৪টা, লগতাও দুটি নিয়া আবিলা-পাতিকো দিলে। শীতল নেবেৰীয়া মানুহ ১৪০ ওলোটাই দিলে। সোণৰ কাণফুলা ১ যোৰ, হাতত পিন্ধা বাখৰৰ ৫ যোৰ, সোণৰ আঙঠি, সোণৰ চাকিপতীয়া জলা ১ যোৰ, সোণৰ পেন্দাৰ ২ খাৰ, সোণৰ চাৰিপতীয়া খাৰু ১ যোৰ, সোণৰ বটা ১টা, সোণৰ বাটি ১টা, বাখৰৰ টৌৰ ১টা, সোণৰ উকা টৌৰ ১টা, সোণৰ খৰিকা চুঙা ১টা, সোণৰ কাণখৰিকা ১টা, সোণৰ তামোল ১, সোণৰ কৰা ১, সোণৰ কাঁহী ১, সোণৰ চুলাএৰে টকোণতীয়া ঝাপি ১, ৰূপৰ কলহ ১, ৰূপৰ বেলা ১, ৰূপৰ মাৰিখন ১, ৰূপৰ বাটি ২টা, ৰূপৰ কলহ ২টা, তামৰ কলহ ৪টা, পিতলৰ কলহ ৪টা, কাঁহৰ কহাৰী শৰাই ২ খন, কাঁহৰ মুকলি শৰাই ২ খন, তামৰ মুকলি শৰাই ১খন, সোণালী ঝালৰ আয়না ১টা, সোণৰ ফুলৰে চেলেং ১ খন, সোণৰ ফুলে পাগ ১, সোণৰ পাটি ১, সোণৰ তোযোলা ২, ৰূপৰূপালী ইজাৰ ২, সোণৰ আগফুলাম গাফুলাম পাটুকা ১, সোণৰ আগফুলাম ৰূপৰ গাফুলাম ১, আগফুলাম ৰূপৰূপালী পটুকা ২, কপাহী আঙৰ জামা ২, চিকণ আতলচৰ ইজাৰ ৩ খান, বোলোৱা ৰৰপাগ ১ গছ, উকা পাগ ২, পাটৰ চুৰিয়া ৪ খান, তামোলৰকা ১৭ খান, পখকতৰ ৯ খান, গামোচা ১১ খন, কাঠফুলীয়া ৰৰকাপৰ ১ যোৰ, গ্ৰাক্তিফুলাম ৰৰকাপৰ ২ যোৰ, বোলোৱা পাৰিফুলাম ১ যোৰ, আচুৰ পাৰখুপীয়া ১ যোৰ, গাখিফুলাম ২ যোৰ, ৰখিয়ালী পাৰিদিয়া ১ যোৰ, উকা পাৰিদিয়া ১ যোৰ, মুঠত ৯ যোৰ। চেলেং আচুফুলাম ১, বোলোৱা পাৰিফুলাম ১, আচুৰ পাৰখুপীয়া ১, আগফুলাম পৰিকলী ১, বোলোৱা চেলেং ২, ফুলাম ৰৰকাপৰ ১, ভাৰকটাৰী ১০ খান। ১৮৩॥

জাত্ৰধ্বজৰ কুঁৱৰীলৈ দিয়া উপহাৰ।—কহাৰী ৰজাৰ মুকুন্দীদেৱ দিলে,—সোণে পোৱালে মণি ৭ খাৰ, ভিজিৰ চেও ১ নওখৰীয়া, সোণৰ খাৰু ৪ গাচ, বাখৰৰ খুৰীয়া ১ যোৰ, মুকুত পিন্ধা বাখৰৰ চিটিফুল ১ খান, সোণৰ টৌৰ ১০।, ৰূপৰ কৰা ১, ৰূপৰ বাৰী ২, সোণৰ চুলাৰে ঝাপি ১, ৰৰকাপৰ গ্ৰাক্তিফুলাম ১ যোৰ, গাখিফুলাম পাৰিদিয়া ১, ঝাপুৰুলীয়া ১, আচুফুলাম কিৰা ২, পাৰিফুলাম ২, ঝাপৰে ৪, মুঠত ১৩। মেখেলা ফুলফুলীয়া ২ যোৰ, কলীয়া ৩ যোৰ,

কলীয়া ১ যোৰ, চিকণ তাওৰ ৪ যোৰ, পখকতৰ ৬, ভাবকটাৰী ১ খান । ১৮৭ ॥

কছাৰী ৰজালৈ দিয়া দ্ৰব্যবস্তু ।—কছাৰী ৰজাক বিদাই দিওঁতে খাবলৈ খুৱা লগোৱা টেকেলিৰে মালতী চাউল ১২ টেকেলি, কলহেৰে ২০, তোমেৰে ৪০, খিৰলি মাছ ৪, মুগু ৪ টেকেলি, মাহ ১০, চিকণ লোণ ৪, মৰালি লোণ ৪ টেকেলি, গোট লোণ ২টা, তেল চাৰি কলহ, ঘিউ ৬ টেকেলি, খা-লোণ ৪ টেকেলি, শুকান খৰিছা ২০, ঋালুক ৪, দৈ গাখীৰ ২০, আঁৱা ১০, গুৰ ২০, শাকপাত ২০, চিনি লাড়ু ২ ৰূপা, পহু, মাছ ৪ সাঙ্গী, কাছ ৪, তামোল ৪০ থোকা, পাণ ৪০, যোৰ তামোল ১ কাওণ, বৰা খালোণ ১০ খান, হাঁহ ডিমা ৩ চক, ৰাজহাঁহ ৪, পাতিহাঁহ ৪, চৰাই ১০ । কেপকৰা বহা তলচা গাক সহিতে বানাতৰ তলচা ১ খান, পিতলৰ ঢেকৰ দাপণেৰে কেঁকোৰা দোলা ১, তলচা গাক সহিতে, ৰূপৰ কাকেৰে সোণৰ মুঠিয়েৰে হেঙ্গদান ১ খন দি পাচে চাৰি হাজাৰ মানুহ দি আগবঢ়াই থব দিলে । বৎসৰি আহি পাঁচোটা হাতী দিবলৈ কবুল কৰিলে । ১০৮ ॥

বিশ্বনাথৰ দৰবাৰত জয়ন্তা ৰজা ৰামসিংহ ।—৺ কছাৰী ৰজাক যি ৰাষ্ট্ৰণে বহি তুলিলে তাত কৰি কিছু ম্লান কৰি জয়ন্তা ৰজাক সিপাৰৰ পৰা যোৰ চৰাএৰে আনি কাথৰৰ পৰা হাথীয়েৰে আনি দণ্ডেকৰ পথৰ পৰা ঘোঁৰাৰে আনিলে । চাউডাঙ্গৰ পাচৰ পৰা নমাই আনিলে । মুধৰ খুঁটাৰ ওচৰত ঢৰাৰ উপৰত বানাত পাৰি দিলে, তাতে আঠু পাৰি সেৱা কৰাই পাচে বৰুৱাই তৌটালে,—"৺দেৱে যি আমি বন্দীসকলক কছাৰী ৰজাক জয়ন্তা ৰজাএ ধৰিবৰ শুনি পাচিলে, আমি বন্দীসকল সি ঠাই পালতগৈ কছাৰী ৰজাকো দিলে, জয়ন্তা ৰজাও মিলিল, আমাৰ লগতে আহিল । ৺ চৰণত সেৱা কৰে ।" হাতী ৫০, ঘোঁৰা ৪, সোণাৱলী কাপৰ ৪ শৰাই, চিচা ৪ শৰাই, গজমুকুতা ১ শৰাই ।

পাচে ৺ মজুন্দাৰক পঠাই বুলিব দিলে,—"পূৰ্ব্বাপৰ কছাৰী ৰজা আমাৰ থাপিত-সাক্ষিত । যাতো সি বিস্মৰণ হৈছিল এতেকে তাৰ ৰাজ্য মাৰিবলৈ আমাৰ লোকজন পঠোৱা হৈছিল । আমাৰো লোকজন তাৰ নগৰ পালতগৈ নগৰ ছাৰি কছাৰী ৰজাও পলাল । পাচে পলাবৰ শুনি যোৱা গ'ল,—'সি

সকল দিন আমাৰ থাপিত-সাঞ্চিত, পুনৰ্ব্বাৰ আহিব ।' আমাৰো লোকজন আহিলত শুনা গ'ল জয়ন্তা ৰজাও কছাৰী ৰজাক ধৰিনিয়া হেন । এতেকে পূৰ্ব্ব সম্বন্ধ-প্ৰীতিক দৰ্শাই ৰজালৈ অনেকৰূপে বোলা গ'ল । যাতো ৰাজা তাক নকৰিলে এতেকে আমাৰ মুখ্যপাত্ৰ বৰবৰুৱা বৰফুকনক পঠোৱা গ'ল । পূৰ্ব্ব-সম্বন্ধ দৰ্শাই বুলিব দিয়া গ'ল,—'যি ঠাইত কছাৰী ৰজাক দিয়ে তাৰে পৰা ফিৰি আহিব' হেন বোলা গ'ল । এতেকে পথে যাইতে শুনা গ'ল আমাৰ লোকজনক ৰাজাৰ লোকে মাইৰ দিলে হেন । তাক শুনি বোলা গ'ল,—' পূৰ্ব্বাপৰ সম্বন্ধ-প্ৰীতিক ছাৰি যে সি ৰাঢ়ে আমাৰ লোকজনেও মাৰি ধৰি বাঢ়ি যাওক ।' এইৰূপে মাৰি ধৰি বৰুৱা ফুকন সিঠাই পালতগৈ কছাৰী ৰজাকো দিলে ৰাজাও মিলিল । যাতো পূৰ্ব্ব সমন্ধ-নিবন্ধ প্ৰীতিক ছাৰিলে এতেকে ৰাজাৰ ইথান হৈল, আৰ দেৰেসে কাৰণ ।" আত জয়ন্তা ৰাজা বুলিলে,—" বৰফুকনৰ ঠাইকো সন্দেশ-পত্ৰ দি পঠালোঁ, সি ফিৰি গ'ল । বৰবৰুৱাৰ ঠাই হাত বান্ধি মিলিলাম । এখন ৺৺ যে কৰে সেই ।"

এইৰূপে জনালত ৺ বোলে,—" যাতো পূৰ্ব্ব সমন্ধত থাকি ৰাজা মিলিল এতেকেসে আমি থাপিম-সাঞ্চিম বুলি ইহাক অনা হ'ল । পাচতে শুনা গ'ল ৰাজাৰ লোকজন বিহৰিছে হেন । তাতে যদি ৰাজাক থাপি-সাঞ্চি পঠাম কেনেৰূপে শোভন হব ? পুৰুষৰ ধৰ্ম্মে আগ, ধৰ্ম্মক আগকৈ যদি কোনো কৰ্ম্ম কৰে তেবে ইহলোকত সিদ্ধি হব, পৰলোকত সুখ হব । যেমনে ৰাজাৰ দ্বাৰাএ লোকজনৰ সহাই সেৰূপ উপাই চিন্তিব লাগে । যদি ৰাজাৰ দ্বাৰাএ বশ নহই পূৰ্ব্বে যে থাপিম-সাঞ্চিম বোলা গৈছে পুনৰ্ব্বাৰ কাটি মাৰি বশ কৰিও ৰাজাক থাপিম সাঞ্চিম ।" জয়ন্তা ৰাজাএ বুলিলে,—" আমাত হস্তে ইকথা হবলৈ আছে নেকি ? ৺৺ আজ্ঞা যিথনি পাৰি কৰা যাব ।"

মহাৰাজা বোলে,—" মজুন্দাৰতকৈ যি বুলিছোঁ কথা সেইহে । মই বুলিলোঁ বৰুৱা তাক সম্পষ্ট কৰি বুজাব ।" পাচে ৺৺ আজ্ঞাএ বৰুৱা এইখান বুলিলে,—" ৺৺ এইখানি বুলিছে,—' জয়ন্তা ৰাজাকো যে সেই থানতে থাপি থয় আমাৰ অভীষ্ট এইহে । ৰাজা ইঠাইলৈ আহিলত শুনা গৈছে তাৰ লোকজন বিহৰিছে হেন । সেই যেমনে বশ হয় তাকে ৰাজা ভালৰূপে চিন্তিব লাগে । আৰ কছাৰী ৰজাৰো ৰৰা-ৰকক ভাল মানুহ আহি অনেকৰূপে প্ৰাৰ্থনা কৰিলত

পূৰ্ব্বতে থাপি থোৱা গ'ল'। এতেকে ৰজাৰো ভাল মানুহ আহি প্ৰাৰ্থনা কৰিব লাগেহি। পাচে পূৰ্ব্ব সম্বন্ধ-নিবন্ধ প্ৰীতিক চাই থাপি সাক্ষি ধৰা হব। যদি ৰজাৰ ৰাজ্যএ লোকজন বশ মানাই পূৰ্ব্বে যে বুলিলোঁ থাপিৰ-সাক্ষিৰ পুৰুষাৰ ভাক কাটি মাৰিও বশ কৰিও থাপিৰ সাক্ষিৰ। পূৰ্ব্ব সম্বন্ধ-নিবন্ধ প্ৰীতি ছাৰিলে বিধান হই তাক তাঙ্কি আপুনি জানে'।" তাতে জয়ন্তা ৰজা বুলিলে,— "যেখন আইলাম এতুৰি বন্দীএৰে আইলাম, ভাল মানুহ বৰুৱা সাতে ৰহিল। পাছত বিধান হৈছে আমি তাক কি জানি? আমি যে ইঠাই আহিব পাৰিলোঁ সি যে মাহিম, সি কোন ৰৰমানুহ?"

পাচে ৺৺ বোলে,—"এখন ৰহাত জিৰাই থাকগৈ। আনাদিনাকৈ কথা হ'বলৈ পোৱা যাব।" বটা-বাহন তাম-পিতল আনো অস্তবাব সহিতে ৰজাৰ যি আছিল মানে ১৩০০ টকাৰ বাব দিলে। পাচে ৺৺ কথাবাৰ্ত্তা হৱৰ কাৰণে কছাৰী ৰজাক দিলে ৰৰবৰুৱাক, জয়ন্তা ৰজাক দিলে বৰফুকনৰ হাতত। ১৮৯।

ৰামসিংহ ৰজাৰ মৃত্যু।—পাচে ৺৺ৰ আজ্ঞাএ দুটি মানুহেৰে নাওৰে ভণ্ডাৰীক তাৰ ভাল মানুহ প্ৰাৰ্থনা কৰি ৰজাক নিবৰ নিমিত্তে বৰফুকনে জয়ন্তালৈ পঠালে। এতেকে ৺ বিশ্বনাথৰ পৰা গড়গাঁওলৈ গ'ল। বৰফুকনে মনথিৰ তামূলীক লগত দি জয়ন্তা ৰজাক উজাই পঠালে, ৰঙ্গামাটিত পালেহি। মাৰ তৰা দি জয়ন্তা পালেগৈ। সিহঁতে বোলে,—"তোমাক কিয় পঠাইছে আহিছ? ৰজা আছে বা নাই তোৰ কথাত প্ৰমাণ কি? আমাৰ ৰাণী, গাৰু, কাওৰা ইহঁত তোৰ লগতে যাওক, ৰজাকো চাই আহক। যদি প্ৰাৰ্থনা কৰিব লাগে দিয়ে আমিও যাম।" এই কথা কনালত শ্ৰাৱণৰ ২০ দিন যাওঁতে পৰিলাকে ৰজা মৃত্যু হ'ল। ৰজাক পুৰিবৰ দিনা ৺ ফিলামাটিলৈ দিলে ৰূপ ৬০, কড়ি ৪ কচি। কৰ্ম্মলৈ দিলে ৰূপ ৩০০, সোণা ১০। ১৯০।

জয়ন্তাৰ কন্যা চাঙলৈ নিওঁতে বটা বিতৰণ।—ভাদ্ৰৰ ১৭ দিন যাওঁতে কন্যা দুটী চাঙলৈ নিলে। কন্যা নিওঁতে বটা দিলে বুঢ়াগোহাঁইক,— সোণাৰ থাক ৪ পাট, কৰ্ণফুলা ১ যোৰ, ফুলাম ৰৰকাপৰ পাটফুলি পাৰিএৰে ১ যোৰ, ৰূপ ৬০; সেনাপতিক,—ফুলাম ৰৰকাপৰ পাটফুলিএৰে ১ যোৰ, ৰূপ ৪০; ৰৰদলৈক,—অস্তীএৰে কাপৰ ১ যোৰ, ৰূপ ১২ টকা; মজুমদাৰক,— অস্তীএৰে কাপৰ ১ যোৰ, ৰূপ ১০ টকা; বিজয় কটকীক,—অস্তীএৰে কাপৰ

৪ যোৰ, ধন ১০ টকা; সাধাৰণ ভণ্ডাৰীক, উত্তম, থান সৰবাৰ, টঙ্কন, এই চাৰিজনো এইদৰে; ৰাম মজুমদাৰক,—কেকুএৰে কাপৰ ১ যোৰ, ধন ৪ টকা; পাচে আৰু ওটা মানুহক,—কেকুএৰে কাপৰ ৩ যোৰ, ধন ১৪ টকা; আৰু পাইকবোৰলৈ,—ধন ১১৪ টকা, ডকুৰা বৰকাপৰ, চেলেং, পাগুৰিএৰে কাপৰ দিলে। ১৯১॥

গুৱাহাটীত জয়ন্তাৰ বৰকোঁৱৰৰ অভ্যৰ্থনা।—পাচে ৮৮ ভাদ্ৰৰ পঞ্চ দিন আছোঁতে শনিবাৰে বৰকোঁৱৰক গুৱাহাটীলৈ পঠালে। বোলে,—"যেনেৰূপে হয় বৰকোঁৱৰক সন্তোষ কৰি দি-থৈ তাক তুলি আগীৰ কৌঠলৈ পঠাই দিব, ৰাজাৰ অস্থিও অশ্বক্ৰান্তত লগাব দিব।" ফুকনে দপদৰত কটকী তোলা তাএ ৰহিছিল। বৰকোঁৱৰ থিয়ই আছিল। তাৰ লগৰ মানুহে সাতসেৰা কৰি আছিল। ৰাজখোৱাবোৰ ৰহা চ'তিৰ তলত থকা পাৰি ৰহিল। বেলতলীয়া ৰজাও দপদৰত আছে। ৰহা খুঁটা এৰি তাৰ উজনীত ৰহিল। পাচে ফুকনে মাতিলে বোলে,—"বৰকোঁৱৰ, যেথন জয়ন্তা ৰাজা আমাৰ ঠাইত মিলেহিঁ তেথন ৮ সেৱা কৰি পুনৰ্ব্বাৰ ৰাজ্য পাবৰ নিমিত্তে মোত অনেকৰূপে বচন-কথা আখাৰ বুলিছিল। মঔ ৮দেৱৰ চৰণত প্ৰাৰ্থনা কৰি সেই ৰাজ্যতে সংস্থাপন কৰিম হেন বুলিলোঁ। যেথন বিশ্বনাথৰ পৰা মই আহোঁ ৰাজাৰ নিমিত্তে অনেকৰূপে ৮ৰ চৰণত নিবেদন কৰি আহিছোঁ, যেথন নাৱো যাই তেথনো ৮ৰ চৰণলৈ প্ৰাৰ্থনা কৰি পঠাইছোঁ। এতেকে দৈৱদোষত ৰাজাৰ ইখান হ'ল। তইকৰ নিমিত্তেও মই জনাই আহিলোঁ। তইতেও যকয়াৰ বাৰাএ ৮ৰ চৰণত অনেকৰূপে প্ৰাৰ্থনা কৰিলি, এতেকেহে আহিবলৈকো পালি। ভাল মানুহ-সমূহ আহি মিলেহিহে তঔ সেই দেশ পাবলৈ আছে, ৰাজ্যো ৰক্ষা যাই। সেই যদি নিমিলিবহি দেশ বা কিৰূপে ৰক্ষা পৰিব? তই বা কিৰূপে ৰক্ষা পৰিবি?" বৰকোঁৱৰে বোলে,—"৮ ঈশ্বৰৰ আজ্ঞা হৈছে, পিতৃও বুলিছে ঈশ্বৰে এইখান কৰাব।" তাক বুলিলে,—"কোঁৱৰ, ঈশ্বৰে কৰাব হেন যি বুলিছ তদ-সৰ আগে যদি পুৰুষেৰক তলে তেহে তাৰ ফলকো পাই, অশুদ্ধ মন হলে তাৰ কৰ্ম্ম ছিন্ন হয়।" কোঁৱৰে বোলে,—"কামাখ্যা, উমানন্দ সাখী আছে মই যদি কোনোখান কপট কৰি বোলোঁ।" পাচে ৰূপৰ বটাৰে তামোল দি বোলে,—সেই ৰাজ্যখানৰ ইবাৰ অনেক মাৰি-ধৰকত হৈছে, পুনৰ্ব্বাৰ এনেখান হলে তাৰ

কিছু নথাকিব । এনেৰূপে কথা-বচন আখাৰ হৈ যদি মিলাৰ পাৰ তাতহতে ধৰ্ম আছে, লাভো আছে । আজি ৰহাত স্থিৰাই থাকগৈ, আনদিন জাগীলৈ যাবি ।” কোঞৰে বোলে,—“পাত্ৰ-মন্ত্ৰী সকলো আগৰ অপৰাধক মনে মাৰ কৰিবা, আৰম্ভক হব ।” তাতে বোলা গ'ল,—“অপৰাধক ক্ষমা কৰিলতহে ইঠাইলৈ আহিব পাইছ । যিৰূপে বুলিছোঁ ইহে হব লাগে ।” ১৯২ ॥

অশ্বক্ৰান্তত ৰামসিংহৰ অস্থি অৰ্পণ ।—ৰাজাৰ অস্থি অশ্বক্ৰান্তত লগাবলৈ কপিলা সালঙ্কৃত গো লাগে বুলি ক'লত তাকো দিলে । চাউল, লোণ, ভোজনী দিবলৈ কড়ি ১২০, খৰু ৬ খান, সোণা ২১ খৰ । সিবোৰ দান-দক্ষিণা কৰি অস্থি লগালে । ১৯৩ ॥

বৰকোঁৱৰক দিয়া উপকাৰ ।—বৰকোঞৰক দিলে,—ৰূপ ৭০, চাৰধৰা বৰকাপৰ, আতলচৰ জামা, পাগুৰি, পটুকা, ৰূপুৰালী ইঝাৰ ১ যোৰ, আচুকুলাম যোৰ বৰকাপৰ, তাৰৰ জামা আৰু এক যোৰ । বহাৰিলৈ,—৪০ ৰূপৰ বটা ১টা, টেমি, ৰূপৰ পটি এৰে মেখেলা চাৰধৰা ১ যোৰ, বৰকাপৰ আচুকুলাম ১ যোৰ, বৰকাপৰ চাৰধৰা ২ যোৰ । নাৰাৰ্ণ ভণ্ডাৰীক ১০ টকা, ফুৰু সৰ্দ্দাৰক ১০ ৰূপ, ৰামদাসক ৫ ৰূপ, বিজয়ৰাম কটকীক ১০ ৰূপ, চাঁদৰাইক ৬ ৰূপ, পাচে অহা তিনিক ৯ ৰূপ, পাটভুনিয়েৰে কুকুৰকুলীয়া কাপৰ ৬ যোৰ আৰু বয়া কাপৰ ৫ যোৰ, আৰু আঠোটা মানুহলৈ ৩০ ৰূপ দিলে । ১৯৪ ॥

অৰ'জ্ঞক জয়ন্তা ৰাজ্য ।—জাগীতো কলীয়াবৰীয়া ফুকনৰ দুই হাজাৰ, নাযদঙ্গীয়া ৰাজখোৱা, ৰাজাক পাই আহিবৰ পৰা আছিল । পাচে বুঢ়াগোহাঞি, ফুকন, নাযদঙ্গীয়া, তকৰা দিহিঙ্গীয়া, বৰুৱা ভূঞা সহিতে সেই কোঁঠত বৰকোঞৰক থাপি পৰ্ব্বতলৈ মানুহ পঠালে । নাৰাখোলাই, বিজয়ৰাম, ইহঁতক ৰাখি নৰ্ত্তঙ্গৰ হলৈ তিনিটা, সেওত দুটা পঠাই দিলে, বোলে,—“মানুহ যি আছিল সকলো তাতে আছে, আমাৰ ইঠাইত আৰু ভাল মানুহ নাই । ইপোনেও আমাক যাতে, কপিলীও অনেক ঠাঁঠ পঠাইছে, সিও তাক-সংশয়ত মাৰাই । আমাৰো ৰাজা নাই, অৰাজ্য দেখি শত্ৰু অনেকেও মাৰিব খোজে ।—কোঞৰক ৰাজা পাতি দি ৮ ৰাজ্যখান থাপক লাগক ।” ১৯৫ ॥

জয়ন্তাত ৰজা পতাৰ বিষয়ে স্বৰ্গদেৱৰ সিদ্ধান্ত।—এই কথা ৮ত জনালত বোলে,—" কোঞৰক জাগীৰ পৰা গুৱাহাটীলৈ নি তাৰ যি মানুহ আছিছে এইখান বুলি ফিৰাই পঠাব,—' যেখন জয়ন্তা ৰজা আমাত মিলিল তেখন ৮ৰ চৰণত প্ৰাৰ্থনা কৰি সেই ৰাজ্যতে থাপিম হেন বুলিছিলোঁ। যেখন মাৰো যাই তেখনো ৮ৰ চৰণত প্ৰাৰ্থনা কৰি পঠালোঁ। পাচতো ৰজা বিকলে এক দিন দেশক পাৰ ৰাজ্যো ৰক্ষা পৰিব এই প্ৰাৰ্থনা ৮লৈ কৰি পঠালোঁ। দৈৱদোষে ৰজা মৃত্যু হ'ল। কোঞৰেও আৰ বৰা-বৰুৱৰ সাবাঞ ৮ত জনালত ইহঁতলৈ পঠাই দিলে। এথেৰো পৰা নাৰাথুলাই, বিজয়ৰাম গৈল, সিহঁতো দেখোঁ নাহিল ? এখন তইঁত যি আহিছ তোৰ কথাত প্ৰমাণ কি ? যি কথাত সংশয় কৰে, শৰণাগত যি হৰ তাক কোনো দিন মৰা-কটা নাই। ইকথা সাক্ষাতে প্ৰমাণ কছাৰী ৰাজ্যত হৈছে। এতেকে তাৰ ভাল মানুহ দুই-চাৰি আহি প্ৰাৰ্থনা কৰিবহি। ৰজা যাক মানিব তাৰ নাম ধৰি কওকহি। কছাৰী ৰজা মৰিল, তাৰ পুতেকক ৰজা পাতিবৰ নিমিত্তে আমাৰ বৰা-বৰুৱ ভাল মানুহো গৈছে। আত কি সংশয় আছে ? যদি কোঞৰকো পাৰ ৰাজ্যে ৰক্ষা পৰিব, ১০ দিনলৈ দিন দিলোঁ শীঘ্ৰে আহকগৈ। যদি নাহে ইদোষৰ আমি বাদ।" পাচে কোঞৰ জাগীৰ কৌঁঠলৈ গৈ ইহঁতক পঠালে। ১৯৬ ॥

ৰজা প্ৰাৰ্থিবলৈ অহা জয়ন্তাৰ ভাল মানুহ।—তাত পাচে বিজয়ৰাম, উচিঙ্গিমলাত, বৰকোঞৰৰ ভাই, ইহঁত আহিলত বুঢ়াগোহাঞি, ফুকনকো জাগীৰ পৰা ভলাই আহিব দিলে। কোঞৰকো আনি এইখান বুলিৰ দিলে। পাচে ফুকনে বোলে,—" কোঞৰ, ৮ৰ ঠাইত বা যি বচন-কথা আখাৰ বুলি আহিলি, আমাৰ ঠাইত বা যি বুলি পলি তাৰো দেখোন চিন-প্ৰমাণ একো পোৱা নাই ? এতিয়া যি মানুহ আহিছে বুলি শুনিছোঁ সি বা তোত কি কৈছেহি ? তই যি মানুহ পঠালি সি বাটত কি শুনি আহিল ?" কোঞৰে বোলে,—" পিতা সাক্ষাত দৰবাৰৰ মাজত মই কথাবাৰ্ত্তা আখাৰ বুলি গৈছিলোঁ, সকলো ভাল হৈছে। সিহঁতো আহিছে আপুনি কওক।" সিহঁতে বোলে,—" ধলে পৰ্ব্বতে সকলে যুগুতি কৰি কোঞৰক প্ৰাৰ্থনা কৰি নিবৰ কাৰণে আমাক পঠাইছে। আৰ ভাল মানুহ-সমস্তই পাছে আহি

বমাই নিয়াব চাকলৈ। আমি ইদিবিৰ পৰা কোঞ্চৰক লৈ গলে ৵ সেৱা কৰি, কোঞ্চৰক মান-সংকাৰ কৰি গোভাৰ পৰা নিৰহি।” “কোঞ্চৰৰ যোৰা মানুহটিও, নেলী, খলাৰ ৰজাএ কি কহিছে ?” “ৰামচৰণ কটকীএ বেভিয়া গোভাত কথাবাৰ্ত্তা কলেগৈ এই মানুহ দুটাকো আগীলৈ দি পঠালে। নৰ্ত্তজলৈকে নৰৰে মানুহ এটা পঠালে কথাবাৰ্ত্তা ভাল হ’ল হেন বুলি জনাবলৈ। নৰ্ত্তজৰ ৰৰদলৈ, কম্মাৰ পাত্ৰ, আৰু মানুহ সকলো আহি আমচেঙ্গত আছিল। বাৰ্ত্তা নেপাই উলট হাতীৰদ্ধালৈ গ’ল। এতিয়া আমি গৈ লৰৰত কোঁৰৰ কথা কলত নৰৰে মানুহ এটা, তিনি ৰজাৰ তিনিটা দলৈ সিহঁতক গুলোটাই আনিবলৈ পঠাইছে।” তাত ফুকনে বোলে,—“পৰ্ব্বতী মানুহ আহিছে বুলি কৈছে, খলৰ দেখোঁ নাই ?” সিহঁতে বোলে,—“খলৰ সেওত দুটা আহিছে, কোঞ্চৰকো বিদাই দিবৰ জানিলে আনৰো দুই-চাৰি মানুহ আহিব।” এই কথা ৵৵ত জনালত বোলে,—“আৰু এটা মানুহ পঠাৰ কোঞ্চৰৰ নগৰ, কোঞ্চৰক গুৱাহাটাতে ৰাখিব।” ১৯৭ ॥

ৰাণী ৰজাৰ বিদ্ৰোহ।—ইতিমধ্যতে ৵৵এ বোলে,—“ৰাণীৰ পুতেকৰো উখামুখা শুনিছো। ফুকন এটাক পঠাই ধৰোক।” আমাৰ মানুহ গৈ কোঁঠ দিলত সি পলাই মতাইক্ষৰত সোমালগৈ। পাচে একো প্ৰকাৰে পোৱা নাই হেন দেখি কোঁঠ তোলাই আনি দোলাকাথৰীয়া চান্দ্ৰাই ৰৰাকে, পলাশৰৰীয়া টুকুৰীয়াকে পঠাই উপাই কৰি বোধ-ভাৰসা দি তাক আনি গড়গাৱঁলৈ নিলে। ৵এ ফুকনলৈ বুলিলে,—“ৰাণীৰ খোৰাএ ৰজালৈ শিৰনাৰাণলৈ গুৱাহাটা নবলৈ ধনঞ্জয়ক পঠাই কথা দি আহাক, মৈদামী, দুৱাৰগৰিলাত ধৰিম হেন বুলিবৰ, নৰ্ত্তঙ্গ সোণাপুৰৰ কটা মানুহৰ আগমনহ, কলাফুল আনি দুৱাৰত দুটা মানুহ কাটি ঢোল কোৱাই ৰণচনি কৰিবৰ, আনো যি আনাগুনা কথাবাৰ্ত্তা আছে সোদপোছ কৰি লেখা কৰি সকল মানুহ-দুনুহ দি পঠাৰ।” পাচে ফুকনেও সোধপোছ কৰি লেখা কৰি জনাগুনা মানুহ দি পঠালে। গড়গাৱঁতো দেৰতা সোদপোছ কৰিলে। সকল কথা লাগিল। ১৯৮ ॥

ৰাণীৰ ৰজা আৰু বিষয়াৰ হত্যা।—পাচে ৵ বোলে,—“ মই যে তাক বোধ-ভাৰসা দি অনাইছোঁ, তোৰ বেহটো মই নামাৰোঁ। পুতেকক

গুৱাহাটীত সোধা থই গাৰঁবো ভাল মানুহ-দুমুহটো আনি থ'ক।" খোৰাও বোলে,—"ভাল, মই আনি দিম।" এতেকে তাক গুৱাহাটীলৈ পঠালে। ইঠাইলৈ আহি কাকো নানিলে। বয়া গোটাচাবেক মানুহ আনিলে। ৮ বোলে,—"সি বিৰূপে ৰক্ষা পৰিব, ৰাজ্যকো পাব, এই কাৰণেসে তাক সোঁতা থৈ যাব দিলোঁ। সি কাকো নানি সকল দিনে কুচ্ছুত কৰি থাকে।" পানীফুকন সহিতে বাৰে ৰাজখোৱা গৈ খোৰাকো, তাৰ দৰবধৰা বৰুৱাকো, পাঁচনি বৰুৱাকো তাৰ দুৱাৰতে কাটি ত্ৰিশূল দি থব দিলে, গাণ্ড-ভূক্তিখনো বি পাই পুৰি আহিৰ। পামহিৰ বাটেও, ওভোতা শিমলুৰ বাটেও, হাটবৈইৰ বাটেও পানীফুকন সহিতে বাৰে ৰাজখোৱা গৈ তিনিকো তাৰ দুৱাৰমুখতে কাটি ত্ৰিশূল দি থলে।। ১৯৯ ॥

জয়ন্তাৰ বিৰুদ্ধে পুনৰ ৰণোদ্যম।—আৰু বৰগাওঁ সহিতে এইবোৰ পুৰি আহিলত ২১ শক, পোষ মাহ, বামুণ বৰাএ, তিনিদলৈএ আহি কৈছে, বোলে,—"গলে পৰ্ব্বতে সমস্তে বোকা কোঁঠলৈ আহিছে গোভাৰ পৰা ৰৰকোঞৰক ৰজাকৈ নিবলৈ।" এই কথা ৰামচৰণে মহাৰাজাত জনালত দাই ধৰি খঙ্গ কৰি ডিঙ্গিএ মুৰে লোৰা লগাই থই বাসুদেৱ বটকীকে, তাম্ৰধ্বজকে পঠাই বোলে,—"কোঞৰো জাগীলৈ গৈ মানুহ পঠাই বড়াই-বুজাই ল'ক।" ওপৰদয়ঙ্গীয়া ৰাজখোৱাএ জাগীলৈ লৈ গ'ল। এতেকে আমাৰ মানুহ ৰণলৈ উঠিল। কোঞৰকো খঙ্গ কৰি বৰদোৱালৈ নিলগাই লগৰ মানুহক লোৰা লগাই থলে। ২০০ ॥

গোভা আৰু কপিলীৰ বাটে আহোম সেনাৰ যাত্ৰা।—শ্ৰীশ্ৰীৰুদ্ৰসিংহ মহাৰাজা বৰদোৱা বাহৰত থাকি পানীফুকন প্ৰমুখ্যে বাৰুকীয়া বৰগোহাঞি ফুকন, গড়গঞা সন্দিকৈ ফুকন, দোলাকাষৰীয়া বৰুৱা, চাওডাঙ্গৰ বৰুৱা, পানীদিহিঙ্গীয়া, ওপৰদয়ঙ্গীয়া, গজপুৰীয়া ৰাজখোৱা ২০২৪৪ লোক গোভাৰ বাটে পাঁচিলে। অভয়পুৰীয়া প্ৰমুখ্যে সৰুজনা দুৱৰা ফুকন, বৰবৰুৱাৰ দুৱলীয়া, দুৱলীয়া ফুকন, ৰাজখোৱা এইসকলক পাঠিলে ডিমৰুৱা লোমাই কপিলীৰ বাটে। গোভাৰ বাটে আগত দোলাকাষৰীয়া বৰুৱা, চাওডাঙ্গৰ বৰুৱা, ভিতৰৰ মানুহে সহিতে পানীফুকন, তাৰ পাচত দুই ফুকন, আমাৰ মাজে মাজে ৰাজখোৱাবোৰ, ভিতৰুৱাল ফুকনবো আগে আগেও জামিটা

পাচোটা হাতী গৈছিল । আৰ পাচত গোহাঞিবোৰ গৈছিল । এই ক্ৰমে আগীৰ পৰা গৈ গোভাত ৰ'ল । আতে বুঢ়াগোহাঞি থাকিল । তাৰ পৰা মহাৰাণীৰ ঠেঙ্গত ৰ'ল । তাতে তৰশলগুৰীয়া হুৰলীয়া ৰাজখোৱা থাকিল । তাৰে পৰা আমচেঙ্গত ৰ'ল । আতে নামদঙ্গীয়া মূলৰ ৰাজখোৱা থাকিল । আতে তিনি দিন থাকি মাৰ্জ্জঙ্গা, আমচিৰি আৰু খনচাৰেক গাওঁ পুৰিলে । আগদিনা গাওঁ পুৰিবলৈ যাওঁতে বৰগোহাঞি ফুকনৰ মানুহে খুব হোৱা গাবো দেখি পাচদিনা খৰিভাৰীৰ লগত গৈ গছত উঠি চাওঁতে তিনিটা গাবোৱে কঁড়ালে । আমাৰ দুটাত কাঁড় লাগিল । খৰিভাৰীৰ লগৰ মানুহে দেখি গৈ হিলৈ মাৰিলত ফুকলি মাৰি পলাল । কোঁঠলৈ আনিলত এটা মৰিল । গাওঁ মাৰিবলৈ যাওঁতে চোৰা মানুহ কাটি দেও কৰিবৰ চিন পালে । কিবা গোভাৰ দা-দলৈকে কাটিলে আৰু নিচয় কৰিবাক নোৱাৰোঁ । হাতী এটাৰ খোজ পালে, বনৰীয়া কি ঘৰচীয়া আৰু নাজানি । ২০১ ॥

গোভাইদি যোৱা সৈন্যৰ বিলম্ব ।—মহাৰাজাৰ ধোঁৱাচোৱা দুই নিৰ্ম্মল বৰা, ৰাউত এইহঁতকৈ দাই ধৰি পঠালে, বোলে,—“ সিহঁতে গাবোক ভয়ে নগৈ একো কোঁঠত মানুহ তিনি দিন চাৰি দিনকৈ থাকে । মোৰ লগতো ৰকৰা, ফুকন আছে । যাব নোৱাৰোঁ বুলি কৈ পঠাব, সিহঁতক বান্ধি আনক পাচিম । সিৰটীয়া আগে নৰ্ত্তঙ্গ পালেগৈ । সকল গাবোএ একেঠাই হৈ যদি মুৰ পাতি ধৰে পাচে সিহঁতক কোনে ৰক্ষা কৰিব্ ?” গোহাঞিবোৰে সহিতে যুগুতি কৰি পানীফুকনে বোলে,—“ গাবোক ভএ যাব নোৱাৰিবৰখান যি দাই ধৰিছে ইখান উত্তমহে বুলিছে । মহাৰাজা দেৱতা অনেক বল-শক্তি যি গাবোক সমুখে পাতি দিছে, মহাৰাজাৰ কাৰ্য্য-কামত ই দেহ যাব, পো-নাতিলৈ ভাত ৰব । কেইটা গাবো ? আত কি সংশয় আছে ? পাৎশাই লোকলৈকে ৰন কৰি আচা গৈছে । আমাৰ অনেক সজ্জ, আকে চলাব নোৱাৰোঁতেহে দুই একদিন পলম হৈছে । এদিন বাট কাটি দুই দিন গাওঁ মৰা হৈল, পাচদিন যোৱা যাব ।” ২০২ ॥

নৰ্ত্তঙ্গত ফুকনবে'ৰৰ কোঁঠ ।—তাৰ পৰা গৈ আঠুভঙ্গাত ৰ'ল । কেচাচৰোৱাত বৰচেটিয়া থাকিল । আঠুভঙ্গাত বৰগোহাঞি থাকি তাৰ পৰা সকপানীত, বলেচাৰত নামদঙ্গীয়া, বুঢ়িটিকৰত দিখৌমুখীয়া ; বৰপানীত

আঠগঞা ৰাজখোৱা খিতাৰ পৰা সদিয়াখোৱা সকপানীত ৰ'ল । তাতে সলাল বৰগোহাঞি থাকিল । মকসৰাশিত সন্দিকৈ ফুকনৰ চুৰলীয়া থাকিল । সকপানীৰ পৰা ফুকন গৈ ৰবনৰ্তঙ্গত ৰ'ল । আৰু মাজে মাজেও চাৰি হাজৰিকীয়া, তিনি হাজৰিকীয়াৰ কোঁঠ একোহাজাৰ অন্তৰে আছিল । মুঠতে কোঁঠৰ মানুহ আগে দিয়া ৩৬৭৭৪ । দুয়ো বটীয়া এঠাই হ'লত আৰু মানুহ বঢ়াই দিলে । গোহাঞিবোৰৰ কোঁঠত দুটা তিনিটাকৈ হাথী আছিল । কোঁঠৰ মাজত কাঁড়, ধনু, হিলৈ একুৰি চাৰিটাকৈ মানুহ, আৰু কথাবাৰ্ত্তাএ দেখাদেখি হুই চাৰি ঠাই সাত ঠাইতো থপুৱা ৰহিছিল । নৰ্ত্তঙ্গত ফুকনবোৰৰ কোঁঠত হাথী ৯টা আছিল । আৰে পৰা নবীনকৈ কোঁঠ বঢ়াই গাওঁ মাৰিছিল । ২০৩ ॥

স্বৰ্গদেৱলৈ জয়ন্তা যুদ্ধৰ বাতৰি ।—ধোঁৱাচোৱা পাঁচনিৰ পুতেক নিৰ্ম্মলতকৈ মহাৰাজা বোলে,—“ফুকনবোৰ নৰ্ত্তঙ্গ পাই গাওঁ-ভূঞিখান কি মাৰিছে ? সিবাটৰ বাকী বাৰ্ত্তা পাইছে ? যদি পোৱা নাই ডাঙৰ পৰ্ব্বতত উঠি তৰা হিলৈ মাৰিব।” তাত ফুকনবোৰে বোলে,—“গাওঁ-ভূঞি মৰা হৈছে । ওখ পৰ্ব্বতত উঠি ৰৰহিলৈও মৰা হৈছে । দুখনকৈ কোঁঠ বাঢ়ি বাৰ্ত্তা লব লাগিলে আমি বা কোন বাটে যাওঁ, সিহঁতৰ বা কোন বাটে আছে ? বাটে জানিলেহে পাৰি ?” ৰাধবনাৰাণ, কমলাতকৈ পানীফুকনে মহাৰাজালৈ জনালে । ২০৪ ॥

ডেকাফুকনৰ গাৰো গাওঁ আক্ৰমণ ।—গাওঁ মাৰিবলৈ ডেকাফুকন গৈছিল । গাৰোএ আগবাঢ়ি আহি বোলে,—“তহঁতে আমাক নেকাটিবি, আমিও স্বৰ্গমহাৰাজাৰহে । ৰাজ্যৰ কথাবাৰ্ত্তা হবলৈ আমাৰ ভাল মানুহ নাই । অলপ মানুহেৰে বৰকোঞৰক আনি আতে দেখাবি, আমি যি হই লই থৈটিম।” আমাৰ মানুহে বোলে,—“ভাল, তহঁতো আহি মিলিবি, নাযাবোঁ নাকটোঁ । প্ৰাৰ্থনা কৰি থুজিলে কো'ঞৰক পাবি । কোঞৰক ৰাজা পাতি দি যাবৰ নিমিত্তেহে আমি আহিছোঁ ।” এইৰূপে বোলাবুলি কৰি আছিল, চাপি মাৰে । পাছে কঁড়াৰ ধৰিলে, আমাৰো কঁড়াইছিল । অগত দোণাকাথবীয়া গাৰো এটা মাৰুটি ধৰি কাটিলে । ২০৫ ॥

জয়ন্তাৰ গাওঁ মাৰি পোৱা বস্তু ।—গাওঁ মাৰোতে সকলেমুনি পোৱা হ'ল,—হিলৈ ৪, মানুহ ১১, তাম পিতল ৩০ পদ, বাক ১৩ খান, পদুমা ২ খান,

গাৰোকঁতৰা ১১ খন, সোণৰ কঁৰীয়া ১টা, কপৰ খাৰু ৬ পাট, টাৰ ১ যোৰ, সৰু লখাৰ ৬, পাগ ২, চিটৰ পাগ ১, পাৰিফুগাম চৰা ১, নৰা কাপৰ ১, চৰা কাপৰ ১, আগ সোণোৱালী বুটাদাৰ ১, পাটুকা ১, হাতৰ গাৰো চোলা ২ খান। ধোঁৱাচোৱা খামন কুছমতকৈ মহাৰাজা বোলে,—“ৰৰকোঞ্চৰকো পঠাইছোঁ, ই পালেগৈ গাৰো যি পাইছে সি নেদেখে হেনকৈ ছল কৰি দি পঠাব। আৰু যাব আপাহ পাইছে বঁটা-বাহন দিব।” ২০৬ ॥

গাৰোৰে দগা দি ধৰে।—আৰু এক দিনা চিনাতলীয়া বৰুৱাএ হাতী ধুৱাম্বি আনোঁতে ছটা গাৰোএ ধৰিলেহি। আমাৰ ১০টাত কাঁড় লাগিল, হাজৰিকীয়াতো লাগিল। এনেতে পাইক লৰ মাৰিলে। খেদি আহি গাৰোএ ৯টা মানুহ কাটিলে। পাচে হাজৰিকীয়াএ এটা গাৰো খুঁচিলে, এটা ঘয়ালে। কাঁড়ো গোটাচাৰেকত লাগিল। পাচে গাৰো হুইঁকিল। আৰ পাচত দোলাকাষৰীয়া বৰুৱা, চাউডাঙৰ বৰুৱা, পানীদিহিঙ্গীয়া বাজখোৱা সিৰটীয়াৰ বাৰ্ত্তা লবলৈ বাঢ়ি কোঁঠ দিব দি মই উলটি আহোঁতে পাচতে গাৰোএ ধৰিলেহি। দিহিঙ্গীয়া ৰূপলিয়াল হাজাৰৰ বঙ্গাকে গাৰোএ কেইটা ঘাও মাৰিলে, ইও উলটি ধৰিলে। পাচে গাৰোক কাটিলে। মিৰিএও ছটা সাৰটি ধৰি কাটিলে। আৰ পাচ দিনাও গাওঁ মাৰিবলৈ যাওঁতে মিৰিএ তিৰতা ছটা কাটিলে। ইহঁতক পানীফুকনে কাপৰ কেৰুএৰে বঁটা দিলে, আৰু যি ছটাই গাৰোক বেঢ়ি ধৰিছিল সিহঁতকো এক আধলিকৈ ৪৭ টকা ৰূপ দিলে। ২০৭ ॥

আহোমে জয় কৰা গাৰো গাওঁৰ লেখ।—এনেতে ৰৰকোঞ্চৰ পাই গৈ বোলে,—“তোমালোকে গাওঁ-ভুইখান মাৰিলি। গাৰোএ আমাৰ মানুহক দেখা দিব, মানুহ পঠাইছোঁ। যদিহে কথাবাৰ্ত্তাও নহই পাচে মই খুলিএ খুলিএ দেখাই দিম, তোমাৰ লোকে মাৰিব।” এতেকে ৰূপিনীৰ মাৰ বাটে অহা মানুহ নৰ্ত্তঙ্গৰ ওপৰে ২৭ দিনৰ পাচত ওলালহি। ডিমৰুৱাৰ পৰা নাৰেঙ্গত বাল মাটি ৪০০০, তাৰ পৰা পুঙৰ কোঁঠত ব'ল মাটি ৬০০০, তাৰ পৰা কছাৰীগড়ত ব'ল মাটি ৪৪৩০, তাৰ পৰা তপতপানীত ব'ল মাটি ৩১৩২৭, আৰো পৰা লোপানী গাওঁ, জোলাঙ্গ গাওঁ, খোলেঙ্গ গাওঁ, নৰ্ম্মদ ভণ্ডাৰী গাওঁ, পাৰখোৱা গাওঁ, এই পাচখান গাওঁ মাৰিলে। তাৰ পৰা চমুং গাওঁত ব'ল মাটি ৩৪০, আৰ পৰা মৰ্দ্দ পাতৰ গাওঁ, তিলিমডাঙ্গ গাওঁ, পাযখোৱা ৩ খান, এই ৭ খান গাওঁ মাৰিলে।

তাৰ পৰা নৰ্টা পাণ্ডৱ ৰ'ণ মাটি ৩০৬০, আতে লৰা পাণ্ডু, পামখোৱা ৭ খান, এই আঠ পাণ্ডু মাৰিলে। আৰো পৰা নৰ্তক পালেগৈ মাটি ১৫০০, মুঠতে মাটি ৩২৪৪০। পাণ্ডু মাৰি পোৱা মানুহ ৪, হিলৈ ১৪টা, কতৰা ১৯, জাৰকাৰ ১ খান, মাটি ১, পতুৱা ১ খান, ৰবচাঁচ শিল কটা ১, বালিকটা ২ খান ৮৬০০॥

ঘৰকোঁৱৰক ৰজা কৰিবলৈ ইচ্ছা।—কোঞৰেও মদনকে, দলৈ এটাকে বাৰে দলৈৰ গালৈ পঠাই বোলে,—"মহাৰাজাও মোক বটা-বাহন দি ৰজা পাতি পঠাইছে। সকলো মোক আহি নিঙক। আহিলে যদি কোনোখান হই তাৰ ভাৰভাৰ মই গচি লম। যদি নাহে তবে মই কি নজানোঁ সমস্তে মৰাম।" এই কথা গাৰোত ক'লত সিহঁতে এটি গাৰো পঠাই বোলে,—"হয় তহঁতে কৈছ, কিবা কেও অহাএ নাই। যদি আহিছে আমিও যাম, তই কোঁঠকো চাই আহগৈ।" দেখিগৈ গাৰোত কলত ৰজা, উত্তম দলৈক পঠাই বোলে,—"আমি কোঞৰ অহা নাই বুলিহে জানিছোঁ। আহিছে ভালেহে হৈছে। আমাৰো এখেৰ পৰা শত শত দণ্ডৱত। অনেক লোক আহিছে আমাৰ ভাৰৰ ভৰ, মন্ত্ৰৰ মাৰলৈ কিকৈ যাম? নৰ্তকতে থৈই সিবোৰ হুঁকি থাওক, আমি গৈ ৰজা মানি লম, নহই যশমাণিকৰ পুখুৰীলৈ অলপ সৰেৰে আনিব। আমি কোঞৰ সাহাৰক শিৰ তুলি লম। পাচে সাহাবে সহিতে ভেঁটি-বাটি লৈ সিবোৰত মিলিম।" ২০৯॥

জয়ন্তীয়ালৰ গোপন মেল।—সিহঁতৰ মেলত বিশ্বাসে বোলা কথা।—কোঁৱৰৰ মানুহ এটিএ কৈছে, বোলে,—"আগেও আমি দুই তিনিবাৰ চাই সাত দলৈক পঠাইছিলোঁ, কোঞৰক দিম বুলি নেদিলে। এতিয়া সকলো যাম, বন্দীকৈ ৰাখি বুলিব,—'সকলোঞৰক, ৰবদলৈক দিয়ক; অনেক সত্ত, আহিলাপাতি পৰিছে তাক দিয়ক।' আমি তাক ক'ত পাম? নেদিলে কি সুধাএ এৰিব? এই বুধি কৰিহে সকলকো নি ৰাখি থৰ খোৱে।" ২১০॥

জয়ন্তীয়াল আগবাঢ়ি আহিবলৈ অশান্তি।—পাচে কোঁৱৰে বোলে,—"তহঁতে একো সংশয় নকৰিবি। যদি ৰজ কৰে সিহঁতৰ ভিজি তন্; মোৰ ভিজি তপৰ। মোক যে আগবাঢ়ি যাবলৈ বোলে মই কোন কাৰণে যাম? আগবাঢ়ি আহি প্ৰাৰ্থনা কৰিলেহে মই যাবলৈ ভাল।" এইবুলি উত্তমে ক'লত গাৰোৱে বোলে,—"আমি সকলে আগবাঢ়ি একাগাৰীকৈ [illegible],

এনেতে দিহিঙৰ মানুহে আমাৰ এটা গাৰোএ কতোবাই সোমাই লেখালেহি। ইপালেও খানিও বুলিছো, সিপালেও যে মানুহ কাটে, এনেজনে কিৰূপে সভাত পাব? তাইতেও চাই না, আমি যাব নোৱাৰো।" এই কথা ক'লতহি ফুকনবোৰে বোলে,—"ধৰিপাত আনিবলৈকো দূৰলৈ যাবলৈ মানুহ যাবা কৰা হৈছে। যি পথে কাছিবৰ গই আমাৰ হাতী-ঘোঁৰা মানুহ হৈ গৈছিল, তাকো আনি বন্দী কৰি থোৱা গৈছে।" ইহঁতে বোলে,—"গাৰোক আমি দেখাও নাই, কটাও নাই। সকলো আহঁক, সোদপোছত যদি ঘাটি হই ইহঁতক দণ্ড কৰিম।" পাছে গৈ ক'লত বোলে,—"আমি একো সভাত দেখাও, যাব নোৱাৰো।" এই বুলি নাহিল। ২১১ ॥

নৰ্ত্তজৰ পৰা ফুকনসকল আগবাঢ়ে।—পাছে মনৰথ কটকীক পঠাই মহাৰাজা তাকো পৰা বাঢ়ি যাবলৈ বুলিলে। নৰ্ত্তজৰ পৰা ফুকনবোৰ ৰণমাণিকৰ পুখুৰীত ৰ'ল। নৰ্ত্তজত হাথী তিনিটাকে সম্ভিকৈ ফুকন, ওপৰ-দলীয়া ৰাজখোৱা, বৰকৌৱৰ থাকিল। ৰজাৰ নগৰ সিপাৰে বৰবৰুৱাৰ দুৱলীয়া ফুকনৰ বচা ৰাজখোৱা থাকিল হাথী ছুটাবে। সকলপানীত বৰগোহাঁই ফুকন থাকিল হাথী ছুটাবে। ৰণমাণিকৰ পুখুৰীত কণীয়াবৰীয়া ফুকন থাকিল হাথী ছুটাবে। তাৰ পৰা ফুকনবোৰ জিননাথ চ'ৰাত ৰহিল। ২১২ ॥

ৰণত বিমুখ হোৱা বিষয়াৰ দণ্ড।—এনেতে নৰ্ত্তজ কৌঠৰ হাথী-ধাহ আনিবলৈ ওপৰদলীয়া, নাৱদলীয়া হাজৰিকীয়া, সলাল নামতিয়াল তিনি হাজৰিকীয়া গ'ল। গধুলি উলটি আহোঁতে গাৰোএ ধৰিলেহি। নামতিয়াল, সলাল দুই হাজৰিকীয়া সহিতে ৪০ মানুহ কাটিলে। নামতিয়ালত কাঁড় লাগিল। ঘোঁৰাত উঠি পলাই আহিল। চাওডাঙে শৰণ দিলতো মৰ'ল। আৰ পাচদিনা ওপৰদলীয়া ৰাজখোৱা আহিলাপাতি, পলৰীয়া মানুহ আছে বুলি তিৰাকিছিল গ'ল। যি পালে কৈ আহোঁতে গাৰোএ, ডবৰ পৰা ধৰিলেহি। আমাৰ মানুহ হঁহকি আহিল। চাওডাঙে শৰণ দিলতো ৰাজখোৱাৰো খবৰ নাই। মানুহকো সাৱধান কৰাব নোৱাৰিলে। পাছে দুটুব মাউতে হাতীএৰে গাৰোক আগ হই খেদিলে। তাৰ কলত টকাদি উভৰাব নমা, কোঁএৰ, দুই হাজৰিকীয়াও খেদি গ'লত গাৰো ভাগিল। *

এই কথা চাওতাৰে মহাৰাজাত জনাওঁতে ৰাজখোৱা, হাজৰিকীয়া, শইকীয়া আৰু গোভাৰ পথাৰ ডিঙিলৈ-সূবৈ লোৱা দি মায়ৰিয়াপৰ পলাই গ'ল। হাজৰিকীয়া, শইকীয়াকো লোৱা দি নিলে। পিছৰ খোৱোৰত গাঁৱৰো খৌজা দিহিঙীয়া কানী, হাবীয়াল হাজৰিকীয়া, শইকীয়াকো ভৰুৰ দি নিলে। মহাৰাজা লেনিপোৰ্হ কৰি নৰ্দ্দীয়া হাজৰিকীয়াৰ কাণ ধুলিলে। মায়ৰিয়াৰ কাণ চকু এটা কাঢ়িলে। শইকীয়াবোৰৰো কাণ নাক কাটিলে, একো চকু কাঢ়িলে। ৰাজখোৱাবোৰকো কোবাব দিলে। ৰৰফুকনে বাতিনত এখিলে, বোলে,—"তাৰ যে বণ সময়তো গা খিব নহয়, তাৰ বৈ গীৱ খিব কৰক।" এই বুলি বাদিলৰ তাৰ কোবাই গড়ৰ কোথে কোথে লৈ ফুৰাইছিল। পিছৰ খোৱোৰত মাহুহ-খোঁচা হাজৰিকীয়াক, হাবিয়াল হাজৰিকীয়াক মিলা গাৰো-খোঁচা বুলি কোবাব দিলে। ২১৩ ॥

ৰৰলোৱাত ফুকনবোৰৰ ৰজাসেৱা।—মহাৰাজা চাঁদখাই ৰাজক পঠাই বোলে,—"কোঞ্চৰ নগৰ মাহুহ এটি পঠাই গাৰোৰ ছুই এক দ'লৈক আনি কোঞ্চৰক দি ফুকনবোৰ ওলাই আহিব। যদি চাপি মাহে, গাৱ দেখা দিএহি তেও দি আহিব।" পাছে কোঁচৰৰ মাহুহ এটি পঠোৱা হ'ল, দিও নাহিল। গাৰো ওলাই নাহিল। পাছে ফুকনবোৰ কোঞ্চৰে সহিতে ওলাই আহি ৰৰদোৱাত মহাৰাজাক সেৱা কৰিলেহি। মহাৰাজা আতে আঁচোতে ধনশিৰীয়াল গঞ্জহি নাওশালৰ পাত কাটিবলৈ খোৱা মাহুহ ছুটা কাটিলে। নৈবৰীয়াৰ পোনেও ৰৰৰুকথাৰ খাটিৰ পোনে মাহুহ কাটিলে। এই কথা শুনি মহাৰাজা ৰৰচেতিয়াক পঠাই দিলে। তেওঁ লৈ বেহাৰলৈ কহা গাঁৱত নগাবো বেজমাৰো ১৪০ নগা ধৰি আনিলে, গঁৰাল দি থলে। ২১৪ ॥

বৰ্ম্মী নগাৰ পলায়ন।—পাছে ৰৰজনাৰ পৰা মহাৰাজা বাটিয়াখালৈ গ'ল। নগা বি গঁৰালত আছিল, ৰাতি কাগুৰি ৰাছ চিঙি ধৰীয়া মাহুহক তাকুবেৰে চৰিনিটাই ছুটা মাৰিলে। ভেৰছুৰি যাই নগা পলাই গ'ল, আৰুখানি বাখিলে। তাৰ লোটাপাচেক খেদিলৈ পালে। মহাৰাজা বোলে,—"তাৰ লোৰপোৰ্হ কৰিবলৈ বাখি থকা গ'ল। দি এই ছুবি মাৰি গৈ আনেও কা কথা কৰিছে। এনে কটা কথা কৰিব পাই নিকি?" এই বুলি গঁৱ বাটিকালৈ

পাচিলে। ৰাজাৰ খৌৰাই নেওগ গোহাঞি, লচিতৈ ৰাজখোৱা ফুকন, প্ৰাণ লোলাকাথৰীয়া বৰুৱা, বাকতই চাউডাঙৰ বৰুৱা, মেজবলিয়াল মিৰি হাজৰিকীয়া এইবোৰ-লৈ গাওঁ নগাৰ মাজেৰি উলটি আহোঁতে নগাও পাচৰ পৰা ধৰিলেহি। আমাৰ মানুহ দুৰি খাই উইকিল। মানুহবোৰ কিছুমান পৰিল। ছিলৈবোৰ লৈহে পেলাই নামিবাত বহু খুৰণি কৌঠলৈ আহিব নোৱাৰিলে, আন দিনলৈহে আহিল। লেম্বাইলৈ নগা পাচিছিল। সিও দিন সামৰাত নাগাৰৰ দেখি ওলাই আহি দেৱৰঘাও বাহৰত মহাৰাজাক সেৱা কৰিলেহি। বৰফুকনো মহাৰাজাৰ লগত গ'ল। ২১৫ ॥

চাহবুকজত জয়ন্তাৰ ৰবকোঁৱৰ।—কোঞৰক ৰবলোৱাম পৰা ভটীয়াই নি চাহবুকজত থলে। এতেকে কোঞৰৰ লগৰ মানুহ দুটা জয়ন্তালৈ এই বুলি পাচিলে,—"মানুহ-দুনুহ সহিতে কোঞৰ কুশলে আছে। বৰ-ফুকনকো পিতা বুলিছে। ফুকনেও পুত্ৰৰক্তে থাপি-সাক্ষি পঠাবৰ কাৰণে মহাৰাজাৰ চৰণত প্ৰাৰ্থনা কৰিছে।" "যদি এখনো সিহঁতৰ মানুহ-দুনুহটো আছে তেবে মোক পঠাই।" এই কথা হাবিএ শুনি উমন লঙৰকে ৰাচন এটাকে গোভালৈ পঠাই খোলে,—"কোঞৰৰ মানুহ নাই হেন শুনিছোঁ, হইতো কইছ, কিবা পলাই আহিছে? তোৰ কথাত প্ৰমাণ কি? মই মহাৰাজাৰ শৰণীয়া যি হলোঁ, কোঞৰো শৰণীয়া যেটা হ'ল। যেনেৰূপে কছাৰী ৰাজখান থাপি সাক্ষি ৰক্ষা কৰিছে, আমাকো সেইৰূপে ৰক্ষা কৰক। যদি চকীয়াল বৰুৱাও তহঁতক পঠাইছে হেন বোলে তহঁতে প্ৰমাণ। এই কথা মই নহই জানি লঙৰ গোভাতে থাকিব, ৰাচন শীঘ্ৰে আহিব। পাচে মই মানুহ পঠাই চকীয়াল বৰুৱালৈ গো-ব্ৰাহ্মণৰ কাৰণে ৰবকুকনত প্ৰাৰ্থনা কৰি দুটি মানুহ কোঞৰে পঠাবৰ হই।" ৰাচনে এই কথা কলেগৈ। ২১৬ ॥

ৰবকোঁৱৰক ফুলগুৰিত দিবলৈ জয়ন্তীয়ালৰ প্ৰাৰ্থনা।—পাচে কোঞৰে পঠিওৱা দুটি মানুহক পঠাই দিলে। সিহঁতে আহি কৈছে, বোলে,—"আমাক সকলে আদৰি জয়ন্তালৈ নিলে। চকীয়ালক দুৰি দুটা কথা হেন জানি থলে। পৰ্ব্বতে এক ঠাই দুই হাবিএ এইখান বুলি প্ৰাৰ্থি পঠাইছে,—'ৰণমাণিক প্ৰভৃতি লক্ষীসিংহৰ দিন ধৰি এতকাল ৰজা-দুইটি-ভাতে চলি গৈছে। দুইখান পৰ্ব্বত আছিল, যৈৰূপে এখান পৰ্ব্বত থকিল,

জনকো ছিন্দিলোঁ।' এখন আমি মহাৰাজাৰ বেটী হলোঁ, কোঞৰো বেটা হ'ল। থাপি ৰাখি ৰাজ্যখনক আপু কৰি ৰাখক। নৰ্তকত কোঞৰক দিবৰ হেন শুনি সমস্তে যুগুতি কৰি নৰ্তকৰ উত্তম দলৈক পঠালোঁ। সি কৌঠত থাকিতে মানুহ কাটিলে। এতেকে তাৰৰ ভয় সংশয় হ'ল, যাব নোৱাৰিলে। এইখানি তাৰৰ অপৰাধ হৈছে। এতিয়া ফুলগুৰিলৈ কোঞৰক দি আহিব। মহা-ৰাজাক সেৱা কৰি আসি ৰাজা মানি লম। যদি নাৰাও কোঞৰকো পৰ্বত মাৰিব, আমিও দ্ৰোহীয়া হলোঁ'।" ২১৭ ॥

স্বৰ্গদেৱৰ সমীপলৈ হাবিৰ প্ৰাৰ্থনা।— আৰ পাচেও দাফিয়াল তিনি দলৈও আহি কৈছে, বোলে,—"হাবিএ বুলিছে, চুলি ছিঙি দাঁতে খেৰ ধৰি কাতৰ কৰি টৈআত তৰাই প্ৰাৰ্থনা কৰি দি পঠাইছে, বোলে,—'আমাৰ কোঞৰে ৰৰফুকনক পিতৃ বুলিছে, মঞো তাঙিৰ জী হলোঁ। জী হলে অৱশ্যে ঠাইক দিব লাগে, নিদিলে যি দোষ তাক আপুনি জানে।' ৰাজ্যেও বুলিছে,—'আমাৰ স্বামী নাই, স্বামী দান দি ৰাজা পাতি ৰাজ্যখান আপু কৰি লওক'।"

এই কথা মহাৰাজাত জনালত ফুকনে বোলা হেনকৈ এইখান বুলিব দিলে,—"যি বস্তু দি আহিছে কিন্তু তাৰ লগত যে সিঠাইৰ মানুহ নাই, দাফিয়ালেহে আনিছে, আৰ প্ৰমাণ নাই। যদি সেই ঠাইৰ মানুহ আহিলহঁতে এইখানে মহাৰাজাৰ চৰণত প্ৰাৰ্থনা কৰি দি পঠালোঁহঁতে। এতেকে কোঞৰে মানুহ পঠাইছিল। প্ৰমাণ মানুহ আহক।" মানুহ লৈ হাবিত জনালন্ত সৰকাৰ সেওত ১, সিকদাৰ ১, জমদাৰ দুৰৈ ১, তিনিক পঠাই বোলে,—"আগেও মই চুলি ছিঙি কাতৰ কৰি পঠাইছোঁ, এতিয়াও মোৰ প্ৰাৰ্থনা সেইহে। তিনি বৎসৰ থাপিম সাক্ষিমহে বোলে, আৰ একো প্ৰমাণ নাই। চিনে-প্ৰমাণে যদি কোঞৰক আগীলৈ পঠাই, এতেকে খলে-পৰ্বতে সমস্তে লোক গোতাইলৈ আহি, মহাৰাজাত শৰণাগত হৈ আমি কোঞৰক ৰাজা মানি লম।" ২১৮ ॥

জমদাৰ ৰজা পদত ৰৰকোঁৱৰ।—এই কথা মহাৰাজাত জনালত, [illegible] সমস্তে ৰৰফুকনেও জনালে। জমদা ৰজা পাতি চিন-প্ৰমাণ [illegible] [illegible] ৰজকোঞৰক দিছেহি,—সোণৰ থাক ১ যোৰ, সোণৰ

টেমি ১টা, সোণৰ কাঁইটলগা কৰ্ণফুল ১ যোৰ, ফুলাম ৰবকাপৰ ১ যোৰ, চিকন আতলচৰ জামা ১, চিকণ আতলচৰ ইজাৰ ১, চিকণ খোলোকা পাগ ১, সোণাজলী পাটুকা ১, সোণামণি চিৰ ১, কাঁহৰ বাটি ১, চকিয়া ১, কৰ্হাৰ্নি শৰাই ১, মুকলি শৰাই ১, তামৰ বাটী ২, ৰূপৰ হেন্দাব ১, কেঁকোৰা দোলা ১, দতাল হাতী ১, মাকুন্দী ১, ঘোঁৰা ২, ৰূপৰ কাঁহী ১, ৰূপৰ তশ্মাহি ১, বাটি ১, লক খুৰী ১, ধাপ ১, টেমা ১, টেমি ১, চাৰ ১, খৰিকা চুঙা ১, কানখৰিকা ১, হাতা ১। "এই কথা থলে-পৰ্ব্বতে সকলতো জনাই দুটা হাতীএৰে গোঁতাৰ ফুলগুৰিলৈ আহটো। পাচে কোঞৰকো জাগীলৈ নিয়া যাব। এতিয়া গৈ জাগীত চাউল খাই থাকিবৰ কাৰণ কি? তইতে আহি জনালি, আজিও কোঞৰক লৈ শীঘ্রে জাগীলৈ যাব।" ২১৯ ॥

নেলী-খলাৰ দুই দলৰ সমাচাৰ।—নেলী, খলাৰ দলে দুটা আহি কৈছে,—"এখেৰ পৰা পঠিওৱা মানুহে কোঞৰক বিদায় দিলে হেন শুনিএ জনালত থলে-পৰ্ব্বতে কথাবাৰ্ত্তা হৈ যি দুই পলহনৰ কথা আগে জনোৱা গৈছে, সেয়েৰে একেলগে মানুহ পঠাইছে। সিহঁতো পাচতে আহিব। গোঁতালৈকো লক্ষৰে সহিতে দলে পাতৰ সোটাচাৰেক আহিছে। আমাক আগতে জনাব দিছেহি।" এই কথা ক'লতহি,—"আমি যদি সকলতে যুগুতি হৈ ৰাজকিঙাল বৰগোহাঞি, ফুকন, তৰদিহিজীয়া দুই ৰাজখোৱা সহিতে কোঞৰক জাগীলৈ পঠোৱা হৈছে।" ২২০ ॥

ৰবকোঁৱৰৰ বিদায়বাণী।—কোঁৱৰ যাওঁতে এইখান বুলি গ'ল,—"স্বৰ্গমহাৰাজা সাক্ষাতে বিজোৰতাৰ। মোক অধিকাৰ পদ দিছে। মই গৈ আহি যদি সেৱাটো কৰিব পাৰিলোঁ, আতকৈ মোৰ কি ভাগ্য আছে? বছৰি মহাৰাজাটৈ ৬টা হাতী দিম। পিতালৈ হাতী ১টা, দহ বাৰ তাও খাসা দিম। কিন্তু তগা ছিগা বাজ, গলেহে জানি, ই দুটা বড়া হবলৈ আছে। অধিকা-অধিক দিব পাৰিম মোৰ যে এইহে ইছা। কিন্তু মোক যি স্বৰ্ণৰ পজাৰ পিজাই পঠাই তেও যাম, কপিন পিজাই পঠাই তেও যাম।" আতে ফুকনে বুলিলে,—"হাতী, দোলা, হেন্দাব সহিতে ঘোঁৰাক দিছে আৰু কি লাগে?" কোঞৰে বোলে,—"যদি মোৰ সকলো মানুহে হৃদয়ে সহিতে যাবলৈ পাও লেইহে মোৰ পজাৰ; তাক নাপালে কপিন পিজা যেন।" আতে

দুকনে বোলে,—"যদি এই কথা আগে কলিহঁতে মহাবাবাৰ চৰণত প্ৰাৰ্থনা কৰি ভাকো দিলোঁহঁতে। এতেকে কোঁৱৰে যে যাবলৈ পাইছে সি মানুহক নাপাব নেকি সংশয় আছে? এতিয়া সৈ শীঘ্ৰে মহাবাবাক সেৱা কৰিবলৈ মানুহো পঠাব, সকলকো দি পঠাম।" কোঁৱৰে বোলে,—"ভাল, পিতাএ যেইৰূপে পঠাই সেইৰূপে মই যাম। এখেতো সেনাপতিক ধম। সি ঠাইতে গৈও ধাটনীয়াৰূপে থাকিবলৈ মানুহ পঠাম।" ২২১ ॥

বৰকোঁৱৰক নিবলৈ অহা জয়ন্তীয়াল।—আৰু ৮৮ পাচতো জয়ন্তীয়াল মানুহ বাটত আছিছে হেন বুলি যি দেৱতাৰ চৰণতেই জনোৱা হৈছিল ৰবদলৈ থলে-পৰ্ব্বতে শ-চাৰেক মানুহেৰে, হাথী দুটাৰে গোভা পাইছেহি। তাৰ পৰা আয়াৰ চকীয়াল হৰা, তাৰ স্বয়ং মাথী, সৰকাৰি সেওত, ওয়াংদ দলৈ, বাৰঠাই দলৈ, গোভাৰ মেমেলীয়া দলৈ ইহঁতক এইখান কৈ পঠাইছে, বোলে,—"আমাৰ ডাঙৰ ভয় সংশয় হৈছে, কোঁৱৰৰ জগত থকা কটকী আছি বোধ-ভৰসা দি নৈ যাওঁকহি। তিনি বৰ্জা সহিতে মানুহ-দুনুহ সকলো গৈ কলজ কাখৰ পৰা কোঁৱৰক আনিবলৈ আমিও গৈ হাথীয়াৰ মুখত থাকিম।" এইৰূপে ক'লতহি দলৈ দুটাক, সেওত এটাকে ৰাখি ৰামচৰণ কটকীকো কথাবাৰ্ত্তা হৰলৈ পঠোৱা হৈছে।

এতেকে কোঁৱৰক নিবলৈ আছিল জয়ন্তাৰ ১২ খেলৰ দলৈ ৪, সেওত ৪, সৰ্দ্দিয়া ২, চাৰিঘটাৰ দলৈ ১, ভিতৰুয়াল বৰাখোঁৱাই সেওত ১, সোণাছুৰী ১, যুক্তা লম্বৰ খোঁৱাই ১, জপলঙৰ সৰ্দ্দিয়া ১, চাৰিঘটাৰ বলীয়া সেওত ১, সৰকাৰি সেওত ১, মুঠ ১৭। মৰ্ত্তৰ দলৈ ১, কষাৰ পাতৰ ১, নৰুঙীৰ [illegible] পাতৰ ১, বৰুঃ মাথী ১, ডুবৰ দলৈ ১, মৰ্ত্তৰ দলৈ ১, বঙাৰ দলৈ ১, মুঠ ৮। দাঁতিৰ লঙৰ ১, সেলী বৰা ১, গোভাৰ কোঁৱৰ ১, এনাৰ সকলকো মানুহ, কলঙ কোঁৱৰলৈ আহিছে ২০০ মানুহ। চাকপুৰ দলৈ, বৰদলৈ, কষাৰ পাতৰ হাথীয়াৰ মুখত আছিল। আগেও সহিতে শীতাল ১, মাকুৰী ১, দুই হাথী পাৰ কৰি দিলে, দেৱতালৈ দিলে ৩। বৰফুকনলৈ চন্দন ১ ভৰৰ, খাসাপগুৰী জাও ৫ খান, পাগুৰি ৪ গুছ, এইখানি লৈহে বৰা সেৱা কৰিলে। ২২২ ॥

[illegible] যাত্ৰা।—পাচে বৰকোঁৱৰকো হাথীয়াৰ পাৰ কৰি দিলেহি। এইখান বোলা পত্ৰ,—"[illegible], ৰামচৰণ [illegible]

থলে-পৰ্ব্বতে সকলেও এইৰূপে প্ৰাৰ্থনা কৰি আহিছিল। সেই কথা কোঞৰে বৰফুকনত জনালে। ফুকনেও ৮৮ চৰণত অনেকৰূপে প্ৰাৰ্থনা কৰিলে, বোলে,—'পুনৰ্ব্বাৰ কাটিম মাৰিম হে বুলিছিলে, এতিয়াও সকলো শৰণাগত হৈ কোঞৰক প্ৰাৰ্থনা কৰি খুজি পঠিয়াইছে'। ভাল, মনো কোঞৰক সিহঁতক অধিকাৰী কৰি দিলোঁ। সিহঁতেও যদি বচন-কথা আথাৰ নকৰে জনাই আহিব। কোঞৰেও ইঠাইত যি বচন-কথা বুলিছে আৰু যঁদি বিস্মৰণ হয়টো পাচে সুধাএ এবা নেৰাব।" সিহঁতেও মান-সংকাৰ কৰি গোভালৈ গ'ল, চৈত্ৰৰ ১০ দিন আছোঁতে। ২২৩ ॥

আহোমৰ তলে থাটিবলৈ পঠোৱা জয়ন্তীয়াল।—পাচে মানুহো ৫০০ মান হ'ল। গোভা পাই গৈ থাটি থাকিবলৈ পঠালে,—ৰাপলজাৰ সচিয়া ১, মৰলীয়াৰ সেওত ১, সৰকাৰি সেওত ১, নৰঙুলীৰ দলৈ ১, বৰ্ত্তাৰ দলৈ ১, চিলেকাৰ সতাম দলৈ ১, আমচেঙাৰ দলৈ ১, সুকওলৰ দলৈ ১, নেলীৰ দলৈ ১, খলাৰ দলৈ ১, গোভাৰ দলৈ ১, মুঠত ১১টা। ২২৪ ॥

হাট আদিৰ বাবে বৰকোঁৱৰৰ প্ৰাৰ্থনা।—সিহঁতত কৈ এইখান জনাই আহিল,—"আগেও মও অনেকৰূপে প্ৰাৰ্থি আহিছোঁ। এতিয়াও তহঁতে জনাবি হাট-আৰেজ, সেনাপতি, মানুহ-দুনুহ যি আছে এইবোৰক পালেহে নিৰ্ভয় হয়। যাৰী খেমেলীয়া দলৈএ কৈছেহি, বোলে,—'কোঞৰ জয়ন্তাপুৰ পালেগৈ। বাটত বাওঁতে হাবি মৰিল। আৰু মোৰ গাওঁ ১ খান খৰামীএ মাৰিছে। মহাৰাজালৈ প্ৰাৰ্থনা কৰি ভেঁটি দি আহিছে,—সোণ ৩০০, লো ৪০, কোৰ ৮০ খন, তাও ৭ খন, পাগ ৩ গছ। বৰফুকনলৈ সোণ ৯, কোৰ ২০ খন, পাগ ৩ গছ। ৰামচৰণ কটকীলৈ কলীয়া সোণ ৪০, পাগ ১ গছ, তাৰ ভিতৰত সোণৰ থাক ২ পাট। এই ভেঁটি দি বৰফুকলৈ জনাইছে,—'সেনাপতি ১টা, আৰেজৰ মানুহ-দুনুহ, ৰামচৰণ কটকীও আহিব'।" ২২৫ ॥

বৰকোঁৱৰৰ প্ৰাৰ্থনা মঞ্জুৰ।—এই কথা জনাওত মহাৰাজাও হাট-আৰেজ, সেনাপতি, মানুহ-দুনুহ যি ৰামচৰণ কটকীলৈ পাঠিয়াছে। [illegible] মেলতৈ আহি এইখান বুলিব দিলে,—"[illegible] মানুহ-দুনুহৰ কথা [illegible] প্ৰাৰ্থনা [illegible] [illegible]

গৈছিলোঁ, হাট-আবেল্যে, তোকো, মানুহ্-দুনুহকো যাবলৈ আজ্ঞা কৰিছে। আৰু যি মানুহ আছে কথাবাৰ্ত্তা হলে তাকো পাবি পাচত। আৰু যি ৰামচৰণ কটকীক খুজি আহিছে আৰু মও দিব পাৰোঁ। মহাৰাজাৰো এই ভাল মানুহ, মোৰো স্নেহৰ ৰাজাৰো স্নেহৰ, এতেকে আৰু দিলে কোনোৰূপে যদি মহাৰাজাএ জানিলে মোক ভাল নুবুলিব। এতেকে মহাৰাজাৰ চৰণলৈ জনাই গৈছিলোঁ। মহাৰাজা যাবলৈ আজ্ঞা কৰিছে। ৰাজালৈকো তইতলৈকো বঁটা-প্ৰসাদ দিছে। হাট-আবল, সেনাপতি, মানুহ-দুনুহ মই ৰামচৰণৰ হাতত দিলোঁ। হাট-আবল তই সহিতে পূৰ্ব্বধাৰণে পাতি যাবি। তৈতো পলম হবলৈ ভাল নহয়।' ৰাজাৰ ঠাইতো ৰামচৰণে কব এইখান,—'তই ফুকনলৈ প্ৰাৰ্থিছিলি, ফুকনেও মহাৰাজালৈ জনালে। মহাৰাজা বোলে,—সিও যে প্ৰাৰ্থি আছিছে হেন জানিছে, মোৰ কথাএ যে যাবি, তালৈকো বঁটা-প্ৰসাদ লৈ যাব সোনাৰলী কাপৰ ১ যোৰ, আনলৈ সাধা কাপৰ ২০ যোৰ, এখেত থকাবোৰলৈ ৮ যোৰ, সেনাপতি সহিতে ৩ যোৰ পাটুকা ৰূপাৱলী।' ৰাজাতো মোৰ আজ্ঞা কৰি। ইখান বৰদোৱাত মোৰ আগত সি যি বুলিছে, মঞো তাক যি বুলিছোঁ, ফুকনৰ আগত বা যি বুলিছে, সেই কথা যদি ৰহিল সকলো প্ৰকাৰে ভাল। আগেও যিখান হয় দেখিছে। পুনৰ্ব্বাৰ যদি যাব লাগিল যেই সহায় হয় তেও এৰা নাযাব, মৰা-কটাহে যাব। গো-ব্ৰাহ্মণৰ দোষে ৰাজাকেহে পাব। কোনো দুই-এক নামানিছে তাকো ৰাজা দণ্ড কৰিব লাগে, মণ্ড জানিব লাগে। আৰ খৰামীৰ কথা যি জনাই আহিছে ফুকন গোঁহাই বোলে,—এথা মহাৰাজাত নজনাও, উঞো খা ৭ কথা বিৰূপে নলবিব সেইৰূপে জনাই আহিব। মানুহ বা কিমান উঠিব, তাক চাই মই মহাৰাজাত জনাও যে জনাম। যদি নজনাও যি পোৰে বোলে সেই পোনে তব দিব'।" ২২৬ ॥

জয়ন্তাত ৰামচৰণ কটকী।—ৰামচৰণ কটকী জয়ন্তা পালত গৈ ৮৮ ঘটা দিলে। সেই ঘটা নকৌৰৰ, বৰকৌৰৰ দুইবো আগত থলে। নকৌৰাবে বোলে,—"এই (ইৱাৰ পাচত পুথিৰ সাতোটা পাত নাই)। ২২৭ ॥

একাদশ আধ্যা।

স্বৰ্গদেৱ শিৱসিংহৰ দিনত।

শক ১৬৩৬–১৬৬৬, খ্ৰীষ্টাব্দ ১৭১৪–১৭৪৪।

সমসাময়িক ডাঙৰ বৰা— বৰকোঁৱৰ, সৰুকোঁৱৰ।

জয়ন্তা কটকী বিনন্দৰ মৃত্যু।—এই কথা ৮৮ত জনালত বোলে,—"চকীতে যি কি কথাও কোনে পঠাইছে, সোদপোহ কৰি জনাই আহিব।" এনেতে বিনন্দ ভাল মানুহ দিন আঠেক থাকি মৰিল। দাঁতিয়ালবো কুৰি চণ্ডাকৈ মানুহ অহা-যোৱা কৰিছিল। তাৰ কাজ-ক্ৰিয়াও সৰহৰূপে দি কৰোৱা হ'ল। এই কথা জনালত ৮ বোলে,—"যেনেকৈ ভাল মানুহ এটা পুনৰ্ব্বাৰ আছে সেইখান কৰিব।" দাঁতিয়াল বৰুৱাবোৰে দুই তিনিবাৰো দলৈ পঠাই বোলে,—"ভাল মানুহৰ সলনি ভাল মানুহ দিছে। বৰএজাতে আমাৰো মানুহ এটি বিনন্দ মৰা কথা জনাবৰ ছলে গোভালৈ পঠাব, গোভাতো আছে, আমাৰ হাতত নেদিও, বোলে,—'আগে এটা দিলোঁ দাঁতিয়াল মাৰিলি, দুৰ্ব্বিয়া বুলিও যেনে নজনালি। তোমালোকৰ মানুহ গলেহে দিম'।" আতে চকীয়াল বৰুৱাক বুলিব দিয়া গ'ল,—"আগে যেনেৰূপে দিছে এতিয়াও হাতীয়ামুখত দিয়কহি, তাৰ পৰা যই আনিম। দাঁতিয়াল মানুহ সঘনে অহা-যোৱা কৰি তাৰ কৰ্ম্ম কৰিলেহি। এই নিমিত্তে আমাৰ চকীয়াল মানুহ পঠোৱা নহইছিল।" ২২৮॥

জয়ন্তাৰ ৰঘুনাথ কটকী।—পাচে বিনন্দৰ সলনি ৰঘুনাথক গোভালৈ পঠালে। তেও দাঁতিয়াল তিনি বৰুৱাএ আহি আমাৰ ইপাৰ কৰি নিনিলে। আমাৰ চকীয়ালে মানুহ এটি বাৰবাৰ দলৈ পঠাই থোৱে। পাচে এই বুলি চকীয়াল পঠোৱা গ'ল,—"যদি তইতৰ কথাবাৰ্ত্তা ভাল হৰ, বিনন্দৰ সলনি ভাল মানুহ এটা আগে যেনেকৈ হাতীয়ামুখত লোৰাই দিছে এতিয়াও সেইৰূপে দেগৈ। যদি নেদিয় তইতা তিনি দলৈ যি জাগীত আছে, তাকে বৰএজাতে ভলোটাই আনগৈ।" এইৰূপে বুলিলত জয়ন্তাৰ তিনি বৰুৱা, দাঁতিয়াল হৰ হলেও, দৰঙ গোভাৰ মাহৰ দলৈ, নেলীৰ দিহাৰ দলৈ, কলাৰ দলৈ, এই সহিতে ৰঘুনাথক কলহৰ কোৰলৈ আনি এইখান বুলি লোৰাই দিলেহি,—"এতিয়াও আনি সেই কথাৰ কাৰণে ভাল মানুহ লোৰাই দিলোঁ।" আতে

চকীয়ালে যোলে,—"আগে বিনমক মিঙতে বাজা লকব মলো আহিছিল, ইবাব মাহিল, এতেকে মিনৎবর মমান নহে।" সিহঁতে যোলে,—"বিনমক প্রথমে সোধাই মিঙতে আহিছিল, তাবে মলনিহে দিয়া গৈছে ন কথাও নাই, লকবো নবিয়া পবিছে, এই নিমিত্তেহে মাহিল।" ২২৯ ॥

জয়ন্তাব হাট-আবেঙ্গ ভিক্ষা।—ইপাবটৈ আমি সুদিনত বযুনাথে যোলে,—"খলে-পর্ব্বতে সকলবে আলচি আমাব অধিকাবীএ বুলিছে,—'ভেঁট-ভাব সহিতে কুকনব আগ কবি হাট-আবেঙ্গ খুজি দিব।' চকীয়াল বকবাএ যোলে,—"ভাল, যি কথাব পবা হাট-আবেঙ্গ মুকলি হবলৈ আছে তাক ভইতে জান। আমিও আন দিন যাব বাবাএ কথাবার্ত্তা আধাব জনাও সেই ঠাইত জনাই চাও।"

এই কথা চকীয়াল বকবাএ জনালত ভাল মানুহব বাবাএ মানুহ পঠাই সোধা গ'ল,—"সি যে হাট-আবেঙ্গ প্রার্থনা কবিবৰখান চকীয়াল বকবাএ কৈছেহি, আগে কি নিবন্ধ পাটৈ গৈছে সেই ধাবণে বা আহিছে নাহিছে? সেই নিয়মে নাহিলে আমি বা কোনৰূপে জনাম?" সি যোলে,—"বন্ধ-নিবন্ধ কথা মোতকৈ একো কোৱা নাই। বিধান শিকাই-বুজাই পঠাইছে মই তাকেহে জানোঁ। চকীয়াল বকবাতো সেই খানকে জনাইছোঁ। ববফুকনব ঠাইত প্রার্থনা কবিলে বিধান যোলে আদব কবি নি অধিকাবীব ঠাইত যোগালে হয়ো ঠাইব অনুমতিএ বিধান হব লগা আপুনি হব। আন বিবতকৈ অধিক ভেঁটিএবে বাজ কথাব ওপবে আহিছোঁ। খাটনিয়াবযোবে বা কিয় নজনাব?" ২৩০ ॥

উভয় দেশ সংস্কাবব চেষ্টা।—এইৰূপে জনালত পুনর্ব্বাব সচাই সুধিব দিলে,—"তাক কি কাবণ কোবে পঠাইছে? আগে যি বন্ধ-নিবন্ধ বাজি গৈছে সেই ধাবণে বা আহিছে নাহিছে?" সি যোলে,—"মোক নকলোঁএবে পঠাইছে। 'কনব ফুল, মাথাব চুল আকে নৈ বা। উভয় দেশ, আমাব কি আছে? ববফুকনব ঠাইত প্রার্থনা কবটৈগ। যেই ভাবে সেইএ হয়। অধিক কি কব। ভলা বাজবাজব বিবাদে বিকল হকে সেইকাল জানিব।' আমাক নিবন্ধখান যি কৈছে সি কথা এবিবা মোতকৈ একো কোৱা নাই। তিনি জনালেহেঁ বিধান যোলে জেহে কব পাবোঁ।" ২৩১ ॥

রঘুনাথ কটকীৰ মোগলেৰ সৈতে কথা।—এই কথা কলাত বোলে,—"ৰঘুনাথক আৰু তাকী নাওৰে মানুহ পঠাই অনাব। বোজবাজ সিঙ্গতে কটকীত কৰি কিছো ঢুটা আও দিব। তাক ফুকনে আগতে আনি এইখান বুলি সোধাব,—'তাক পঠাইছে বা কোনেও আহিছে বা, কি কথাৰে ?' এইৰূপে সুধিলে সি যি কয় তাৰ কথাক চাই অনুৰূপে সিদ্ধান্ত দি এখেনৈ জনাই পঠাব। কিন্তু কথাবাৰ্ত্তা হওঁতে ফুকনে যি বোলে আকো যেন সি শুনে, সি যি বোলে আকো ফুকনে শুনে। এইৰূপে ভাল মানুহ পঠাই কথা কোৱাব।" ২৩২ ॥

ৰঘুনাথক দিয়া সিধা।—বোজ পথেক আভৰে ১১টা মানুহক সনাতন টেকেলাৰ হাতে দিয়াইছিল,—চাউল ১৫ টোপোলা, চিকণ ৭ কলহ, মাহ ৫ টেকেলী, লোণ ৮ সেউ, তেল ৩ কেৰিয়া, খাৰকাণ ৫ খাৰ, ঘিউ ২॥ সেৰ, আলুক ১ সেৰ, আদা ৪ চাকি, গুড় ২, আবোক ১২ পোৰ, পাণ ৬, মাছ ১, নিজে শাকপাত ৫ ভাৰ, হাড়ি-চৰু ৩০, পাৰীৰ খাবলৈ গৰু ৪ কুৰী। ২৩৩ ॥

ৰাজসভাত ৰঘুনাথক তোলে।—৮ৰ আজ্ঞাত ৰঘুনাথক সভালৈ আনি এইৰূপে মজুমদাৰৰ হতোয়া ভেঁটালে,—"জয়ন্তাৰ ৰাজাএ সকলোকেৰ সহিতে ভেঁটি-ভাৰ দি ৰঘুনাথক পঠাইছে।" পাচে ফুকনে তাক সুধিলে,— "থলে-পৰ্ব্বতে সকলেও বাৰম্বাৰ প্ৰাৰ্থনা জনাই যি কবুল কৰি ৰজাকো এক ৰাজা মানি লৈ গ'ল, ৰাজাও ইঠাইত বিধান বুলি লৈছে সেই নিয়মানুক্ৰমতে আমিও থাকিম হেন বুলি যে পাচে সেনাপতিকো খুজি নিছে, সি বচনৰ দেখোঁ একো প্ৰমাণ নহৈছে ? এতিয়ানো আক কি কাৰণে পঠাইছে ?" ২৩৪ ॥

জয়ন্তাৰ হাট-আবেৰ প্ৰাৰ্থনা।—সি বোলে,—"[illegible] ৰাজ্য সমষ্টিতে। মাথাৰ চুল, বন ফুল এইৰূপে ফুলগুৰিত হাট-বাট প্ৰাৰ্থনা কৰি আহিছে।" পাচে বোলা গ'ল,—"ভাল মানুহৰ বচন যি [illegible] পালন দেখাহে। আকে আমি আগে বোলাধান ক', যদি আপোনাৰ [illegible] কৰি আচৰিলেহঁতে প্ৰভাৱ সদৃশ ঠাইত হাট-বাট [illegible] [illegible] বাটকে নপাইছে। তথাপি যে মাথাৰ চুলি বৰ্ণাই প্ৰাৰ্থনা কৰি আহিছে, যেৱেন আৰু বিনাই দিবা বাহি তেৱেন আৰু সিবাদি [illegible] [illegible] থাককগৈ।" ২৩৫ ॥

বৰফুকনৰ প্ৰাৰ্থনা জ্ঞাপন ।—এই কথা শুনাৰ ৮৮ই বোলে,—“ৰাজাক এইবেলিকো হস্ত-সুৱেশ কিছো দিব, ৰঘুনাথকো সামান্য বঁটা এযুৰি দি বিদায় দিব।” ৮৮ৰ আজ্ঞা অনুসাৰে ফুকনে বোলে,—“আজি তোক বিদায় দিলোঁ। ৰাজাক এইখান কবি,—‘স্বৰ্গদেৱৰ চুবুৰিয়া সৰ্ব্বাই হাট-বাট প্ৰাৰ্থনা বন্ধ-নিবন্ধ গাত লৈছে। সি কথা মেখোঁ তোক কবি একো নাথিল? সেই নিবন্ধৰ বস্তু সমুদাই যদি দিব নোৱাৰে তথাপি যথাযোগ্য যি দিব পাৰে সেই সহিতে খাটনিয়াৰ গোটাচাৰেক পঠালেহে ডাঙৰীয়াসকলত জনাই হাট-বাট দিবলৈ ভাল। সেই কথা হলেহে তইঁতৰ আহিব লাগে’?” সি বোলে,—“যিখান বুলিছে সকলো হয়। কিন্তু ৰৰকোঞৰ গ'লতে হাবি মৰিল। যাক পাচে সি ভয়তে আহিব নোৱাৰে। কছাৰী, ত্ৰিপুৰা, মগল, মগুলো এই সকলৰে অপ্ৰীতি, কাৰেও ভাল নাই। পিতাৰে পুত্ৰে প্ৰাৰ্থনা কৰি পঠাইছে। যাচকজন তুলাতো কৰি লঘু। বিক্ত হস্ত কৰণ যুক্ত নাহয়।” আতে বোলা গ'ল, —“প্ৰীতিবোধে প্ৰাৰ্থনা কৰিবৰ যি কৈছে ইখান হয়। সেই ৰাজ্যখান দুই বাৰো মৰা কটা গৈছে। ৮৮ ৰাজাৰো কৃপা কটাক্ষ নজন্মিছে। মগলক আদি কৰি আনো সকল অপ্ৰীতিতে আছে। এতেকে এনে নিদান সময়ত যি পাৰি ৰাজ কাৰ্য্য অনুকূল কৰা যাই আমাৰো অভিমত এইহে। কিন্তু যিখান বোলা কৈছে আৰু মাত্ৰ কৰিব লাগে। বিক্ত হস্ত কিয় হব?” ২৩৬ ।

জয়ন্তাৰ সম্বন্ধি ।—পুনৰ্ব্বাৰ সি বোলে,—“ভগা ৰাজ্য কিছো নাই। আৰু দুই-চাৰি ঘোৰ শিং খড়্গা সহিতে বছৰি অহা হব। তথাপি কিমুৰ নকৰক।” আৰুবাৰ বোলা গ'ল,—“শিং খড়্গাৰ কথা যি কৈছে কেৱল এই ৰাজ্যত উত্তৰৰ পাত্ৰ নহয়, আৰু আনো দাঁতিয়ালসকলেও যোগায়। বিশেষত পূৰে কপিলী, পছিমে ব্ৰহ্মপুত্ৰ, উত্তৰে গোভা সোণাপুৰ, দখিণে বৰাক, এইখিনিৰ ভিতৰত যিবোৰ আছে সেই সকলত কৰি জয়ন্তা ৰাইজ্য বঢ়া হেন শুনা গৈছে। নাই বুলি যে কৈছে, ৰাজ পাতি পঠাওতে দুই হাথী দিছে। এতেকেহে যথাযোগ্য যি পাৰে দিব এনে বোলা গৈছে। তথাপি এনে কথা [illegible]।” পাছে ৰঘুনাথে বোলে,—“ভাল, বুজিলোঁ, [illegible] ৰাজাক [illegible] সি [illegible] বিথান বোলো।” ২৩৭ ।

জয়ন্তা ৰজালৈ উপহাৰ ।—পাছে আমাৰ এখন ৰজালৈ হাত-সন্দেশ,—মাজৰ ভাবেৰে কটাৰী ৩ খন, শিৰৰ ভাবেৰে ৩ খন, পাছ ২টা, চৰা কাপৰ ২ খন। ৰঘুনাথক আচুৰলী বৰকাপৰ, মাৰাণী জেমা, পাগ, কপাহী আচুৰলী পটুকা এইএৰে কাপৰ ১ যোৰ, মাৰানি ৰূপ ১০ টকা, এইমতে ৰটা দি ১৬৪০ শকত মাঘ মাহৰ ১০ দিন গতে শুক্ৰবাৰে ৰামনাৰাণ টেকেলাএ নি জাগীত থলেনি। ২৩৮ ॥

জয়ন্তা কটকী খেমেলীয়া ।—অ'ৰে পাচত আহিল সকলনা হুৱৰা ফুকনৰ দিনত। জয়ন্তাৰ খেমেলীয়া আহিলত আগে ৰঘুনাথক থৱা ঠাইতে ঘৰ সাজি থলে । ১৬৪৫ শক, মাস আশ্বিনত ৰঙ্গালৰ কটকী বাহাদুৰ সিংহ, জমিলবেগক তোলোঁতে পাণ্ডুৰ চ'ৰাত সেই দিনা খেমেলীয়াকো ভেটালে । "স্বৰ্গদেৱ দেৱতাৰ পুত্ৰ জয়ন্তা ৰজাএ হাতী তিনিটা, ঘোঁৰা দুটা আৰু হাত-সন্দেশ সহিতে হাট-বাট প্ৰাৰ্থনা কৰি খেমেলীয়াক পঠাইছে । দেৱতাৰ কৰ্ম্মীএ সেৱা কৰে।" আতে বুলিৰ দিলে,—"সি আছোঁতে ৰাজা ৰাইজ্য ভালে আছে ? তাক বা কি কাৰণে পঠাইছে ?" ২৩৯ ॥

খেমেলীয়া কটকীৰ বচন-সমাচাৰ ।—সি বোলে,—"সকলো ভালে আছে । '১৪ বৎসৰ অন্ধকাৰ হৈ আছে । এখন চন্দ্ৰ সূৰ্য্যৰ প্ৰকাশ হৈছে । যজ্ঞি পুত্ৰ, পিতাৰ ঠাইত হাট-বাট প্ৰাৰ্থনা কৰিছি । হাট-আৰেঙ্গ হলে পাৰো মিকিৰৰো ভয় সংশয় গুচে, গো-ব্ৰাহ্মণৰো কুশল, দেৱতাসকলৰো ধৰ্ম্ম-কৰ্ম্ম বাঢ়ে, বৈকুণ্ঠত বাসা হয়' ।" আতে বুলিৰ দিলে,—"চধে বৎসৰ অপ্ৰকাশ হৱৰ যি কৈছে চন্দ্ৰ সূৰ্য্যৰ সহজে প্ৰকাশ হে, অপ্ৰকাশ নাই, কোনো ব্যাপাৰত থাকিব নেদেখি । সেই ব্যাপাৰ দূৰ হৱৰ নিমিত্তে পুৰুষাৰ্থ কৰিব লাগে । আৰু যি হাট-বাটৰ খান কৈছে নিৰন্তৰ ৰত্নৰ এক অংশৰো প্ৰমাণ নহৈছে ।" আতে সি বুলিলে,—"ৰযকোএবে সেই ৰাইজ্যখান পাৱৰ নিমিত্তে অনেক প্ৰাৰ্থনা কৰিলে, এতেকে ঈশ্বৰে যি নিৰ্ম্মাণ কৰিলে তৈয়ৰোবে সিবো গুচিল, তাৰ লগে সকলো গুচিল । কুনিত কুকে অনেক কল ধৰে, তাৰে কতো গেলে, কতো চৰাএ খাই, অমতে ৰয় । তাকে চাই স্বৰ্গদেৱে যদি পূৰ্ব্বৰ ঠাইতে হাট-বাটখান দিলে গো-ব্ৰাহ্মণেও আনন্দ পায়, দেৱতাৰো যশস্যা হয় ।" আতে বুলিৰ দিলে,—"সমুদাই ৰত্নৰ অসমানহে প্ৰমাণ

হৈছে। তেওঁ যে ৰজাও অত্যন্তৰূপে প্ৰাৰ্থনা কৰিছে, যেতিয়া আৰু বিদাই হয় তেতিয়া ইহাৰ যথোচিত সিধান্ত পাব। এতিয়া ৰজাত থাকোকগৈ।" ২৪০॥

ধেমেলীয়া কটকীয়ে অনা ভেঁটি।—ধেমেলীয়াই অনা ভেঁটিৰ লেখা,—দন্তাল হাতী এটি ৪ হাত ১৫ আঙুল, আটি ৩ হাত ২১ আঙুল, এটি ৩ হাত ১৪ আঙুল; ঘোঁৰা টাঙন কলা-পখৰা ২টা, আটি ২ হাত ২০ আঙুল, আটি ২ হাত ১৮ আঙুল; কপাহ ১৩টা, গোট লোণ ৫৯টা, গোট লো ১৩টা, তিনিফলীয়া তিখা লো ৫ ডোখৰ, হিঙুলীয়া সিংহচাবেৰে তিনিটা যোনাত চন্দন কাঠ ২২ ডোখৰি, লঙ, জাইফল, আতলচ ১ খাপা, ৪ চৰ্ব্বন, ২০ সোণা, বনিচিৰ ১, চিচাৰ ডগডগি ১। আগে চমুৱা টেকেলাএ বোজ দিছিল। ফুলিবৰ দিনাৰ পৰা ৰামকৃষ্ণ কটকীএ বোজ দিছিল। ২৪১॥

ধেমেলীয়া কটকীৰ বিদায়-সম্ভাষা।—১৬৪৫ শক, পুহ মাস, তাৰিখ ২৭, জয়ন্তাৰ ধেমেলীয়াক দোপদৰত বিদাই দিওঁতে সকলো হুৱৰা বৰফুকনে বাগীশ, ভৱানন্দ দুই কটকীৰ দ্বাৰাই চৌখাম কৰি বোলে,—"তাক আজি বিদাই দিলোঁ। ৰজাত এইখান কবগৈ,—'ভগা ৰাইজ্যক চাই ৰজাৰো অত্যন্ত প্ৰাৰ্থনাত থাকি হাট-বাট দিবলৈ বোলা গৈছে। কিন্তু ৰজাৰ সংস্থাপন সময়ত বিৰূপ নিৰ্ণিত নিবন্ধ হৈ গৈছে ধৰ্ম্মক সাখী কৰি ৰজাও অঙ্গীকাৰ অনুমোদন কৰিছে, সেই বচন সমগ্ৰে নৰহিছে। এতেকে মহাৰাজাৰ চই চৰণত যোগ্য মানুহ পঠাই এইৰূপে প্ৰতি বৎসৰে সেৱা জনাই থাকিলে আমাৰো বেথা-স্নেহ, মহাৰাজাৰো সদয় দৃষ্টি যোগ্যানুৰূপে লভিব, হাট-বাটো চিৰস্থায়ী হব। যদি এইৰূপ নহই সকলো গুচিব। আন বা কোন কথা থাকে?" ২৪২॥

ফুলগুৰিত হাট-বাটৰ বাবে জয়ন্তাৰ প্ৰাৰ্থনা।—আকৌ ধেমেলীয়াও বোলে,—"দেৱতা যি বুলিছে উত্তম হে বুলিছে। আমাৰ মাহাৰে বনে-পৰ্ব্বতে সকলেও বিৰূপে প্ৰাৰ্থনা কৰিছে আজিও তাক শিৰত তুলি আমি দেৱতাৰ দুই চৰণত জনাইছোঁ। দেৱতা সদয় দৃষ্টি হৈ আমাৰ সকত মানুহ যি ফুলগুৰিতে হাট-বাট হলে পাবো সিকিৰ বেহাই-কিনাই

খাবলৈ পায় । আক ৰমকো এৱে কমাই আহিছে,—'বৃক্ষে আৰেকো ফল-পুষ্প ধৰে, ৰামুনাই গাৱৰ, কতো বাদ, কতো হয়' ।" আতে ৰৰফুকনে বোলে,— "সদয় দৃষ্টি হৈই মানুহ দিবৰ যি কৈছে, স্নেহ-বেথা পাব যে বোলা হৈছে, আতে আসই আছে বুজিবহে লাগে, বাৰম্বাৰ ফলৱন্ত বৃক্ষ যে কথা কয়, আকে কথা বুলি কয় নেকি ? তাৰ ভিতৰতহে ইকথা গুচে । গুটি বাখিবৰ কৰ্ত্তা নেকি ? বসন্তাদিবিও ভেদে বৃক্ষে ফল-পুষ্প ধৰে, বাত বৃষ্টি প্ৰমাদ হলে নধৰে । যাতো বিধাতা জড়কৈএ জিনে বৃক্ষৰ ইৰূপ হব পাই । সকলে জন্তুত শ্ৰেয় মনুষ্য জন্ম লভি অনেক প্ৰতিপাল কৰিব যি, সিজনৰ বচন পুষ্ট কুৰ্ম্মগ্ৰীএৱাৰ প্ৰায় সংকোচিত হব পাই নেকি ? ফুলগুৰিতে হাট-বাট হবৰ যি কৈছে সিও ৰাজা মহাৰাজাৰহে । আমাৰো তাৰো মা-মুদৈ বেহা-কিনা কৰিবলৈ যতে ছল ততে হব । কটকী, হাজৰকীয়া, ভাল মানুহ, মুদৈ, দুৱৰীয়া সোধাই দিবলৈ যাব । তাৰো তিনি ৰজা, লস্কৰ, জাগীলৈকে আহি নিবহি । হাট-বাট নহই মানে তিনি দলৈ জাগীয়াল বকৰাৰ তত্তে থাকিব ।" ধেমেলীয়া বোলে,—"ইপাৰ দেৱতাৰ, সিপাৰ জয়ন্তাৰ, দুই পাৰ মাৰিছে । আকবাৰ মাৰে যদি তেও ভয়-সংশয়ত ইপাৰ নহই হাতীয়াৰ মুখলৈ আহিবলৈ যদি আজ্ঞা হয় ।" আতে ৰৰফুকনে বোলে,—"সি বুঢ়া মানুহ, ৰাজ-কথাৰ ভাৰী হৈ আছিছে । এতিয়াও ভয়-সংশয়ৰ কথা যে কই তিনি ৰাজা, লস্কৰে হাতী ঘোঁৰা পাৰ'ক নেদিবহি, আমৰো চকীয়াল নপৈছে, সিও এতিয়া নাহিছে, এনে কথা কব পাই নেকি ?" তামোল পাণ দি বোলে,—"এতিয়া বহাত জিৰাই থাককৈগে । আন দিন আমাৰ কটকী, হাজৰকীয়া সঙ্গে জাগীলৈ যাব ।" ধেমেলাৱাক,—ডলা ১ যুৰি, জামা পাগটাৰ ১ যুৰি, একলীয়া ৰৰকাপৰ, তিনি দলৈক,—ভজুয়া ৰৰকাপৰ, ফোঁটা, কেক, পাগুৰি এইৰূপে দিলে । ৰাজালৈ দিলে সন্দেশ,—ঝালুক দোমোন, কটাৰী দোমোনা, খাৰু একটি, তাও দোটোপোলা । ২৪৩ ॥

গোভাত ধেমেলীয়া কটকীৰ মৃত্যু ।—ধেমেলীয়াও ৰৰফুকনে বোলা কথা পাত নলনত থকৈকে চাহেবুকৰত এক বৎসৰ [illegible] থকিলে, বটীয়া ৭০ মানুহ দি । পাচে জৰ-গ্ৰহণী হ'লত আৰীৰ চকীলৈ দিলে । আৰু বুঢ়া হৈ গোভাত মৰিলহৈগ । ২৪৪ ॥

গোভা, নেলী, খলা মাৰিবলৈ স্বৰ্গদেৱৰ আদেশ।—তদনন্তৰত শিৱসিংহ মহাৰাজা সকজনা ফুৰবা ফুকনক বুলিলে,—"পূৰ্ব্বে জয়ন্তীয়ালে যিখান গাত লৈ গ'ল তাৰ একো প্ৰমাণ হোৱা নাই। এতিয়াও ফুকনে গৈ সেই আধাৰকে সি যিৰূপে গাত লয় তাকে চেষ্টা কৰিব।" পাচে ফুকন আহি জাগীৰ চকীয়াল, ডিমকৰা এই দুইৰ দাবাই অনেকৰূপে কোৱালত বৰ্ষুনংথ আছিল। তাৰ পাচত ধেমেলীয়াও আছিল। সিহঁতক দোপদৰলৈ নি বিদায় দি বুলিলত পূৰ্ব্ব-নিবদ্ধ গাত নললে। তাতপাচে ফুকনে ৺ক সেৱা কৰিবলৈ গ'লত জনালে,—"অনেক উপাই কৰি চোৱা গ'ল। তেও জয়ন্তীয়ালে পূৰ্ব্ব-নিবদ্ধ গাত নললে। ৺বো আজ্ঞা হলে গোভা, নেলী, খলা এই তিনি দাতি মাৰিলে ইয়াৰ আশা এৰিব নোৱাৰি গাত লয় হেন দেখি।" এইৰূপে জনালত ৺ তিনিজনা ডাঙৰীয়া, বৰুৱা, ফুকনেৰে যুক্তি হৈ বোলে,—"ফুকনে ভাগহে কৈছে। এইৰূপে গৈ ফুকন, ৰাজখোৱা, হাজৰিকীয়া, মানুহ-দুনুহটো সাৱধানে পঠাই তাৰ গাও-ভূঞিখান মাৰি শীঘ্ৰে ওলাই আহিব।" ২৪৫ ॥

ডিমৰুৱা ৰজাৰ নতুন সম্মান লাভ।—সেই সময়ত ডিমৰুৱা ৰাজাও ৺ক সেৱা কৰিবলৈ গৈছিল। ফুকনৰ দ্বাৰাএ ডিমৰুৱাএ ৺ত জনালে,—"জয়ন্তা, খৰামী দো-সীমাত থৈছে। দৰঙী, বেলতলীয়া যি চিন-বান পাইছে, সেই প্ৰসাদ বন্দীএও প্ৰাৰ্থনা কৰোঁ।" পাচে ৺এ তিনিজনা ডাঙৰীয়া, বৰুৱা, ফুকনত সুধিলে, বোলে,—"সি যে এইৰূপে জনাইছে, কোন আধাৰ বোলা যায়?" সিবোৰে বোলে,—"দুখান দাতিৰ সমুখে থাকে, গোভা, নেলী, খলা তিনিখন দুৱাৰৰ, বাট-পথৰো কথা কৈছে, আৰু তাৰ দ্বাৰাএ ফুকনেও কথাবাৰ্ত্তা আধাৰ হইছে। আকে চাই দৰঙী, বেলতলীয়াত কৰি কিছু চীন কৰি দিলে ভাল হেন দেখি।" পাচে ডিমৰুৱাকো আঠুভগা দোলা, সোণৰ খাৰু, কেৰু, চেঁমি দিলে। ৰাজখোৱাবোৰৰ নিয়মে ৰহিৰ দিলে। ২৪৬ ॥

তিনি দাতিলৈ আহোম সৈন্যৰ যাত্ৰা।—পাচে ফুকন আহি, দুহৰ দহ দিন থাকোঁতে চৈয়নীয়া সন্দিকৈ ফুকন, তকৰা দিহিঙীয়া, পানী দিহিঙীয়া, পানী অন্তৰপুৰীয়া, পানী শলগুৰীয়া, ওপৰ দয়ঙীয়া ৰাজখোৱা,

ডিমৰুৱা ৰাজা, এইবোৰক তিনি দাতিলৈ পাচি ফুকনে বোলে,—"স্বৰ্গদেৱৰ আজ্ঞা হৈছে, তোমালোক গৈ দুই-চাৰি দিন অপেক্ষা কৰি নিমিলে যেন দেখিলে তাৰ গাঁও-ভূঁইখান ৰাখি ঘৰ পুৰি গৰু-গাই ধৰি শীঘ্ৰে ওলাই আহিবা।" আৰু ডিমৰুৱা ৰাজাক বোলে,—"পূৰ্ব্বাপৰ নোপোৱা প্ৰসাদকো স্বৰ্গদেৱৰ চৰণত জনাই দিয়া গৈছে। গোভা, নেলী, খলাৰ তিনি ৰজা যিৰূপে হাত হয় তাক কৰিবি, তেহে আগ-পাছলৈ চাউল-কানি বাঢ়িবলৈ আছে।" ৰাজা বোলে,—"পিতৃএ পুত্ৰক যিৰূপে শিখাই সেইৰূপে শিখাইছে। মোৰ পৰা যিখানি হয় তাক আচৰিম, যি আখাৰ মোৰ পৰা নহয় তাক জনাই থাকিম।" আৰু ৰজা বোলে,—"স্বৰ্গদেৱৰ অনেক লোক সি দেখিলে ভাগিবলৈকো আছে। তিনি বটীয়া হৈ গলে ভাল হেন দেখি।" ফুকনে বোলে,—"ৰজা যিৰূপে কৈছে সেইৰূপে তিনি বটীয়া হৈ যাব। ইবেৰৰ লগত বাট-পথ দেখাই নিবৰ নিমিত্তে ৰজাৰো ভাল মানুহ লগত দিব।" পাচে বাট-পথ দেখাবৰ নিমিত্তে ৰজাৰো ভাল মানুহ দিলে।

পুহৰ এক পক্ষ আছোঁতে বাট ঘৰণ দেখি ওপৰ দয়ঙ্গীয়া, পানী দিহিঙ্গীয়া ৰাজখোৱাক এফৈদ মানুহেৰে দোলাকাখৰীয়া বৰ', ফুকনৰ কেঁহো বৰা, এইসকল সহিতে লুইতে উজাই কলঙ্গে ভটীয়াই নেলী, খলা মাৰি কুলিঙ্গৰ কোষত কেঁঠ দি থাকিব দিলে। পাচে পুহৰ ৭ দিন থাকোঁতে সাত ফৈদ মানুহেৰে ফুকন গ'ল। ফুকনৰ লগত কটকী থকা পাইক আপাই কাকতী, পেলন গগৈ, সুধন, বলো, ফুকনৰ সনাতন বৰা, দোলাকাখৰীয়া ১, চাওডাঙ্গ ১, আৰু দুই ৰাজখোৱাৰ লগত মানুহ সাত ফৈদ, ৭০০ মানুহেৰে ডিমৰুৱা ৰজা, ঘৰকলীয়া চাওডাঙ্গৰ বৰা, ফুকনৰ ভূঞাৰ পুতেক, চাবুকধৰা বৰা, ইবোৰো ফুকনে সহিতে গৈ ২ দিনৰ মূৰত গধূলি মি নিমুখত ভাৰী-ভুৰী থৈ জয়ন্তীয়ালে দেখে বুলি ৰাতি গৈ পুৱা পাটডিমৰুৱাত ওলাইগৈ। পাচে ফুকনে জয়ন্তীয়াজক নগাঞ সোমাই নসনা গাঞ ওলালগৈ। পাচে দেওবৰ পাই লিঙ্কিসৰৰ বাটে ওলাই গোভাৰ মাটিত গধূলি মাটি-গড় বান্ধি ৰ'ল। সিদিন ৰাজখোৱা ডিমৰুৱা ৰজা সহিতে পাটডিমৰুৱাৰ পৰা কচু চকীঅৰি নৰতজলৈ যোৱা বৰ বাট আগচি গোভাতে ওলাব দিছিল। ২৪৭ ॥

কুলিঙ্গ কোষত ফুকনৰ কেঁঠ।। পাচে পুৱা সেই বাটে যোৱা চিনাংগীয়া হাজাৰৰ ভগা শইকীয়া এটা আহি ফুকনত কলে, বোলে,—

"আমি আহোঁতে গ'ৰো একুৰিমান খেদি আহিলত আমাৰ মানুহ হাজৰকীয়া সহিতে পলাল। মানুহ বা কি কাটিছে নিচয়কৈ কব নোৱাৰোঁ।" এইৰূপে সি ক'লত ফুকনে শুনি খেদি যাওঁতে গোভা ৰজাৰ দুৱাৰত দুটা হাতী দেখিলে। পাচে কুলিঙ্গ কোথত ডিমৰুৱা ৰজা সহিতে তিনি ৰাজখোৱা কোঁঠ দিছে। ফুকনো তাতে কোঁঠ দি ৰ'লগৈ। ২৪৮ ॥

প'লোৱা বিষয়াৰ শাস্তি।—পাচে ফুকনে ৰাজখোৱাবোৰক সুধিলে,—"চিনাতলীয়াৰ ভগা শইকীয়াএ যে বৈছে হয় নহয়?" সিবোৰে বোলে,—"চিনাতলীয়া হাজাৰ পাচত আহিছিল। আন্ধাৰ ৰাতি, কাকৰ তলত গৰু দেখি গ'ৰো বুলি পলাবৰ হই, মানুহ পৰা নাই।" আৰু কলে,—"ঘৰত জুই দেখি হাতী লব মাৰিলে। হাতী ৭টা ৰাখিব নোৱাৰি মাউতে এৰি আহিল।" এইৰূপে ক'লত ফুকনে হাতী ধৰি আনিবলৈ চাৰি হাজাৰ মানুহ দিলে, মাউতকো পঠালে। সিহঁতেও হাতী লৈ আহিল। গোভা ৰজাৰ দুৱাৰত দেখি অহা দুই হাতীকো আনিলে। এদিনৰ পাচে নেলী, খলাৰ দুই ৰাজখোৱাও তাতে ওলালহি। পাচে তিনিও বটীয়া একে ঠাই হুই কুলিঙ্গৰ কোথতে কোঁঠ দি ৰহিলহি। হাতীও ডিমৰুৱা ৰজাও ফুকনৰ কোঁঠতে আছিল। এই কথা আপাই কটকীতকৈ বৰফুকনলৈ জনালে। আৰু কলে,—"চাউল-পাত অনা ভাৰী-খুৰী মিটনিতে আছে। সিদ্ধিসৰত এখানি কোঁঠ দিলেহে চাউল-পাত আনিবলৈ ছল হয়।" পাচে ফুকনে নামদয়ঙ্গীয়া ৰাজখোৱাকে তিনি হাজাৰ মানুহ দি সিদ্ধিসৰত কোঁঠ দি চাউল-পাত খেদিব দিলে। আৰু অভয়পুৰীয়া বৰাকে, বাগীশ কটকীকে পঠালে, লাই ধৰিব দিলে,—"হাজৰকীয়া, শইকীয়া, বৰা, ই যে গৰু দেখি গ'ৰো বুলি পলাই, হাতী এৰি যে মাউত আহে, ইহঁতক আকে শিখাই পঠাওঁ নিকি? ৰাজখোৱাবোৰে বা কিয় লগ লগাই নানিব? মহাৰাজা ৺ শুনিলে আমাক বা কিয় ভাল বুলিব? সিবোৰে বা কিৰূপে গা-সাৰিব?" এইৰূপে লাই ধৰি হাজৰকীয়া, শইকীয়া, বৰা, মাউতক নাহৰৰ টাঙ্গোনে বাৰেচোটক কোব মাৰিব দিলে। ২৪৯ ॥

গোভাৰ ধনচেঙ্গ কোঁৱৰ আৰু মগঞা কোঁৱৰ।—এনেতে গোভাৰ ধনচেঙ্গ কোঁৱৰ, মগঞা কোঁৱৰ এই দুইৰ লগত তিনিটি আহোমে

ডিমৰুৱা ৰজাৰ গাঁলৈ আহিল । ৰজাএ ফুকনৰ আগ কৰিলত সুধিলে,—“সিহঁত কি নিমিত্তে আহিছে ?” সিহঁতে বোলে,—“আমি স্বৰ্গমহাৰাজাৰ শৰণীয়া, ডিমৰুৱা যেনে আমিও তেনে । দুৱাৰমুখত কোঁঠ দিলে, এই নিমিত্তে আমাৰ ডাঙৰ ভয়-সংশয় । গোভা, নেলী, খলা ৩ ৰজাএ কোঁঠখন গুচাবৰ নিমিত্তে প্ৰাৰ্থনা কৰিছে । কোঁঠখন গুচালেহে আমাৰো ভয়-সংশয় গুচে । তেহে আমিও আহি সেৱা কৰিব পাৰোঁ ।” পাচে ফুকনে এইৰূপে আপাই কটকীতকৈ কৈ পঠালে । বৰফুকনে বোলে,—“সিহঁতৰ লগৰ মানুহ এটিক বঁটা ১ যুৰি দি কাণ্ড একাঠী দি হাতত চিন দি বুলি পঠাব,—‘সিহঁতে কোনো ভয়-সংশয় কৰিব নালাগে । সিহঁতৰ কলাপাতখানকো হানি কৰিব দিয়া নাই । তিনি ৰজা আহি প্ৰাৰ্থনা কৰিলে সকল কথা ভাল হব’ ।” এইৰূপে বুলি পঠালে ।

পাচে দুই-চাৰি দিন অপেক্ষা কৰিলতো সিহঁত নাহিবৰ দেখি বৰফুকনে গাওঁ-ভূঞি পুৰি গৰু-গাই ধৰি আনিব দিলে । দুই কোঞৰকো গুৱাহাটীলৈ আনিব দিলে । এনেতে নেলী, খলাৰ গৰু ধৰিবলৈ ৰাজখোৱাবোৰ গৈছিল । ফুকনে দিনত ৪ হাজাৰ মানুহেৰে তিনিখান কোঁঠ বাখি আছিল । পাচে ৰাজখোৱাবোৰে গৰু লৈ আহিল । ৪ দণ্ড বেলি আছোঁতে কোঁঠ পালেহি । পাচতে কুবিচাবেৰ গাৰো খেদি আহিল । আমাৰ মানুহে খেদি গ'লত ছুঁইকি গ'ল । পাচে ফুকনে চিনাত্তলীয়া হাজৰকীয়া পলোৱা, মাউত হাতী এৰা, দুই কোঁৱৰৰো কথা বলোভদ্ৰ কটকীতকৈ ৮স্তালৈ জনালে । ২৫০ ॥

বৰফুকনৰ ঘৈণীৰ মৃত্যু ।—এনেতে ফুকনৰ ঘৰত বসন্ত গুলাই ঘৰিণী মৰিবৰ শুনি ৮এ বিশ্বাবিনন্দ কটকীক পঠাই ফুকনক উজাই যাব দিলে । আৰু কলে,—“চেটিয়া ফুকনকো ৮ পাচিছে ইঠাইৰ কথাবাৰ্ত্তা আখাৰ জনাবলৈ, পাচতে পাৰহি । আৰু ফুকন আছোঁতে লগত মানুহ-দুনুহটো সৰহকৈ নানিব ।” পাচে চেটিয়া ফুকনো আহি নাওশালীতে আছিল । বৰফুকনে কটকীত কৰি ৮লৈ জনাই পঠালে, বোলে,—“৮ যে কমীক এইখনৰ অধিকাৰী নাম দিছে, ৮ৰ লোকজন সহিতে ফুকন ৰাজখোৱাকো পঠোৱা গৈছে, সিবোৰ গুলাই নহাকৈ গলে পাচলৈ বুলিব,—‘ফুকনে শত্ৰুৰ মাজত দুমুৱাই আমাক এৰি গ'ল ।’ শত্ৰুৰো মন বাঢ়ে । সেই মানুহ-দুনুহটো গুলাই আহিলে আজাও হৈছে, পাচতে ৮ক সেৱা কৰিবলৈ যাম ।” ২৫১ ॥

পলৰীয়া ডোম বন্দী।—এনেতে দিনকুৰাএ কৌঠৰ আগত পানীফুকনৰ ভাগিৰ ডোম ১টা গোভাতে সাত বৎসৰ পলাই আছিল, তাকে পাই ধৰি আনিলে। তাত ফুকনে সুধিলে বোলে,—"ই কি জানে?" সি বোলে,—"গোভা, নেলী, খলাৰ ৰৰদলৈ সহিতে ৭০০ মান গাবো এঠাই হৈছে; দিনাচাবেৰকতে কৌঠত ধৰিব। মোকো সিহঁতে পঠাইছে, বোলে,—'তজি ধৰিতাৰী, পানীভাৰীৰ লগত কৌঠ সোমাই জুই লগাবি। সেই সময়তে আমিও ধৰিম'।" পাচে বৰফুকনলৈ বাগীশ কটকীতকৈ সেই মানুহটো দি পঠালে। "জয়ন্তাক সমুখে বৰুৱা, ফুকন দুগুজন গৈছিল। পাচত বিৰূপ হ'ল তাক আপুনি জানে। মঞি নিকি তাক বলে পাৰিম? মানুহ-দুনুহটো পৰিলে মোৰ পো-নাতিলৈকো চাউল-কানি মৰিব। মঞো দুৰ্যাশ কৰি পাচ গুচিম নিকি?" এইৰূপে ক'লত বৰফুকনে শুনি বিষ্ণু কটকীক পঠাই তিনিওখান কৌঠ দাপ্তি ফুকন, ৰাজখোৱা, ডিমৰুৱা ৰজা সহিতে জাগীলৈ আহিব দিলে। পাচে কৌঠ দাপ্তি আহোঁতে গাবোএ খেদি আহিল। ওপৰ দয়ঙীয়া ৰাজখোৱাএ গুলীয়াই দুটা গাবো মাৰিলত গাবো উইকি গ'ল। ফুকন, ৰাজখোৱাও লোকজন সহিতে ওলাই কলঙ পাৰ হুই জাগীত ৰ'লহি। ২৫২॥

বৰফুকনৰ দায়।—পাচে বলোচন্দ্ৰ কটকীএ জনালত লখীনাৰাণ কটকীএ আহি দায় ধৰিলেহি, বোলে,—"ফুকনক মঞি যি আখাৰ শিকাই পঠালোঁ, গুৱাহাটী পাই তাক এৰিলে। ভাল চ'ই ফুকন, ৰাজখোৱা, হাজৰকীয়া পঠাব দিলোঁ। এতিয়া শুনো গৰু দেখি হাজৰকীয়া পলাই, মাউতে হাতী এৰি পলাই আছে। এনেকেহে চাই পঠ'ইছে? চাইটা লালুঙতে যে এই, সমুখে লাগিলে মোৰ কাৰ্য্য-কাম কৰিব হেন ইয়াতে প্ৰমাণ পোৱা গৈছে। এতিয়া মঞি কি বুলিম? সিহঁত ওলাই আহিলে এখেলৈকে অনাইহে কথা হয়।" এইৰূপে জাগীতো ফুকন, ৰাজখোৱাক দাই ধৰিলেগৈ। ২৫৩॥

স্বৰ্গদেৱলৈ বৰফুকনৰ সন্নিধান।—পাচে ফুকনে ৺লৈ জনালে, বোলে,—"৺আ যি দায় ধৰিছে দায় নহয়, আমি বন্দীইতক জ্ঞান হে দিছে। ৺আ চৈতন্য, আমি জড়। যেৰক যেনেকৈ বায়ুএ চলাই সেইৰূপে চলাইছে ৺ৰ কাৰ্য্য-কাম হৰলৈ আছে। আৰু যি ৺ বুলিছে,—'মঞি যি শিকাই পঠালোঁ, সিঠাই পাই এৰিলেগৈ।' হয়, ৺ৰ বেউবাক্য আমি নহয় শৰীৰে

কিৰূপে ৰাখিম ? ৮ শিখোৱাৰ শত ভাগৰো এক ভাগ আচৰিব পাৰিলে দায় সাৰিব পাৰি, তেও মনেচোৱাখাব ফুকন ৰাজখোৱাক শিখাই পঠাইছোঁ। আৰু যি ৮ বুলিছে,—'চাইটা লালুঙ্গতে যে এই, সমুখে লাগিলে মোৰ কাৰ্য্য-কাম কিকৈ কৰিব ?' ৮তা বুলিব পাই। এই লোকেৰেই পাৎশাই লোককো বাৰম্বাৰ ধৰা গৈছে, সি চাইটা লালুঙ্গহে, ৮ৰ লোকক সমুখে কি কৰিব ? এতিয়াও সি সংশয় নাই। পূৰ্ব্বে বুঢ়া বন্দীসকলে খৰিভাৰী, পাতভাৰীৰ দায় সাৰিব পৰা নাই, এতিয়াও সি অপৰাধক কিৰূপে সৰা যাব ? আৰু গৰু দেখি হাজৰকীয়া পলাবৰ, হাতী এৰি মাউত পলাই আহিবৰ যি ৮এ দায় ধৰিছে, গুলী মৰাই, জোঁৰ ধৰাই হাতী সধোৱা গৈছে। তাক ঘৰত জুই দি বনত জুই লগাই সধোৱা নাই। এতিয়াও সি অপৰাধ সাৰিব নোৱাৰি। ৮ৰ বন্দীএও দোষানুৰূপে সিহঁতক দণ্ড কৰা গৈছে। আৰু বিনা আজ্ঞাই সমুখৰ কোঁঠ-খান জাগীলৈ অনা গৈছে। পুনাপ ৰা ৮তাসকলে বুলি গৈ ছ,—'ভুই চাই আনি দিব' হেন। এতেকে আগেও ডিমৰুয়াৰ দ্বাৰাএ কথাবাৰ্ত্তা আখাৰ হোৱা গৈছে। এতিয়া ও সেয়ে কৈছে, বোলে,—'সমুখৰ কে ঠথান হেঁাহেঁাকাই আনিলেহে পাৰো, নিকিৰ'ৰা ভয়-সংশয় গুচ। তিনিও ৰজা ভেট-ঘাটখান লৈ আহিম বুলিও কৈছে।' এইৰূপে ডিংকৰাএ ক'লত কোঁঠ দাঙ্গি অনা গৈছে। দাঁতিয়ালৰ দাঁতত কথা। দুই চাৰি দিন অপেক্ষা কৰিলেও সিহঁত নাহিলে, জাগীৰে পৰা তাৰ গাএৰ বাট কাটি দিনটিকাকৈ গৈ যি দুই-এক দিনে পাৰি তাৰ গাঞ মাৰি শীঘ্ৰে ওলাই আহিব দিয়া যাব।" এইৰূপে লৰীনাৰাণ কটকীতকৈ ৮লৈ জনালে। ২৫৪ ॥

ডিমৰুৱা ৰজাৰ দোষ।—পাচে ডিমৰুৱা ৰাজা ফুকনলৈ জনালে,—"গোভাৰ ধনচেঙ্গ কোঞৰ, নগঞা কোঁৱৰ গুৱাহাটীতে আছে। কোচাৰ ঘাই দেখিলেকে দুই-এক দেখি আহিবলৈ আছে। সিহঁত যদি গুৱাহাটীত থাকিল, ভয়-সংশয়ত থাকি কিয় আহিব ?" এইৰূপে ক'লত ফুকনেও দুই কোঞৰক ডিমৰুৱাৰ হাতত দিলে। ডিমৰুৱাৰ হাতৰ পৰা দুয়ো কোঞৰ পলাল। এই দায় ধৰি কৌঠৰ পৰা আহিলত ডিমৰুৱাক গুৱাহাটীত এক মাহ ৰাখি থৈছিল। পাচত ৰজাকো এৰি পঠালে। ২৫৫ ॥

ৰৰফুকনৰ মৃত্যু।—এনেতে [illegible] ফুকনৰ জ্বৰ হ'ল। [illegible] কিল। [illegible] পঠাই ফুকন, ৰাজখোৱাত কোৱালে,—"মোৰ ৰাতি

ভাল নকৰিছে।” পানীফুকনকে চেটিয়া ফুকন সহিতে বাজ কথাবাৰ্ত্তা আথাৰ চেষ্টা কৰিব দিলে। এনেতে তিনি দিন থাকি বৰফুকনো বসন্ত ওলাই মৃত্যু হ'ল। ২৫৬ ॥

গোভা, নেলী, খলা মাৰি পোৱা দিহ-দ্ৰব্য।—গোভা, নেলী, খলাৰ গাওঁ-ভূঞ্জি পুৰি গৰু পালে ডেৰ হাজাৰ, আগহাত নাল-হিলৈ পালে ১টি, কপাহ কিছু পালে, হাতী-দান্ত ২টি, হাতী পালে ২টি, লোৰ গছা ৩টি। গাওঁ-ভূঞ্জি মাৰিলত ৮লৈ জনাই ফুকন, ৰাজখোৱাকো আহিব দিলে। গৰুকো উজাই দি পঠালে। চেটিয়া ফুকনকো ৮এ যাব দিলে। ২৫৭ ॥

ডিমৰুৱাত জয়ন্তীয়ালৰ উপদ্ৰব।—এনেতে ডিমৰুৱাৰ থেৰণি চকীৰ মানুহ ১টাএ কলেহি, বোলে,—“জয়ন্তীয়ালে ৰাতি পলাই আহি বাওফৰ গাওঁ সোমালহি। সেই গাওঁৰো মুনিহ ২টা, তিৰোতা ৮জনী কাটিলে।” এই কথা শুনি ৫ কৈদ মানুহক পাটডিমৰুৱাত কোঁঠ দি থাকিব দিলে। ৰজাৰো নৰা-তিৎভা পাটডিমৰুৱাৰ পৰা মিটনিমুখত ঘৰ সাজি থ'লেনি। চাৰি মাহৰ মূৰত কোঁঠ দি থকা পাঁচ কৈদ মানুহক তুলি আনিলে। ডিমৰুৱাকে মানুহ-দুনুহটো তুলি লৈ সাৱধানে থাকিব দিলে।

এবৎসৰ পাচত কচু চকীএ আহি জয়ন্তীয়ালে ডিমৰুৱাৰ লালুঙ্গ গোটা-চাৰেক কাটি গ'লহি। গোভাত কোঁঠ আছিল মানে কটকী চেকেলা আহিব লাগিলে কোঁঠৰ পৰা ২০০০ মানুহে আহি জাগীত উলিয়াই থয়। গুৱাহাটীৰ পৰা গলে জাগীৰ পৰা সাত বজাৰ মানুহে কোঁঠত থয়নি। চেটিয়া ফুকনো আহি নাওশালীত আছিল, ডেকাফুকনৰ কোথতে বহিছিল। বৰফুকনেও চাৰি-জনা ফুকনৰ দৰে কথাবাৰ্ত্তা আথাৰ সুধিছিল। তেওঁএ সেই নিয়মে কৈছিল। ফুকনে সকলো কথা চলাইছিল। ফুকনক ভণ্ডাৰৰ বোজ দিছিল। বৰফুকনেও মাছ, গাখীৰ, শাক-পাত দিছিল। ২৫৮ ॥

জয়ন্তীয়ালৰ শাস্তি।—তদনন্তৰে তগাজনা দিহিঙ্গীয়া বৰফুকনৰ দিনত মহাৰাজাৰ আজ্ঞাএ ৰাজমাওৰ ওঁৰাৰী বকৰা, বাঁহবৰীয়া লখীনাৰাণ কটকী, শিবোঁৰে আহি বৰফুকনত কলে,—“পূৰ্ব্ব-নিবন্ধ যে জয়ন্তীয়ালে গাঁত নগৰ তিনি দাদি মাৰি গাওঁ-ভূঞ্জি লুটি, বৰ-ছুৱাৰ পুৰি, গৰু-গাই ধৰি আনিব দিছে, মানুহ-দুনুহটো ধৰাই মাহে মাসে আমাকো থাকিব দিছে। পাছে ফুকনে

ৰাকণীয়া ডেকাফুকনৰ পুতেক ফুকনক, বুঢ়া গজপুৰীয়া ৰাজখোৱা, শোলগুৰীয়া লাহন ৰাজখোৱা, নামদয়ঙ্গীয়া ৰাজখোৱা, ঝিলাধৰীয়া ৰাজখোৱা, পানী দিহিঙ্গীয়া ৰাজখোৱা, ২১ কৈদ মানুহ, হাতী ১২টা, এই লগত ডিমৰুৱা ৰজাও, লগত ৰামকৃষ্ণাই, দুলভ কটকী, কাকতী স্বৰূপা, গণক দলৈ দুই, এইবোৰক ফুকনে পাচিলে। ইবোৰ গৈ জাগীৰ চকীএদি গোভাত ফুলিঙ্গ কোথতে কোঁঠ দি ৰ'ল। ঘৰ-দুৱাৰ পুৰি, গৰু-গাই ধৰি ৭ দিনৰ মূৰত ওলাই আহিল। গৰু পালে ৭০০। পাচে ইবোৰ পালতহি ৰাজমাঞ্জোৰ ভঁৰাৰী বৰুৱা, লখীনাৰাণ কটকী, ইবোৰে গৈ ৺তাত জনালে। ২৫৯ ॥

বৰফুকনৰ ওচৰত হাট-বাটৰ প্ৰাৰ্থনা।—পাচে ফুকনে তাম্ৰধ্বজক পঠাই জাগীৰ চকীয়ালে বোলা ভাএ জয়ন্তীয়ালক বুলিব দিলে,—"তইঁতে যে সাত ৰজাৰ গাঞত বেহা-কিনা কৰ, তইঁতৰ হাট-বাট মাৰি থৈছে। বেহা-কিনাকৈ খাবলৈ ইছা আছে যদি তইঁতে ধাৰণে প্ৰাৰ্থনা কৰিলে, আম্মিও জনাব লগা ঠাইত জনালে, কিবা বেহা-কিনাকৈ খাবলৈ পা? এইৰূপে যদি আচৰিব নোৱাৰিবি, আমাৰ গাঞো সোমাই বেহা কিনা কৰিবৰ যদি শুনিব লগা ঠাইত শুনে, আমি বা কিৰূপে দায় সাৰিম? তইঁতো কটা-মৰা যাবলৈ আছে।" এইৰূপে বুলিলত সিইঁতে বোলে,—"আমিও জনাব লগা ঠাইত জনালে যিথান বোলে তাক কৰহি।"

মাহচাবেকৰ মূৰত গোভা, নেলী, খলাৰ তিনি দলৈ চকীয়ালত কলেহি, বোলে,—"জয়ন্তা ৰজা, তিনি ৰাজা সহিতে ভেঁট-ঘাটথান দি হাট-বাট প্ৰাৰ্থনা কৰিবৰ নিমিত্তে আমাক পঠাইছে।" এই কথা চকীয়ালে বৰফুকনত কলেহি। ফুকনেও বলোভদ্ৰ কটকীতকৈ ৺লৈ জনালে। ৺ বোলে,—"সিইঁতক আনি ধাৰণে তুলি মোলৈ জনাই আহিব।" ২৬০ ॥

গোভা, নেলী, খলাৰ দলৈৰ সম্ভাষা।—পাচে তাম্ৰধ্বজে জাগীৰ পৰা দুখন হিলৈ নাৱেৰে সিইঁতক আনি থাবঘৰৰ ওপৰে ঘৰ সাজি থলেনি। খেৰেলীয়া থকা ঠাইতে থলেনি। বোজ টেকেলাইতে দিছিলনি। পাচে এক পক্ষৰ মূৰত সিইঁতক দোপদৰলৈ নি তোলোঁতে ফুকন, ৰাজখোৱা সকলো কটকী তোলা হবে বহিছিল। পাচে ফুকন, ৰাজখোৱা সকলেও বোলে,—"ইহঁত ওপৰৰ মানুহ নহয়। তিনি ৰজা লহকৰৰহে কথা কৈছে। ইয়াক চ'ৰাত তুলিবলৈ ভাল নহয়। খলাৰ পৰা সেৱা কৰোঁক।" পাচে খেলঙ্গীয়া বৰা

খুঁটাৰ পোনে পালীৰ আগত টেকেলাইতে সাতসেৰা কৰাই বহালেনি। ১৬৫১, মাস শ্ৰাৱণ, ১১ দিন গতে শুক্ৰবাৰ পৰাণ টেকেলা বৰাই ভেটালে,—"৺তাৰ দুই চৰণত পোভা, নেপী, খলাৰ তিনি দলৈএ সেৱা কৰে। হাত-ভেটি,— হাতী দাঁত ৩টি, শিঙ ৯ যোৰ, কপাহ ১২টি, কোৰ ৫ ঝাপ, লোণ ৬টি, কতৰা ৩ থান, নেলুকা ১০ আঁটি, চিকণ চিনি ৩ কাক, চেছুৰিয়া ২ কাক, এয়েৰে ৺তাৰ চৰণত সেৱা কৰে।"

পাচে ফুকনে বুলিলে,—"মজুন্দাৰ, বলোভদ্ৰ, মমল, তিনি দলৈত সোধ, সিহঁতক কি নিমিত্তে পঠাইছে?" সিহঁতে বোলে,—"তিনি ৰজা লক্ষ্যে হাট-বাট প্ৰাৰ্থনা কৰিবলৈ পঠাইছে। আমাৰো ৰাজ্য তিনিবাৰ কাটি মাৰিলে। বনৰ বনফুল, মাথাৰ চুল ইয়াকে দি প্ৰাৰ্থিছে,—'গাৰো, মিকিৰ, ৱকৰা মানুহ ফুলবগুৰীতে হোবা পেলাই হাট যেন বেহাই খাবলৈ পাই' আকে জনাইছে। 'আৰু সাতৰজীয়া যেনে ৺ৰ বন্দী, আমিও তেনে, সেইদৰে কৰভাৰ খাটনিয়াৰ দিম। অৰু মঙ্গুণ্ড তাম্ৰধ্বজ ইঠাইলৈ আহিলে আমাৰ ভয়-সংশয় গুচে।' এইৰূপে জনাব দিছে।". আতে ফুকনে বোলে,—"সিহঁতে যি কৈছে কৰ পাই। সাতৰজীয়া যেনে ৺ৰ বন্দী, সিহঁতো তেনে। যাতো পূৰ্ব্বে যশমাণিক ৰজা ৺লৈ কন্যা দি প্ৰাৰ্থনা কৰিলতহে সিহঁতকো দিয়া গৈছে। আৰু যি তিনি ৰজা লক্ষ্যে হাট-বাট প্ৰাৰ্থনা কৰিছে হাটো কলঙ্গ সিপাৰে হাতীয়াৰমুখতে দিব বোলা গৈছে। সিহঁতেও ধাৰণে আহি আগবাঢ়ি লবহি। 'মঙ্গুণ্ড তাম্ৰধ্বজ ই ঠাইলৈ আহি ভাবনা দিলেহি ভয়-সংশয় গুচে' বুলি যি কয়, যেতিয়া খাটনিয়াৰ দিলে, 'সাতৰজীয়াৰ লগৰ হলোঁ। আমি বছৰি সাতৰজীয়াই যেনেকৈ কৰভাৰ দিএ আমিও তেনেকৈ কৰভাৰ দি থাকিম' বুলিলে, তেতিয়াই ভয় সংশয় গুচিল। আৰু কি ভয়-সংশয় আছে? যিৰূপে বোলা গৈছে এইৰূপে খাটনিয়াৰ দি বছৰ সেৱা জনাই থাকিলে হাট-বাটো চিৰস্থায়ী হয় বহিব, ভয়-সংশয়ো তেহে দূৰ হব।" সিহঁতে বোলে,—"৺ যি বুলিছে আমিও শিৰত তুলি নি জনামগৈ। হাট-বাটো আগবাঢ়ি লমহি।" ২৬১ ॥

তিনি দলৈৰ বিদায়।—ফুকনে বোলে,—"আজি ইহঁতক বিদায় দিলোঁ। এখন বহাত দিবাই থাককগৈ, আন দিন আপোন দেশক যাব।" পাচে সিহঁতক লগত বাইৰবীয়াৰ অৰ্বিন কটকীক পঠালে। কটকীও আগতে থাকি কলঙ্গ পাৰ হই কথা শুনাই হাট দিলে। সিহঁতেও আগবাঢ়ি, গ্ৰহণ লৈছিল। ২৬২ ॥

জয়ন্তীয়াৰ ৰজাৰ হাট-ঘাটৰ খোজৰ।—পাছে ৰজাৰ আজ্ঞামতে কটকী কহাৰীটৈল গৈছিল। তেওঁলোকে জয়ন্তীয়াৰ মানুহ লৈ কটকীত কলে, বোলে,—“পূৰ্ব্ব-নিয়মে প্ৰীতিও চলিব, হাট-ঘাট মুকলি কৰিবলৈ দিব, এই ভাবনা কৰি পঠাইছে।” পাছে কটকীএ বোলে,—“তঁইতৰ নিমিত্তে মঞো ৰজাৰকৰাত জনাম। ভেটি-ঘাট সহিতে তঁইত গৈ জাগীৰ চকীতে থাকিবি। মই উঠাইৰ পৰা গৈ তঁইতৰ কথা জনালে বোলেইতে মঞো আহি নিৰ্ম্মাহি।” ৰজাৰাত জনালত ৰতন কন্দলিক পঠাই দিলে। কটকীও আহি জয়ন্তীয়াৰ হৰিৰাম, জীৱন এই দুইক ভেটি-ঘাট সহিতে গৰগাওঁলৈ নিলে। দিহিঙ্গীয়া ভগা ফুকনৰ দিনত জাগীৰ চকী সাতৰজীয়া সহিতে সকলো সন্ধিকৈ বুঢ়া ৰৰৰকৰাৰ হাত হ’ল, ফুকনৰ হাতৰ গুচিল। ২৬৩॥

জাগীৰ পৰা জয়ন্তালৈ পথৰ জোখা।—জয়ন্তালৈ যোৱা গোভাৰ মাটিৰ লেখা।—জাগীৰ পৰা গোভাৰ কোঁঠলৈ ৪৩০০, দাগীলৈ ১৫০০, তাৰ পৰা মহাবাগীলৈ ৬৫৫০০, তাৰ পৰা আমচেঙ্গৰ কোঁঠলৈ ৩৫০০, তাৰ পৰা বনতুমলৈ ৪৫৪০, তাৰে পৰা আঠুভগালৈ ৬০০, তাৰে পৰা লেচাৰৰ শিলিখাগুৰিলৈ ১৩০০, তাৰে পৰা বুঢ়িটিকৰৰ কোঁঠলৈ ১১০, তাৰ পৰা সকপানীলৈ ৫০০, তাৰে পৰা ৰৰপানীৰ কোঁঠলৈ ২১৪০, তাৰে পৰা সৰালপানীলৈ ১৭০০, তাৰে পৰা শিলনি কোঁঠলৈ ১২০০, তাৰে পৰা লক্ষ্মীপুৰৰ কোঁঠলৈ ২০০০, তাৰে পৰা নগুঙ্গৰ কামতী নৈলৈ ৪০০, তাৰে পৰা সকপানীলৈ ১৮০০, তাৰে পৰা পমনাই কোঁঠলৈ ৪৬০০, তাৰে পৰা মুক্তাপুৰলৈ ৯৪০০, তাৰে পৰা নৰঙ্গৰ কোঁঠলৈ ৪০০, তাৰে পৰা ৰাজাৰ উত্তৰ দুৱাৰলৈ ২০০। মুঠত মাটি ৪৬৭৪০০। ২৬৪॥

কাষ-পাজৰীয়াৰ লগত মিলি থাকিবলৈ শিৱসিংহৰ ইচ্ছা।—শিৱসিংহ মহাৰাজা হৈ পাত্ৰফুকনক গুচাই সকলো দুৱৰা ৰৰফুকনক পাতিলে। গুৱাহাটীলৈ আহি বোলে,—“যি ৰাজা জয়ধ্বজ ৰাজ্য মাৰিলে, ৰাজাও মৃত্যু হ’ল, সি দিনৰ পাত্ৰ-মন্ত্ৰীও নাই। দুইবাৰ মাৰি-কাটিও বশ কৰি লব নোৱাৰিলে। এনেৰূপে বিবাদী হৈ থাকিলে, বঙ্গাল শত্ৰু সমুখ হলে, আমালৈ ভাল নহয়। কোঁচ-পাজৰ বিবাদী হলে, সময়ত আহকাল কৰিলে, আমি কি কৰিম?” এই বুলি আমাৰ জাগীয়াল ৰৰবাৰুৱা, চিৰকলা ধৰাকো, গোভা, নেলী, দুৱাৰ-খিৰি

ৰজাও হাট-বাট পাবৰ নিমিত্তে কথা-বাৰ্ত্তা হব খোজে, আশৰ নাপাই পাচে হুকনত জনালত, শ্ৰীতি হাট-বাট হবৰ কাৰণে কথা-বাৰ্ত্তা হবলৈ খুলিছিল। ২৬৫ ॥

গোভাৰ দুৱাৰ খুলিবলৈ সককোঁৱৰৰ প্ৰাৰ্থনা।—ডিমৰুৱা ৰজাৰ ঠাইলৈ জয়ন্তা ৰজা সককোঁৱৰে মানুহ পঠাই বোলে,—"গোভাৰ দুৱাৰ-খান মাৰিছে। ৰৰফুকনত খাটি মুকলি কৰি দিয়ক।" পিতলৰ ফুলাম পইৰা লগা নাৰিকল হেন দেখি ধোঁৱাখোৱা সিঙ্গচাৰ দি পঠালে। পাচে মানুহ তাতে ৰাখি ডিমৰুৱা ৰজা বিশ্বাসে জনালে। ডিমৰুৱা বোলা ভাএ বুলিব দিলে,— "তইতৰ ৰাজ দুইবাৰো কাটিছে মাৰিছে, এতেকে হাতী যদি নাই অটি বা দুটি ধোঁৱা, লগত ভাও, পোৱাল, লঙ্ক, জাইফল এইৰূপে নহলে কেনেকৈ মুকলি হব?" সি মানুহে বোলে,—"আমাক কাটিছে মাৰিছে, হাতী ধোঁৱা আমাৰ নাই, ক'ত পাম? ইটো বাটে সৰহ নাপাই।" ২৬৬ ॥

খলাৰ কটকীৰ হাট-বাটৰ প্ৰাৰ্থনা।—দমালত বুঢ়াগোহাঞিৰ চকী এখনি আছে। তালৈ খলা ৰজাৰ মানুহ গৈ বোলে,—"বুঢ়াগোহাঞিএ হাট-বাট মুকলি কৰি দিয়ক।" গোহাঞিএ বোলে,—"তাৰ বুলিব দিয়া গ'ল, যদি হাট-আৰম্ভৰ কথা হব লাগে তিনি ৰজাৰ তিনি দলৈ পূৰ্ব্ব নিয়মে সমুখে আহি দি হয় কৰ। হয়তো তাঞি কৈছ, তোৰ কথাত প্ৰমাণ কি?" ২৬৭ ॥

দাতিয়ালৰ হাট-বাটৰ প্ৰাৰ্থনা।—পাচে ১৬৩৮ শকত আষাৰ মাহ ৮ দিন যাওতে দাতিয়াল তিনি দলৈ জাগীৰ চকীলৈ আহি বোলে,—"ওপৰৰ বাচন আহি কৈছে,—'পূৰ্ব্বাপৰৰ সোণ-কপৰ আনিটো যে মলিন হৈছে তিনি ৰজাএ যত্ন কৰি চকীয়াল বৰুৱাএৰে কথা হৈ যেনেকৈ পাবে হাট-বাট মুকলি কৰি দিয়ক।' আৰি কোনেও নপতাই, বোলে,—'যদিহে কথা হৈছে, এতে-দিনেও সিবোৰৰ মানুহটোও কিয় নাহে?' এতেকে প্ৰমাণৰ নিমিত্তে আটি মানুহ বৰ্ণনাৰে আহি খাব নোৱাৰে।" চকীয়াল বৰুৱা বোলা যেনেকৈ হুকুম দিয়া থাক,—"যদি হাট-বাট পাবলৈ ইয়া আছে তেবে আমাৰে কথাতে মন্ত্ৰীক মুকলে, বাচন তত থাকিলে কি হয়? ... কিয়ান হয় ...।" ২৬৮ ॥

দ্বাদশ অধ্যায়।

খৰামী ৰজাৰ কথা।

১। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত।

কিনা বৰুৱাৰ আশ্ৰয়ত সন্তোষ বঙ্গাল।—খৰামী ৰজাৰ কথা॥ পাণ্ডুয়াৰ সন্তোষ বঙ্গালে পলাই আহি ডিমৰুৱাৰ চকীত পৰিল। সি বোলে,—"কোদাল পাৰি খাব নোৱাৰোঁ, আগৰো বেপাৰী মানুহ। মোক খৰামীৰ কিনা বৰুৱাৰ হাতত দিয়া।" এতেকে ডিমৰুৱাএ তাৰ হাতত দিলে। কতো দিন কিনাৰ ঠাইতে বেপাৰী কৰি আছিল। অনেকো বিত্ত-বস্তু ঘটিবৰ দেখি কিনা বৰুৱাএ খৰামী ৰজাটৈ ধৰি দিবলৈ যতন কৰিলে। বাৰ্ত্তা পাই ডিমৰুৱা ৰাজাৰ ঠাই আহি বোলে,—"পূৰ্ব্বেও তুমিহে মোক কিনাৰ হাতত দিছা। ওপৰৰ ৰাজাৰ ঠাইলৈ মোক ধৰি দিব খোজে। মোৰ বস্তুজাতখিনি আনি দিয়া, তোমাৰ লগতে থাকোঁ।" ডিমৰুৱা ৰজাও "ই অৱস্থাৰ সীমাৰত্ৰ পৰা আহি আমাৰ চকীত পৰিছেহি। কোনো দিন অৱস্থীয়ালে খুজিলেও আমি দিব লাগিব।" এই বুলি ৰাখিলে। ২৬৯॥

খৰামী আৰু ডিমৰুৱাৰ মনোমালিন্য।—কিনা সহিতে খৰামী পাবো আহি বোলে,—"আগেও একবাৰ আৰবিৰ হাতে ডিমৰুৱাএ কটাইছে। এতিয়াও যে সন্তোষ বঙ্গালক ধৰি নিলে আতে বা কি ছল-ছমো কৰে? আমি হাট-ঘাট নকৰোঁ।" এই বুলি শক ১৬২৫ শকৰ আৱণৰ পৰা চৈত্ৰলৈকে হাট-ঘাটলৈকো আহিব লাগিলে অস্ত্ৰ-সহ সাবধান হৈহে আহে। হাট-ঘাট ভাল-ৰূপে নকৰে। ২৭০॥

খৰামীক হাত কৰিবলৈ পাত্ৰফুকনৰ মন্ত্ৰণা।—এই কথাতে পাত্ৰফুকনে কঁথাৰ হুৱৰীয়াক বোলে,—"খৰামী পাবোক এইখান বুলিবি, আৰবিৰ পাবোও তইতক কাটে মাৰে, ডিমৰুৱাও যে তইতক বঢ়া কথা কৰে, বৰফুকনৰ ঠাইলৈ গৈ যদি চিনাজনা হব পাৰ, যাক সংশয় কৰ সিজনলৈ মিথি কোনোখানি কৰিব পাৰে?" অৱস্থা-কহাৰী আনো দা-হুৱৰীয়াও ভেটি-ঘাট [illegible] কৰিছে এনেহেন আকে পাই লৈছে। তইতৰ ৰাজাত অমাই পাব যে [illegible] [illegible]

কিয় ?” কিন্না পুৰোএ কোলে,—“ই কথাতৈ আমাৰ আগৰো পৰা ইহা আছে ; কিন্তু খেত্রী চুৰবীয়াএ আগেও একবাৰ আমাক আহিব দিলে, পাচত কোনোবা কথাত থাকি অৱহেলা কৰিলে। তুমি যদি নিব পাৰা মই ৰজাতৈ জনাই ৰত্নজাতখান যত্ন কৰোঁ।” ২৭১ ॥

খৰামীৰ কটকী আহিবলৈ স্বৰ্গদেৱৰ অনুমতি।—পাচে কত দিন থাকি ৰজাৰ বাচন এটা আহি চুৰবীয়াক বোলে,—“জয়ন্তাৰো হাট-বাটখান আছে, আমাৰো আছে। সি যে ৮৮ ঠাইতৈকো, বৰফুকনৰ ঠাইতৈকো যাব পাই আমিনো কিয় নাপাওঁ ? তুমি আমাক নি বৰফুকনৰ ঠাই ভেটোৱা, যেন ৮৮ৰ ঠাইতৈকো যাব পাওঁ।” এইৰূপে চুৰবীয়াএ জনালত ফুকনেও ভৰথ তামুলীক পঠাই বিবলে কদ্রসিংহ মহাৰাজাতৈ জনালে। ৮এ বোলে,—“ফুকনে ভালেহে কৰিছে। যদি মানুহ খোজে চুৰবীয়াৰ বুলি মানুহ যেমনে গতাগত হয় সেইখান কৰিব।” পাচে ফুকনে বোলে,—“কিনাত ৰাজে বাচন আ'হি যে আমাৰ চুৰবীয়াত সুধি প্ৰমাণ কৰি গ'লহি মই জানিছোঁ হেন প্ৰমাণ নপাইছে।” এই বুলি হৰিধন চুলীয়াক পঠাই এইখান বুলিব দিলে,—“এতেকে মোকো বৰফুকন গোহাঞি পঠাইছে। মজুন্দাৰে যে জনাইছে মানুহ ছুটি বা আহিবৰ হয় নহয় ? আহিছিল বা কি কথাএৰে ?' হৰিধনে আপুনি বোলা ভাৱে বুলিব,—'আমি শুনিছোঁ পূৰ্ব্বও ৮৮এ খৰামী ৰজাএ প্ৰীতি-ৰূপে কটকী গতাগত কৰিছিল, অদ্যাপিও সেইৰূপে হলে ডিমৰুৱা যে সন্তোষ বঙ্গালক ধৰি নিছে তাকো পাৰবলৈ আছে। আৰবি গাবো যি সংশয় কৰে বৰফুকন গোহাঞিএৰে প্ৰীতি হলে সি কোন মানুহ ? কি কৰিব পাৰে' ?” ২৭২ ॥

হৰিধন আৰু কিনা বকৰাৰ কথা-বতৰা।—এইৰূপে হৰিধনে বুলিলত কিনাএ বোলে,—“চুৰবীয়া, বাচন আছেহি বুলি তুমি কিয় নজনালা ? যি বাচন গৈছে সি যে ফিৰি নৌ আহে ? ৰজা ছুইৰ কথা, মই কি সিদ্ধান্ত দিম ? তেও একুটি কথা জনাই পঠাইছোঁ। এইবাৰে যদি গাঁঠি ছিপি আহে এটাক নিম, যে-পুথি এখান লৈ নাৰত উঠিব। যদি বৈচাই নাৰাই তাকো দণ্ডি কৰিম। মজুন্দাৰে যি কথা কোৱা সি নো কোন মানুহ ? এনে এক শত নিৰুক্ত। ৰাজকুমাৰে জানিব। ই কাজিল লাগে মই আজি কৰোঁ।” ২৭৩ ॥

প্ৰীতিৰ প্ৰস্তাৱ লৈ খৰামী কটকীৰ আগমন।—আকৌ আঠ দিনৰ পাচে চন্দ্ৰ, কালমেলেৰ, কিনা আহি বোলে,—"খৰামী ৰজা বুলিছে, কিনাও মোত জনাইছে, যাচন পঠাই ছুৰবীয়াতো বুলিছে, আপোনাৰ হাট-বাটো কৰিছে। এইএ হবৰ কাৰণে ছুৰবীয়াও কথা হৈ কোনো কথা বুলিবলৈ আছে। পূৰ্ব্বেও লাবু, উমাই, চন্দ্ৰ, এইসকল সি ঠাইলৈ গৈছিল। এখন আমাৰ হে ইচ্ছা হৈছে বৰফুকনৰ কিবা ইচ্ছা নাই জানে কি নাজানে? এটা ভাল মানুহ আহি যদি আমাৰ আগত বোলে তেবেসে প্ৰমাণ।" এই কথা ফুকনে শুনি ভৰথকে, হৰিধনকে পঠাই বোলে,—"ছুৰবীয়া এইখান বুলিব,—'মই মানুহ পঠাই মহুৰাৰত জনালোঁ। তেওঁলোকৰ কিবা কথাএ ফুকনে মাতিলে। ছল পাই সেই পোৱে জনালে। ফুকনেও ভৰথ তামুলীকে, হৰিধন পইকীয়াকে পঠাইছে, যি কথা হৰ লাগে হোৱা।' ভৰথে বুলিব,—'ফুকন গোহাঞি ইখান বুলিছে,—খৰামী ৰজা প্ৰীতিক ইচ্ছা কৰি ভাল মানুহ পঠাইছে হেন ছুৰবীয়াএ মোত জনাইছে। পূৰ্ব্বেও খৰামী ৰজাৰে আমাৰে প্ৰীতি আছিল, এখনেহে গুচিছে। তাঞি যে প্ৰীতিক ইচ্ছা কৰিছে, এই প্ৰীতিক আমাৰো ইচ্ছা আছে। ৰজা ৰজা প্ৰীতি হলে যিখান হয় তাক আপুনি জানে।' ভৰথে বোলা ভাএ বুলিব,—'পূৰ্ব্বতো এই প্ৰীতি আছিল, সেই হাট-বাটখানো আছে, গতাগত হলে প্ৰীতি অধিক আনন্দহে হয়? ইহাত কোনো বৈগুণ নাই। যদি ঘটিল গড়গাওঁ খৰামী, খৰামী গড়গাওঁ। ৮৮ৰ উকীল জয়ন্তাক যায়, সি ঠাইৰো আহে। এনেৰূপ অনেক দিন হতে গড়গাওঁ জয়ন্তা অভিন্ন হএ আছে'।"

কিনাএ, কালমেলেক বোলে,—"পূৰ্ব্বেও ছুপ লোকেৰে খেত্ৰী ছুৰবীয়াএ আগে আমাৰ ঠাইলৈ গ'ল। তাৰ লগত হে লাবু, উমাই, চন্দ্ৰ গৈছিল। অদ্যাপিও খৰামী ৰজা 'বোলে,—'যদি ছুৰবীয়া আগে আহে প্ৰীতি হয়; যদি নাহে স বৎসৰো নহয়"।" ছুৰবীয়া বোলে,—"তই এক ঠাইলৈ বুলিলিহতে যত্ৰিও যিখান হয় আগে বুলিলে হতে। তঞি যে মিছা হলি বোলো মিছা কৰিলি।" "মও আন কিনাএ মৰ নাথাও। [illegible] বুলিবলৈ [illegible] জানি মৰ খাবো হেন লাগে। এতেকেহে মিছা [illegible]। [illegible] বোলো, [illegible] লোৱা?" ভৰথে বোলে,—"যি [illegible] বৈগুণ্য [illegible] তাক তুমি বা বুলিবা কিয়? [illegible]

কথাত ছুৰবীয়াৰো দুখ হব কিয় ?" কিনাএ বোলে,—"আমাৰ [illegible] [illegible] গোভা, কবীয়াপাৰ এতিয়া যি খাইছা ইসকল তাৰ সমান হই। কেতীয়া [illegible] ভাজৰ, তেও পৰ্ব্বত উঠিছিল। এতিয়াও যদি যাব নোৱাৰা মুৰত তুলিও দিম, পাচে তুষ্টি কিবা।"

এই কথা শুনি তেনে হবিয়ক পঠাই ছুৰবীয়াক বুলিব দিলে,—"মোক বুলিবৰ কথা শুনো [illegible] এনেহে বুলিব,—'তাৰ [illegible] [illegible]। কোন [illegible] কাৰণেহে খৰামীএবে কথা নৈই যায় খোজে। এতেকে মোক কিয় পঠায়, মই যে পালে যাওঁ সে ? কিন্তু যদি এই কথা [illegible] মোৰ মোৰ অনেক দিন দশস্তা থাকিলহঁতে। অন্ন কথাতে বৈগুণ হ'ল। মোৰ ইঠাইৰে মাছুহ এটি পঠালে ৰাজাৰ ঠাইৰ মাতুহ আনিব পাৰিবি নোৱাৰিবি'?" কিনাএ বোলে,—"ৰাজকথা তখন পৰ্ব্বত, এক ঠাই কৰিব লাগে। তুমি যত তোমাৰ মাতুহ নিকি তত নহ ? তুমি নহই পোৱাতেহে এই কথা ঘটে।" পুনৰ্ব্বাৰ ছুৰবীয়াক বুলিব দিলে,—"খৰামী ৰাজাও দুটাকৈ ভাল মাতুহ পঠাইছিল, মওঁ সঞ্জাতৰ কাৰণে ছুটা ভাল মাতুহ পঠালোঁ। এই মাতুহতো যে সঞ্জাত নহ'ল আমাৰ ছুৰবীয়া গলে বা কি সঞ্জাত হব ? যদি প্ৰীতিক ইছা আছে মোৰ ঠাই আহি খুজিলেহঁতে ছুৰবীয়াক খোজে, আনক খোজে দিলোঁহঁতে।"

পাচে ৰাজাৰ ঠাইৰ পৰা কালমেলেঙ, চজত আহি কিনাৰ ঘৰত বৰৰ শুনি ছুৰবীয়াএ আন ছলে মাতুহ এটি পঠালে। তাৰ আগত কালমেলেঙে আহি বোলে,—"খৰামী ৰজা বুলিছে,—'যেমনে প্ৰীতি হয়, হাট-ঘাট বয়, গো-ব্ৰাহ্মণ কুশলে বয় সেৰূপ প্ৰাৰ্থনা কৰি ফুকনত জনাই আমাৰ ঠাই বোধ-ভাবনা দি ছুই-চাৰি মাছুহে নিৰকহি বুলিব, আনোঁ কাহৈৰ অৰ্থে খোজে এনে নহয়। পাবো জাতি ঘাৰবৈ ভয় কৰে বুলিব। আমাৰ কথাত যে সঞ্জাত নহ'ল, গলে বা কি সঞ্জাত যাব ? কিনাৰ ভাই-পো এটাক বন্দীকৈ ৰাখক, তেও ছুৰবীয়া আহক'।" ছুৰবীয়াএ বোলে,—"আগেও মোক ভাল মাতুহ জনাই পথু কৰিবি, এতিয়াও আকে কৰবৈ আহিছ ? ভক্ৰিএবে হাট-ঘাট কেনেকৈ কৰিম ?" এই বুলি দুয়ো-আউদক কিনা-কিনা কৰিবটৈ বাধিলে।

পাছে [illegible] পাকোএ কিনাক বোলে,—"আৰ যে প্ৰীতিক কথাৰ নোৱাৰিব, লোকক কিয় মিছা কৰিবি ?" কিনাও পাছে পাৰৰি [illegible] দি

ছুৰবীয়াই মাতি পঠালে,—"বাপাএ কি খজ কৰে ? ৰাজাও যে মাতি পঠালে, সেই কথা কলে, মোক ৰক্ষা কৰোক।" এই কথা ছুৰবীয়াৰ পুতেকে জনালত ছুকমে বোলে,—"ছুৰবীয়া বুলিব,—'কথা ৰাখি এই বাৰ ফিৰি আহোক হেন জনাইছোঁ নিমিত্তেহে একো নাই। যদি সূত্ৰ ছিগাকৈ জনালোঁহঁতে তই নিকি আত ৰব পাৰ ? মোৰ বা কি অপাত্তৰ হ'লহঁতে ? এতিয়াও মোক যে নিৰ খোজা এনেহে বোলোঁ, গাবোএ কি জানে ? ছুৰবীয়াএ কথা দি যাব খোজে, এতেকে ই কথা জনাব লোৱাবোঁ। তই যে পো-ভাই দি যাব খোজ, যদি সংশয় কৰ মোৰো পো-ভাই তই ৰাখ। বৰফুকনত মোকে খুজি আনগৈ, বটা-বাহন পাবি। যদি হাজাৰ টকাৰো অসবাব নিৰ খোজা সিও বিক্ৰয় যাব। জয়ন্তাৰ বিজয়ৰামো এনেৰূপে প্ৰশংসা অনেক পাইছ, বিত্ত-বস্ত্ৰ বহুত ঘটিছে'।"
২৭৪ ॥

সন্তোষ বঙ্গালৰ বকৰা বাব।—এই বুলিলতো মানুহ নপঠাই দেখি ছুৰবীয়াএ উপায় কৰি ডিমৰুৱা ৰজাৰ হতে সন্তোষ বঙ্গালক বকৰা পাতি হাটত থঙ্গা পাৰি ৰহিল। দুই-চাৰি গাবোএ দেখিলত কিনাএ বোলে,—"সন্তোষ কোন মানুহ ? লাড়িকা সকল দিনে নগৰ চটাইত ৰহে, এতিয়া যে শুনিছোঁ ছুৰবীয়াৰ আগতে থঙ্গা পাৰি ৰহে ? মা-মুদৈকো বাধা কৰিছে। দুখী কঙ্গাল গাবোৰ বাজহে খাব নেপাই মৰে ? বৰফুকন গোহাঞি আজ্ঞা হলে চিন পালোঁহঁতে, তেনেও নেদেখোঁ; কোন কাৰণেনো কি কৈছে ?" ছুৰবীয়াএ বোলে,—"মা-মুদৈৰ কিনা-বিকা হলে মোৰ ৰক্ষ, অল্প বৈগুণ হলেও মোৰ অসহ্য। বৈশাখে বৈশাখে এক বৎসৰ মোৰ কিনা দিন। ইদিকিনৈ মঙ অধিকাৰ নহওঁ। আনো দিন সন্তোষ মোৰ ঠাইত থঙ্গা পাৰি নৰহে, এতিয়া যে ৰহিল। ডিমৰুৱা সকল দিনে সিহঁতৰ বিবাজী। বকৰা পাতিবৰ কাৰণে আগৰ পৰা পুৰুষাৰ্থ কৰিছে। সি নিকি কিছো বল নহলে ই কথা কৰিব পাৰে ? এনে দেখি মঙ চিন্তাহে কৰিছোঁ। সি আমি যি কথা কলোঁ সেয়ে যদি ঘটিলহঁতে ডিমৰুৱাক নিকি ৰক্ষা কৰিব পাৰে ? যিহেতু হৃদয়ে মিছা কলোঁ। প্ৰকাশে চুৰ হেন আগেও কৈছোঁ, বোলে এতিয়াহে এই, পাচলৈ বা কি হয় ? এতেকেহে মোৰ দোষ দিব নেপাই।"

এইৰূপে কিনাত ক'লত কিনাএ, কালবেলেহে বোলে,—"আমি যান পুৰাচাৰেক চাকত থৈছিলোঁ। আগে নি তাকে গাবোক বাটি দিলোঁ; সেই

যদি নহয় সকলো মৰোঁ। আমাক এইমান কথা কৰিলা, এতিয়াও তুমি খং নকৰিবা। আমি আলচি যিথান বুলিম।" এইৰূপে বুলি ঘৰলৈ গলন্ত গোটাচাৰেক মুদৈক পঠাই দুৱৰীয়াএ এইৰূপে বুলিব দিলে,—"আমি দুৱৰীয়াত সুধিলোঁ, গাবোৰ ঠাইত আমাৰ অস্বাব থাকিল, জানো আনিব পাই নেপাই?" দুৱৰীয়াএ বোলে,—"ভাল, তহঁতৰ যি আছে আনগৈ। আন দিনলৈ যাব নেপায়।" মা-মুদৈবোৰে বোলা ভাএ বুলিব দিছিল,—"তোমালোকে দুই বকৰাৰ এক যুগুতি কৰিলে আমাৰ বেহা-বাণিজলৈ চল। যি কথা কৈছিলা তাকনো কিয় নকৰিলা?" তাৰ লগৰ গাবোএ বোলে,—"জানা যে কথাকে ৰাখিব নোৱাৰিবি, লোকক কিয় মিছা কৰিলি? তহঁতৰ একো নাই, আমি দুখী কঙ্গালেহে মৰিলোঁ।" ২৭৫ ॥

থৰামী কটকী ইয়ং, দুখীয়াৰ আগমন।—এইৰূপে বোলা-বুলি কৰিলত কিনা ও ফালমেলেঙ্গে, ইয়ং পাত্ৰৰ উগেত, চঙ্গত, এই চাৰি আহি পাড়ু লস্কৰৰ বেটা ইয়ং ১, দুখীয়া ১, লগত ঘৰবুঢ়া ১, লপিত ১, জানি ১, যাসুৰ ১, এই গাবোক দুৱৰীয়াৰ হাতত দি বোলে,—"থৰামী ৰাজাএ এই মানুহ কেইটাকে তোমাৰ হাতত দিব দিছে। বৰফুকনৰ ঠাইত ভেটাবা। ইহঁতে তোমাক খুজি আনিব।" পাচে দুৱৰীয়াএ ভাৰী নাৱেৰে আনিলে। শতাশিলৰ উপৰে জয়ন্তা কটকীৰ ঘৰৰ উজনিত তিনি থানি ঘৰ সাজি থলেনি। ১৬২৬ শকত জেঠৰ ২৮ দিন যাওঁতে পালেহি বুধবাৰে। সেই দিনা মজুন্দাৰ নামে আধা বোজ দিলে। তাৰ দুদিন পাচে ফুকনে হৰিগতি কটকীক পঠাই হিলৈ নাৱেৰে বোজ দিলে। ২৭৬ ॥

বৰফুকনে ইয়ং, দুখীয়াক দোপদৰত তোলে।—জেঠৰ সংক্ৰান্তিৰ দিনা দপদৰত মাঝৰ খুঁটাত কুসুমফুলীয়া দলচাত বৰফুকন বহিছিল। বৰগোহাঞি, ফুকন বাঁহৰ তিন খুঁটা পুতি একে লগে বহিছিল। আনো ফুকন, ৰাজখোৱা পূৰ্ব্বৰ কটকী তোলা নিয়মে বহিছিল। হৰিগতি কটকীএ পানী-ফুকনৰ আগ লাগি নাৱত উঠি দিখৌমুখীয়াৰ হিলৈ নাৱত তুলি দপদৰৰ ঘাটত থৈ ফুকনত—জনালে। কণ্ঠভূষণক আগবঢ়াই আনিব দিলে। বিজয়ৰাম বৰা ঠাকুৰ নামকৈ বজুৱালে। লুকুৱাই বহিবলৈকো পাত দিলে। সন্দেশ,—সোৱাল ১ খান, ২০ ৰূপৰ, বজালী কুঁহিয়াৰপতীয়া আজলাক ১ খান ১২ ৰূপৰ,

লগ ১ যোৰা ৩ ৰূপৰ, আইকল ১০ গণ্ডা ২ ৰূপ, পাবোকতৰা ২ ৰূপৰ, হৰিতাল ১ পোৱা, আগত পাত পাৰি থলে।

পাচে ফুকনে মাত লগালে,—“ইয়ং, দুধীয়া, তইতক খৰাগী ৰাজাএ কি কাৰণে পঠাইছে ?” সিহঁতে বোলে,—“পূৰ্ব্বে থেত্ৰী দুৰবীয়াৰ লগত আমাৰ মানুহ ইঠাই আহিছিল। সেই চিন-বান সোণাৰ কেৰু, লাউখাৰু, কুণ্ডল, ফুনকা অদ্যাপিও আছে। তাক দেখি বৰা-বৰুকসকলে আলচি বোলে,—‘আগে যে এনে প্ৰীতি আছিল, এতিয়ানো সেই প্ৰীতি কিয় নহৈছে ? তইঁতে যা, দুৰবীয়াক খুজি আনগৈ। দুৰবীয়াৰ লগত আমাৰো মানুহ বৰফুকনৰ ঠাইলৈ যাব, ৺৺কো যেন সেৱা কৰিবলৈ পাই।’ এখান জনাব দিছে।” ফুকনে বোলে,—“ৰাজা যি পূৰ্ব্ব প্ৰীতিক ইছা কৰি মানুহ খুজি পঠিয়াইছে, তাৰ লগত ৺৺ৰ ঠাইলৈকো মানুহ যাব হেন বুলিছে, এইখান ভালেহে বুলিছে। অন্যস্থ আদি ৰাজাসকলেও অনেক যত্ন কৰিহে প্ৰীতি গোট লভিছে। ৰাজাও যদি সেইৰূপে যত্নত ৰহিল তেবে তাঞ্চিৰ মনোৰথ পূৰণ হৈব।” সিহঁতে বোলে,—“স্বৰ্গদেও ভালেহে বুলিছে।” ফুল-চন্দন তামোল-পাণ দি বোলে,—“এখন বহাত জিৰাই থাকগৈ, যেখন বিদায় দিওঁ আৰ সিদ্ধান্ত পাবি।” ২৭৭ ॥

খৰাগী কটকীৰ বিদায়।—এইৰূপে তুলি বিদ্যাভূষণতকৈ ৺৺ জনালত বোলে,—“খৰাগীৰ মানুহ দুটিক এইখান বুলি বিদায় দিব,—‘তইঁতৰ ৰাজাএ পূৰ্ব্ব প্ৰীতিক স্মৰি দুৰবীয়াৰখান যি কহি পঠাইছে, দুৰবীয়াৰ লগত পুনৰ্ব্বাৰ মানুহ-দুজুহটো ৺৺ চৰণত সেৱা কৰিবলৈ পঠাবলৈকো যি মোলৈ জনাই আহিছে, দুৰবীয়াকো পচা গৈছে। ৺৺ চৰণত আনো ৰাজাসকলে অনেক যত্ন পুৰুষাৰ্থেসে প্ৰীতিগোটকো কৰিব পাইছে, ৰাজাও যদি বৰ প্ৰকাৰে পুৰুষাৰ্থ কৰি প্ৰাৰ্থনা কৰি ধাৰণে মানুহ পঠাই তবে ইখান মনোৰথ সিদ্ধি হব। খৰাগী ৰাজালৈকো তাৰ সন্দেশ চাই ডেৰগুণ মান হৈ হেনকৈ তাৰ ঠাইত অপ্ৰাপ্য হেন যি এনে সন্দেশ দিব। তাৰ মানুহকো যিমানেৰে যোগ্য হেন দেখে সেইৰূপে বঁটা দিব’।” ২৭৮ ॥

খৰাগীৰ ৰবমাণিক ৰজাৰ মৃত্যু, আষাঢ় ১৬২৩।—ইতি মধ্যত খৰাগীৰ ৰবমাণিক ৰাজা মৃত্যু হৈল হেন শুনি কণ্ঠভূষণ কটকীত কৰি ৺৺ জনাই বোলে,—“ফুকনে পাৰেমানে যত্ন কৰি খৰাগীৰ এটি মানুহ পঠাই এটি মানিব।

যদি যাই এখান বুজিব,—'আগে তঁহঁতক যি ৰাজা পঠালে সি ৰাজা মৰিল। এখন বা যি ৰাজা হৈছে ই বা প্ৰীতিক ইছা কৰে নকৰে? ইহাক তুই বুজি আহগৈ। যদি ইছা আছে তুৰবীয়াক পঠোৱা যাব। যদি এটিও নাথাকে তুৰোটি যাব খোজে তেবে দুওক বটা দিব। তুৰবীয়াৰ বুলি ফুকনৰে এটি মানুহ সিহঁতৰ লগত দি বিদায় দিব। যদি ন ৰাজাও প্ৰীতিক ইছা কৰে তেবে তুৰবীয়াৰ মানুহ সহিতে আহি তুৰবীয়াক নিবহি।" ২৭৯ ॥

তুথীয়া কটকীৰ দেশাগমন।—পাচে ফুকনে আষাৰৰ ২১ দিন যাওঁতে মঙ্গলবাৰে উপায় কৰি বিশাৰদকে, কৃষ্ণহৰিকে দুই কটকীক পঠাই ৰহাৰ পৰা সেইৰূপে বুলি তুথীয়াকে তাৰ লগৰ দুটি গাৰোক পঠাই দি ৰজালৈ মতা কুকুৰা ৪টা হাত-ভেঁটি দি তুথীয়াক খনীয়া-বৰকাপৰ, বোলোৱা পাগুৰিএ, বচোৱালেৰে বঁটা দিলে ১ যোঁৰ। বাগৰ দুই গাৰোক বোলোৱা চেলেঙ, বোলোৱা পাগুৰিএৰে বঁটা দোযোৰ। সিহঁতৰ লগত থকা তৰ শলগুৰীয়া ১২টা মানুহ ভাৰী নাৱেৰে উজাই কাজলীত ৰ'ল। দুই গোহাঞিএ এদিন পুছিলে। তাৰ পৰা সোণাপুৰলৈ গৈ ১২ দিনৰ মূৰত ফিৰি আহিল। ২৮০ ॥

ইয়ং, তুথায়াক পুনৰ দোপদৰত তোলে।—শ্ৰাৱণৰ ১৮ দিন যাওঁতে ৰবিবাৰে দপদৰলৈ আনি বোলে,—"ইয়জ, তুথীয়া, খৰামী ৰাজা যি পূৰ্ব্ব প্ৰীতিক স্মৰি তুৰবীয়াক খুজি পঠাইছে, তাৰ লগত মানুহ পঠাইছে, ৺৺ক সেৱা কৰিব পায় হেন যি বাঞ্ছা কৰিছে, আমিও সেই প্ৰীতিত থাকি তুৰবীয়াক পঠাইছোঁ। অন্য ৰাজাসকলেও যিৰূপ ধাৰণত হন্তে ৺৺ক সেৱা কৰিবলৈ পাইছে, তাঞো যদি সেইৰূপ যত্নত ৰহিল, ধাৰণে মানুহ পঠাই, তবে সকলো মনোৰথ পূৰণ হব।" পাচে সিহঁতে বোলে,—"আমি বন্দীও আকেসে বাঞ্ছা কৰোঁ।" ফুল-চন্দন দি বোলে,—"তহঁত এখান ৰহাত জিৰাই থাকগৈ। আন দিনা আপোন দেশক ধাৰি।" ২৮১ ॥

খৰামী ৰজালৈ স্বৰ্গদেৱৰ সন্দেশ।—খৰামী ৰাজালৈ সন্দেশ তুৰবীয়াৰ হাতত,—নৰা কাপৰ ১ খান ১৬ কপৰ, কামসিতি ১ খান ৮ কপৰ, সাতৰ চবালগা কটাৰী ৭ খান, শিলৰ চবাইলগা কটাৰী ৮ খান, মহমুৰী ২০, ৬ কপৰ, গুৰুচাঁমৰ ২টা, সৰ্কাৰ গান্ধ ২, ৬ কপৰ, খড়্গ ৩টা ১৪ কপৰ, কাঁসুৰ ২০ সেৰ ৪ কপৰ, মুঠত ৬০ কপৰ সন্দেশ। ইয়ংগক,—সোণৰ কঁৰীয়া

১ যোৰ, ৰূপৰ টাৰ, কোঁটা, মতোৱাল, বোলোৱা ৰবকাপৰ ১ যোৰ। পাগুৰি-এৰে ধুখীয়াক ৰূপৰ কেৰু, টাৰ, কোঁটাএৰে, আদকলীয়া ৰবকাপৰ, পাগুৰিএৰে ১ যোৰ। লগৰ ৫ মানুহক,—চেলেঙ, পাগুৰি ৫ যোৰ। আমাৰ দুৱৰীয়াক, নিৰ্ম্মলক,—কঁৰীয়াএ, মতোৱালে, বোলোৱা পাটুকা, ৰবকাপৰ, পাগুৰিএৰে ২ যোৰ। ২৮২ ॥

আহোম দুৱৰীয়াৰ খৰামী যাত্ৰা।—খৰামী কটকী খৰলৈ দিছে দিখৌমুখীয়াৰ ভাৰী নাও ২০। নাওবৈচা আগ আহনিয়াকৈ দুৱৰীয়াৰ লগত তৰ শলগুৱীয়া ১৪টা মানুহ এখনি ভাৰী নাও। দুৱৰীয়াৰ ভাই বুলি নিৰ্ম্মলৰ লগত নামদয়ঙীয়া মানুহ ৭। তুলিবৰ দেওবাৰৰ পৰা তিনি দিন থাকি মঙ্গলবাৰে খৰামীলৈ গ'ল। "খৰামী ৰাজাৰ দৰবাৰলৈ নি সুধিলে দুৱৰীয়াএ বুলিব,—'আমাক বৰফুকন গোহাঁঞিয়ে পঠাইছে। ৰাজা যে পূৰ্ব্ব প্ৰীতিক স্মৰি খুজি পঠালত সেই প্ৰীতিকে লৈ তোমাৰ দুই মনুষ্যৰ সঙ্গে আমাকো পঠাইছে'।" খৰামী ৰজাও ধাৰণে তুলি ইহঁতক বিদায় দিলে। ২৮৩ ॥

যথা দৃষ্টং তথা লিখিতং লেখকে নাস্তি দূষণং।
ভীমস্যাপি ৰণে ভঙ্গঃ মুনীনাঞ্চ মতিভ্ৰমঃ ॥
লেখকস্য শুভমস্তু, শাকোয়ং ১৬৬৪ ॥

২। গৌৰীনাথসিংহ স্বৰ্গদেৱৰ দিনত।

খৰামীৰ উকীল তুলিবলৈ বৰফুকনলৈ আজ্ঞা।—শ্ৰীশ্ৰীগৌৰীনাথসিংহ ৺স্বৰ্গদেৱৰ আজ্ঞাৰে শুক্ৰেশ্বৰ নাটমন্দিৰত সন্দিকৈ গগৈ বৰফুকন, সন্দিকৈ বৰফুকন, মিৰিসন্দিকৈ ডেকাফুকন, চেটিয়াফুকন, দিহিঙ্গীয়া ফুকন, সকলো ফুকন, ৰাজখোৱাত ৺দেৱৰ আজ্ঞাৰে দিচিয়াল শিৱ কটকীএ খৈৰামৰ উকীল তুলিবলৈ আজ্ঞা কৰেহি,—"সিহঁত পৰদেশী লোক, ফুকনে ব্যৱস্থাৰে তুলিব।" ২৮৪ ॥

খাজিখোৱা গড়ত মেলকৰা চ'ৰা নিৰ্ম্মাণ।—এইৰূপে আজ্ঞা হ'লত ১৭০৮ এই শকত বৈশাখৰ ৪ দিন থাকাত শুক্ৰবাৰে আহাক পূৰ্ব্বে, ভগুৰ দক্ষিণে, গড়ৰ পশ্চিম ফালে খাজিখোৱা গড়ৰ ভিতৰত বাটি ৯ পুৱা,

তাৰে মাজত মেলকৰা চ'ৰা দুটা। পশ্চিমৰটো কুজিঘৰ। এটা ঘৰ উত্তৰা-দক্ষিণা; পূবা-পশ্চিমাটো আঠ কোঠা, কৰা যোলহতীয়া। কুজিঘৰটো ঢেকেৰা ঢৰাৰে ছাইছিল, তল ফালে আতলচেৰে ছাইছিল। খুঁটাত বানাত মেৰাইছিল, বৰফুকন বহাটো খুঁটাত তাচ কাপৰ মেৰাইছিল কপমালী, ইকেইটাত বানাত মেৰাইছিল। তাতে তিনিখলপীয়া'ক ভেঁটি কৰি কলাপাত পাৰি তাৰ ওপৰে বানাত পাৰিছিল। চাৰিও ফালে বানাত পাৰিছিল। আগফালে বনকৰা বানাত দুখান, ওপৰে ঘৰত দুফকীয়া পাণ কটা, তাত বৈৰ, পিত্তলৰ চাবি চুকে উঁৰ চাৰিশা, ঘৰৰ চাৰিও ফালে উঁৰ বান্ধি বানাত আৰিছিল। আগে বৰ গাক সোণোৱলী তাচৰ, সক গাক চাৰিটা বানাতৰ। ২৮৫ ॥

মেলকৰা চ'ৰাত বিষয়াৰ আসনৰ ব্যৱস্থা।—উত্তৰ কোঠাত ক্ৰমে পানীফুকন, ডেকাফুকন বহা দুখলপীয়া ভেঁটিত এখণীয়া দৰে ঢৰা, চাল কঠ, তলচা, ওপৰত বানাত, আগতো বানাত। দক্ষিণ কোঠাতো ক্ৰমে দিহিঙীয়াফুকন, চেটিয়াফুকন সেইদৰে বহিছিল। বেস্ চকেদ। দুই ঘৰৰ মাজত নাৰবাৰ খুঁটা হলিধীয়া, দৰি কাপৰে ছাইছিল, তাত ডাঁৰ দি বঙালী কাপৰ দিছিল। তাৰ ওপৰে বৰফুকনৰ পোনে গোমচেং দিছিল। নাৰবাৰ তলত ভিতৰ ফালে বৰ ধূপ লগাইছিল। বাঞফালে ফুলৰ গছ দুডাল, তাৰ কাখৰত মৈৰা পাখিৰ বৰ বিছনি দুখন, পাচফালে তাল পাতৰ বিচনি ধৰিছিল। তাৰ পাচে তামুলী লিগিৰা ভূঞা-পোৱালি বহিছিল, তাৰ নামে আঁৰকাপৰ তৰিছিল। বৰটো ঘৰত তলে ওপৰে, খুঁটা, চতি, ভেঁটিটো বাৰাহেতি কাপৰে ছাইছিল। কুজিঘৰৰ কোণৰ কোঠাত থকা পাৰি সভাপণ্ডিতবোৰ বহিছিল। চমুৱাবোৰ মলমাকৰা ঢাল-তৰোৱাল লই বহিছিল। ক্ৰমে নাম কোঠাত বাজখোৱাবোৰ ভেঁটি কৰি তলচাৰ ওপৰত বানাত পাৰি বহিছিল। নাম কোঠাত কটকী, কাকতী, দলৈ। নামৰ দুই কোঠাত দৰঙ্গী দুই বজা ভেঁটি কৰি বানাত পাৰি বহিছিল। আগত গাক কাহূঁৰ শুৰাই আবোৱানো ধৰিছিল। নাম কোঠাত টুপত দলৈ, কাকতী; টুপত দুয়ো কাষে কঠ পাৰি হাজৰিকিয়া, দক্ষিণ ফালে সুবৰ কোঠাত টেকেলা বৰা, তামুলী চমুৱা, নাম দুই কোঠাত দিখোমুখীয়া আবো বাজখোৱা। নাম দুই কোঠাত কটকী, মজুমদাৰ, নামৰ কোঠাত দৰঙ্গী [illegible] বহিছিল। [illegible] কঠৰ ওপৰত [illegible]।

মাজৰ কোঠাত কাকতী দলৈ, তাৰ মাজৰ কোঠাত বাণী-ৰজা, তৌঁট নাই, তলচাম ওপৰত বামাততে বহিছিল, সব শংক। মজুমদা ব কণ্ঠৰ ওপৰত দলিচা, কটকী, কাকতী, দলৈৰ থগা। সভাপণ্ডিত বহাপোনে দুই কোৰে খলাত বৰ ৰাপি, ওপৰত কাপৰে ছাইছিল। ২৮৬ ॥

মেলকৰা চ'ৰাৰ সভা ।—মাঝে বাট এৰি দুয়ো ফালে গায়ন গাইছিলে। তাৰ নামে হাতী দুটা সজাই থোয়াইছিলে। তাৰ নামে থগা হিলৈ, বৰটো চ'ৰাৰ মুৰ লৈকে বৰ হাতে-মাৰ সৰু হাত-নাল। মিঠা সোলোঙ ঝুমক ডোয়া পাতিছিল। তাৰ মাঝে দুয়ো ফালে বানাতৰ মুখচালি দিয়া, কুহুমবুলীয়া ঘোড়া পাতিছিলে, গাবোবোৰ হাতিয়াৰ লৈ আছিল। তাৰ উত্তৰ দক্ষিণে চালি কৰি ৰকমা, বৰকাথ, চৌখাৰী, পৰ ৰাৰী থগা দলিচা পাৰি বহিছিল। খালৰী মুৰে দুয়ো ফালে হাজৰিকীয়াবোৰ কঠ থগা পাৰি বহিছিল। চৌমেৰে তিনি শৰীয়াকৈ হিলই, তাৰ ভিতৰে সালঙ্কৃত কৰি হাস্তী একুৰি আঠোটা। অৰ ভিতৰে ধোঁৱা বেহুৰ দৰেৰে জঠি-বৰছা কপৰ জঠি ধনু-কাড় শেল টাঙন লৈ ন-শাৰীয়া বেহু। বৰচ'ৰাৰ মাজৰ পোনে খলাত দক্ষিণে হুমনথা নাচিছিল। সকলো লোক কাচিপাৰি বহিল। ২৮৭ ॥

সভাৰ হাট-বজাৰ ।—গড়ৰ বাজে পূব ফালে বাটৰ দুয়ো ফালে বনিয়া পোহাৰীহঁতে থগা দলিচাত বহি আগত পকোৱা নলৰে ধোঁৱা খাইছিল। কাঁহ পিত্তলৰ শৰাইৰ ওপৰত বটা লৈ তামোল খাইছিল। পোহাৰ দিছিল। সোণালী, ৰূপালী সকলো বিধৰ পোহাৰ দিছিল। ক্ৰয় বিক্ৰয় কৰিছিল। ৰূপ সোণা বহু সাজ দামকৈ থইছিল। দুৰৰীয়াও বহিছিল। চকীলৈকে পোহাৰী। পোহাৰী দুফালে কামৰূপী, দৰঙ্গী, চেঙা চমুৱা সকলোবিধ লোক আছিলে। গড়ৰ দক্ষিণে বাণী দুৱৰীয়াৰ গাবোবোৰ ফুকলি মাৰি ঢাল-বাৰ খেলাইছিল। এইৰূপে বেহু কৰোৱা মিলা চিজ ৰবা বাকএতি। ২৮৮।

মেলকৰা চ'ৰাৰ সভাত থকাৰী উকীল তোলে।— চিলিমৰ [illegible] ফুকন ঐ বেহু হাট সকলকো চাই [illegible]। তাতবাই [illegible] পাখি পাগৰ ওপৰত, [illegible] কুণ্ডল, [illegible] কৰি [illegible] আৰি ৰহি [illegible] ফুল-চন্দন দিয়াই [illegible]

পাঁচা উকীলক আনিবলৈ। ৰবমতুৱাৰ পৰা বেলা তিনি দণ্ড থকাত সিইঁতক ৰামচৰণে আজিলত বাটত কুজিঘৰৰ পাচতে নানান দেৱলীয়া দলৈবোৰ আগত শৰাই লৈ ৰহিছিল। আকেথা ৰৰা, ঘিউ, গেঁধেলা টেকেলাহঁত সহিতে বাটৰ পৰা লগ লাগি আনি বাটঘৰৰ পৰাই সাত ঠাইত আঠু পৰাই, টুপত ভেটি-শৰাই পাতৰ ওপৰত থই সেৱা কৰি পাতত বহিল। থাড় কোঞৰ খিৰ লৈ আছিল, পাচে ৰগা থৰ্গা পাৰি ৰহিল। ২৮৯॥

মন্তুৰায় কটকীৰ বচন-সমাচাৰ।—টেকেলা ৰৰা ভোলাইএ ভেঁটালে, বোলে,—"৺দেৱ, থইৰাম ৰজাই পঠোৱা থাড় কোঞৰ, ছয় দাঁতিৰ বকুৱা পোৱালি ৬টি, কটকী তিনি এইহঁত মানুহে বানত তিনি শৰাই, তাও তিনি শৰাই, আতলচ ৬ শৰাই, মচরু তিনি শৰাই, চিত ৪ শৰাই, লজ জাই ৪ শৰাই, ঢাল দুখান, তৰোৱাল দুখান, হিলৈ দুটা ভেটি ৺দেৱৰ চৰণত সেৱা কৰিছে।" সেৱা কৰি বহিল। বৰফুকন ৺দেৱে বোলে,—"মজুমদাৰ, কেমাই, সিইঁতত সোধ, ইইঁত যেথন আছে তেথন থৈৰামী ৰজা থল-পৰ্ব্বতী লোকজন সহিতে কুশলে আছে?" এইৰূপে সুধিলত মন্তুৰায়ে বোলে,— "আমাক যেথন পঠাই তেথন শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ ৺দেৱ-ঈশ্বৰৰ চৰণত শৰণাপন্ন হবাৰ নিমিত্তে, আমাক যেথন পঠাই তেথন থৈৰম চাহাব ইঠাইৰ কুশল, লাই-লস্কৰ, থল-পৰ্ব্বতী লোকজন সমন্বিতে কুশল, পৰে কি হয় ঈশ্বৰ ইচ্ছা কব নোৱাৰি।" এইৰূপে জনালত বৰফুকন ৺দেৱে সিইঁতত কলে,—"থৈৰামী থল-পৰ্ব্বতী লোকজন সহিতে কুশলে থাকিব আমাৰ এই ঈপ্সিত। আৰু সিইঁতক কি কাৰ্য্যে পঠাইছে?" মন্তুৰায়ে বোলে,—"মজুমদাৰত জনোঁৱা আগে ৺দেৱসকলে যি আজ্ঞা কৰিছে তাক শিৰত তুলি লৈ জনালতগৈ থলত থকা থাড় কোঁৱৰ ৰজা-পোৱালি ৫টি সহিতে আমাক পঠাইছে, বোলে,— 'আমি ৺দেৱৰ শৰণীয়া হলোঁ, আগে যি বুলিছে তাকে নিৰ্ব্বন্ধকৈ লৈ আহগৈ। হাতীগড়ে, বাটিগড়ে [illegible] সেৱা কৰি থাকিব লাগি, আৰু হৰিপৰাৰ হই [illegible] কুশল যি হব তাক ৺দেৱসকলে জানে।' আৰু কথা জনাবলৈ আছে।" [illegible] মন্তুৰায়ে, কেমাই [illegible] জনালত বোলে,—"৺দেৱ [illegible] [illegible] থাড় কোঁৱৰ, মৰো, দুল, দুকিদুক, দুল, [illegible], বোপাডি, [illegible] [illegible] [illegible] লোৱা ৰখ, এইৰূপে জনাইছে।" ২৯০॥

খৰামী কটকীৰ বিদায় ।—আতে ৺এ ফুল-চন্দন, তামোল-পাণ দিব দি বোলে,—'মজুমদাৰ, কেমাই, শিইতকক',—'থৈৰাম ৰজাৰ ৺ঈশ্বৰৰ চৰণত শৰণাপন্ন হৈ শুদ্ধৰূপে চিন্তি থাকিলে কিমো সিদ্ধিক নলভিব ?' এখন ইহঁত থকা ঠাইতে থাকোকগৈ, যেখন বিদাই দিয়া যায় নিৰ্ব্বন্ধ কৰি বোলা যাব।" তিনি সেৱা কৰি হঁহঁকি উঠি গ'লত দৰঙ্গী, বেলতলীয়া, ৰাণীক বিদায় দি পঠাই সকলে সহিতে আছিল, আৰু অহা কালত নীলাচলৰ বৰগছা তুটা লগাইছিলে। বৰফুকনৰ আগত গন্ধহুৱা শলা এগছ লগাইছিল। ২৯: ॥

ত্ৰয়োদশ আধ্যা ।

অসমত ভুটীয়া আৰু জয়ন্তা কটকী ।

---

১ । ভোটৰ কটকী তেলা, শক ১৭২৩ ।

দিচৈ বাহৰত ভোটৰ কটকী জীৱ আৰু ডিগু ।—৺৭ গণেশায় নমঃ ॥ ১৭২৩ শকৰ চৈত্ৰৰ ২৬ দিন যোৱাত দিচৈ বাহৰৰ ফল্গুৎসৱৰ চ'ৰাত তামচা কৰাবলৈ ৺দেৱ বহাত ৰাজা দেবাধৰ্ম্মাৰ ঠাইৰ পৰা অহা জীৱ ১, ডিগু ১, দুই জিকাপক চোলাধৰা ফুকনে ভেঁটালে ।—"৺দেও দেৱতা-ঈশ্বৰলৈ ৰাজা দেবাধৰ্ম্মা ৺ৰ বন্দী জিকাপইতৰ সতে পত্ৰ-সন্দেশ দি পঠাইছে, আৰু টংচৰ পল্লৱ, শালিখেৰীয়া জাহুং এই দুই ৰজা-পোৱালিয়ো থুপা, বুককদেৱা ২ জিকাপক পঠাই ৺দেৱৰ চৰণ সেৱা কৰিছে । জীৱ, ডিগু দুই ভিকাপেয়ো সেৱা কৰিছে । থুপা, বুককদেবায়ো সেৱা কৰিছে ।" ২৯২ ॥

ভোটৰ ৰজা দেৱধৰ্ম্মাই পঠোৱা পত্ৰ-সন্দেশ ।—ৰাজা দেবাধৰ্ম্মা দিয়া পত্ৰ কাৰ্চী ১, বজলা ১ । সন্দেশ,—ৰূপৰ পেৰা ½, কাপোৰেৰে মৰা চাৰমৰা চৌপোলা ৪টা, দোপোৱাজী কাপোৰেৰে চোমা জীন ১, ... ২ ... ধোঁৱা ২টা, জচা গৰু ১, চৌকা গৰু ১ হাল । টংচৰ পল্লৱে সেৱা কৰা ...— কাপোৰেৰে চোমা সন্দেশ ১ চৌৰপোলা, ধোঁৱা ১ । শালিখেৰীয়া জাহুংৰ ...

কৰা ভেটি,—কাপোৰ ১ টোং, ঘোৰা ১। জীৱ ডিঙুৰ সেৱা কৰা ভেটি,—গোৰ্চেঙ ২ থান, থলা ৯ থন, দাৰকা ১/। খুপা বুককদেৱা দুয়ে সেৱা কৰা ভেটি,—থলা ৪, দাৰকা ৩। ২৯৩ ॥

জীৱ, ডিঙু দুই জিঙ্কাপলৈ গণক-মজুন্দাৰৰ প্ৰশ্ন ।—পাচে গণক-মজুন্দাৰ ৰাধাকান্তে ৺দেৱলৈ তিনি ঠাইত সেৱা কৰি আৰু চ'ৰাৰ টুপৰে পুব ফালৰ মাজৰ খুঁটাৰ পোনে ৰই ৺দেৱলৈ সেৱা কৰি চ'ৰাৰ টুপৰ নামে বুলনিত থকা জিঙ্কাপইতত এইৰূপে সুধিলে,—“শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেও-ঈশ্বৰে জীৱ ডিঙু, তইত দুই জিঙ্কাপত সুধিব দিছে,—‘সিইত স্বদেশৰ পৰা বিদাই হৈ অহাত ৰাজা দেবাধৰ্ম্মা, বৰলামা, গেলাঙ, জোংপোং, কাজু়ং, টংচৰ সুভা, দেৱান, এইসকলেৰে দেশস্থ স্থল-পৰ্ব্বতৰ লোকজনক প্ৰতিপালন কৰি কুশলে আছে’?” এই কথা জিঙ্কাপইতত বুজাই কলে বৰবৰুকনৰ বৰা অখিৰ ১, পুৰপাৰ পৰগনাৰ চৌধাৰী পৰম ১। ২৯৪ ॥

দুই জিঙ্কাপৰ উত্তৰ ।—পাচে জিঙ্কাপইতে এইৰূপে কলে,—“আমি স্বদেশৰ পৰা বিদাই হৈ অহাত আমাৰ ৰাজা দেবাধৰ্ম্মা, বৰলামা, গেলাঙ, জোংপোং, কাজু়ং, টংচৰ সুভা, দেৱান, এই সকলেৰে দেশস্থ স্থল-পৰ্ব্বতৰ লোকজনক প্ৰতিপালন কৰি মহাকালীৰ কৃপাত কুশলে আছে। পৰে কোন-খান হৈছে নাজানি।” ২৯৫ ॥

জিঙ্কাপইতৰ উত্তৰ স্বৰ্গদেৱত জ্ঞাপন ।—পুনৰ পৰম্মে বাহৰবীয়া কটকী বিৰত্তৰত কলে। এইৰূপে বিৰত্তৰ কটকীয়ে মজুন্দাৰত বুজাই কলে। পাচে মজুন্দাৰে তাৰ পৰা তিনি ঠাইত সেৱা কৰি দোপোটাদি লৈ এইৰূপে [illegible],—“৺দেও দেৱতা-ঈশ্বৰ আজ্ঞাৰে মই বন্দীয়ে ৺দেৱৰ [illegible] জীৱ ডিঙু দুই জিঙ্কাপত এইৰূপে সোধা গ'ল,—‘শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেৱ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেও-ঈশ্বৰে জীৱ ডিঙু, তইত দুই জিঙ্কাপত সুধিব দিছে,—সিইত স্বদেশৰ পৰা বিদাই হৈ অহাত ৰাজা দেবাধৰ্ম্মা, বৰলামা, গেলাঙ, জোংপোং, কাজু়ং, টংচৰ সুভা, দেৱান, এইসকলেৰে দেশস্থ [illegible] [illegible] প্ৰতিপালন কৰি কুশলে আছে?’” এইৰূপে ৺দেৱৰ [illegible]

কলি দেৱতা-ঈশ্বৰৰ চৰণতলে মই বন্দীতকৈ ৺দেৱৰ বন্দী জীৱ, ডিণ্ডু দুই জিকাপে এইৰূপে জনাইছে,—'আমি স্বদেশৰ পৰা বিদাই হৈ অহাত আমাৰ ৰাজা দেৱাধৰ্ম্মা, বৰলামা, গেলাঙ, জোংপোং, জাঙ্গু, টংচৰ সুভা, দেৱান, এইসকলেৰে দেশস্থ থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি মহাকালীৰ কৃপাত কুশলে আছে। পৰে কোনখান হৈছে নাজানি'।" ২৯৬ ॥

দেৱধৰ্ম্মাৰ প্ৰতি স্বৰ্গদেৱৰ শুভাকাঙ্খা।—পুনৰ ৺দেৱে মজুন্দাৰক মাতি জিকাপহঁতক কৰ দিলে,—"সিহঁতৰ ৰাজা দেৱাধৰ্ম্মা, বৰলামা, গেলাঙ, জোংপোং, জাঙ্গু, টংচৰ সুভা, দেৱান, এইসকলেৰে দেশস্থ থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি মহাকালীৰ কৃপাত কুশলে থাকিব আমাৰো মনস্থ এয়েহে।" পুনৰ মজুন্দাৰে ৺দেৱলৈ তিনি ঠাই সেৱা কৰি আহি পূৰ্ব্বৰ ঠাইতে আঠু পাৰি স্বৰ্গদেৱলৈ সেৱা কৰি এইৰূপে কলে,—"শ্ৰীশ্ৰীৰায়-ৰাজেশ্বৰ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেৱ-ঈশ্বৰে জীৱ ডিণ্ডু, তহঁত দুই জিকাপত কৰ দিছে,—'ৰাজা দেৱাধৰ্ম্মা, বৰলামা, গেলেঙ, জোংপোং, জাঙ্গু, টংচৰ সুভা, দেৱান, এইসকলেৰে দেশস্থ থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি মহাকালীৰ কৃপাত কুশলে থাকিব আমাৰো মনস্থ এয়েহে'।" এইৰূপে কই পুনৰ মজুন্দাৰে সেইৰূপে গৈ সেই ঠাইৰে পৰা এইৰূপে বোলালে,—"৺দেৱ দেৱতা-ঈশ্বৰৰ আজ্ঞা মই বন্দীয়ে ৺দেৱৰ বন্দী জীৱ ডিণ্ডু দুই জিংকাপত এইৰূপে কোৱা গ'ল,—'শ্ৰীশ্ৰীৰায়-ৰাজেশ্বৰ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেৱ-ঈশ্বৰে জীৱ ডিণ্ডু, তহঁত দুই জিকাপত কৰ দিছে,—ৰাজা দেৱাধৰ্ম্মা, বৰলামা, গেলাঙ, জোংপোং, জাঙ্গু, টংচৰ সুভা, দেৱান, এইসকলেৰে দেশস্থ থল-পৰ্ব্বতৰ লোকজনক প্ৰতি-পালন কৰি মহাকালীৰ কৃপাত কুশলে থাকিব আমাৰো মনস্থ এয়েহে'।" ২৯৭ ॥

জিকাপহঁতলৈ মজুন্দাৰৰ পুনৰ প্ৰশ্ন।—পুনৰ পূৰ্ব্বৰ দৰে আহি পূৰ্ব্বৰ ঠাইৰে পৰা এইৰূপে কলে,—"শ্ৰীশ্ৰীৰাজাধিৰাজ মহাৰাজ উজনিৰ ৺দেৱ-ঈশ্বৰে জীৱ ডিণ্ডু, তহঁত দুই জিকাপত সুধিব দিছে,—'সিহঁত আহিলে কোন মাহে, পথত হ'ল কত দিন, অহাত বা ভই-ভ্ৰান্তি পালে কি, ইয়াই পা পাৰৰ হ'ল কত দিন? আৰু ৰৱপানীৰ সকলোকন [illegible] [illegible] [illegible] কুশল-মঙ্গলৰ বাৰ্ত্তা বুজিবৰ কাৰণে পত্ৰ-সন্দেশ দি উকিল পঠাইছিল [illegible] [illegible] [illegible], সেই পুৰণা উকিলৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

উকিলৰ সঙ্গে যি ইহঁত জিকাপইঁতক পঠাইছে ইহঁতৰ মুখে ৰাজা দেবাধৰ্ম্মাৰ কুশল-মঙ্গল শুনি অত্যন্ত সন্তোষ পাইছোঁ। তথাপি ৰাজা দেবাধৰ্ম্মা ইহঁতক নো কি নিমিত্তক পঠাইছে'?" ২১৮ ॥

জিকাপইঁতৰ উত্তৰ।—এৰূপ ৺ৰৰ আজ্ঞা শুনি জিকাপইঁতে এইৰূপে জনালে,—"আমি দেশৰ পৰা শ্ৰাৱণৰ ২৩ দিন যাওঁতে বিদাই হৈ আহি পৌষৰ ৬ দিন যোৱাত গুৱাহাটী পোৱা হ'ল। তাতে কিছুদিন থাকি বৰপানীৰ বৰফুকন বৰনাৰায়ক পত্ৰ-সন্দেশ দি সম্ভাষা হৈ মাঘৰ ২৮ দিন যোৱাত তাৰ পৰা উজাই আহি ফাগুনৰ ১৮ দিন যোৱাত এই ঠাই পোৱা হ'ল। ঐ মহাকালীৰ কৃপাত, স্বৰ্গমহাৰাজাৰ পুণ্য-প্ৰতাপৰ বলত পথে-ঘাটে একো ভই-ভ্ৰান্তি পোৱা নগ'ল। আৰু পূৰ্ব্বীয় স্বৰ্গমহাৰাজাসকলেৰে পূৰ্ব্বপৌৰুষীয় ৰাজা দেবাৰ্দ্ধাসকলে চাক্ষুষ-অদৰ্শনীয়-প্ৰত্যেবেই অত্যন্ত অভেদ প্ৰীতি হৈ গৈছে। তথাপি উকিল-পত্ৰ গতাগত হই নাই। সম্প্ৰতি স্বৰ্গমহাৰাজাৰ আজ্ঞানুসাৰে বৰপানীৰ বৰফুকন বৰনাৰাৰে উকিল-পত্ৰ পঠাই কুশল-মঙ্গলৰ বাৰ্ত্তা বুজাতে ৰাজা দেবাধৰ্ম্মা চিত্তে অভেদ প্ৰীতি জাত হৈ চাক্ষুষ-দৰ্শনীয়ৰূপ প্ৰীতি লভি মনোভিলষিত সিদ্ধি হৈ অত্যন্ত সন্তোষ পাই এই উকিলৰ সঙ্গে স্বৰ্গীমহাৰাজাৰ কুশল-মঙ্গল বুজিবৰ অৰ্থে পত্ৰ-সন্দেশ দি আমি জিকাপইঁতক পঠাই দিছে।" ২১৯ ॥

জিকাপইঁতৰ বচন স্বৰ্গদেৱত জনায়।—পুনৰ মহুম্মাৰে পূৰ্ব্ব নিবন্ধে গৈ পূৰ্ব্বৰ ঠাইৰে পৰা এইৰূপে যোগালে,—"৺দেৱ দেৱতা-ঈশ্বৰৰ আজ্ঞাৰে মই বন্দীয়ে ৺দেৱৰ বন্দী জিকাপইঁতত এইৰূপে সোধা গ'ল,—'শ্ৰীশ্ৰীৰাজাধিৰাজ মহাৰাজ উদয়গিৰি ৺দেৱ-ঈশ্বৰে শ্ৰীৰ ভিতু, তুইঁত দুই জিকাপত বুজিব দিছে,—সিহঁত আহিল কোন মাসে, পথত হ'ল কত দিন, অহাত বা ভই-ভ্ৰান্তি পালে কি, ই ঠাই বা পাবৰ হ'ল কত দিন? আৰু বৰপানীৰ বৰফুকন বৰনাৰায়কে ৰাজা দেবাধৰ্ম্মাৰ কুশল-মঙ্গলৰ বাৰ্ত্তা বুজিবৰ অৰ্থে পত্ৰ-সন্দেশ দি উকিল পঠাবলৈ আজ্ঞা কৰা গৈছিল। সেই পত্ৰে উকিলৰ মুখ-প্ৰবাদেৰো জাত হৈ ৰাজা দেবাধৰ্ম্মা আমাৰ উকিলৰ সঙ্গে যি ইহঁত জিকাপ-ইঁতক পঠাইছে, ইহঁতৰ মুখে ৰাজা দেবাধৰ্ম্মাৰ কুশল-মঙ্গল শুনি অত্যন্ত সন্তোষ পাইছোঁ। তথাপি ৰাজা দেবাধৰ্ম্মা ইহঁতক নো কি নিমিত্তক পঠাইছে?' [illegible] [illegible] আজ্ঞা শুনি দেৱতা-ঈশ্বৰৰ চৰণত মই বন্দীয়ে [illegible]

জিকাপৰ্হতে এইৰূপে জনাইছে,—'আমি দেশৰ পৰা শাওনৰ ২৩ দিন গৈ ডিপৰ্হই ঠৈ আছি পৌষৰ ৬ দিন যোৱাত অহোমৰ পোৱা হ'ল। তাতে কিছু দিন থাকি বৰপানীৰ বৰফুকন বৰনাথবকে পত্ৰ-সন্দেশ দি মহাৰাজ ঠৈ মাঘৰ ২৮ দিন যোৱাত তাৰ পৰা উজাই আহি ফাগুনৰ ১৮ দিন যোৱাত এই ঠাই পোৱা হ'ল। শ্ৰী মহাকালীৰ কৃপাত স্বৰ্গমহাৰাজাৰ পুণ্য-প্ৰতাপৰ বলত, পথে-ঘাটে একো ভই-ভ্ৰান্তি পোৱা নগ'ল। আৰু পূৰ্ব্বীয় স্বৰ্গমহাৰাজাসকলেৰে পূৰ্ব্বপৌৰুষীয় ৰজা দেবাধৰ্ম্মাসকলে চাক্ষুষ-অদৰ্শনীয় প্ৰতেবেই অত্যন্ত অভেদ প্ৰীতি হৈ গৈছে, তথাপি উকিল-পত্ৰ গতাগত হই নাই। সম্প্ৰতি স্বৰ্গমহাৰাজাৰ আজ্ঞানুসাৰে বৰপানীৰ বৰফুকন বৰনাথবে উকিল-পত্ৰ পঠাই কুশল-মঙ্গলৰ বাৰ্ত্তা বুজাতে ৰজা দেবাধৰ্ম্মা চিত্তে অভেদ প্ৰীতি জাত হৈ চাক্ষুষ-দৰ্শনীয়কল প্ৰীতি লভি মনোভিলসিত সিদ্ধি হৈ অত্যন্ত সন্তোষ পাই এই উকিলৰ সঙ্গে স্বৰ্গীমহাৰাজাৰ কুশল-মঙ্গল বুজিবৰ অৰ্থে পত্ৰ-সন্দেশ দি আমি জিকাপহঁতক পঠাই দিছে'।" এইখনিতে পত্ৰ মাতিলে পিং শৰাইত থৈ, পত্ৰ কাৰ্টা ১ খৰশা ১।

পুনৰ্ব্বাৰ চৌধাৰত মহুস্থানে পূৰ্ব্ব নিয়মে আহি পূৰ্ব্ব ঠাইতে পত্ৰ এইৰূপে ক'লে,—"শ্ৰীশ্ৰীৰায়-ৰাজেশ্বৰ ৰাজাধিৰাজ মহাৰাজ উদয়গিৰ ৮দেব-ঈশ্বৰে জীৰ ডিঙু, তহঁত দুই জিকাপত কব দিছে,—'ৰজা দেবাধৰ্ম্মা পত্ৰত যি লেখিছিল পত্ৰ শুনি সকল সমাচাৰ বুজিলোঁ। ৰজা দেবাধৰ্ম্মা ইহঁতক মুখ-জবানে কি জনাব দিছে জনাওক'।" ৩০০ ।

জীৰ, ডিঙু দুই জিকাপৰ মুখজবান।—এইৰূপ আজ্ঞা শুনি জিকাপহঁতে এইৰূপে জনালে,—"৮দেও-ঈশ্বৰৰ আমাৰ ৰজা দেবাধৰ্ম্মা পত্ৰত যি লেখিছে কথা সেয়েহে, কিন্তু মুখ-জবানে এইখান জনাব দিছে,—'পূৰ্ব্বে স্বৰ্গীমহাৰাজাসকলে ৭ খান দুৱাৰ সীমনাতে থক, চামৰ, সোণ, পোনা, ঘোঁৰা, [illegible] এইৰূপ খাজনা দোৱাৰৰ নিমিত্তে কৰি দি থৈছে, সেই নিয়মে লোৱাবোৱা হৈছে। তথাপি সেই সীমনাৰ মাজিয়ে ভুটানৰ, চৌধুৰী এইসকলে গাৰ-গাট কৰি অনেক জোৰ-জুলুম [illegible] [illegible] [illegible]

[illegible]। [illegible] ১২০০ গেলেঙে নাম লোরাত তামোল-পাণ থাই আশীর্বাদ কৰিবৰ জন্তে মাটি [illegible] খুজি আছিছে।" ৩০১ ॥

জীৱ, ভিণ্ডুৰ বচন স্বৰ্গদেৱত জ্ঞাপন।—পুনৰ মঞ্জুলাৰে সেই নিবন্ধে টৈ এইৰূপে বোৱালে,—"৺দেৱ দেৱতা-ঈশ্বৰৰ আজ্ঞাৰে মই বন্দীয়ে ৺দেৱৰ বন্দী ভিকাপহঁতত এৰূপে কোৱা গল,—'শ্ৰীশ্ৰীৰায়-ৰাজেশ্বৰ ৰাজ্যাধিৰাজ মহাৰাজ উদয়গিৰ ৺দেৱ-ঈশ্বৰে জীৱ ভিণ্ডু, তহঁত দুই ভিকাপত কৰ দিছে,—ৰাজা দেৱাধৰ্ম্মা পত্ৰত যি লেখিছে পত্ৰ শুনি সকল সমাচাৰ বুজিলোঁ; ৰাজা দেৱাধৰ্ম্মা ইহতক মুখ-জবানে কি জনাব দিছে জনাওক।' এইৰূপ ৺দেৱৰ আজ্ঞা শুনি দেৱতা-ঈশ্বৰৰ চৰণলৈ মই বন্দীতকৈ ৺দেৱৰ বন্দী দুই ভিকাপে এইৰূপে জনাইছে,—'স্বৰ্গমহাৰাজা-ঈশ্বৰলৈ আমাৰ ৰাজা দেৱাধৰ্ম্মা পত্ৰত যি লেখিছে কথা লেখেছে। কিন্তু মুখ-জবানে এইখাৰ জনাব দিছে,—পূৰ্ব্বে স্বৰ্গী মহাৰাজাসকলে ৭ খান দুৱাৰ সীমনাকৈ গন্ধ, চামৰ, সোণ, ঘোঁৰা, খজা, ভেপচোৰ এইৰূপ খাজনা সোধাবলৈ নিবন্ধ কৰি দি গৈছে, সেই নিবন্ধে সোধোৱাওঁ গৈছে। তথাপি সেই সীমনাৰ সান্নিধ্যতে বুজৰবৰুৱা, বৰকাথ, চৌধাৰী, এইহঁতে পাম-খাট কৰি অনেক চোৰ-ডকাইত লগত লৈ সেই সেই স্থানত অনেক উপদ্ৰৱ আচৰিছে। আমাৰ মানুহ গোটাদেক খুঁচি মাৰিছে। আৰু মুৰবেলাৰ মাটিখানিৰ পৰা জখালো লাগিছে। আকে শুজিবৰ জন্তে জনাই আছিছে। আৰু ১২০০ গেলেঙে নাম লোৱাত তামোল-পাণ থাই আশীৰ্ব্বাদ কৰিবৰ জন্তে মাটি এডখৰি খুজি আছিছে'।" ৩০২ ॥

জীৱ, ভিণ্ডু কটকীৰ বিদায়।—পুনৰ চৌথামত সেই নিবন্ধে মঞ্জুলাৰ আছি সেই ঠাইৰে পৰা এইৰূপে কলে,—"শ্ৰীশ্ৰীৰাজাধিৰাজ [illegible] উদয়গিৰ ৺ঈশ্বৰে জীৱ ভিণ্ডু, তহঁত দুই ভিকাপত কৰ দিছে, ৰাজা দেৱাধৰ্ম্মা পত্ৰত যি লেখিছে মুখ-জবানেও যি জনাই আছিছে, পৰে [illegible] তাদৰীয়া ৰাজা সকল কথা সিদ্ধান্ত পাব। সম্প্ৰতি বড়া ঠাইতে [illegible] [illegible]।" এইৰূপে কই পুণ-তামোল, তামোল-পাণ দি ভিকাপহঁতক বিদাই [illegible]

[illegible]

ভোট ৰাজ্যলৈ আহোমৰ উকীল ।—১৭২৩ শকৰ আহিনত সৰ্দ্দিকৰ ডেকাফুকনা প্ৰতাপবল্লভ বৰফুকনে ভোটৰ ৰজা দেৱাধৰ্ম্মাৰ ঠাইলৈ পঠোৱা খৰজিৰ ৰাকৰত্তি ৰবা অখিৰ, পুৰণাৰ পৰকুনাৰ চৌধাৰী পঙ্কজ, এই দুইৰ সঙ্গে অহা জিকাপ দেৱাধৰ্ম্মাৰ জীৱ ১, ভিগু ১, আক টংচৰ পল্লবৰ থূপা জিকাপ ১, শালিখেৰীয়া জাহঙ্গৰ বুকুকদেৱা জিকাপ ১, এইহঁতৰ লগত অহা আৰ্পা ১৬টা, গাৰ্পা ১৪টা । এইহঁতেৰে সম্ভাষা হোৱা কথা । ৩০৪ ॥

২ । জয়ন্তা কটকী তোলা, শক ১৭২৫ ।

ঘোৰহাটত জয়ন্তা কটকী ৰামচন্দ্ৰ ।—১৭২৫ শকৰ আশ্বিনৰ ১০ দিন যোৱাত দিটৈ ৰাহৰৰ দুৰ্গোৎসৱৰ চ'ৰাত তামচা কৰিবলৈ ৺দেৱ বহোত জয়ন্তীপুৰৰ পৰা অহা ৰামচন্দ্ৰ কটকীক দুৱৰাৰ বৰবৰুৱাএ হাজৰিকা পালীত থৈ এইৰূপে ভেঁটালে,—"৺দেওৰো, জয়ন্তীপুৰৰ ৰজা ৰামসিংহে প্ৰীতি-ইচ্ছাৰে ৰামচন্দ্ৰ কটকীক পঠাই দিছে । তাৰ সঙ্গে অহা সন্দেশ,—লবঙ্গ ২ শৰাই, জাইফলি ২ শৰাই, জাতিচন্দন ১ শৰাই, তাম্ৰো কাপোৰ ২ শৰাই, পাট কাপোৰ ২ শৰাই, বানাত কাপোৰ ২, এই আধাৰেখন শৰাৰে সৈতে ৰামচন্দ্ৰ কটকীক সাক্ষাত কৰা গৈছে । স্বৰ্গদেৱৰ বন্দী ৰামচন্দ্ৰ কটকীয়েহে আশীৰ্ব্বাদ কৰিছে ৺দেও ।" ৩০৫ ॥

ৰামচন্দ্ৰলৈ মজুন্দাৰৰ প্ৰশ্ন ।—পাচে ৺দেৱে গণক-মজুন্দাৰ ৰাধাকান্তক ৰামচন্দ্ৰ কটকীত সুধিব দিলে । মজিন্দাৰে শাসন লোৱা ঘৰেদি আহি ৺দেৱলৈ তিনি ঠাইত সেৱা কৰি দুৰ্গোৎসৱৰ ঘৰৰ থলাত হাজৰিকীয়া পালীত থোৱা ৰামচন্দ্ৰ কটকীত ৪ বেঞোৱানৰ অন্তৰৰ পৰা এইৰূপে সুধিলে,— "শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেউ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেও-ঈশ্বৰে ৰামচন্দ্ৰ কটকী, তোত এইখান সুধিব দিছে,—'তই জয়ন্তীপুৰৰ পৰা যখন আহ তখন তোৰ ৰজা ৰামসিংহ গো-ব্ৰাহ্মণ, ৰজা-ৰকক সমেত থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি কুশলে আছে' ?" ৩০৬ ॥

ৰামচন্দ্ৰৰ উত্তৰ ।—এইকথা শুনি [illegible] কলে,—"আমি জয়ন্তীপুৰৰ পৰা যখন আহোঁ তখন আমাৰ ৰজা [illegible]

ব্ৰাহ্মণ, ৰৰা-ৰকক সমেত থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি জয়ন্তী ঠাকুৰাণীৰ কৃপাত কুশলে আছে। পৰে কোনখান হৈছে নাজানি।" ৩০৭ ‖

ৰামচন্দ্ৰৰ বচন স্বৰ্গদেৱত জনায়।—এইৰূপে তাৰ কথা শুনি মজুন্দাৰে থলাত দুইবাৰ সেৱা কৰি আহি পায়ন গোৱা চ'ৰাৰ পূৰ্ব্ব খোঁটালিৰ মাজৰ ৰাৰলিৰ পোনে মই ৺দেৱলৈ সেৱা কৰি এইৰূপে যোগালে,—"৺দেও দেৱতা-ঈশ্বৰৰ আজ্ঞাৰে মই বন্দীয়ে ৺দেৱৰ বন্দী ৰামচন্দ্ৰ কটকীত এইৰূপে সোধা গ'ল,—'শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেউ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেও-ঈশ্বৰে ৰামচন্দ্ৰ কটকী, তোত এইখান সুধিব দিছে,—তই জয়ন্তীপুৰৰ পৰা যখন আহ তখন তোৰ ৰজা ৰামসিংহ গো-ব্ৰাহ্মণ, ৰৰা-ৰকক সমেত থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি কুশলে আছে?' এইৰূপ ৺স্বৰ্গদেৱৰ আজ্ঞা শুনি দেৱতা-ঈশ্বৰৰ চৰণলৈ মই বন্দীতকৈ ৺ৰ বন্দী ৰামচন্দ্ৰ কটকীয়ে এইৰূপে জনাইছে,—'আমি জয়ন্তীপুৰৰ পৰা যখন আহোঁ তখন আমাৰ ৰজা ৰামসিংহ গো-ব্ৰাহ্মণ, ৰৰা-ৰকক সমেত থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি জয়ন্তী ঠাকুৰাণীৰ কৃপাত কুশলে আছে। পৰে কোনখান হৈছে নাজানি'।" ৩০৮ ‖

ৰামচন্দ্ৰলৈ ৰাধাকান্ত মজুন্দাৰৰ পুনৰ প্ৰশ্ন।—পুনৰ চৌখামত পূৰ্ব্বৰে আহি এই মুখে সুধিলে,—"শ্ৰীশ্ৰীৰাজাধিৰাজ মহাৰাজ উদয়সিংহ ৺দেও-ঈশ্বৰে ৰামচন্দ্ৰ কটকী, তোত এইৰূপে কব দিছে, আৰু সুধিবয়ো দিছে,—'ৰজা ৰামসিংহ গো-ব্ৰাহ্মণ, ৰৰা-ৰকক সমেত থল-পৰ্ব্বতৰ লোকজনক প্ৰতিপালন কৰি জয়ন্তী ঠাকুৰাণীৰ কৃপাত কুশলে থাকিব আমাৰো অত্যন্ত অভিমত এয়েহে। কিন্তু সি জয়ন্তীপুৰৰ পৰা আহিল কোন মাসত, চৌকী বা পালেহি কাহানি, চৌকীত বা আছিল কত দিন, সেই ঠাইত থকাত বা ভই-ভ্ৰান্তি পালে কি, চৌকীৰ পৰা বা উজাই আহিল কোন মাসত, ইঠাই বা পালেহি কত দিনে, উজাই আহাত বা ভই-ভ্ৰান্তি পালে কি'?" এইৰূপে সুধি তাৰ মুখে সৈতে পুনৰ সেই নিয়মে আহি এইৰূপে যোগালে,—"৺দেও দেৱতা-ঈশ্বৰৰ আজ্ঞাৰে মই বন্দীয়ে ৺ৰ বন্দী ৰামচন্দ্ৰ কটকীত এইৰূপে কোৱা গ'ল, আৰু সোধাও গ'ল,—'শ্ৰীশ্ৰীৰাজাধিৰাজ মহাৰাজ উদয়সিংহ ৺ঈশ্বৰে ৰামচন্দ্ৰ কটকী, তোত কব দিছে, আৰু সুধিবও দিছে,—ৰজা ৰামসিংহ গো-ব্ৰাহ্মণ, ৰৰা-ৰকক সমেত থল-পৰ্ব্বতৰ লোকজন প্ৰতিপালন কৰি জয়ন্তী ঠাকুৰাণীৰ কৃপাত কুশলে থাকিব

[illegible] অত্যন্ত অভিমত' এৰেহে।' কিন্তু সি জয়ন্তীপুৰৰ পৰা আছিল কোন বাসত, চৌকী বা পালেহি কাহানি, চৌকীত বা আছিল কত দিন, সেই ঠাই থকাত বা ভই-ত্ৰাৰি পালে কি, চৌকীৰ পৰা বা উজাই আছিল কোন বাসত, এই ঠাই বা পালেহি কত দিনে, উজাই অহাত বা ভই-ত্ৰাৰি পালে কিমান' ?" ৩০৯ ॥

কটকীৰ উত্তৰ স্বৰ্গদেৱত জনায়।—এইৰূপ ৺ৰ আজ্ঞা শুনি দেৱতা-ঈশ্বৰৰ চৰণলৈ মই বন্দীতকৈ ৺ৰ বন্দী ৰামচন্দ্ৰ কটকীয়ে এইৰূপে জনাইছে,—"পূৰ্ব্বে নিৰ্ব্বিকাৰ টেকেলা ৰৰাই ৰাজমন্ত্ৰী বুঢ়াগোহাঞি ডাঙৰীয়াৰে ৰৰবৰুৱা বৰনাবাবৰে কথা কৈ মোক ৰাজখোৱা গোহাঞিৰ ঠাইলৈ আনিলে। ৺দেৱৰ নামে পত্ৰ-সন্দেশ ৰাজা ৰামসিংহলৈ ৰাজখোৱা গোহাঞে মোৰ হাতত দি মোক জয়ন্তীপুৰলৈ পঠাই দিলে। সেই পত্ৰ আমাৰ ৰাজা ৰামসিংহে পাই অত্যন্ত হৰ্ষযুক্ত হৈ ৰঙপুৰ জয়ন্তীপুৰ জয়ন্তীপুৰে ৰঙপুৰ এইমত ভাবি সেই পত্ৰৰ সিদ্ধান্ত-পত্ৰ লেখি মোৰ হাতত দি ফাগুনৰ সংক্ৰান্তিৰ দিনা বিদায় দি পঠালে। সেই মাসৰ দুই দিন থকাত চৌকী পালোহি। তাতে চৈত্ৰ বৈশাখ দুই মাস আছিলোঁ। মোৰামৰীয়া চৌকী পুৰিলত আত বৰ নোৱাৰি কলঙ পাৰ হৈ সিপাৰে গোভা গ্ৰামত আছিলোঁ। তাৰ পৰা গুৱাহটীয়া লাহন ফুকনে গোভাৰ গ্ৰাম পুৰি ধৰি আনি মানহাৰ কোঁঠত থৈছিলে। তাৰ পৰা বৰসেনাপতি ডেকা-ফুকন গোহাঞি, সেনাপতি কাপ্তান গোহাঞি এই দুয়ে অনাই পাতৰ মনচিপ দাঁতিয়লীয়া চাৰি বৰা-পোৱালিক আনিবলৈ পঠালে। এইহঁতক আনি দুই সেনাপতিৰ হাতত দিলোঁ। দুই সেনাপতিয়ে পাতৰ মনচিপ দাঁতিয়লীয়া দুই বৰা-পোৱালিয়ে সৈতে এই চাৰিক বঁটা-প্ৰসাদ দি মানুহ উলিয়াই দিবলৈ বিদাই দি পঠালে। দুই বৰা-পোৱালিক কইদত ৰাখিলে। মোক আষাঢ়ৰ চাৰি দিন থকাত উজাই পঠালে। ১৯ দিনে এইখলি পালোঁহি। কিন্তু থকাত অনেক ভই-ত্ৰাৰি পোৱা হ'ল। উজাই অহাত জয়ন্তী ঠাকুৰাণীৰ কৃপাত স্বৰ্গমহাৰাজা-ঈশ্বৰৰ পুণ্য-প্ৰতাপৰ বলে পথে-ঘাটে একো ভই-ত্ৰাৰি পোৱা নগ'ল।" ৩১০ ॥

ৰামচন্দ্ৰ কটকীৰ আমন্ত্ৰণ কৰিণ।—[illegible] সেই ঠাইৰে পৰা এইৰূপে [illegible];—"[illegible] [illegible]

দিছে,—‘ তাক নো ৰজা ৰামসিংহে কি নিমিত্তক পঠাইছে ’ ? ” এইৰূপে শুনি ৰামচন্দ্ৰে কোনো মুখে নৈতে পূৰ্ব্ব নিৰ্ব্বন্ধে নৈ এইৰূপে যোগালে,—“ স্বৰ্গদেও দেৱতা-ঈশ্বৰৰ আজ্ঞাৰে মই বন্দীয়ে ৺ৰ বন্দী ৰামচন্দ্ৰ কটকীত এইৰূপে সোধা গ’ল,—‘ শ্ৰীশ্ৰীৰাম-ৰাজেশ্বৰ স্বৰ্গনাৰায়ণ মহাৰাজাধিৰাজেন্দ্ৰ ৺দেও-ঈশ্বৰে ৰামচন্দ্ৰ কটকী, তোত সুধিব দিছে,—তাক নো ৰজা ৰামসিংহে কি নিমিত্তক পঠাইছে ’ ? ” ৩১১ ॥

জয়ন্তা পাটত দ্বিতীয় ৰামসিংহ ।—এইৰূপ ৺দেৱৰ আজ্ঞা শুনি দেৱতা-ঈশ্বৰৰ চৰণলৈ মই বন্দীতকৈ ৺দেৱৰ বন্দী ৰামচন্দ্ৰ কটকীয়ে এইৰূপে জনাইছে,—“ স্বৰ্গীমহাৰাজা-ঈশ্বৰলৈ আমাৰ ৰজা ৰামসিংহে পত্ৰ যি লেখিছে কথা সেয়েহে । সেই পত্ৰো বৰবৰুৱা বৰনাবাবৰ সাথ্যাত হোৱাতে দিয়া হৈছে । কিন্তু মুখ-জবানিয়ে মোক এইৰূপে জনাব দিছে,—‘ পূৰ্ব্বে বিশ্বনাথ ক্ষেত্ৰতে ৰুদ্ৰসিংহ মহাৰাজা সাথ্যতে আমাৰ পূৰ্ব্বীয় ৰজা ৰামসিংহে পুত্ৰ বৰকোঁৱৰ সহিত যি প্ৰীতি-ধৰ্ম্ম নিবন্ধ কৰিলে সেই প্ৰীতিতে থাকি ৰজা ৰামসিংহ ৰঙ্গপুৰতে কাল প্ৰাপ্ত হ’ল । পুত্ৰ বৰকোঁৱৰ দেশে গ’ল । সেই নিবন্ধিত ধৰ্ম্ম-প্ৰীতি ৰজা প্ৰতিপাল কৰিবলৈ নাপালা । এতে নিমিত্তে পূৰ্ব্বীয় ৰজাৰ নামো ৰামসিংহ আমাৰ নামো ৰজা ৰামসিংহ হৈছে । পূৰ্ব্ব প্ৰীতিয়ে যিৰূপ দিন দিন বৃদ্ধি হৈ থাকি এইৰূপ আমাৰ বাঞ্ছা ।’ এইৰূপে জনাইছে । ” ৩১২ ॥

মোৱামৰীয়াক আশ্ৰয় দিয়াত দাঁতিয়লীয়াৰ অপৰাধ ।—পুনৰ চৌধাৰত মজুন্দাৰ বৰুৱা পূৰ্ব্ব নিবন্ধে আহি পূৰ্ব্ব ঠাইৰে পৰা ৺দেৱৰ আজ্ঞা ৰামচন্দ্ৰ কটকীত এইৰূপে কলে,—“ শ্ৰীশ্ৰীৰাজাধিৰাজ মহাৰাজ উদয়সিং ৺দেৱ-ঈশ্বৰে ৰামচন্দ্ৰ কটকী তোত কব দিছে,—‘ পূৰ্ব্ব প্ৰীতিক স্মৰণ কৰি সম্প্ৰতি প্ৰীতি ইচ্ছা কৰিছে বুলি যি জনাইছে আক আমি কিহেৰে বুজা যাব ? সেই দেশৰ পূৰ্ব্বীয় ৰজাসকলে প্ৰীতিত থাকি আমাৰ দেশলৈ যিৰূপ উকীল-পাত্ৰ গতাগত কৰাইছিল তাক ৰজা ৰামসিংহে জানিব পাই, কী শুনিবও পাই । ৰজাৰো সেই চিত্ত হোৱা হলে আমাৰ দেশে মোৱামৰীয়া উপদ্ৰৱ কৰা সময়ত মানুহ পঠাই তত্ত্ব-বাৰ্ত্তা ললেহঁতে । ইয়াৰ নিমিত্তে কাৰ্য্যেৰেহে বুজিব পাৰি । তাতে বিশেষ সেই মোৱামৰীয়া শত্ৰুকে দমন কৰি মৰা-কটা সময়ত মৰণত ভয়ে [illegible] সোমালগৈ । তেতিয়া আমাৰ মানুহে খাসো, কছাৰী, মিকিৰ, [illegible]

কলে, বোলে,—এই মোৱামৰীয়া শত্ৰুক তহঁতে নাৰাখিবি। ইয়াৰ পৰা আগলৈ অকাৰ্য্য হব পাৰে। তেতিয়া দাতিয়লীয়া গাৰো, কছাৰী, মিকিৰে বোলে,—ইহঁতৰ পৰা একো বড়া কথা নহয়। যদি কিবা অকাৰ্য্য হই আমাতে বুজিব। এনে বুলি গা-কৰি ঠাই দি ৰাখিলে। সম্প্ৰতি সেই দাতিয়লীয়া গাৰো, কছাৰী, মিকিৰে সৈতে মিলি মোৱামৰীয়া যি কাৰ্য্য কৰিছে তাক ৰাজা জানিছে। ৰাজা ৰামসিংহৰ অনুমতি নহলে এনে গুৰুতৰ কাৰ্য্য কৰিব পাৰেনে? যদি ৰাজা পূৰ্ব্ব প্ৰীতিত থকা হলে সেই মোৱামৰীয়া শত্ৰুক সেই ঠাইতে নষ্ট কৰিবও পাৰে বৰা আমাৰ ঠাইলৈকে ধৰি দিবয়ো পাৰে। এতেকে সকল কথা কাৰ্য্যেৰেই বুজা হৈছে। তথাপি পূৰ্ব্বীয় ৰাজাসকলৰ প্ৰীতিত থাকি তই কটকীৰ হাতত ৰাজা ৰামসিংহলৈ পত্ৰ দি পঠালোঁ। তাৰ সিদ্ধান্ত-পত্ৰ যি লেখিছে তাকো বুজিছোঁ। এঁ প্ৰীতি ইচ্ছা কৰক ছাৰি তই কটকীকে আমাৰ বল-পৰাক্ৰম বুজিবৰ জন্যে বন্দ কৰি পঠাইছে যেন হে বুজিছোঁ। তথাপি পূৰ্ব্ব ৰাজাসকলৰ প্ৰীতি আমি বিচ্ছেদ নকৰোঁ'।" ৩১৩ ॥

বৰমন কোঞ্চৰৰ বিদ্ৰোহ।—এইৰূপে ৺দেৱৰ আজ্ঞা মজুন্দাৰে ৰামচন্দ্ৰত ক'লত ৰামচন্দ্ৰ কটকীয়ে ৺দেৱলৈ এইৰূপে জনালে,—"৺দেৱ-ঈশ্বৰে যি ৰাজা ৰামসিংহৰ অনুমতিৰে মোৱামৰীয়া, গাৰো, কছাৰী, মিকিৰ এইহঁতে মিলি এইৰূপ অকাৰ্য্য কৰিছে এনে বি বুজিছে এঁ ই কথা ৰাজা ৰামসিংহে নাজানে। কিন্তু বৰমন কোঞ্চৰে নৰ্ত্তঙ্গত গোটাকত দুষ্ট মানুহেৰে সম্মিলিত হৈ গাৰো, কছাৰী, মিকিৰ এইহঁতক বশ কৰি লৈ পথ নিৰোধন কৰি ৰাজা ৰামসিংহৰ বিৰোধী হৈ আছিল। সেয়ে যদি অনুমতি দিছে দিব পাৰে। সেই বৰমন কোঞ্চৰক ধৰিবৰ নিমিত্তে ৰাজা ৰামসিংহে মানুহ দিছিল, সি পলাই গৈ খৰামত সোমাল। তাৰে লগত থকা বৰদলৈটো ধৰি জয়ন্তীপুৰলৈ নিলে। ৰাজা ৰামসিংহৰ অনুমতিৰে এই কাৰ্য্য হোৱা হলে এঁ পাতৰক পঠাই মোৱা-মৰীয়া, ভগনীয়া উলিয়াই কিয় দিলেহঁতে? এতেকে আমাৰ ৰাজা ই কথা শ্ৰুতিৰ অগোচৰ নাজানে। আৰু যি উকীল-পত্ৰ গতাগত নহোৱা উক্ত কৰিছে পথ নিৰোধন নিমিত্তে বিলম্ব হৈ আছিল। ঈশ্বৰ-ঈশ্বৰীৰ কৃপাত পূৰ্ব্ব নিবন্ধে উকীল-পত্ৰ গতাগত হব আত সংশয় নাই।" এই মুখে ৰামচন্দ্ৰ কটকীয়ে অনালত পূৰ্ব্ব নিবন্ধে গৈ পূৰ্ব্ব ঠাইৰে পৰা সোধা মুখে ৰামচন্দ্ৰ কটকীয়ে জনোৱা মুখে ৺দেৱত জোগালে। ৩১৪ ॥

ৰামচন্দ্ৰ কটকীৰ বিদায়।—পুনৰ্ব্বাৰ মজুন্দাৰে সেই নিবন্ধে আছি সেই ঠাইৰে পৰা ৰামচন্দ্ৰ কটকীত এইৰূপে কলে,—"শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণদেউ মহাৰাজাধিৰাজেন্দ্ৰ উদয়গিৰ ৺ ঈশ্বৰে ৰামচন্দ্ৰ, তোত কব দিছে,—'ৰাজা ৰাম-সিংহে পত্ৰত যি লেখিছে, মুখ-জবানিয়েয়ো যি জনাই আছিছে সকল কথাৰ সিদ্ধান্ত তাৰ বাবৰ সমন্বত ৰৰৰুৱা বৰনাবাৰৰ দ্বাৰাই পাব, সম্প্ৰতি থকা ঠাইতে জিৰাই থাককগৈ'।" এইৰূপে কৈ গন্ধ-মাল্য, তাম্বুল-পাণ দি বিদায় দিলে। ৰাজবুৰঞ্জী পুস্তক—শ্ৰীচিবিঙ্গ ফুকনৰ। ৩১৫ ॥

ওপৰঞ্চি কথা।

—:—

জয়ন্তা-কছাৰীৰ বিৰোধ।

লুকুৰা পাত্ৰৰ কছাৰী আক্ৰমণ।—কছাৰী ৰজাই টুকুৰিয়াক বোলে,—"জয়ন্তীয়ালে কেনে সজাগে থাকে বা কিৰূপে নিদ্ৰা কৰে জনাবিহি, তোকো মঞি ভাল কৰিম।" এনেতে জয়ন্তীয়ালৰ লুকুৰা পাত্ৰে নৰ্ত্তকীয়া গাৰোক নমাই আনি কছাৰীৰ তিনি-শ মান মানুহ কাটিলে, বাঢ়ি গৈও পছিম ফালে ৮ খান গাওঁ কাটিলে। পাছে কছাৰীৰ জয়চান্দ ১টা, লাবাৰ ১টা, এই দুই মুলাগুলৰ পৰা হুঁহকি ৰজাৰ লগলৈ গ'ল। ৰজাও কিছু হুঁহকি আছিল। পাচে কছাৰী ৰাজাৰ ঘৰিণী চেঙ্গচাই দেৱী, ভনীয়েক গুণাৱতী চম্পা দুইএ ৰজাক হুঁহকিবৰ শুনি মুলাগুললৈকে হাতীএৰে গ'ল। ৩১৬॥

টুকুৰিযাৰ কুট কথা।—এনেত জয়ন্তা ৰাজাক টুকুৰিয়াএ গৈ বোলে,—"তুমি মহা সুখে আনন্দ কৰি থাকা। কছাৰী ৰাজা তিৰী-ছলি সহিতে পলাব ধৰিছে, তুমি কিয় প্ৰাৱন্তে আছা? দুই-এক দিনতে কছাৰী আপুনি বৰিবহি। তুমি লোকজন উজাৰ নকৰিবা। আৰু কছাৰী মানুহৰ মুখে শুনোঁ যেন ৰণ এৰিলে।" এতেকে জয়ন্তা ৰাজা বোলে,—"কছাৰী ৰাজাৰ চম্পাই ভনীয়েকক দিয়াব পাৰ নেকি?" টুকুৰিয়াৱে বোলে,—"ভাল, ই কোন কথা? মঞি তোমাৰ ঠাইতেহে ডাঙ্গৰ মান-যশ পাইছিলোঁ? তুমিও কছাৰী ৰাজা সহিতে প্ৰীতি হৈ কুশলে থাকিবা, আমাৰো এইহে বাঞ্ছা।" এইৰূপে অহা-যোৱা কৰি দুয়ো ঠাইৰ বস্তুজাতখান পাইছিলে। ৩১৭॥

কছাৰীৰ হাতত জয়ন্তা ৰজা বন্দী।—এনেতে অসাবধান দেখি কছাৰীএ দোভাগ নিশা ঘৰত জুই দি গেল। মোৰেদি পাৰ হৈ আৱৰি ধৰিলে। জয়ন্তাৰ এক হাজাৰ মান লোক পৰিল, হাতী ৮, ঘোঁৰা ৩টা। ৰজাও ব্ৰহ্মপুৰলৈ ভাগি গ'ল। তাৰে পৰা ধৰি আনি হাতী বাই জয়ন্তা ৰজাক ধৰিব খোজোঁতে কছাৰীৰ মাদৈ চেঙ্গচাই দেৱীৰ হাথীৰ তলে সোমাই লব মাৰিলে। কছাৰী আঠোটাএ ধৰি ৰাখিলে। সিঠাইতো জয়ন্তাৰ লোক ২০০ পৰিল। ৩১৮॥

জয়ন্তা ৰজাৰ লাঞ্ছনা।—পাচে কছাৰী ৰাজা ভাৰ্য্যা সহিতে বশ হয় হুই জয়ন্তা ৰাজাক ধৰি আনি বোলে,—“তঞি ৰাজা হৈ কেমনে হাতীৰ জল খোৱালি? হাতীৰ ওপৰত কোন আছে নজৰ নকৰিলি হব লাগে? তিৰী ৰাণীৰ তলৰৈলৈ গলি, এতিয়া কি হব?” ৰাজা বোলে,—“আপদত ছাগৰো পাৰ পখালি, এতিয়া কি কদৰ্থাহ?” ৰাজা বোলে,—“হঠাতে ছাগ পাতিলি? ভাল, ছাগৰ কৰ্ম্ম কৰিব লাগে। যেন জালাৰ ওপৰ হৰ লপা, তেৰেসে ছাগৰ পাৰ পখালিবাক শুদ্ধ হয়।” এই বুলি খাসী কৰিলে, এই নাম থৈ পঠাই দিলে। ব্ৰহ্মপুৰৰ পৰা ধৰি আনি যাতো এমত কৰ্ম্ম কৰিলে এতেকে ব্ৰহ্মপুৰৰ নাম খাসপুৰ হৈল। সেহি দিন ধৰি মূলাঙ্গা সীমা কৰি কছাৰীৰ মাটি বৰাকৰ কোথত হাট কৰিলে। হাটো নাভাগিছিল। ৩১৯ ॥

কছাৰীৰ ফন্দিত জয়ন্তীয়াৰ হত্যা।—কতো দিন অন্তৰে দুয়ো দলে সময়স্তি হঞা বুলি চিৰা খাবলৈ মন কৰিলে। কছাৰীএ বোলে,—“আমাক আগে খুৱক।” জয়ন্তীয়ালেও ভাল বুলি চিৰা যতন কৰি ল’ৰা, বুঢ়া সকলো কপিলা পাৰ হৈ খালেগৈ। আৰ পাচদিনা জয়ন্তীয়ালো লৰা, বুঢ়া কপিলা পাৰ হৈ আহি চিৰা খাঞাতে হাবিত লুকাই থোৱা মানুহেৰে কছাৰীএ বেঢ়ি ধৰি সকলকো কাটিলে। এইৰূপে যুঁজ হুটা। ৩২০ ॥

খাছপুৰত মোগলৰ কোঁঠ।—তাতপাচে কছাৰীএ বঙ্গালক দুটি হাতী দিএ। বঙ্গালেও অটি হাতীৰ কপ দিয়ে, অটিৰ ওজ-বস্ত্ৰ দিএ। জামালখাঁ নবাব হ’লত বোলে,—“হাট-বাটৰ নিমিত্তে দুটি হাতী দিবৰ পূৰ্ব্বৰ নিবন্ধ। আমাকো কিনিবলৈ অটি হাতী দিয়ক।” কছাৰী ৰাজা বোলে,—সমুখ সীমনাৰ কথা। এখন যদি নিৱন্ধক এৰি বঢ়াকৈ হাতী অটা দিম পাচলৈ আৰুকে নিবন্ধ বুলি কব।” এই বুলি হাতী নিদিলে। জামালখাঁএ থঙ কৰি পাৎশালৈ জনালে, বোলে,—“বৰাকৰ সিপাৰত কছাৰী আছে, পাৎশাৰ আজ্ঞা হলে মাৰিব পাৰোঁ। তাত হাতী ধৰিবলৈকো পায়।” এই কথা শুনি ছাহজাহা পাৎশা বোলে,—“মাৰক।” জামালখাঁও সাষ্টম হৈ, বৰাক পাৰ হৈ খাসপুৰত কোঁঠ দি কছাৰীৰ ১৮ খান গাঞ মাৰি ললে। ৩২১ ॥

ওল দিবলৈ কছাৰীৰ প্ৰতিজ্ঞা।—যশনাৰায়ণ ৰাজা মাইবাঙত আছিল। এই কথা শুনি বলে নোৱাৰোঁ হেন জানি জামালখাঁত ৰৰা ভাৱে বোলে,—"বাঢ়ি আহিব নালাগে, খাজনা, ওলমাল লৈ যাওঁ। নবাবলৈকো পাৎশালৈকো হাতী, আগৰকাঠ যত্ন কৰিছোঁ, সোণ-ৰূপৰ গছ সাজিহে লৈ যাব পাৰোঁ।" এই বুলি ভীমবল পাত্ৰক পঠাই দিলে। এই কথা কলত নবাবো সন্তোষ হৈ ৰ'ল। ৩২২ ॥

কছাৰীৰ হাতত মোগলৰ পৰাভৱ।—দুই-চাৰি দিন অন্তৰে কছাৰীএ মানুহ পঠাই আজি-কালিকৈ সুখ-জিৰণি দি চৈত্ৰ, বৈশাখ দুই মাহ ৰাখিছিল। পৰ্ব্বত মাটিত বঙাল জ্বৰ পৰিল, গৰণী ধৰিলে। ৰাতি কছাৰীএ কোঁঠ আৱৰি বেঢ়ি ধৰি বঙালক কাটিলে। যশনাৰায়ণ ৰাজা মুলাগুলত থাকি ভীমবলক লোক সহিতে পৰনা হাতী দি বৰাকৰ পাৰ কৰি পঠাই দিলে। বঙাল ১৮ পৰগণাৰ ১৮টা জমীদাৰ সহিতে অনেক মানুহ ধৰি আনিলে। সেই সময়ত জয়ন্তাৰ যশমাণিক ৰাজাকো লোৰা লগাই ধৰি আনি থৈছিল। ধৰি অনা বঙালৰ হাতে ইটা পগাই চাৰিও ফেৰে কোঁঠত গড় বন্ধালে। বঙালৰ ৭ বছৰ খাজনাও লৈছিলে। ৩২৩

জয়ন্তা ৰজা যশমাণিকৰ পলায়ন।—যশমাণিক ৰাজাও পাঞ্চ বৎসৰ লোৰাতে আছিল। এক দিন ৰখীয়া কছাৰী মদ খাই শুলে। ৰাজা লোহা চিঙ্গি পলাই আহোঁতে বাটত বাঘ এটা শুই আছিল। ৰাজা দেখি বোলে,—"দুৰ্গা আই, পাঞ্চ বৎসৰ লোহা লগাই থৈছিলা, এখন মুকলিও কৰিলা। যদি মাৰিবলৈ হে আহিছা মাৰা, যদি ৰাখিবলৈ হে আহিছা পথ দেখাই আগে আগে চ'লা।" এই কথা বুলিলত বাঘ আগে আগে গৈ ৰাজাক জয়ন্তাপুৰত থলেনি। ৰখীয়াএ তিনি দিনৰ পাচত যশনাৰায়ণ ৰাজাত জনালে। ৰাজাও বিচাৰি নাপাই জয়ন্তালৈ গ'ল হেন জানি ভীমবল পাত্ৰক পঠাই দিলে। যশমাণিকেও ৰাজ্য ৰক্ষাৰ কাৰণে সন্ধ্যাবলী নাম জীয়েকক দিলে। অনেক যৌতক দি কথাবাৰ্ত্তা হৈল। কন্যাকো আনি ৰশবৰ্ত্তী কৰি ললে। ৩২৪ ॥

স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত ।

আহোমৰে সৈতে যশমাণিকৰ প্ৰীতিবাঞ্ছা ।—কছাৰীৰ উপদ্ৰৱত ৰহিব নোৱাৰি যশমাণিক ৰাজাএ বৰা-বৰুকেৰে আলচি বোলে,—“স্বৰ্গমহাৰাজাএৰে প্ৰীত-কুটুম্বিতা কৰোঁ। সেই ঠাইৰ পৰা ৰাজ্য ৰক্ষা নপৰিলে একো উপায় নাই।” এই কথা আলচি চৰাই-পহু মাৰিবৰ ছলে মানুহ পঠালে। কলীয়াবৰত চাৰি পানীশিয়া আছে। আমাৰ খাগৰিজানৰ চকীয়ালেৰে কথা-বাৰ্ত্তা হ’ল। চকীয়ালে পানীশিয়াত কলে। পানীশিয়াএ ৮ত জনালে। যশমাণিকে আমাৰ ৰজিয়া বৈৰাগীক পাই কৈ পঠালে। বৈৰাগীএও ভণ্ডাৰী গোহাঁইত জনালে। গোহাঞিএও ৮ত জনালে। এই কথা গোহাঁইবোৰেৰে যুকুতি কৰি জয়ন্তাৰ কটকী আহিবলৈ চকীয়ালক বুলিব দিলে। তেবে প্ৰথম কটকী ৰূপাবৰ, পুৰাই দুই আহিল। চাৰি পানীশিয়াএ গড়গাঞলৈ পঠালে। ৩২৫ ॥

* * * *

আহোম-কছাৰীৰ বিৰোধ ।—এই কথা আহি ৮ত জনালে। বহুত লোকজন পৰিলত বাঢ়িবলৈ যত্ন কৰিছিল। আগে কছাৰীএ দিছিল ৮লৈ ঘোঁৰা ৬টা, বুঢ়াগোহাঁঞিলৈ ২টা, বৰচেটিয়ালৈ ১টা। থাটনিয়াৰ ২০ তাৰে পৰা নি দিলে। তাৰ ছবছৰৰ পাচত কামৰুৰা পৰ্য্যন্ত দুৰ্দ্দিন আহি ভামবল কোঁৱৰে বাঘৰগাঞ, শীতল-নেঘেৰি মাৰি নিলে। সিহঁতক দৈয়াঙ্গ মৰঙ্গীৰ দাঁতিএ পাতিলে। ৩২৬ ॥

কছাৰীৰ লগত প্ৰীতি স্থাপন ।—তাৰ ছ-বছৰৰ পাচে দৈত্য ৰাৱাকৰ আমাৰ ৰাজ্য মাৰিবলৈ আহিল। সেই সময়ত তিনি গোহাঞিৰ তিনিটি মানুহ কছাৰী ৰজাৰ ঠাইলৈ পঠাই দি বোলে,—“তহঁত এইখান কৰিবৈগে,—‘তোমাৰ গোহাঞিক পঠালে কথা আনিবলৈ। সি বঢ়া কথা কৰিলত যে মাৰিবে আমি ৰক্ষ হে পালোঁ’।” এই কথা ৰজাত কলত বোলে,—“সিবোৰৰ আমি থাপিত-সাক্ষিত। সিবোৰে যে বঢ়া কথা কৰিব নিদিব আমিও জানোঁ।” এই বুলি তিনি মানুহক পঠাই দিলে। ইতি, শক ১৫৩১ ॥ ৩২৭ ॥

ফুলবগুৰিত হাট ।—কতো দিন পাচত ভগুড়ীৰ বঙ্গাল হোঁইকাই। কাজলীৰ চাৰি পানীশিয়া লাঙ্গিফুকন আছিল। জয়ন্তা ৰাজা বুঢ়া ৮ৰ লৈ কন্যা দি মিত্ৰ কৰি ফুলবগুৰিত হাট পাতো বুলি কলঙ্গ সীমা কৰি মাটি খুজিলে। ৮ও গোহাঞিবোৰেৰে যুগুতি কৰি বোলে,—“এক দেশৰ ৰাজাএ যে আমালৈ মাটি প্ৰাৰ্থনা কৰিছে কোনখান বোলা যাব?” থাম্প্ৰত বৰ-গোহাঞিএ বোলে,—“দিব লাগিলে যোত্ৰ নিছিগাকৈ দিলেহে ভাল, দুয়ো ৰৰ মধ্যত হাট-বাট কৰিবৰ অৰ্থে দিয়াহেনকৈ।” ৮ বোলে,—“কাজলীমুখীয়া লাঙ্গিফুকনলৈ সুধিব লাগে।” ফুকনত সুধিলত বোলে,—“মাছ-পছু, খৰি-পাত অনা ঠাই। সিহঁতে যদি খৰি মাছ দিব পাৰে তেবে ফুলবগুৰিত হাট হবলৈ ভাল।” এই কথা মহাৰাজা শুনি বোলে,—“ভাল, সেইৰূপে কথা হৈ দিব।” জয়ন্তীয়ালেও এই কথা গাত লৈ সোণাবৰ ৰূপাবৰ দুই গছৰ তলত আগে হাট আছিল, তাৰ পৰা আনি ফুলবগুৰিত পাতিলে। গোভা, নেলী, খলা তিনি ৰজাৰ ঘৰ ভৈয়ামত সাজিলে। সেই দিন ধৰি আমাৰো মুদৈ সাওদ সেই হাট প্ৰীতি হলে বেহায়। লাঙ্গিফুকন কাজলীত আছোঁতে খৰি-পাতো যোগাইছিল। যেতিয়া আমাৰ লোকজন গুৱাহাটালৈ আহিল তেতিয়াৰ পৰা ই নিবন্ধ গুচিল। ৩২৮ ॥

কলঙ্গৰ পাৰৰ চকী ঘৰ দাহ ।—বঙ্গাল মাৰিলত কলঙ্গ সিপাৰত চকীঘৰ আছিল, সেই ঘৰত দিনত মানুহ থাকে ৰাতি নাথাকে। জয়ন্তীয়ালে সেই ঘৰ পুৰিলে। সেনে সময়তে চেটিয়া ফুকন ভাগিল। ৩২৯ ॥

স্বৰ্গদেৱৰ কাবেঙ্গত জয়ন্তা কুঁৱৰী ।—বুঢ়াৰাজা হ’লত ১৫২৮ শকত জয়ন্তাৰ ধনমাণিকৰ কন্যা সোন্দৰ গোহাঞিএ সাতগাওঁ দি আনে এজনা। তাৰ পাচে যশমাণিকৰ দিনত গোভাৰ পোনে লাই সন্দিকৈএ আনে এজনা। তাৰ পাচেও যশমাণিকৰ দিনত গোভাৰ পোনে ফুল বৰুৱাএ আনে এজনা। ৰাজা যশমাণিকলৈ মহাৰাজা দিয়ে হস্তী ২টা, ঘোঁৰা ২টা, অলঙ্কাৰপাতিও দিলে। তাৰ পাচে যশমাণিকৰ দিনতে ১৫২৯ শকত ভগাৰজালৈ দিএল বুলিলে কন্যা এজনা। শীতলিয়াল ডেৰেৰাকে, সোণাৰৰকে দুই কটকীক জোৰণ দিবলৈ পঠাই দিলে। অলঙ্কাৰ,—সোণৰ খাৰু ৪ পাত, সোণৰ আঙঠি।৩ যোৰ, বাখৰপতা ২টা, হাতৰ ডিঙ্গিৰ মণি ৩ ছেও, মেখেলাএৰে কাপৰ ১ যোৰ, পাটশাৰীকৰে

কাপৰ ১ যোৰ, বৰৈলগা বিহা ১ খান। এই কন্যা অৰ্থাই আনিবলৈকো দিলে এই ক্ৰমে। কেকোৰা দোলাএৰে তংচু সন্দিকৈএ, মদনখোৱা চেটিয়াএ আনিলে। ৰজালৈ দিলে,— হাতী ৪টা, ঘোঁৰা ২টা, কঁৰীয়া ১ যোৰ, কেৰু ৩ যোৰ, কুনমিনেৰে কাপৰ ২ যোৰ। মাদলৈ,—কপৰ থাক ৪ পাত, পাটশাড়েৰে কাপৰ ১ যোৰ, মেখেলাৰে কাপৰ ১ যোৰ। জয়ন্তা ৰাজা বোলে,—“কপৰ থাক কিসক দিলে?” এই বুলি, কাপৰ বান্ধি কপৰ থাক ওলটাই দিলে। মান গোহাঞিলৈ দিলে,—ফোঁটাএৰে কাপৰ ২ যোৰ, কঁৰীয়া ১ যোৰ। কন্যা চঙৰা যি আহিছিলে তাক টাৰ ৬ যোৰ, ফোঁটাএ কপাহী কাপৰ ৭ যোৰ, চাউল ১,০০০ পুৰা, লোণ ১০ মোন, তেল ২০ কলহ, খাহী ২০টা, গাৰিসৰ ২০টা। মুঠত কন্যা দিছে পূৰ্ব্বত জয়ন্তা ৰাজাএ স্বৰ্গমহাৰাজালৈ ৪টা। ৩৩০॥

জয়ন্তা ৰজাসকলৰ লেখ।—জয়ন্তা ৰজা,—বৰগোহাঞিৰায় ১, বৰপৰ্ব্বতৰায় ১, বিজয়মাণিক ১, ৰামধৰমাণিক ১, ধনমাণিক ১, যশমাণিক ১, সোন্দৰৰায় ১, সৰুপৰ্ব্বতৰায় ১, যশমতসিংহ ১, মানসিংহ ১, প্ৰতাপসিংহ ১, লক্ষ্মীসিংহ ১, ৰামসিংহ ১। ৩৩১॥

* * * *

স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰ দিনত।

জয়ন্তালৈ চক্ৰধ্বজসিংহৰ পত্ৰ।—চক্ৰধ্বজ মহাৰাজৰ জয়ন্তালৈ এই লিখা,—এথা কুশল, তোমাৰ কুশল সৰ্ব্বদা চাহি। পৰং তোমাৰ লিখা আসিয়া পহুছিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জানিলোঁ। আৰ তুমি যি প্ৰীতিৰ কাৰণে কহিলা কহিবাক পাৰা। কিন্ত পূৰ্ব্বাপৰে তোমাৰ আমাৰ প্ৰীতিগোট চলিয়া গৈছে। এখনো আমি সেই প্ৰীতিতে ৰহিছোঁ। এই অভেদ প্ৰীতিগোট যেমনে ৰহে তুমিও তেমনধান কৰিবা। আৰ সম্বন্ধৰ কাৰণ যি কহিছা পূৰ্ব্বাপৰেও এমত হৈতেছে। ৩৩২॥

স্বৰ্গদেৱ উদয়াদিত্যসিংহৰ দিনত।

উদয়াদিত্যসিংহলৈ লক্ষ্মীসিংহৰ পত্ৰ।—১৫৯৩ শকত ৰায়াই পাতভৈগে কিবি জয়ন্তা ৰাজা লক্ষ্মীসিংহে পত্ৰ-সন্দেশ দি আমাৰ কটকী ৰায়াইক পঠালে। পালেহি ১৫৯৪ শকত।

উদয়াদিত্যসিংহ ৮ৰ ঠাইলৈ এই লিখা,—

স্বস্তি সমস্তাশাম্বাৰব-সৰ্ব্ব-তালাস্ফাল-পবন-নৰ্ত্তিত-প্ৰতাপানল- বৈৰিবৃন্দকুট-কপাট-পাটন-প্ৰকটিত-নৰসিংহাৱতাৰ-সদামৰগণগীয়মান-যশসোদাৰ - যশঃস্বৰপূৰ্ণ-তুহিনকৰ - নিকৰ - ধৱলিতাশেষ - দিঙ্মণ্ডল - ধৰাখণ্ডল - সৌমাৰেশ্বৰ-শ্ৰীশ্ৰীমৎ-স্বৰ্গ-নাৰায়ণদেৱ-মহামহোগ্ৰ-প্ৰতাপ-চৰিত্ৰ-বিচিত্ৰিত-গুণসমূহেষু ।

পৰম-প্ৰীতিপূৰ্ব্বক-সৌহাৰ্দ্দ-লেখনং কাৰ্য্যঞ্চ । এথা কুশল, তোমাৰ ৰাজ্যোন্নতি কুশল-মঙ্গল সদা বাঞ্ছা কৰি । পৰং গড়গ্ৰাম জয়ন্তী দুই নাহয়, সকল দিন এক ঘৰ প্ৰায় চলিয়া যাইতেছে । বিশেষ দিন দিন কুটুম্ব-কুটুম্বিতাএ অধিক ব্যতিৰেক কমি নাহৈতেছে । অতঃপৰ কটকীৰ দ্বাৰাএ জানিলাম নবীন কুটুম্বিতা কৰিবাৰ ইছা হৈছে । এতেকে আমাৰো অধিক ইছা আছে । যোগ্য ভালে কুটুম্বিতা কৰণসে উচিত । এতেকে পূৰ্ব্বাৱধি যেমন ধাৰাণে কুটুম্বিতা কৰিছে, ৰাজনীতি ব্যৱহাৰে মৰ্য্যদা আছে, সেই সমগ্ৰী ধাৰাণে কটকী প্ৰীত-পত্ৰ পঠাইবায় । এতে সন্দেহ নাকৰিবায় । এথাতে আমাৰ ৰাজনীতি ধাৰণে আছে, সে খৰছ আমি কৰিম । আৰ কটকী বিলম্ব কৰিবাৰ কিছু কাৰ্য্য নাই । তুমিও তৎকাল পঠাইবায়, আমিও তৎকাল পঠাম । ১৫৯৪ শকত, তেৰিক্ষ ২৭ আষাঢ় । ৩৩৩ ॥

কমু বুঢ়াগোহাঁইলৈ লক্ষ্মীসিংহৰ পত্ৰ ।—মহাপাত্ৰ কমুং বুঢ়াগোহাঞি প্ৰমুখ্যে তিনিজনা গোহাঞিলৈ এই লিখা,—

স্বস্তি ভুৱপবিত্ৰ-ধৈৰ্য্যতাৰাতি-নিকৰ-নিতম্বিনী-নয়ন-নিবস-জাত- কল্লোলিনি-বিস্থিৰ-জল-ৰাজহংস-জয়ন্তীপুৰ-পুৰন্দৰ-শ্ৰীশ্ৰীযুত-লাণ্ডাসুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰচণ্ড-প্ৰতাপানাং সকল-মন্ত্ৰণাতন্ত্ৰ-বিচাৰ-চাৰু-চাতুৰি-তুহিনবাসী-তিৰোহিতাৰাতি-মণ্ডলীকৃত-সমস্ত-সখ্যাত-গীৰ্ব্বাণ-গীয়মানবৰ - শ্ৰীযুত - বুঢ়াগোহাঞি - পৰম-সুচাৰু-চৰিতেষু ।

পৰম-স্নেহপূৰ্ব্বক-পৰম-শুভাশীঃ কাৰ্য্যঞ্চ । এথা কুশল, তোমাৰ কুশল চাহি । পৰং সমাচাৰ আগৰ পত্ৰৰ ধাৰামে লেখা । সন্দেশ মাত্ৰ কাপোৰ ২ খান, সুৰ্য্য ২ খান পঠাইতেছি, এবে লৈবায় । কিমধিক । ৩৩৪ ॥

স্বৰ্গদেৱ ৰামধ্বজসিংহৰ দিনত।

১৫৯৬ শকত জয়ন্তাৰ কটকীএ পঞ্চ পত্র আনিলে। ৮লৈ অনা পত্ৰখান দুৰণ ধৰি কিৰাই দিলে। ৩৩৫ ॥

স্বৰ্গদেৱ গদাধৰসিংহৰ দিনত।

ৰৰফুকনলৈ লক্ষ্মীসিংহৰ পত্র।—১৬০০ শকত ভাদ্ৰৰ ১৩ দিন গতে ৰৰফুকনলৈ জয়ন্তাৰ এই লিখা। ১৬০৬ শকত, তেৰিখ ২১ চৈত্ৰত জয়ন্তাৰ এই লিখা,—

স্বস্তি প্ৰবল-বিপক্ষ-মত্তমাতঙ্গমদনৈক-পঞ্চানন-দিগ্বিলাসিনীগণ-গীয়মান - গুণ-সন্তান-শ্ৰীশ্ৰীযুত-লাণ্ঢাসুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰচণ্ডপ্ৰতাপানাং সৌৰ্য্যো-পাৰ্জ্জিত-মহীপতি-প্ৰীতিপ্ৰাপ্ত-প্ৰচুৰ-ৰাজশাসনৈকধাম - শ্ৰীযুত - ৰৰফুকনগোহাঞি - পৰম-সুচাৰু-চৰিতেষু।

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ। এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং সমাচাৰ সমিচিনে সকলে জ্ঞাত হৈলাম। কিন্তু জয়ন্তা গড়গ্ৰাম দুই নাহয়। আৰ যে কাৰণ ফিৰিছিল তাৰে পূৰ্ব্বে এ লেখিলাম। কিন্তু অখন সে সম্বন্ধ-কুটুম্বিতা চলিয়া যাওক। এতে কিছু সন্দেহ নাহি। তোমাৰ আমাৰ সম্বন্ধগোট আজিৰ নাহয়, যাবত পৰ্য্যন্ত চলিয়া যাইতেছে। অতয়েৰ সূৰ্য্য পূৰ্ব্ব ছাৰিয়া পশ্চিমে উদয় হব, কৃষ্ণ কাক ধবল হৈব, ভাটীৰ লোহিত্য উজানে চলিব তথাপিও প্ৰীতিগোট হ্ৰাস নাহৈব। ৩৩৬ ॥

* * * *

ৰৰফুকনলৈ তিনি দলৈয়ে অনা পত্ৰ।—তিনি দলৈএ ৰৰফুকনলৈ অনা পত্ৰ এই,—

স্বস্তি নিজদোৰ্দ্দণ্ড-ধৃতকোদণ্ড-ত্যজ্যবাণাৱলী-খণ্ডিতাশেষ- শত্ৰুমুণ্ড, মুণ্ডিত-প্ৰতাপ-তপন, নিৰন্তৰ-শ্ৰেষ্ঠদেৱচৰণ-পঙ্কজ-ভৃঙ্গায়িত, মহীসুৰবৰ-জয়ন্তীপুৰ-পুৰন্দৰ-শ্ৰীশ্ৰীযুত-লাণ্ঢাসুলতান-মহাৰাজ-লক্ষ্মীসিংহ-প্ৰবলপ্ৰতাপানাং বিবিধ-গুণাগাৰ-মৰ্য্যাদা-পাৰাবাৰ-মহোদাৰ-সৌন্দৰ্য্য-নিৰ্জ্জিতকামিনীকুমাৰ-শ্ৰীযুত-ৰৰফুকন-পৰম-সুচাৰু-চৰিতেষু।

পৰম-স্নেহপূৰ্ব্বক-শুভাশীঃ কাৰ্য্যঞ্চ । এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং বিশেষ 'সূৰ্য্য পশ্চিমে উদয় হৈব, লোহিত্যা পূৰ্ব্ব দিশক বহিব, কাক শুক্ল হৈব, বক কৃষ্ণ বৰ্ণ হব, তথাপি তোমাৰ আমাৰ প্ৰীতিগোট খলিত নাহৈব' হেন যি বুলিছা পূৰ্ব্বে নিবন্ধগোট বন্ধা হৈছে, এথনো আমি সেই পূৰ্ব্ব প্ৰীতিতে ৰহিছি । কিন্তু তোমাৰ কটকীৰ স্থানে যে কহিলাম এই দুই মানুহেৰ কথা পাচতো যি কহিলোঁ প্ৰীতিৰ কৰণ । ৩৩৭ ॥

*　　*　　*　　*　　*

তিনি দলৈৰ বিদায় ।—চকীয়াল বৰুৱালৈ আজ্ঞা কৰি জয়ন্তাৰ তিনি দলৈক এই বুলি বিদায় দিব দিলে,—"তোমাৰ হাট আৱন্ধৰ কাৰণ মোত প্ৰাৰ্থনা কৰিলত তিনিজনা ডাঙৰীয়াৰ ঠাইত মাতি পূৰ্ব্ব প্ৰীতি ৰাখি হাট আৱন্ধ পাতি দিলোঁ । কিন্তু তাঞ্জি হন্তে পূৰ্ব্ব প্ৰীতি যেমতে ৰহে তেমত কৰণ উচিত, আত যি ইচ্ছা থাকে । আৰ তোমৰা চকী কাটিলত আমাৰ যি অনেক লোকজন সোমাইছেগৈ, তাৰ ২০ ঘৰ মাত্ৰ পোৱা গৈছে । দুই মানুহৰ লগত যি এক মানুহ দি পঠালে সিও সি-মানুহ নহয়, তাকো পাব লাগে । আত পূৰ্ব্ব প্ৰীতি চাই যিগোট ইচ্ছা তাকে কৰণেসে যোগ্য ।" ৩৩৮ ॥

সন্দিকৈ বৰফুকনলৈ জয়ন্তাৰ পত্ৰ ।—পাচে বিজয়ৰামে বিক্ৰমে অনা পত্ৰ এই,—

এথা কুশল, তোমাৰ কুশল সদা চাহি । পৰং সমাচাৰ এহি,—গড়গাঁও জয়ন্তী দুই মাহৰ, পূৰ্ব্বাবধি সত্য-নিবন্ধ প্ৰীতিতে প্ৰীতিপূৰ্ব্বক চলিয়া গৈছে । পূৰ্ব্ব ছাৰিয়া সূৰ্য্য পশ্চিমে উদয় হইব, কালা কাক ধবল হইব, ভাটীৰ লোহিত্য উজানে চলিব, তথাপিও প্ৰীতিগোট হ্ৰাস নাহৈব । অদ্যাপিও সেইসকল কিছু নাচলিছে, কিন্তু উভয়ান পক্ষে প্ৰীতিতেৰ কুটুম্বিতা স্নেহানুৰূপে প্ৰীতি চলিয়া যাইতেছে । কৰ্ত্তাহে কাৰণ, অথনো প্ৰীতি-কুটুম্বিতা স্নেহানুৰূপে প্ৰীতিপূৰ্ব্বক অধিকতো অধিক চলিয়া যাওক । এবে কিছু সন্দেহ না আছে । অপৰঞ্চ যেৰূপে পূৰ্ব্ব প্ৰীতিগোট হ্ৰাস নাহৱ তাহাক কৰিয়া পূৰ্ব্বাপৰ মাফিক মৰ্য্যাদা ব্যৱহাৰে প্ৰীতি পত্ৰে তোমাৰ কটকীৰ সঙ্গে দিয়া আমাৰ কটকী বিদায় কৰিবায় । এতে তুমি আপোনে বিজ্ঞ, বিশেষ কি লিখিম । বাকী সমাচাৰ আমাৰ কটকী বিজয়ৰাম ও বিক্ৰম মুখে জ্ঞাত হৈবায় । শক ১৬১৩, তাৰিখ ২৫, মাস আঘণ । ৩৩৯

জয়ন্তা ৰজালৈ সন্দিকৈ বৰফুকনৰ পত্ৰ।—জয়ন্তা ৰজালৈ এই লিখা,—

এথা কুশল, তোমাৰ কুশল সদা চাহি। পৰং তোমাৰ লিখা আসিল, সমাচাৰ প্ৰীতপূৰ্ব্বকে জানিলোঁ। বিশেষ সূৰ্য্য-লোহিত্যাদিৰ বৰ্ণ-গতি বিপৰীত হলেও প্ৰীতিগোট হ্ৰাস নাহৈব। এনয় সত্য-নিবন্ধ অদ্বিতীয়। প্ৰীত-কুটুম্বিতাগোট অন্যোন্যে চলি গৈছে হেন যি লিখিছা ইথান ভালেহে লিখিছা, যাতো এই কচিৰ যশক দেশ-বিদেশৰ লোকসবেও কহি-শুনি প্ৰশংসা কৰিছে। অতয়েৱ আমিও সেই অভেদ প্ৰীতি-কুটুম্বিতাতে ৰহিছোঁ। অপৰঞ্চ 'অখনো অধিকতো অধিক স্নেহানুৰূপ প্ৰীত-কুটুম্বিতাগোট নিঃসন্দেহৰূপে চলিয়া যাওক' হেন যি লিখিছা তোমাৰ সঙ্গে প্ৰীতি-কুটুম্বিতা কৰি পূৰ্ব্বতো কিছু সন্দেহ হোৱা নাই, অখনো নিঃসন্দেহৰূপে কিসক নচলিব? কিন্তু যে বিধ বীৰ্ক্তি নিৰ্ণয়ত হন্তে অধিক স্নেহানুৰূপ প্ৰীত-কুটুম্বিতাগোট শোভণ নহৰ তাক তুমি মাত্ৰ বিচাৰপৰ কৰিবা। আৰ পূৰ্ব্ব প্ৰীতিগোট হ্ৰাস নহৈবাৰ কাৰণ পূৰ্ব্ব মান-মৰ্য্যদা ব্যৱহাৰ পত্ৰ সহিতে উকীল পঠাৱৰখান যি লিখিছা আমি সেই ধাৰাপে পূৰ্ব্ব প্ৰীতিৰ বৃদ্ধি পথতে ৰহিছি। কিন্তু তোমাত হন্তেও পূৰ্ব্ব প্ৰীতিগোট যি কাৰ্য্যৰ পৰা হ্ৰাস হুহৰ তাকে তোমৰা কৰণেসে উচিত। ইথাক তুমি আপুনি জানা, অধিক কি কহিম। আৰ বাকী সমাচাৰ আমাৰ কটকী শ্ৰীবলোৰাম ও শ্ৰীজয়কৃষ্ণৰ মুখে জ্ঞাত হৈবায়। সন্দেশ আমাৰ কটকী বিৰিণাথ নিৰহে নিয়ে বিজয়ৰাম বিক্ৰম সহিতে এইৰূপে দিলে। শক ১৬১৬, পৌষ মাস। ৩৪০ ॥

স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত।

ৰুদ্ৰসিংহলৈ লক্ষ্মীসিংহৰ পত্ৰ।—এতেকে ১৬১৭ শকত শ্ৰীশ্ৰীগদাধৰসিংহ মহা৺ স্বৰ্গগামী হৈল। জয়ন্তা ৰাজা লক্ষ্মীসিংহে যি পঠোৱা পত্ৰ। পাচে শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ ৰুদ্ৰসিংহ মহা৺লৈ পত্ৰ এই,—

এথা কুশল, তোমাৰ কুশল সদা বাঞ্ছা কৰি। পৰং তোমাৰ লিখন পঠাইছিল, সমাচাৰ প্ৰীতিপূৰ্ব্বকে জ্ঞাত হৈলাম। কিন্তু গঙ্গাৰ জলী দুই নাহয়, সত্য-নিবন্ধপূৰ্ব্বক এক ঘৰ প্ৰায় আছে। ৩৪১ ॥

ৰুদ্ৰসিংহলৈ জয়ন্তা ৰজাৰ পত্ৰ।—ববকুকন আমচেঙা কোঁঠৰ পৰা গৈ বৰপানী কোঁঠ পালতহে জয়ন্তা ৰাজাএ দিয়া পত্ৰ এই,—

স্বস্তি পূৰ্ব্ব-পূৰ্ব্ব-পুৰুষাখিল-ধৰ্ম্মপ্ৰতিপালক-পূৰ্ব্বকাপূৰ্ব্ব-ধৰ্ম্মাচৰণ-প্ৰকাশীকৃত-হিম-কুন্দেন্দু-পয়ঃপাৰাবাৰ-ভূতেশ - ঘনসাৰ - প্ৰতিকাশ - যশোৰাশি - বিৰাজিত - সৌমাৰেশ্বৰ-শ্ৰীশ্ৰীযুত-স্বৰ্গনাৰায়ণদেৱ-মহামহোগ্ৰপ্ৰতাপেষু।

সৌহাৰ্দ্দ-পৰমপ্ৰীতিপূৰ্ব্বক-লেখনং প্ৰয়োজনঞ্চ। এথা কুশল, তোমাৰ কুশল-মঙ্গল সৰ্ব্বদা বাঞ্ছা কৰি। পৰং সমাচাৰ এহি,—এতদিন জানিছিলাম গড়গাঞ জয়ন্তী দুই নাহয়, পূৰ্ব্বাবধি সত্য-নিবদ্ধ প্ৰীতিতে প্ৰীতিপূৰ্ব্বক চলিয়া গৈছে। পূৰ্ব্ব ছাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব, ভাটি লোহিত্য উজনী চলিব, তথাপি প্ৰীতিগোট হ্ৰাস নাহৈব। এবে যে প্ৰীতিগোট হ্ৰাস হয় ই কোন উচিত? পৰং সমাচাৰ এহি,—তুমি মঙ্গল কাৰ্য্যৰ নিমিত্ত কটকী পঠাইছিলাই, আমি মঙ্গল কাৰ্য্য দৰ্শন কৰায়া তোমাৰ কটকীও আমাৰ কটকীও বিদায় কৰিছি। আৰ অৰ্জ্জুন, ভকতধূলিতকৈ যে বুলিছিলাই তোমাৰ শত্ৰু পাইলে বান্ধিবৰ কাৰণ, তাৰ ৰাজ্য মাৰিয়া কছাৰী ৰাজাক বন্দী কৰিয়া ৰাখিছি। তাতে লেখিছ কছাৰী ৰাজা তোমাৰে দিবাৰ। এতে আমাৰে মহত্তৰ বেবহাৰ কৰণতা উচিত। তাতে তুমি আমাৰ ৰাজ্য মাৰিয়া আসিতেছ। এতে কালৰ সত্য-নিবদ্ধ তুমি ভাঙ্গিবায়। এই অধৰ্ম্ম আমাতে নালাগে। যদি তাক পাইবাৰে চায় কটকী আসিতে যে বাটে সন্তুষ্ট হয় তাৰে কৰিম। তোমাৰ নিমিত্তে সন্দেশ,—খাসা ১ থান, শৰবন্ধ ১ থান। ইতি, শক ১৬২৯, তাৰিক্ষ ১, মাঘ মাস। ৩৪২॥

জয়ন্তাৰ পত্ৰত বিধাৰণ দোষ।—৺ৰ নাম দেখি লেখাকো সন্দেশকো তাৰ হাতত এইখান বুলি ফিৰাই দিব দিলে,—"পূৰ্ব্বাপৰে ৺ৰ ঠাইলৈ যেমত ধাৰাণে লেখিছে এখনো সেইৰূপেহে লেখিব পাই? কোলপত্ৰ নিদিয়াকৈ যে লিখা দিছে কোনে দিছে? আৰ চিন্ন কি? যদি দিব লাগে পূৰ্ব্ব ধাৰাণে তাঞি আমাৰ উকিল কছাৰী ৰাজা সহিতে শীঘ্ৰে দি পঠাওক। যদিহে দি নপঠাই প্ৰীতিও ৰক্ষা নপৰিব, গো-ব্ৰাহ্মণ বধে তাঞিক পাব। কছাৰী ৰাজাক নাপাও মানে আমি খেদিম। তাঞিৰ লোকজনক আৰি একো নোবোলোঁ। যদিহে প্ৰীতিক নাৰাখি পথেৰ ঘাটি আমাৰ আগ হয় তাক যে লেবিম।" এই বুলি বৰপানী কোঁঠৰ পৰা সেওতক ওলটাই পঠালে। ৩৪৩॥

ৰুদ্ৰসিংহলৈ শ্ৰীহট্টৰ থানাদাৰৰ পত্ৰ।—শ্ৰীহট্টৰ থানাদাৰে আমাৰ শতানন্দ বৈৰাগীৰ লগত হৃদয়ৰাম কটকীক পঠালে। সি অনা এইখান পত্ৰ,—

স্বস্তি সমস্তাস্ত্ৰাভ্যাসাৰাতি-কুল-দমন-দলিত-যশোৰাশি-বিৰাজিত-গেয়াশা-বিবিধ-গুণালঙ্কৃত-স্বধৰ্ম্মনিপুণ-স্বকুলকমল-প্ৰভাকৰ-স্বকৃন্মনঃ-কমল-প্ৰভাকৰ-নৃপবৃন্দে বিজ্ঞ-মহামহোত্তৰ-মহোগ্ৰপ্ৰতাপেষু। প্ৰভৃতি-সম্পাদক-বৰ্ণনিচয়ঃ। সমিহসামৈক্যং তত্ৰ ভৱতামনুবেদমিহেত্তৰাম্।

পৰঞ্চ সমাচাৰ এহি,—প্ৰীতি-পত্ৰ এথা আসি শুভক্ষণে পহুছিল। যেৰূপ নিমক হাৰাম জমন্তা ও কছাৰীৰ কাৰণ লিখিলা সেৰূপ হৈব। প্ৰাচীন আমাৰ পিতা নবাব নাথুল্লাখাঁ মীৰাজী কোঁচবেহাৰৰ ও ৰাঙ্গামাটিৰ সুভা ছিল। তাতে তোমাৰ অধিক প্ৰীত আছিল। অথন প্ৰীত পায়া আমাৰ অন্তঃকৰণ অধিক প্ৰীতি উৎপন্ন হৈল। পৰস্পৰ প্ৰীতি প্ৰতিপালন উচিত। আপনে লেখিছিলা ‘ৰামনিয়াৰখাঁৰ যোগে ৰঙ্গামাটি পথক্ৰমে ৺ সঙ্গে প্ৰীতি হৈয়াছে’। এতে ৺ কাৰণ। এক্ৰমে বহুত অধিক প্ৰীতি হৈব। ৺ অধিক প্ৰীতি এতে অনেক-ৰূপ কাৰ্য্য হৈব। অল্প দিবস হয় আমি এথা আসিয়াছি। থানাৰ কাৰ্য্যতে প্ৰবৃত্তি হৈয়াছি। এদিগেৰ থানা দৃঢ় কৰিয়া সেদিগে থানাত ফৌজ পঠাইতেছি। আৰ তোমাৰ মনুষ্যৰ মুখত সমাচাৰ শুনিয়া প্ৰত্যুত্তৰ কহিআছি, শুনিবা। আপনে লেখিছিলা দ্ৰব্যৰ কাৰণ লিখিবাৰ। তাতে সকল দ্ৰব্যই প্ৰীতিৰ অধীন। এখন যে আমাতে উপাখ্যেত হয় তানে লিখিয়া পঠাব। আৰ তোমাৰ যে দ্ৰব্যৰ কাৰণ থাকে তাকে লেখিবা। এথনে ভাল দ্ৰব্য উপস্থিত নহয় কাৰণ উত্তম দ্ৰব্য নপঠাইলাম। আৰ আমাৰ মনুষ্য পঠাইতেছি, তাহাতে সকল গোচৰ হৈবা। আমাৰ মনুষ্য শীঘ্ৰে বিদাই দিবা, এমত কৰিবা। তোমাৰ আমাৰ মনুষ্য সৰ্ব্বদায়ে প্ৰেম পত্ৰ লৈয়া গতাগত কৰে, কুশলাদি বাৰ্ত্তাএ সন্তোষ কৰে, এ জ্ঞাত কৰিলাম। কিমধিকং বিজ্ঞবৰেষিতি। ইতি, শক ১৬২৯, তাৰিখ ১৫ মাঘ।

সন্দেহ আনিছিল,—পাটুকা কাপৰ ১, পাগুৰি ১, সাল ১, গুলবাটী আতলাচ ১, এলচা ১, আতলাচ ৫, মুঠত ১০ খান। ৩৪৪ ॥

হৃদয়ৰাম কটকীক তোলা।—চাৰিখটাত ৰবৰকৰা, ৰবমুকন একে দলচাতে বসি ৺ৰ আজ্ঞাএ হৃদয়ৰাম কটকীক আনি বুলিলে,—"আৰ সিদ্ধান্ত আমাৰ দিয়া পত্ৰতে আছে, চালে পাব। তঞি থানাদাৰত কহিবি আমি পূৰ্ব্ব প্ৰীতিতে ৰহিছোঁ। যাত হন্তে প্ৰীতিগোট বৃদ্ধিক লভে তাহাৰ পৰিচিন্তনত থাকিবেক।" ৩৪৫ ॥

শ্ৰীহট্টৰ থানাদাৰলৈ পত্ৰ।—এইখন আমাৰ দিয়া পত্ৰ,—

স্বস্তি নিখিল-কল্যাণ-নিলয়-নিজগুণাম্বৰপ্ৰিত-সকল-সজ্জন-মানস, স্বামল-কমল-কুল-প্ৰকাশ-কাৰণ-শ্ৰীযুত-চিল্‌হট্ট-স্থানাদাৰপ্ৰতি লেখনং প্ৰয়োজনঞ্চ।

পূৰ্ব্ব সমাচাৰ এহি,—তোমাৰ পত্ৰ-সমাচাৰ পহুছিল, তাহাৰ শুনিয়া পৰম প্ৰসন্ন হৈলাম। আৰ তোমাৰ পিতা সমেত পূৰ্ব্ব প্ৰীতি স্মৰায়া এই ক্ৰমে অধিক প্ৰীতি হৈব হেন যি লিখিছা এ বিশেষ। কিন্তু পৰস্পৰ যেমনে প্ৰেত্য হয় তেমন কৰিবা। আৰ জয়ন্তাও কছাৰীও আমাৰ ঠাইত নিমকহাৰাম কৰিলেক, তাৰ কাৰণে ৺এ তাৰে যে অৱস্থা কৰিলেন তাহাক তুমি দেখিয়াছি। অতএৱ তোমাৰ মাজে যেমনে বৈগাড় নয় সেই কৰিবা। আৰ তোমাৰ আমাৰ মধ্যে সীমাৰ নিবন্ধ এহি।—ইস্তাবধি জয়ন্তাত কছাৰীত অধিক কৈল। তাহাত আমি অন্য বঢ়া নকৰিব, ও তুমিও সেই সীমাত্তে ৰহিবা। প্ৰেত্য ৰাখি তাক কৰিবা। অতপৰ উভয় তৰফেৰ কুশলাদি সমাচাৰ যেমনে গতাগত হৈয়া থাকে সেই কৰিবা। আৰ তোমাৰ পত্ৰ মনুষ্য সহিত আমাৰ মনুষ্য শীঘ্ৰে বিদায় দিবা। কিমধিকং বিজ্ঞেষ্বিতি। শক ১৬২৯, তাৰিক ফাগুন। ৩৪৬ ॥

হৃদযৰাম কটকীৰ বিদায়।—বচনেও এইখান বুলি তাক বিদায় দিলে,—"হৃদয়ৰাম, তোক আজি বিদায় দিলোঁ। চিল্‌হট্টৰ থানাদাৰে যি লেখা দিছে তাৰ সিদ্ধান্ত পত্ৰতে চালে পাব। বচনে তঞি এহিখান কহিবি,—'প্ৰীতিত গতাগত কৰিবৰখান যি কহিছে হাট-বাটখানো অবিৰোধে যদি চলিব, দুই দিগেৰ গো-ব্ৰাহ্মণ যেমত হন্তে ৰক্ষা পৰিব তাক যদি ৰক্ষা কৰিলে, প্ৰীতি পত্ৰ বা কিসক নচলিব? ইহাতে যদি বিপৰীত হৈল তেবে তাৰ পৰা যেমন হৈব তাক তঞি আপুনি জানে।' এখন বহাত জিবাই থাকয়ে, আনিলা আপোন দেশক যাবি।" ৩৪৭ ॥

বৰফুকনৰ ওচৰত খৈৰামৰ উকীল।—১৬২৬ শকৰ মাঘ বৈশাখত খৰামী ৰজাএ এবং, দুখীয়াক পঠাই প্ৰীতিক ইছা কৰি পাত্ৰ-বৰফুকনত প্ৰাৰ্থনা কৰি দুৱৰীয়াক নিবলৈ আসিল। বৰফুকনেও ৰুদ্ৰসিংহ ৺লৈ জনাই কমাৰ দুৱৰীয়াকে, নিৰ্ম্মল তামূলীকে পঠাই দিলে দুইৰ লগত। পাচে দুৱৰীয়া, নিৰ্ম্মল তামূলীৰ লগত খৈৰামী ৰজাও কিনা, জগত, উলালক পঠাই এহিখান বুলি পঠালে, বোলে,—“পূৰ্ব্বে লাবুন, উমাই বৰফুকনকো সেৱা কৰিছে, ৺কো সেৱা কৰিছে। সেই দিনৰ দীঘল কেক, কুনমিন আমাৰ ঠাইত আজিও আছে। এতিয়ানো আমাৰ মানুহ কিসক যাব নাপাইছে? এখনো তহঁত যা, বৰফুকনক সেৱা কৈ আহগৈ।” তেবে দুৱৰীয়া, নিৰ্ম্মল তামূলী সহিতে তাৰ কটকী আসি লতাশিলৰ ওপৰতে উজনীখনিতে আছিল, তাতে বোজো দিছিল। পাচে দপদৰলৈ অনাই উঠি ৰহিলত পাত্ৰ-বৰফুকনে সুধিলে, বোলে,—“কিনা, জগত, উলাল, তহঁত যেখন আহ খৰাম ৰজা কুশলে আছে?” ৩৪৮ ॥

* * *

—:0:—

JAYANTIA BURANJI.

SYNOPSIS

LEGENDARY PERIOD.

CHAPTER I. EARLY HISTORY OF JAYANTIA.

Humiliation of Indrasenrai, King of Jayantia, by Bhima, the *Mahabharata* hero.

Birth of Jayantarai's daughter Jayanti Devi, an incarnation of Durga.

Jayanti's marriage with Landhabar, son of Chandibar, the royal priest.

Jayanti made Queen Regnant at Jayantipur with the title of Rani-Singha.

Landhabar exiled for his profligacy and resides with Suttanga Garo.

Landhabar marries Matchyodari, a divine damsel sprung from a *Barali* fish.

Birth of Bargohain, son of Landhabar and Matchyodari.

Bargohain's march against Jayantia.

Jayanti Devi renounces the throne in favour of Bargohain, so of Matchyodari, her sister.

Jayanti Devi goes down the earth.

Bargohain excavates the site of his aunt's disappearance and discovers there a copper piece, which is engraven into an image of Jayanti Devi, the tutelary goddess of the Jayantia people.

Names of Bargohain's successors on the throne of Jayantia.

HISTORICAL PERIOD.

CHAPTER II. HOSTILITIES BETWEEN JAYANTIA AND CACHAR.

Kacharis' trade with Bangals at Syrat (Sylhet) through Mulagul.

Jayantias' objection and plunder of Kacharis' commodities.

Kachari Raja's march against Jayantia. Defeat of Jayantia. Mulagul is fixed as the boundary between Jayantia and Cachar.

Treacherous murder of a number of Jayantias by the Kacharis on the bank of the Kapili.

Nawab Jamalkhan demands a tribute of two elephants from the Kachari Raja Jasanarayan Jasanarayan's refusal. Jamalkhan with the permission of Emperor Shah Jahan attacks the Kacharis.

Defeat of Jamalkhan, and capture of Jayantia Raja Dhanamanik by the Kacharis.

Mysterious escape of Dhanamanik from the Kachari prison.

Jasamanik succeeds his father Dhanamanik on the Jayantia throne.

CHAPTER III. AHOM-JAYANTIA RELATIONS.

Pratap Singha, King of Assam, 1603-1641 A.D.

Jasamanik's alliance with Pratap Singha by marrying his daughter to the latter.

Kacharis' obstructions to the Ahoms in bringing down Jayantia princess through Satgaon and Teteliguri.

Fight between the Ahoms and the Kacharis.

Sondar Gohain, the Ahom General, killed by the Kacharis. Victory of the Kacharis.

Establishment of a fair at Phulaguri by the Jayantias with the permission of the Ahoms.

Jayantias set fire to the Kalang outpost and reconstruct it on receiving threats from Sandikai Barphukan.

Surampha Bhaga Raja, King of Assam, 1641-1644 A.D.

Jasamanik's offer of his daughter for marriage to Bhaga Raja.

List of ornaments and cloths sent by the Ahom king for the Jayantia princess.

CHAPTER IV AHOM-JAYANTIA RELATIONS

Jayadhwaj Singha, King of Assam, 1648-1663 A D.

Jasamattarai on the Jayantia throne

Confinement of Juhari Mudai, an Ahom merchant, in Jayantia

Jayantia's refusal to release Juhari Mudai

Capture of Jayantia traders by the Ahoms

Jayantia's envoy to Ahom king captured by Bangals

Ahom king's regret at the capture of the Jayantia envoy

Letter from the Ahom king to Jasamattarai, Jayantia Raja

Letter to the Ahom king from Jayantia Raja expressing sympathy for the invasion of Assam by the Moguls under Nawab Mir Jumla

Letter to the Ahom king from Raja Manik Singha of Nartang expressing pleasure at the Ahom king's success in concluding peace with the Moguls

CHAPTER V AHOM JAYANTIA RELATIONS

Chakradhwaj Singha, King of Assam, 1663-1669 A D.

Letters from the Ahom king to the Raja of Jayantia and the Chief of Nartang expressing gratefulness for the sympathy shown to him

Jasamattarai's letters to the Ahom king, the three Gohains and Barphukan soliciting the continuation of friendship between the two countries

Replies to the above letters stating that friendly relations would continue provided the Jayantia Raja observes the formalities

Jasamattarai's letters to the Ahom king and his minister Rukma Buragohain communicating his desire to give his daughter in marriage to the Ahom king

Jasamattarai congratulates the Ahoms for their success in re-occupying Gauhati from the Moguls, and volunteers to despatch soldiers for the aid of the Ahoms

Letters from the Ahom king and the three Gohains with a request for Jayantia's troops

Man Singha's accession to the Jayantia throne after the death of Jasamattarai

Man Singha receives Ahom envoys Nirah and Birina.

CHAPTER VI. AHOM-JAYANTIA RELATIONS.

Udayadittya Singha, King of Assam, 1669-1673 A.D.

Pratap Singha ascends the throne of Jayantia by deposing Man Singha.

Despatch of Jayantia envoy Ramai to the Ahom court to pray for the return of Dimarua.

Lakshmi Singha ascends the Jayantia throne by killing Pratap Singha.

Lakshmi Singha's letter and envoy to the Ahom court proposing to marry his daughter to the Ahom king, also requesting the cession of Dimarua to Jayantia.

Letter from Rukma Buragohain stating that the Ahoms have conquered Dimarua from the Moguls, hence it cannot be ceded to Jayantia.

List of ornaments and cloths from the Ahom king for the daughter of Lakshmi Singha.

CHAPTER VII. AHOM-JAYANTIA RELATIONS.

Ramadhwaj Singha, King of Assam, 1673-1674 A.D.

Ornaments and cloths sent for the Jayantia princess are not accepted as the Ahom king to whom the princess was to be married dies in the meantime.

Lakshmi Singha's letter to the Ahom king praying again for cession of Dimarua.

CHAPTER VIII. AHOM-JAYANTIA RELATIONS.

Sujinpha Raja, King of Assam, 1675-1679 A.D.

Rukma Buragohain's reply to Jayantia that Dimarua is annexed to the Ahom territory by defeating twenty-two Omraos headed by Syed Babakar. Later on Dimarua is saved by the Ahoms from the attack of Syed Piroj ; hence Jayantia has no claim over Dimarua.

CHAPTER IX. AHOM-JAYANTIA RELATIONS.

Gadadhar Singha, King of Assam, 1681-1696 A.D.

Seven letters and their replies interchanged between the Jayantia Raja and the Ahom Barphukan desiring that the friendly relations between the two countries should not be destroyed for petty differences.

CHAPTER X. AHOM-JAYANTIA RELATIONS.

Rudra Singha, King of Assam, 1696-1714 A.D.

Jayantia Katakis' reception by Barphukan at Dopdar.

Respective seats of Barphukan, Beltolia Raja, Khutabhanga Raja, etc., at the viceregal Darbar at Gauhati.

Rules of formalities have to be observed by Jayantia envoys at the Gauhati Darbar.

Capture and imprisonment of Bairagi Kowanr, the ruler of Bangaon, by the Barphukan.

Ram Singha I, succeeds Lakshmi Singha on the throne of Jayantia.

Rudra Singha's preparations for war against the Kacharis.

Imprisonment of Kachari Raja Tamradhwaj by Jayantia Raja.

Rudra Singha's expedition against Cachar and Jayantia.

Jayantia's defeat in several successive engagements

The Rajas of Cachar and Jayantia are brought as prisoners before Rudra Singha at Biswanath.

Death of Ram Singha I, Raja of Jayantia, at Rangpur.

Revolt of the Raja of Rani against the Ahoms Execution of the Rani Raja with his principal accomplices.

Repulse of the Nagas who attack Rudra Singha at Jatiarang.

CHAPTER XI. AHOM-JAINTIA RELATIONS.

Siva Singha, King of Assam, 1714-1744 A. D.

Prosperity of Jayantia.

Invasion of Gobha, Neli and Khola by Siva Singha.

New honour conferred on Dimarua Raja by the Ahoms.

List of articles acquired by the Ahoms on the conquest of Gobha, Neli and Khola.

Jayantias' prayer to the Ahom king for trade facilities at Phulaguri.

Distance from Jagi to the Jayantia Raja's palace, 467,400 Beos or 3,739,200 cubits.

Distances between intermediate stages.

CHAPTER XII. AHOM-KHYRIM RELATIONS. *

During the reign of Rudra Singha, King of Assam, 1695-1714 A. D.

During the reign of Gaurinath Singha, King of Assam, 1780-1795 A. D.

CHAPTER XIII. RELATIONS WITH BHUTAN AND JAYANTIA.

Kamaleswar Singha, King of Assam, 1795-1811 A.D.

Reception of Bhutanese envoys at the court of the Ahom King Kamaleswar Singha in 1802 A D.

Reception of the Jayantia envoys at the court of the Ahom King Kamaleswar Singha in 1803 A. D.

HISTORY OF KHYRIM.

A. During the Reign of Rudra Singha, King of Assam, 1696-1714 A.D.

Santosh Bangal of Pandua flees from Jayantia and takes refuge in Dimarua.

The Dimarua Raja hands over Santosh to Kina Barua of Khyrim

Santosh becomes rich and Kina Barua proposes to send him up to the capital of Khyrim

Santosh again seeks refuge in Dimarua where he is detained in custody

Khyrimis seeing the plight of Santosh relax their trade activities, and attend markets properly armed.

The Ahom Viceroy at Gauhati was called Barphukan, and the Assamese officer guarding the frontier of Assam and Khyrim was known as Duaria

The Barphukan advises the Duaria to persuade the Khyrimis to seek the protection of the Ahom Government if they desire to revive their trade.

---

* A detailed analysis of this chapter is subjoined under the heading "History of Khyrim."

The Khyrim Raja Barmanik deputes a Mantri to the Duaria to initiate negotiations for friendship

The Barphukan being aware of the Khyrim Raja's move, procures orders from the Ahom King Rudra Singha to promote proposals for friendship

The Barphukan inspires the Khyrimias to seek the protection of the Ahom king voluntarily

Kina Barua expresses his anxiety to establish friendly relations between Assam and Khyrim

The Khyrim envoys Sangat, Phal-meleng and Kina approach the Duaria with proposals for friendship between Assam and Khyrim

The Barphukan deputes Bharath and Haridham to meet the Khyrim envoys and to encourage the negotiations

The Khyrim Raja insists on the Duaria's personally coming to Khyrim to receive the proposals

The Barphukan replies that the demand for the Duaria's presence at Khyrim should be made to him personally at Gauhati

The Khyrim envoys do not like to proceed to Gauhati alone as Gauhati is an unknown place to them they desire that the Duaria should escort them to Gauhati.

The Duaria refuses to escort the Khyrim envoys to Gauhati and proposes that the envoys should go to Gauhati alone

The Khyrim envoys still refuse to go to Gauhati

The Duaria contrives the appointment of Santosh Bangal as Barua by the Dimarua Raja who also gives Santosh a seat of distinction at court

Kina Barua becomes jealous of Santosh's distinction and proposes to go to the Barphukan at Gauhati to establish friendship and revive trade facilities

The Khyrim envoys Jong Dukhia Chaburah, Lapit Jam, Janur proceed to Gauhati with the Duaria

The Khyrim envoys reach Gauhati on Wednesday, *Jeth* 28, 1626 *Saka*, or June 11, 1704 A D where they are formally received at court by the Barphukan three days after

The Khyrim envoys offer the presents they brought from their Raja to the Barphukan

The Khyrim envoys explain the object of the embassy, *viz*, to re-establish friendly relations between the two countries They also seek an interview with the Ahom king at Rangpur, near Sibsagar

The Barphukan assures serious consideration of the Khyrin Raja's proposals.

Barmanik, Siem of Khyrim, died in June 1704. The Ahom king demands confirmation of the previous proposals by the new Siem of Khyrim.

The Khyrim envoys leave Gauhati on Tuesday, *Ashar* 28, 1626 *Saka*, or July 6, 1704 A.D.

The Khyrim envoys return to Gauhati with proper instructions from their Raja. They are again received by the Barphukan on Sunday, *Sravan* 18, 1626 *Saka*, or August 3, 1704 A.D.

The Khyrim envoys leave Gauhati on their return journey on Tuesday, August 5, 1704 A.D in company of the Duaria with presents for their Raja.

The Assamese envoys are received by the Khyrim Raja with proper ceremony. The Assamese envoys repeat assurance of friendship between Assam and Khyrim.

B. During the reign of Gaurinath Singha, King of Assam, 1780-1795 A.D.

The Ahom King Gaurinath Singha orders the Barphukan through Siva Kataki that the Khyrim envoys should be received at Gauhati with due honour and ceremony as they are men of another territory.

The Barphukan makes arrangements to receive formally the Khyrim envoys at his court on Friday, *Baisakh* 4, 1708 *Saka*, or April 17, 1786 A. D.

An area of ten acres of land is cleared for the purpose near the western gate of Gauhati.

Two big houses are erected for the reception of the envoys. The posts and the roofs are draped with costly cloths, and the floor is covered with velvet.

The ceremony is attended by all the officers, civil and military, attached to the Barphukan's establishment, as well as by the Rajas of Darrang, Beltola and Rani.

The audience-hall is guarded by soldiers armed with goldplaited shields and swords.

On both sides of the passage musicians sing songs to the accompaniment of instruments.

All the different kinds of cannons and flint-guns are mounted at regular intervals.

Elephants and horses duly caparisoned and harnessed are placed in rows near the hall.

There is a fair outside the enclosure. Merchants and female traders sit on blankets and smoke tobacco from luxurious and fashionable hubble-bubbles.

Gold and silver wares as well as rich garments are sold in the fair.

There are near the fair crowds of men from Kamrup and Darrang.

The Garos of Rani and the frontier outposts play with their shields and swords accompanied by their customary yells in the battle-fields.

At 12 noon the Barphukan inspects the different parts of the enclosure and the surroundings, attired in full ceremonial costumes : he then enters the audience-hall.

The Barphukan orders the distribution of flowers and sandal pastes to the members of the audience.

Ramchandra Bora brings in the Khyrim envoys from the eastern gate of Gauhati where they have their camps.

The envoys enter the hall of audiences kneeling down seven times. They place the receptacle containing the presents on plaintain leaves and then sit on a white blanket

Bholai Tekela Bora introduces the Khyrim embassy to the Barphukan and also announces the names of the envoys and the presents brought from their Raja.

The Khyrim embassy consists of one Khar Kowanr, six Baruas of the different frontier outposts of Khyrim, and three envoys. Manurai is the leader of the embassy

The Barphukan enquires about the welfare of the Khyrim Raja.

Manurai replies that the Khyrim Raja was doing well when the embassy had left Khyrim, but he cannot say what has transpired in the meantime

Manurai represents that the Khyrim Raja seeks the protection of the Ahom king, and the latter should now see that the Khyrim Raja lives in peace and prosperity.

The names of the Khyrim envoys are .—Khar Kowanr, Mayo, Lung, Burilung, Khung, Narleng, Khopati, Maranga and Manurai.

The Barphukan then asks the Khyrim envoys to retire to their camp and promises to give them a considered reply before their departure, adding,—" No success can remain without being achieved by the Khyrim Raja if, throwing himself under the protection of the Ahom king, he lives in a loyal manner."

The Barphukan then bids adieu to the Rajas of Darrang, Beltola and Rani and declares the cetemony to be at an end.

APPENDIX

HOSTILITIES BETWEEN JAYANTIA AND CACHAR.

Lukura Patar of Jayantia plunders eight Kachari villages.

Through the diplomacy of Tukuria, the Jayantia Raja ceases hostility towards the Kacharis.

Sudden attack of the Kacharis on the Jayantias at midnight. Capture of Jayantia Raja by the Kacharis.

Humiliation of the Jayantia Raja by the Kachari Raja.

Treacherous murder of a number of Jayantias by the Kacharis on the bank of the Kapili

Nawab Jamal Khan's demand from the Kacharis of an extra elephant in addition to the two usually supplied. Kacharis' refusal. Jamal Khan with the permission of Emperor Shah Jahan attacks the Kacharis.

Kachari Raja Jasanarayan stops the attack of Jamal Khan with a promise of tribute

Kacharis' sudden attack on the Moguls at night. Defeat of Jamal Khan. Capture of Jayantia Raja Jasamanik by the Kacharis

Mysterious escape of Jasamanik from the Kachari prison.

AHOM-JAYANTIA RELATIONS.

During the reign of Pratap Singha, King of Assam, 1603-1641 A.D.

Jasamanik desires friendship with the Ahoms, hoping that they will be his saviour from the Kacharis

Hostilities between the Ahoms and the Kacharis.

The Ahoms conciliate the Kacharis when Syed Babakar comes to invade Assam

Establishment of a fair at Phulaguri by the Jayantias with the permission of the Ahoms.

Jayantias burn the Kalong outpost.

Four Jayantia princesses in the Ahom royal harem.

List of Jayantia Rajas.

During the reign of Chakradhwaj Singha, King of Assam, 1663-1669 A.D

Letter from King Chakradhwaj Singha to Jayantia Raja acknowledging receipt of the latter's letter and instructing him to preserve the friendly relations between the two countries

During the reign of Udayaditya Singha, King of Assam 1669-1673 A D

Letter to King Udayaditya Singha from Jayantia Raja Lakshmi Singha asking to send envoys and letter in conformity with the prevailing rules

Letter from Lakshmi Singha to the three Gohain headed by Rukma Buragohain

During the reign of Ramadhwaj Singha, King of Assam, 1673-1674 A. D.

Jayantia envoy's arrival at the Ahom court with five letters The letter addressed to the Ahom King is refused for being defective

During the reign of Gadadhar Singha, King of Assam, 1681-1696 A.D.

Jayantia Raja's letter to the Barphukan

Jayantia Raja Lakshmi Singha's letter dated 21st *Chaitra* 1606 *Saka*, to the Barphukan, stressing the friendship between to two countries

Jayantia Raja's letter to Sandikai Barphukan requesting to send Assamese envoys as a mark of freindly relations

Sandikai Barphukan's letter to the Jayantia Raja.

During the reign of Rudra Singha, King of Assam 1696-1714 A D

Letter, dated 1617 *Saka*, from Jayantia Raja Lakshmi Singha to King Rudra Singha on the subject of freindly relations between Jayantia and Assam.

Letter, dated 1629 *Saka*, 1st *Magh*, from Lakshmi Singha to King Rudra Singha, stating that the established freindship may be impaired through the fault of the latter.

Refusal of the above letter for not being despatched in conformity with the prevailing rules.

Friendly letter, dated 1629 *Saka*, 15th *Magh*, from the Thanadar of Srihatta to King Rudra Singha.

Formal reception of the Srihatta envoy Hridaynarayan by Barbarua and Barphukan jointly at Saraighat.

Formal leave to Hridaynarayan Kataki to return to his country.

Two Khyrim envoys approach the Barphukan in *Baisakh* 1626 *Saka* with a prayer for freindly relations between Khyrim and Assam.



GOVERNMENT OF ASSAM



DEPARTMENT OF HISTORICAL AND ANTIQUARIAN STUDIES, ASSAM

D. H. A. S. Publications for Sale.

The Department has published several old historical masterpieces in English and in Assamese, edited on most up-to-date lines by Rai Bahadur Professor S K Bhuyan Each Assamese chronicle is furnished with Preface and Introduction in English and Assamese, and Marginalia against each paragraph The *Asamar Padya-Buranji* the *Kachari Buranji* and the *Jayantia Buranji* have elaborate synopsis in English Publication No 6, *Tungkhungia Buranji*, is the first systematic English translation of an Assamese chronicle In the paucity of written and authentic record about Jayantia and Cachar, our publications *Jayantia Buranji* and *Kachari Buranji* will serve as valuable sources of information to all interested in the history of the two kingdoms The Persian chronicle *Baharistan-i-Ghaybi*, the only extant manuscript of which is in the Bibliotheque Nationale of Paris, is already well-known to scholars in India The complete English translation of this chronicle, published for the first time, will be a valuable mine of information to students of Mogul history

List of Publications

1. **Assam Buranji.**—A history of Ahom rule in Assam, 1228-1826 A D An enlarged version of Kasinath Tamuli-Phukan's chronicle by Harakanta Barua Pages xii + 152 Cloth, Rs 2-8-0 , Paper cover, Re 1
2. **Kamrupar Buranji.**—A detailed history of the Assam-Mogul conflicts Pages xvii + 152 Cloth, Rs 2-8-0 Paper cover, Re 1
3. **Deodhai Assam Buranji.**—A collection of old chronicles dealing with the earlier Ahom history, neighbouring tribes, Ahom customs, etc Pages lxx + 222. Cloth, Rs 3
4. **Asamar Padya-Buranji.**—Two metrical chronicles of Assam, 1679-1819 A D , by Dutiram Hazarika and Bisweswar Vaidyadhipa respectively Pages lv + 278 Synopsis in English, pages 279-308 Cloth, Rs 3.

5. **Tungkhungia Buranji.**—A history of Assam from 1681 to 1806 A.D., by Srinath Barbarua of the Duara family. Pages xlvii+186. Cloth, Rs.2-8.

6. **Tungkhungia Buranji.**—A history of Assam from 1681 to 1826 A.D., in English. With Genealogical Tables, Bibliography, Glossary and Index. Published by the Oxford University Press.* Pages xxxii+262. Cloth, Rs 10.

7. **Bulletin No.1.**—With an Introduction by His Excellency Sir Laurie Hammond, Governor of Assam, 1927-1932. Pages viii+48. Re. 1.

8. **Bulletin No.2.**—With an Introduction by His Excellency Sir Michael Keane, Governor of Assam, 1932-1937. Pages xii+76. Re. 1.

9. **Kachari Buranji.**—A history of Cachar from the earliest time to the reign of the Kachari Raja Tamradhwaja Narayan and the Ahom King Swargadeo Rudra Singh. With a frontispiece of King Rudra Singha receiving the homage of the Rajas of Cachar and Jayantia Pages xxxiv+124 ; Synopsis in English, pages 125-143 ; and An Episode in the History of Kacharis, pages 144-149. Re. 1-8.

10. **Jayantia Buranji.**—A history of Jayantia from the earliest time to the reign of Jayantia Raja Lakshmi Singha and the Ahom King Swargadeo Siva Singha ; Jayantia matriarchal system ; History of Khyrim. With an Introduction by Mr. S. K. Dutta, B.A. (Cal.), B.Sc. (Lond.), Barrister-at-Law, Honorary Assistant Director of the Department of Historical and Antiquarian Studies for the Brahmaputra Valley Division ; and a frontispiece of King Rudra Singha receiving the homage of the Rajas of Cachar and Jayantia. Page XXIV+177 ; Synopsis in English, pages 179-190. Re. 1-8.

11. **Baharistan-I-Ghaybi.**—A history of the conflicts of the Moguls with Assam, Bengal, Bihar and Orissa during the first three decades of the seventeenth century, by Mirza Nathan, Mogul Fouzadar at Gauhati. Translated from the original Persian by Dr. M. I. Borah, M.A., B.L. (Dac.), Ph.D. (Lond.), Head of the Department of Persian and Urdu in the University of Dacca. In two Volumes, pages xxix+933. Cloth, Rs.10 per set

---

* This book can be had of the publishers—Oxford University Press, Mercantile Buildings, Lal Bazar Street, Post Box No.530, CALCUTTA ;

12. **Bulletin No.3.**—Containing (1) the speech of His Excellency Sir Michael Keane, Governor of Assam, at the Opening Ceremony of the Narayani Handiqui Historical Institute ; (2) Honorary Provincial Director's Speech ; (3) Account of the opening Ceremony , (4) Introductions to Bulletins I and II ; (5) Extracts from the D. H A. S. Publications. With portraits of His Excellency Sir Michael Keane, Rai Bahadur Radhakanta Handiqui, Mrs Narayani Handiqui Sir Edward Gait, Narayani Handiqui Historical Institute, etc. Published in August, 1936 Pages iv+52 Re 1-8.

13. **Tripura Buranji.** Or *Tripura Desar Katha* A historical and descriptive account of Tripura, with special reference to the events of 1710-1715 A D , by two Assamese ambassadors of King Rudra Singha, 1696-1714 A D From the original manuscript in the British Museum, London *In the Press*

In addition to the above the following Government publications have been stocked for sale,—

1. **Ahom-Buranji** (with parallel English translation) --From the earliest time to the end of Ahom rule Translated and edited by the late Rai Sahib Golap Chandra Barua Price Rs 6

2. **Descriptive Catalogue of Assamese Manuscripts.**--By the late Srijut Hemchandra Goswami. Contains description of several representative ancient Assamese manuscripts Price Rs 5


3. **Ghora Nidan** Edited by the late Srijut Tarini Charan Bhattacharjee A treatise on the ailments of horses and their remedies Price Re 1-6

4. **Assam Buranji.**—By Kasinath Tamuli Phukan A history of Assam from 1228 to 1833 A D Price Rs 2-8.

To be had of :

Office of the Department of Historical and Antiquarian Studies,
Narayani Handiqui Historical Institute,

GAUHATI, ASSAM, INDIA.



A. G. P. (Edn.) No. 25—500—15-11-1962.